
# অসমীয়া সমাজলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান

দিপজ্যোতি হাজৰিকা



যিজন মহাপুৰুষ অসমভূমিত অৱতাৰ হৈ নিৰ্জীৱ জনম ভূমি অসম মাতৃক সজীৱ কৰিলে, যিজন মহাপুৰুষে পথভ্ৰষ্ট অসমবাসীক জ্ঞানৰ পথ, মুক্তিৰ সন্ধান দিলে; যিজন মহাপুৰুষৰ অসম লিখনিৰ প্ৰভাৱত মাতৃভাষা আজিও জিলিকি আছে, সেইজন মহাপুৰুষে অক্লান্ত পৰিশ্ৰমৰ মাজেদি একশৰণ নামধৰ্ম প্ৰচাৰ কৰি অসমবাসীৰ অন্তৰত প্ৰেমৰ নদী বোৱালে, সেইজন জগত গুৰু শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতি জয়জয়তে প্ৰণাম।

মহাপুৰুষজনাৰ অনেক সাধনা, কষ্ট, স্বাৰ্থত্যাগ, প্ৰেম-প্ৰীতি সৰলতাৰ বান্ধোনেৰে উভৈনদী, যিজনা মহাপুৰুষ একেধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, ওজা, গায়ক; যিজনৰ নৃত্য ভঙ্গীমাত অসমৰ চৌদিশ নৃত্যৰত হৈ পৰিছে; যিজনাৰ গুণ-গৰিমা ভক্তিৰ সোঁতে ভাগৱতী (বৈষ্ণৱ ধৰ্ম) নতুন সূত্ৰেৰে অসমৰ সকলো প্ৰজাকে এডাল মাথো চিঙিব নোৱাৰা ভক্তিৰ ৰচীৰে কটকটীয়াকৈ বান্ধি পেলাইছে; সেইজনা মহাপুৰুষৰ অসমীয়া ৰাইজলৈ বহু অনবদ্য অৱদান আছে।

অসমীয়া সমাজলৈ শংকৰদেৱৰ বহুমুখী দানৰ ক্ষেত্ৰত তেখেতৰ কাপৰ পৰা ওলোৱা অমৰ লেখনিৰাজিয়ে অন্যতম স্থান অধিকাৰ কৰি আছে। কবিৰ ভাষাত—

"জালিকটা যিকেইডাল আছে পুষ্পহাৰ
সেয়েহে মাথোন ভাষা কৰিছে পোহৰ"

তেখেতৰ ৰচনাৰাজিক গঢ় আৰু ৰূপ অনুসৰি পাঁচটা ভাগত ভাগ কৰিব পাৰি—

(১) কাব্য— (ক) হৰিশ্চন্দ্ৰ উপখ্যান, (খ) ৰুক্মিণী হৰণ কাব্য, (গ) বলিচলন, (ঘ) অমৃত মন্থন, (ঙ) গজেন্দ্ৰ উপাখ্যান, (চ) অজামিল উপাখ্যান, (ছ) কুৰুক্ষেত্ৰ।

(২) ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ— (ক) ভক্তি প্ৰদীপ, (খ) ভক্তি ৰত্নাৱলী, (গ) নিমি নৱসিদ্ধ সংবাদ, অনাদি পাতন।

(৩) অনুবাদমূলক গ্ৰন্থ— (ক) ভাগৱতৰ প্ৰথম, দ্বিতীয়, দশম, একাদশ, দ্বাদশ স্কন্ধ।

(৪) অঙ্কীয়া নাট— (ক) পত্নী প্ৰসাদ, (খ) কালিয় দমন, (গ) কেলিগোপাল, (ঘ) ৰুক্মিণী হৰণ, (ঙ) পাৰিজাত হৰণ, (চ) ৰাম বিজয়।

(৫) গীত— (ক) বৰগীত, (খ) ভটিমা,

(৬) নাম প্ৰসঙ্গকেন্দ্ৰিক গ্ৰন্থ— (ক) কীৰ্তন (খ) গুণমালা।

ওপৰত উল্লিখিত গ্ৰন্থৰাজিয়েই শংকৰদেৱৰ অসমীয়াৰ সাহিত্য ভঁৰাললৈ অন্যতম অৱদান। ইয়াৰ ভিতৰত কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন, বৈষ্ণৱ সাহিত্যৰ কীৰ্তিস্তম্ভ কীৰ্তন হ'ল অসমীয়া সমাজ তথা ৰাইজৰ অমূল্য সম্পদ। কম পৰিসৰতে একোটা আখ্যান বা ঘটনা পৰ্যাপ্তভাৱে পাঠক-পাঠিকাৰ বা শ্ৰোতাৰ মন আকৰ্ষণ কৰি তোলাতেই শংকৰদেৱৰ কৃতিত্ব ফুটি উঠিছে।

আন আন জাতিয়ে নিজ নিজ জাতিৰ মহাপুৰুষ সকলক লৈ যিমান গৌৰৱ কৰিব পাৰে, আমি অসমীয়া ৰাইজে বা সমাজে শংকৰদেৱক লৈ তাতকৈ বেছি গৌৰৱ অনুভৱ কৰিব নোৱাৰোঁনে? নিশ্চয় পাৰোঁ। আজি আমাৰ কৰ্তব্য হ'ল শংকৰদেৱৰ অৱদানবোৰৰ উপকাৰিতা ভালকৈ বুজি লৈ তাক যথাযথৰূপে কাৰ্যক্ষেত্ৰত ব্যৱহাৰ কৰাটো। যিজন মহাপুৰুষে জাতীয়তাৰ ভেঁটিটো কপ্‌কপীয়াকৈ বান্ধি থৈ গ'ল, তাক অটুট ৰাখিব নোৱাৰাটো আমাৰ অযোগ্যতাৰ পৰিচায়ক।

■■

# মিচিং জনগোষ্ঠী
## এক পৰিচয়

সুভাষ শইকীয়া

প্ৰাচীন কালৰে পৰা অসমত বসবাস কৰা বিভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণত এক বৃহত্তম অসমীয়া জাতি গঠন হৈছে। অতীজত অসমত প্ৰৱেশ কৰা বিভিন্ন জনগোষ্ঠী সমূহৰ ভিতৰত নৈপৰীয়া মিচিংসকল অন্যতম। অসম বুৰঞ্জী মতে, চুটিয়া সকলে শদিয়াত শাসনকাৰ্য চলাই থকা কালছোৱাতে মিচিং সকলে ভৈয়ামলৈ আহে। অসমৰ মধ্য যুগৰ ইতিহাসত আহোমৰ সংস্পৰ্শলৈ অহাৰ পূৰ্বে শদিয়াৰ মিৰিসকলে চুটিয়া ৰজাৰ কৰ দিব লগা হোৱাৰ কথা বুৰঞ্জীত উল্লেখ আছে। হেম বৰুৱাদেৱে তেওঁৰ "The Red River and Blue Hills" নামৰ গ্ৰন্থত উল্লেখ কৰি কৈছে— "The Miri inhabiting the plains have a district place in Assam history some of them held important military post as Miri Handique and other affairs under the ahom kings".

অসমৰ জনগোষ্ঠী সমূহৰ ভিতৰত মিচিং সকল হ'ল ব্ৰহ্মপুত্ৰ উপত্যকাত বসবাস কৰা এটি বৃহৎ জনগোষ্ঠী। মিচিং সকলৰ মাজত কেইবাটাও খেল বা ফৈদ থকা দেখা যায়। জানিবলৈ পোৱা মতে, তেওঁলোক প্ৰধানকৈ দুটা ভাগত বিভক্ত— বৰাগাম আৰু দহগাম। এই দুটা বহল ভাগক আকৌ বহুতো উপভাগত ভাগ কৰা হৈছে। সেইবোৰ হ'ল— অয়েঙীয়া, চায়েঙীয়া, মহেঙীয়া, দালু, দাম্বুগ, পাগ্ৰ, চামুগুৰীয়া, বিহিয়া, টেমাৰ আদি। মিচিং সকলৰ বিভিন্ন ফৈদ বা খেলৰ ভিতৰত চামুগুৰীয়া সকলেই সুদূৰ অতীততে পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিছিল। কালক্ৰমত তেওঁলোকে অসমীয়া সমাজৰ ৰীতি-নীতি, ভাষা-সংস্কৃতিক আদৰি লয়।

দেখা যায় যে, মিচিং সকলক অনা মিচিং সকলে 'মিৰি বুলি সম্বোধন কৰে। ভাগৱতত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে লিখিছিল— "ৰাম বুলি তৰে মিৰি অসম কচাৰি"। গেইটৰ 'History of Assam' গ্ৰন্থত মিৰি শব্দৰ অৰ্থ 'মাজৰ মানুহ' বুলি কৈছে। তেওঁ লিখিছে— 'Miri means go between' সাধাৰণতে মিৰি শব্দৰ অৰ্থ হ'ল ভাল বা সভ্য মানুহ। ড° মহেশ্বৰ নেওগদেৱে মিৰি মানে পুৰোহিত বুলি কৈছে। 'মিৰি' শব্দক লৈ অসমীয়া সাহিত্যত এইদৰে প্ৰবচন আছে— 'তিৰি, মিৰি, ভাটৌ কোৱা এই তিনি জাতিৰ আখৈ নোপোৱা'।

উত্তৰ পূৰ্বাঞ্চলত (NEFA) যাক বৰ্তমান অৰুণাচল বুলি জনাজাত তাত 'মিৰি' নামৰ এটা পাহাৰ আছে। কিন্তু জানিবলৈ পোৱা মতে, এই পাহাৰটোত 'মিৰি' বুলি কোনো নিৰ্দিষ্ট জাতি নাই। গিৰি বুলি নিৰ্দিষ্ট জাতি এটা নাইয়েই যদি এই পাহাৰ নাম কিয় মিৰি হ'ল, তাৰ কাৰণ লেখকসকলে দিব পৰা নাই। ১৯৫২ চনলৈকে ভোটাৰ তালিকাত টায়ে, মৰাং, দলে, পেগু আদি উপাধিৰ পৰিবৰ্তে মিৰি বুলিহে লিখা হৈছিল। কমলা মিৰি, মুহি মিৰি আদি ইয়াৰ জলন্ত উদাহৰণ। যিকি নহওক, সাম্প্ৰতিক কালত ভৈয়ামত বাস কৰা জনগোষ্ঠীটোৱে নিজকে 'মিচিং' বুলি চিনাকি দিয়ে।

সাম্প্ৰতিক কালত শদিয়াৰ পৰা ধুবুৰীলৈকে ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ উপৰিও মিচিংসকল তিনিচুকীয়া, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, গোলাঘাট, ধেমাজি, লক্ষীমপুৰ, দৰং আৰু শোণিতপুৰ জিলাত সিঁচৰতি হৈ আছে। লক্ষীমপুৰৰ খগা অঞ্চলত থকা মিচিং গাঁওবোৰৰ ভিতৰত ন-আলি, গাম চুক, বালিগাঁও, কপাক চাপৰি আদিখুটি আদিয়ে প্ৰধান। নদীৰ কাষে কাষে আয়তাকাৰ দীঘল দীঘল চাংঘৰ সাজি গাঁও পাতি থকাই এই জাতিৰ এক প্ৰধান বৈশিষ্ট্য। খেতিয়েই এওঁলোকৰ প্ৰধান জীৱিকা। খেতিৰ উপৰিও বহু পৰিয়ালে নদীত মাছ ধৰি জীৱন নিৰ্বাহ কৰিছে।

বৰ্তমান সময়ত এই লোকসকলে উচ্চ শিক্ষা লাভৰ কাৰণে বহু কষ্ট কৰি নগৰ চহৰলৈ ওলাই আহিছে। চৰকাৰৰ পৰা পোৱা বিনামূলীয়া পাঠ্যপুথি আৰু বিদ্যুতৰ যোগানে সকলোৰে মুখত হাঁহি বিৰিঙাইছে। বহুতো শিক্ষিত যুৱক লগ লাগি একোখনকৈ প্ৰাথমিক বিদ্যালয় প্ৰতিষ্ঠা কৰি নৱ প্ৰজন্মক পোহৰৰ পথ দেখুৱাইছে। সাম্প্ৰতিক কালত এই জাতিৰ উন্নতি দুগুণে বৃদ্ধি পোৱা দেখা গৈছে। এটা কথা নকৈ নোৱাৰি এই জাতিৰ লোক সকলৰ মাজত ভাতৃত্ববোধৰ মনোভাৱৰ পৰিসৰ অসীম। সদৌ শেষত মিচিং জনগোষ্ঠীৰ উত্তৰোত্তৰ কামনা কৰি মোৰ লিখনি সামৰণি মাৰিছোঁ।

# কেন্সাৰ ৰোগৰ প্ৰতিষেধক আৱিষ্কাৰ

নৱজ্যোতি শইকীয়া

বিশ্বৰ দুৰাৰোগ্য ৰোগসমূহৰ ভিতৰত কেন্সাৰ অন্যতম। এই ৰোগবিধৰ ভয়াবহতা ইমানেই বেছি যে সঠিক সময়ত উপযুক্ত চিকিৎসা নকৰিলে ৰোগীৰ জীৱন বচোৱাটো প্ৰায়েই অসম্ভৱ। অৱশ্যে কেন্সাৰৰ প্ৰাৰম্ভিক পৰ্যায়ত যদি চিকিৎসা কৰা হয় তেতিয়া এই ক্ষেত্ৰত সকাহ পায় ৰোগীয়ে। কিন্তু শেহতীয়াকৈ চিকিৎসা বিজ্ঞানৰ এই ক্ষেত্ৰলৈ আহিছে এক সুখবৰ। ইজৰাইলৰ Accelerated Evolution Biotechnologies (AEB) নামৰ প্ৰতিষ্ঠানটোৰ এদল বিজ্ঞানীয়ে আৱিষ্কাৰ কৰি উলিয়াইছে MuTaTo (Multi-targent toxin) নামৰ কেন্সাৰ ৰোগৰ প্ৰতিষেধক। ইতিমধ্যে এই প্ৰতিষেধক বিধৰ সন্দৰ্ভত কৰা পৰীক্ষা-নিৰীক্ষা কৰি শেষ পৰ্যায়ত উপনীত হৈছে বিজ্ঞানী দলটো। এই পৰীক্ষাত যদি সফল হয়, তেন্তে ২০২০ তে বিশ্বৰ চিকিৎসা খণ্ডত পোনপ্ৰথমবাৰৰ বাবে উপলব্ধ হ'ব যুগান্তকাৰী প্ৰতিষেধকবিধ, যাৰ জৰিয়তে শৰীৰৰ পৰা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিব পৰা যাব কেন্সাৰ বীজাণুক। ইজৰাইলৰ এখন স্থানীয় বাতৰি কাকতত প্ৰতিষ্ঠানটোৰ সঞ্চালক ড'ন এৰিডৰে জানিবলৈ দিয়ে যে, এই প্ৰতিষেধকবিধে কেন্সাৰ ৰোগীৰ ক্ষেত্ৰত প্ৰথম দিনাই পৰাই প্ৰতিক্ৰিয়া আৰম্ভ কৰিব। সঞ্চালক গৰাকীয়ে জনোৱা মতে, কেন্সাৰৰ আনবোৰ ঔষধৰ তুলনাত এই প্ৰতিষেধকবিধৰ মূল্য হ'ব যথেষ্ট কম। উল্লেখ্য যে নিগনিৰ দেহত এই প্ৰতিষেধক বিধ পৰীক্ষা কৰি ইতিমধ্যেই সফল হৈছে বিজ্ঞানী দলটো। ২০১৯ ৰ মাজভাগত মানুহৰ শৰীৰত পৰীক্ষা কৰাৰ পাছতে এই প্ৰতিষেধক বিধৰ সন্দৰ্ভত চূড়ান্ত সিদ্ধান্ত ল'ব দলটোৱে।

# হুঁচৰিৰ প্ৰসঙ্গত একাষাৰ

তৰুণ হাজৰিকা, কৰ্মচাৰী গ্ৰন্থাগাৰ

সেউজীয়া গছ, বন, পৰ্বত, পাহাৰ, নদ-নদী, জান-জুৰি, নিজৰা, শস্যে-মৎস্যে ভৰপুৰ ভাৰতৰ উত্তৰ পূব কোণত অৱস্থিত অসম এখন প্ৰাকৃতিক মনোৰম ৰাজ্য। পৰ্বত ভৈয়াম সকলোকে একাকাৰ কৰি বিভিন্ন জনগোষ্ঠীৰ সমন্বয়ৰ থলি এই অসম ভূমি। বিভিন্ন জনগোষ্ঠীৰ এই ৰাজ্যখনিৰ জনগণে অসমৰ জাতীয় উৎসৱ ব'হাগ বিহু প্ৰতি বছৰে অতি উলহ মালহেৰে পালন কৰি আহিছে। এই ব'হাগ বিহু হ'ল, সকলো জনগোষ্ঠীৰ সমন্বয়ৰ থলি। সেয়ে এই উৎসৱটি সকলোৰে আদৰৰ, সকলোৰে হেঁপাহৰ, হিয়াৰ আমঠু, আচলৰ ধন। ব'হাগ বিহুত অতি মাত্ৰা ৰং-ৰইচ কৰাৰ বাবে ইয়াৰ আন এটা নাম হ'ল ৰঙালী বিহু। ৰঙালী বিহু বা ব'হাগ বিহু হ'ল অসমৰ জাতীয় উৎসৱ। ইয়াৰ বিভিন্ন অংশ আছে। হুঁচৰি, বিহু নাম গাই বিহু মৰা অংশ, খেল ধেমালি, জা-জলপান, সাজপাৰ, বিভিন্ন বাদ্য, বিহুৰ লগত জড়িত গছ-লতা, তৃণ-তৰু, চৰাই-চিৰিকটি আদি। এই সকলোৰে ভিতৰত হুঁচৰিৰ স্থান মুখ্য। সেয়ে হুঁচৰি ব'হাগ বিহুৰ প্ৰধান তথা অবিচ্ছেদ্য অংগ। হুঁচৰি অবিহনে ব'হাগ বিহু কেতিয়াও সম্পূৰ্ণ নহয়। এই নিবন্ধত ব'হাগ বিহুৰ প্ৰধান অংশটোৰ বিষয়ে কিছু আলোচনা কৰিব বিচাৰিছোঁ।

হুঁচৰি কেনেকৈ কেতিয়া সৃষ্টি হ'ল, তাৰ কোনো সৰ্বসন্মত সিদ্ধান্ত আমাৰ হাতত নাই। এই ক্ষেত্ৰত বিভিন্নজনৰ মত বেলেগ বেলেগ। এই সম্পৰ্কে বুৰঞ্জীও নিমাত। কেৱল মোৱামৰীয়া বিদ্ৰোহৰ সময়তে বুৰঞ্জীত হুঁচৰিৰ সম্পৰ্কে কিঞ্চিত মাত্ৰ উল্লেখ আছে। প্ৰথম মোৱামৰীয়া বিদ্ৰোহৰ সময়ত মোৱামৰীয়া সকলে



আহোম ৰাজ শক্তিক পৰাভূত কৰি ৰাঘৱ মৰাণক বৰবৰুৱা পাতিছিল। কিন্তু বিহুৰ বাবে প্ৰায়বোৰ মোৱামৰীয়া ঘৰলৈ যোৱাত আহোক সকলে হুঁচৰি গোৱাৰ চলেৰে গৈ ৰাঘৱ মৰাণক হত্যা কৰিলে। তাৰ পিছত আহোমসকলে ৰাজধানী ৰংপুৰ পুনৰ অধিকাৰ কৰিলে। হুঁচৰি সম্পৰ্কে বুৰঞ্জীৰ তথ্য ইমানেই। কিন্তু তথাপিতো হুঁচৰিৰ উৎপত্তি সম্পৰ্কে বিভিন্ন স্থানত বিভিন্ন কাহিনী উপ কাহিনী মতবাদ আদি পোৱা যায়।

দক্ষ যজ্ঞত শিৱ নিন্দা সহিব নোৱাৰি সতীয়ে দেহ ত্যাগ কৰাৰ আঁৰৰ কাহিনী, স্বৰ্গচ্যুত অপ্সৰা এগৰাকীক পুনৰ স্বৰ্গলৈ নিবৰ কাৰণে দেৱতা সকলে কৰা প্ৰচেষ্টা আৰু নটৰাজ শিৱই শিকোৱা নৃত্যৰে দেৱতা সকলে ঘৰে ঘৰে নৃত্য-গীত কৰি আ-অলংকাৰ গোতাই অপ্সৰা গৰাকীক সজাই পুনৰ স্বৰ্গলৈ পঠাই ইন্দ্ৰৰ প্ৰীতিজাজন কৰোৱাৰ আঁৰৰ কাহিনী, ৰুছেংৰী নৃত্যৰ কাহিনী আদি হুঁচৰি সৃষ্টিৰ সমৰ্থক কাহিনী। আনহাতে বড়োসকলৰ 'হুশ্ৰী',

...দক্ষ যজ্ঞত শিৱ নিন্দা সহিব নোৱাৰি সতীয়ে দেহ ত্যাগ কৰাৰ আঁৰৰ কাহিনী, স্বৰ্গচ্যুত অপ্সৰা এগৰাকীক পুনৰ স্বৰ্গলৈ নিবৰ কাৰণে দেৱতা সকলে কৰা প্ৰচেষ্টা আৰু নটৰাজ শিৱই শিকোৱা নৃত্যৰে দেৱতা সকলে ঘৰে ঘৰে নৃত্য-গীত কৰি আ-অলংকাৰ গোটাই অপ্সৰা গৰাকীক সজাই পুনৰ স্বৰ্গলৈ পঠাই ইন্দ্ৰৰ প্ৰীতিজাজন কৰোৱাৰ আঁৰৰ কাহিনী, ৰুছেংৰী নৃত্যৰ কাহিনী আদি হুঁচৰি সৃষ্টিৰ সমৰ্থক কাহিনী...

'হুঁচৰি' বা 'হাচাৰি' আদিও হুঁচৰিৰ সমৰ্থক শব্দ। ব'হাগ মাহত প্ৰকৃতিৰ আমূল পৰিবৰ্তন দেখি মানুহে আনন্দতে ঘৰে ঘৰে গীত-মাত গাই ফুৰিছিল। এনে কৰোঁতে কাৰো গাত হুচ নোহোৱা হৈছিল। এই হুচ নোহোৱাৰ পৰাও সেই গীত মাত গোৱা ব্যৱস্থাটোক হুঁচৰি বোলা হৈছিল বুলি জনা যায়। অতীতৰ ব্ৰহ্মদেশত হুঁচৰি সদৃশ এটা অনুষ্ঠান আছিল। য'ত ঢোল, তাল আদি লৈ মানুহে আলিবাটে আলিবাটে গীত-মাত গাই ৰং ধেমালি কৰিছিল। এনে কৰোঁতে তেওঁলোকক কোনোৱে মাননি দক্ষিণাৰে আদৰ সম্ভাষণ জনাইছিল। এই অনুষ্ঠানৰ পৰাও হুঁচৰিৰ সৃষ্টিত প্ৰভাৱ পৰিব পাৰে। তাই আহোম ভাষাৰ হু-চা-ৰি মানে চিঞৰি চিঞৰি উৰুলিকৃত হৈ আৰ্শীবাদ দিয়া। হু মানে- চিঞৰি চিঞৰি, ছা মানে আৰ্শীবাদ আৰু ৰি মানে উৰুলিকৃত হোৱা। অৰ্থাৎ আনন্দত উৰুলিকৃত হৈ চিঞৰি চিঞৰি (গৃহস্থক) আৰ্শীবাদ দিয়া।

ওপৰৰ বিভিন্ন তথ্য সমূহৰ পৰা এটা কথাত উপনীত হ'ব পাৰো যে হুঁচৰি আৰ্হিৰ এটা অনুষ্ঠান অসমৰ ওচৰে-পাঁজৰে আৰু ইয়াৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত আছিল। সিয়েই শেষত হুঁচৰি নামেৰে পৰিচিত হ'ল। হুঁচৰি কেৱল ৰং ৰহইচপূৰ্ণ অনুষ্ঠান নহয়। ইয়াৰ অন্তৰালত যথেষ্ট পৰিমাণে আধ্যাত্মিকতা সোমাই আছে। সেয়ে গৰু বিহুৰ দিনা হুঁচৰিক সেৱা কৰিবলৈ পালে পৰম সৌভাগ্যৰ কথা বুলি আমাৰ সমাজত বিশ্বাস আছে। গৰু বিহুৰ দিনা হুঁচৰিক সেৱা কৰিবলৈ পালে ধৰ্ম হোৱা বুলিও ধাৰণা কৰা হয়। সেয়ে ধৰ্মপ্ৰাণ অসমীয়া লোকে শৰাইত গুৱা-পাণ, মাননি সমন্বিতে আধ্যাত্মিকতা ৰক্ষা কৰি পানীৰে ঠাইখন মচি ধূপ-বন্তি জ্বলাই হুঁচৰি দলক সেৱা কৰে। এনে কৰোঁতে ঠাই বিশেষে ঘোষা গোৱাও দেখা যায়। কেৱল সেয়ে নহয়, সৎ সংকল্প লৈ অন্তঃকৰণেৰে হুঁচৰিৰ আৰ্শীবাদ লৈ মনৰ সৎ অভিষ্ট সিদ্ধি হোৱাৰো উদাহৰণ আছে। সেয়ে হুঁচৰিক সভক্তিৰে সেৱা কৰি নিজকে ধন্য মানে। অন্যহাতে, গৃহস্থৰ কুশল কামনা কৰাই হ'ল হুঁচৰিৰো মূল লক্ষ্য। সেয়ে গৰুবিহুৰ দিনা গধূলিৰে পৰা গাঁৱৰ ডেকা বুঢ়া মিলি ঘৰে ঘৰে হুঁচৰি গাই গৃহস্থক আৰ্শীবাদ দিয়াটো নিয়ম আছিল। বৰ্তমান পৃথিৱীৰ বিভিন্ন কোণত দেখা দিয়া হিংসা-অসূয়াৰ বিপৰীতে হুঁচৰিৰ এই আদৰ্শ আৰু লক্ষ্য এক প্ৰশংসনীয় আৰু উৎকৃষ্ট নিদৰ্শন। হুঁচৰি দল বা গাঁৱৰ ৰাইজে হুঁচৰি গাই পোৱা অৰ্থৰে গাঁৱৰ মূল অভাৱ দূৰ কৰিছিল। সহজ-সৰল গাঁওবাসীৰ এই কৰ্মৰ বাবে গাঁৱত একতা, ভাতৃত্ববোধ, পৰোপকাৰ, বন্ধুত্বতা আদি ভাৱে গঢ় লৈ উঠিছিল। আনকি গাঁৱৰ মানুহবোৰ হৈ পৰিছিল শান্তি প্ৰিয়। আৰু গাঁওবোৰো আছিল শান্তিময়। এতিয়া ক'ৰবাত দুই এখন গাঁৱেহে হুঁচৰি গাই আগৰ সেই পৰম্পৰা ৰক্ষা কৰি আছে। অতি পৰিতাপৰ কথা এই যে, গাঁওবোৰত আগৰ মৰম চেনেহ, সহনশীলতা আদি গুণবোৰ ক্ৰমান্বয়ে নাইকিয়া হৈ আহিছে। ইয়াৰ লগে-লগে হুঁচৰিয়েও গাঁৱৰ পৰা অন্তৰ্ধান হৈ ক'ৰবাত হয়তো কাৎচিৎ প্ৰাণটো লৈ জীয়াই আছে। এতিয়া ইয়াৰ বাবে দায়ী কোন হ'ব বাৰু?

সেয়ে আমাৰ সমাজে ইয়াৰ বাবে বাৰুকৈয়ে চিন্তা কৰিবৰ হ'ল। কিয়নো এইক্ষেত্ৰত আমাৰেই যথেষ্ট দায়িত্ব আৰু কৰ্তব্য আছে। সেইবাবে আমিয়েই হুঁচৰিক পুনৰ উজ্জ্বলিত কৰি তুলিব লাগিব। আমি পৃথিৱীৰ য'তেই নাথাকো, ব'হাগ বিহুৰ সময়ত আমাৰ ৰাজ্যখনলৈ, আমাৰ চেনেহৰ গাঁওখনিলৈ আৰু আমাৰ মৰমৰ ঘৰখনিলৈ মনত পৰিবই পৰিব। কিয়নো অসম আমাৰ জন্মভূমি আৰু অসম আমাৰ মাতৃভূমি। আমি অসমৰ বাদে আন ক'তো জন্মগ্ৰহণ কৰা নাই। আমাৰ তেজৰ কোষে কোষে লিখা আছে আমি অসমীয়া বুলি। আমি যিমানে উচ্চ স্তৰলৈ নেযাওঁ, আমি আমাৰ পিতৃ-মাতৃক ভাল পাব লাগিব, শ্ৰদ্ধা কৰিব

লাগিব। পিতৃ-মাতৃৰ প্ৰতি আমাৰ বহুত দায়িত্ব আৰু কৰ্তব্য আছে। যিহেতু অসম আমাৰ মাতৃভূমি। সেইফালৰ পৰা অসম মাতৃৰ কলা-সংস্কৃতিৰ প্ৰতিও আমাৰ দায়িত্ব আৰু কৰ্তব্য আছে। ব্যস্ততাৰ মাজতো আমাৰ সংস্কৃতি পালন তথা জীয়াই ৰখাটো আমাৰ দায়িত্ব আৰু কৰ্তব্য। অন্যথা জাতিও নাথাকিব আৰু সংস্কৃতিও নাথাকিব।

হুঁচৰি দলবোৰ যে লাহে লাহে কমি আহিছে ই ধ্ৰুৱ সত্য। যেনে বৰ্তমান ই অতি চিন্তনীয় বিষয় হৈ পৰিছে। অৱশ্যে ই এটা দোৱাৰোগ্য ব্যাধি নহয়। ইয়াৰ সু সমাধানৰ নপৰাকৈ থাকে। গতিকে এমাহৰ ঠাইত এদিন অন্ততঃ হুঁচৰি গালে পুনৰ হুঁচৰিৰ শ্ৰীবৃদ্ধি হ'ব। পুৰস্কাৰ আনক দিয়াৰ সলনি আমাৰ হাতলৈ আপোনা আপুনি আহিব। অতীতৰ চহা লোক সকলে একো নকৰা হ'লে আজি আমি হুঁচৰিৰ নামটোকে নেপালোহেঁতেন। আমিও হুঁচৰিৰ কাৰণে একো নকৰিলে ভৱিষ্যতে ইয়াৰ নামটোকে হেৰাই থাকিব, যিটো হোৱাৰ উপক্ৰম এতিয়া লাহে লাহে হ'বলৈ ধৰিছে।

কিছু সংখ্যক সৰু সৰু ছোৱালীক নাচিবলৈ শিকাই বিহুৰ বাবে তেওঁলোকৰ 'দোমাহি' বোলে। সেইদিনা হয় ৩১ চ'ত আৰু সেইদিনাই পালন কৰা হয় গৰু বিহু। প্ৰকৃততে বৰ্তমান সময়ত শেষ চ'তৰ পৰাৰ ব'হাগ বিহু আৰম্ভ হয়। গৰুবিহুৰ দিনা গধূলিৰে পৰা হুঁচৰি গোৱা নিয়ম। এই ক্ষেত্ৰত কোনো কোনো জনগোষ্ঠীৰ মাজত সময়ৰ সামান্য তাৰতম্য আছে। হুঁচৰিৰ বাদ্যৰ ভিতৰত ঢোল, তাল, বীণ আৰু টকা। এজোৰা হুঁচৰিত কমেও তিনিটা ঢোল হ'ব লাগে। এজোৰ তাল ডাঙৰ হ'ব লাগে। বীণ অৱশ্যে সকলো ঠাইতে ব্যৱহাৰ নহয়। ক'ৰবাত দুই এককেহে

...আহোম ৰাজতন্ত্ৰৰ সময়ত ৰজাৰ কুশল মঙ্গল কামনা কৰি প্ৰথম হুঁচৰিজোৰা ৰজাঘৰত গোৱা হৈছিল। তাৰ পাচত অন্যান্য ডা-ডাঙৰীয়াৰ ঘৰত আৰু ইয়াৰ পিছতহে সাধাৰণ লোকৰ ঘৰত হুঁচৰি গোৱা হৈছিল। ডা-ডাঙৰীয়া সকলৰ ঘৰত হুঁচৰি গাঁওতে তেওঁলোকক সন্তুষ্ট কৰিবলৈ গাইছিল...

উপাই যথেষ্ট আছে। তাৰ বাবে প্ৰথমেই আমাৰ আত্মচেতনাৰ বহুত প্ৰয়োজন হ'ব। ইয়াৰ লগতে জাতীয় সংস্কৃতিৰ প্ৰতি আমি শ্ৰদ্ধাশীল হ'ব লাগিব। পৰস্পৰে বুজা বুজিৰ মাজেৰে বিভিন্ন ঠাইত আমি পুনৰ হুঁচৰি দল গঠন কৰিব লাগিব। ইয়াৰ পিছতেই হ'ব লাগিব অনুশীলন। অভিজ্ঞ ব্যক্তি সকল হুঁচৰি প্ৰশিক্ষণৰ বাবে আগবাঢ়ি আহিব লাগিব। ইয়াৰ লগতে হুঁচৰিৰ ওপৰত কৰ্মশালা, আলোচনা চক্ৰ আদি হ'ব লাগিব। ইয়াকে কৰিলে আমাৰ হাতৰ পৰা হেৰাই যাবলৈ ধৰা সম্পদটি পুনৰ আমি হাতৰ মুঠিত পাম তাক নিশ্চিতভাৱে ক'ব পাৰি। কিন্তু ব'হাগ বিহুক ভাল পোৱাৰ বাবেই ইয়াৰ উৎসাহ আনন্দ এমাহলৈ ম্লান ওপৰতে নিৰ্ভৰশীল হোৱা যেন লাগিছে। সেই সৰু সৰু ছোৱালীবোৰৰ তুলনাত আমাৰ কষ্ট যেন একো হোৱা নাই। ইচ্ছা কৰিলে আমিও হুঁচৰি দল গঠন কৰিব পাৰোঁ। আমি কৰিব নোৱাৰা কাম একো নাই। ইয়াৰ বাবে লাগিব সদিচ্ছা। হুঁচৰিৰ শ্ৰীবৃদ্ধিৰ কাৰণে বিভিন্ন দল, সংগঠন, সমিটি আদি আগবাঢ়ি আহিব লাগে। বিহু সমিটিবোৰৰ এই ক্ষেত্ৰত বেছি দায়িত্ব আছে। বিহু মেলাৰ সমান্তৰালকৈ তেওঁলোকে হুঁচৰি দল গঠন, ইয়াৰ প্ৰশিক্ষণ, কৰ্মশালা আদি আয়োজন কৰিব লাগে। ইয়াকে কৰিলে হুঁচৰিৰ পুনৰ জেউতি চৰিব সি ধ্ৰুৱপ। হুঁচৰিত বীণ ব্যৱহাৰ কৰে। অসমৰ সকলো ঠাইৰে হুঁচৰিৰ আৰ্হিও একে নহয়। কোনো কোনো ঠাইত হুঁচৰিত খোল ব্যৱহাৰ কৰে। হুঁচৰি অংশত পেঁপা, বাঁহী, গগণা আৰু সুতুলি প্ৰদৰ্শন বা ব্যৱহাৰ নহয়।

আহোম ৰাজতন্ত্ৰৰ সময়ত ৰজাৰ কুশল মঙ্গল কামনা কৰি প্ৰথম হুঁচৰিজোৰা ৰজাঘৰত গোৱা হৈছিল। তাৰ পাচত অন্যান্য ডা-ডাঙৰীয়াৰ ঘৰত আৰু ইয়াৰ পিছতহে সাধাৰণ লোকৰ ঘৰত হুঁচৰি গোৱা হৈছিল। ডা-ডাঙৰীয়া সকলৰ ঘৰত হুঁচৰি গাঁওতে তেওঁলোকক সন্তুষ্ট কৰিবলৈ গাইছিল এনেদৰে—

' দেউতাৰ পদুলিত গোন্ধাইছে
চ'তৰ সংক্ৰান্তিৰ দিনটোক মাধুৰী

কেতেকী মলে মলাই ঐ গোবিন্দাই ৰাম'।

কোনোৱে প্ৰথম গোঁসাই প্ৰভুৰ ঘৰত, কোনোৱে প্ৰথমে নামঘৰত হুঁচৰি গাইছিল। তেনেকৈ গাঁৱৰ জ্যেষ্ঠজনৰ ঘৰতো কোনো কোনোৱে প্ৰথম হুঁচৰিজোৰা গাইছিল। ৰজা বা ডা-ডাঙৰীয়া সকলৰ ঘৰত গোৱাৰ মূল লক্ষ্য তেওঁলোকৰ কুশল কামনাৰ লগতে ডা-ডাঙৰীয়া সকলক সন্তুষ্ট কৰা। আনহাতে চৰম শ্ৰদ্ধা আৰু ভক্তিৰ বাবেই নামঘৰ, গোঁসাই প্ৰভুৰ ঘৰ বা গাঁৱৰ জ্যেষ্ঠজনৰ ঘৰত প্ৰথম হুঁচৰি গোৱা হয়। গতিকে হুঁচৰিত যে শ্ৰদ্ধাভক্তি আছে ইয়াৰ পৰাও প্ৰমাণ পোৱা যায়। অন্যহাতে হুঁচৰিৰ মুল লক্ষ্য হ'ল গৃহস্থৰ কুশল কামনা কৰা। সেয়ে গৃহস্থৰ চোতালত উপস্থিত হৈয়েই 'জয় গৃহস্থৰ কুশলৰ অৰ্থে হৰি বোলা' বুলি আৰম্ভ কৰা হয়। ইয়াৰ লগতে গোহালিত গৰু হওঁক, ভৰাঁলত ধান হওক, বাৰীত তামোল-পাণ হওক' আদি আৰ্শীবাদসূচক বাক্য প্ৰয়োগ কৰা হয়। ইয়াৰ পাচত ঢোলত চাপৰ মৰা হয়। তাৰ পাচতেই নামতিয়ে হুঁচৰি নাম আৰম্ভ কৰে। যেনে—

'ৰৈয়া ৰৈয়া মুৰুলী বজাই ঔ হৰি হৰি' নামতিয়ে প্ৰথমে দিয়া নামক হুঁচৰিৰ ঘোষা বোলে। ঘোষা বা ঘোষণাৰ পৰা ঘোষা হৈছে। আন কথাত ওজাই লগাই দিয়াৰ পাচত আটাইবিলাক গাঁওতাই একেলগে গোৱা গীতক ঘোষা বোলে। নামতিয়ে লগাই দিয়া ঘোষা ফাঁকি বাকী লগৰীয়া সকলে গায়। তাৰ পাছত নামতিয়ে পদ দিব আৰু সমস্বৰে ঘোষা ফাঁকি গাব। এনেদৰে একস্বৰে পদ আৰু সমস্বৰত ঘোষা এনে আৰ্হিতেই হুঁচৰি নাম গোৱা হয়। হুঁচৰিৰ ঘোষা পদ সমন্বিতে হুঁচৰি নামক হুঁচৰি কীৰ্তন বুলিব পাৰি। কীৰ্তন মানে গুণ বৰ্ণনা, গুণ-গান আদি। হুঁচৰিত হুঁচৰি নাম বা কীৰ্তন গোৱা শেষ হ'লেই গৃহস্থই শৰাইত গোৰা পাণ মাননিৰে হুঁচৰি দলক সেৱা কৰিব লাগে। হুঁচৰি দলে আৰ্শীবাদ দি শৰাই গ্ৰহণ কৰিলেই হুঁচৰি শেষ হয়। অৱশ্যে কোনো হুঁচৰি দলে হুঁচৰি অংশতহে নাচ দি লহৰি খেলে। তেনেদৰে কাঁহী ঘূৰোৱা, ভূঁই ৰোৱা, কঠীয়া তোলা আদি চেও হুঁচৰি অংশত বজোৱা হৈছিল। এতিয়া এইবোৰ চেও হুঁচৰিত পাবলৈ নাইকিয়া হ'ল। কাঁহী ঘূৰোৱা চেও অকণমান তলত উল্লেখ কৰিলোঁ—

" ৰেগেৰ গেনা ধিন চাক ধিন ধিন চাক্
ৰেগেৰ গেনা ধিন চাক ধিন ধিন চাক্
ৰেগেৰ গেনা ৰেগেৰ গেনা ৰেগেৰ ৰেগেৰ তাকি ধিন
ৰেগেৰ গেনা ধিন চাক ধিন ধিন চাক্
খিত তাখি গেন গেনা গেন। গেন গেন..."

এই চেওবোৰত পুৰুষেই নাচে। কেতিয়াবা ল'ৰাক গাভৰু সাজ পিন্ধায়ো নাচিবলৈ দিয়া হৈছিল। অৱশ্যে গাভৰু ছোৱালীক কাঁহী ঘূৰোৱা আদি চেওত কেতিয়াও নাচিবলৈ দিয়া নাছিল।

হুঁচৰি আৰু বিহু দুয়োটা সুকীয়া অংশ। ইয়াৰ মূল গুৰি ব'হাগ বিহু। ব'হাগ বিহুৰ মূল অংশটোৰ পৰা হুঁচৰি, বিহু আদি বিভিন্ন অংশবোৰ হৈছে। বিহু বুলিলে বিহু নাম গাই বিহু মৰা অংশক বুজায়। হুঁচৰিত গোৱাখিনি বিহু নাম নহয় সেইয়া হুঁচৰি নামহে। কিয়নো ব'হাগ বিহুত বিহুৰ উপলক্ষে নামঘৰত নাম কীৰ্তন কৰিলে (শৰাই দি) তাক বিহু নাম বুলিব নোৱাৰি। তাৰ ভাগ বেলেগ। ব'হাগ বিহুত হুঁচৰি গোৱা বাবেই হুঁচৰি নামক কোনোৱে বিহু নাম বুলি কয়। কিন্তু যুক্তিৰ ফালৰ পৰা বিচাৰ কৰি চালে হুঁচৰি নাম বিহু নামৰ শাৰীত নপৰে। হুঁচৰি শেষ হ'লে গৃহস্থৰ অনুমতি সাপেক্ষে গৃহস্থৰ চোতালত বিহু মাৰিব পাৰি। বহুতে ইচ্ছাকৃত ভাৱে হুঁচৰি শেষ হ'লেই বিহু আৰম্ভ কৰি দিয়ে। কিন্তু ইয়াত প্ৰকৃততে গৃহস্থৰ অনুমতিৰ প্ৰয়োজন। কাৰণ হুঁচৰিত শৰাই দিয়াৰ পাচত বা হুঁচৰিৰ শেষত গৃহস্থৰ বিহু চাবলৈ ইচ্ছা নাথাকিবও পাৰে। বিহু আৰম্ভণি যোজনাৰে কৰা হয়। যোজনাক জোঙলা নাম নামেৰেও জনা যায়। গৃহস্থৰ চোতালত মৰা বিহুৰ লক্ষ্য গৃহস্থক অকণমান আনন্দ দিয়া। আগন্তুক খেতি বাতিৰ বিষয়ে গৃহস্থক সোঁৱৰাই দিয়া প্ৰাকৃতিক সামাজিক আদি পৰিৱেশৰ ওপৰত বিহু নাম গাই আনন্দ কৰাই হ'ল এই বিহুৰ কাম। ইয়াত নাথাকে নাচনি গাভৰু, প্ৰেম-প্ৰীতি বা কোনো যৌৱনৰ গোন্ধ থকা বিহু নামে ইয়াত ঠাই নাপায়। প্ৰেম প্ৰীতি বা তেনেধৰণৰ বিহু নাম গাবলৈ মুকলি বিহু বা গছৰ তলৰ বিহুৰ ব্যৱস্থা আছে। গৃহস্থৰ চোতালত কেতিয়াও গাভৰু নাচনি থাকিব নোৱাৰে। কিন্তু আজিকালি ইয়াৰ ব্যতিক্ৰম ঘটিছে। নাচনি গাভৰু নহ'লেই যেন চোতালৰ বিহু নহয়। কিন্তু গৃহস্থৰ চোতালত মৰা বিহু বহু পৰিমাণে মাৰ্জিত তাক সকলোৱে লক্ষ্য কৰিব লাগে। নহ'লে গৃহস্থৰ মান নেথাকিব।

হুঁচৰি গোৱাৰ কিছুমান নিয়ম আছে।

— হুঁচৰি সদাই পুৰুষৰ অনুষ্ঠান। হুঁচৰিত পুৰুষেহে অংশ ল'ব লাগে।

— মহিলাই কেতিয়াও হুঁচৰিত অংশ ল'ব

নেলাগে। কাৰণ হুঁচৰিত মহিলাৰ স্থান নাই।
— হুঁচৰি গাঁওতে গামোচাখন ডিঙিত ওলমাই ল'ব লাগে।
— হুঁচৰি গাঁওতে পেঁপা, বাঁহী, গগনা, সুতুলী ব্যৱস্থাৰ নাইবা প্ৰদৰ্শন কৰিব নালাগে। কাৰণ হুঁচৰিত এইবোৰৰ প্ৰয়োজন নাই।
— হুঁচৰিৰ নামতিয়ে বা পদকীয়ে দীঘল চোলা, গাত চেলেং, মূৰত পাগুৰি কান্ধত কাপোৰৰ মোনা ছাটি, লেম ব্যৱহাৰ কৰিব পাৰে। তেনেদৰে বৃদ্ধ নামতিয়ে লাখুটি ল'ব পাৰে। প্ৰদৰ্শন হিচাপেও এইবোৰ বস্তুৰ ব্যৱহাৰ ভুল নহয়।
— মুগাৰ সাজ হুঁচৰিত বেছিপ্ৰযোজ্য। এনে সাজ নাথাকিলে কপাহী চুৰিয়া আৰু গেঞ্জি ব্যৱহাৰ কৰিব লাগে।
— হুঁচৰিৰ ঘোষা আৰু পদৰ মাজত সম্বন্ধ থাকিব লাগে।
— গভীৰ আধ্যাত্মিক গুণ সম্পন্ন বিষয় যেনে— শৰণ, ভজন, গুণমালা, বৰগীত আদিৰে হুঁচৰি নাম গাব নালাগে।
— হুঁচৰিত অতিমাত্ৰা উত্তাৰল হ'ব নালাগে।
— হুঁচৰিত আধ্যাত্মিকতা বৰ্তাই ৰাখিব লাগে।
— হুঁচৰি দলে গৃহস্থৰ প্ৰতি কেতিয়াও বিৰোধ মনোভাৱ ল'ব নালাগে।

হুঁচৰিত আধ্যাত্মিকতা থকাৰ বাবেই গামোচাখন ডিঙিত লোৱা হয়। মহিলাই হুঁচৰিত অংশ গ্ৰহণ নকৰাটো এটা অতীত পৰম্পৰা।

এই সম্পৰ্কে বিহু বিশেষজ্ঞ সকলৰ মতো একেই। হুঁচৰি প্ৰদৰ্শনৰ সময়ত ছাতি, লেম, লাখুটি আদিৰ ব্যৱহাৰ অতিৰঞ্জিত নহয়। এটা অতীত পৰম্পৰা হিচাপে এইবোৰ ব্যৱহাৰ কৰিব পাৰি। দান-দক্ষিণাৰ পৰা বিয়া-সবাহ, মেল-মিটিং, স্কুল-কলেজ, হাট-বজাৰ, অফিচ-কাছাৰী সকলোতে ছাতিৰ ব্যৱহাৰ হয়। ছাতিটো এতিয়া বিদেশী বুলি ভাবিব নোৱাৰি। তাৰোপৰি হুঁচৰিত জাপিৰ সলনি ছাতি এটা লোৱাৰ সুবিধা বেছি। তথাপি জাপিক একেবাৰে অনাদৰ কোনেও কৰা নাই। বিশেষ সম্বৰ্ধনা অনুষ্ঠানত এতিয়াও জাপিৰ ব্যৱহাৰ হয়।

অতীততে ৰাতিৰ হুঁচৰিত জোৰ বা ভোটা ব্যৱহাৰ কৰিছিল। কিন্তু তাতোতকৈ লেম এটা বেছি নিৰাপদ আৰু সুবিধাজনক হোৱাৰ বাবে লেম ওলোৱাৰ পাছত ৰাতিৰ হুঁচৰিত লেম ব্যৱহাৰ হ'বলৈ ল'লে। লেমৰ ইংৰাজী শব্দ 'লেম্প' হ'ল বুলিয়েই ইয়াক বিদেশী বস্তু বুলি ভাবিব নোৱাৰি। কাৰণ আন কিছুমান শব্দ যেনে, মানুহৰ ইংৰাজী শব্দ 'Man' হ'ল বুলিয়েই মানুহজন বিদেশী হ'ব নোৱাৰে। লেম এটা প্ৰদৰ্শন হিচাপে ব্যৱহাৰ হোৱাটো ভুল হ'ব নোৱাৰে। লাখুটি এডাল বৃদ্ধ মানুহৰ বাবে প্ৰয়োজন।

হুঁচৰি গোৱা মানুহ এজন যদি বৃদ্ধ হয় বা বৃদ্ধ হিচাবে দেখুৱাব বিচাৰে, তেন্তে লাখুটিডাল ব্যৱহাৰ কৰাত অসুবিধা থাকিব নোৱাৰে। হুঁচৰিৰ ক্ষেত্ৰত সেয়ে এই বস্তুবোৰৰ ব্যৱহাৰত এটা শুদ্ধ সিদ্ধান্ত গ্ৰহণ কৰা দৰকাৰ। কাৰণ অতীত পৰম্পৰা বা এটা কলা হিচাবে কোনো লোকে হুঁচৰি প্ৰদৰ্শনত ছাতি, লাখুটি, লেম, পাগুৰি আদি ব্যৱহাৰ কৰে। এই বস্তুবোৰ আচলতে আমাৰ অসমীয়া সমাজ ব্যৱস্থাৰ লগত জড়িত বস্তু। সেয়ে ইয়াৰ আদৰ সন্মান দলিয়াই পেলাব নোৱাৰি।

অন্য এটা দিশলৈ মনত পৰিছে, হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত কৰাত নিশ্চয় কাৰো আপত্তি থাকিব নোৱাৰে। তথাপি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা সকলো হুঁচৰি দলকেই সম্বৰ্দ্ধনাৰ ব্যৱস্থা কৰিব লাগে। কিয়নো হুঁচৰি বিষয়টো আধ্যাত্মিকতাপূৰ্ণ। এই প্ৰবন্ধটোৰ পৰা আমি থোৰতে কি পালোঁ—
— হুঁচৰি ব'হাগ বিহুৰ অবিচ্ছেদ্য অংগ।
— হুঁচৰি অবিহনে ব'হাগ বিহু সম্পূৰ্ণ নহয়।
— হুঁচৰি এটা আধ্যাত্মিকতা পূৰ্ণ অনুষ্ঠান।
— হুঁচৰিৰ ৰূপ অতি মোহনীয়।
— হুঁচৰিত মহিলাৰ স্থান নাই।
— হুঁচৰিক পুনৰ সংগঠিত কৰিবৰ হ'ল।
— হুঁচৰিৰ যথেষ্ট মাহাত্ম্যা আছে।
— হুঁচৰি আৰু বিহু দুটা সুকীয়া অংশ।
— ঐক্যবদ্ধ প্ৰচেষ্টাৰে হুঁচৰিক পুনৰ উজ্জ্বল কৰিব পাৰি।
— হুঁচৰি এক সমন্বয়ৰ ক্ষেত্ৰ।

■■

# নাৰী

ৰূপালী শইকীয়া, কৰ্মচাৰী, গ্ৰন্থাগাৰ



নাৰীক
পাকঘৰৰ পৰা
উলিয়াই আনি নাৰী
যে সাতোটা গুণৰ
অধিকাৰী,
মহিমাময়ী,
নাৰী ক্ষমাৰ আধাৰ
আদি গুণেৰে
বিভূষিত কৰি
তোলা হৈছে।

নাৰী এগৰাকী হ'বলৈ বা নাৰীৰূপে সমাজত পৰিচিত হোৱাৰ আগতে তেওঁ জন্ম লয় এঘৰৰ ফুল কুমলীয়া কন্যা হিচাপে। দৰিদ্ৰই হওক বা আঢ্যৱন্তই হওক, পৰিয়ালৰ সকলোৰে বাবে ঘৰৰ কন্যাজনী হৈ পৰে অতি আদৰৰ, আলসুৱা। পৰিয়ালৰ আদৰৰ মাজতে চৌপাশৰ পৰিৱেশৰ মাজত তাই ডাঙৰ-দীঘল হয়। ঘৰখনৰ প্ৰতিজন সদস্যাৰ কাৰ্যকলাপক লক্ষ্য কৰি তাইও মাকৰ মেখেলা-চাদৰ গাত মেৰিয়াই আখৰা কৰে এগৰাকী মাতৃ বা এগৰাকী নাৰী হোৱাৰ। সমনীয়া ছোৱালীৰ সৈতে খেলা খেলবোৰ লক্ষ্য কৰিলে দেখা যায়, কণমানিজনীৰ আদৰ কায়দাত পৰিস্ফুট হয় ভৱিষ্যৎ মাতৃ হোৱাৰ, গৃহকৰ্মী হোৱাৰ বাসনা। এই কণমানিজনীৰ আদৰ্শস্বৰূপ নাৰীসকল বিশেষকৈ মাতৃ গৰাকীৰ ভূমিকা হ'ব লাগিব প্ৰধান। মাতৃগৰাকীয়ে যি আচাৰ-ব্যৱহাৰ বা আচৰণ দেখুৱাব, তাৰ প্ৰভাৱ নিশ্চয় তেওঁৰ কণমানি কন্যা সন্তানৰ ওপৰতো পৰিব। গতিকে লক্ষণীয় কথাটো হ'ল

মাতৃগৰাকীয়ে তিল্‌তিলকৈ ডাঙৰহৈ অহা কন্যা সন্তানটিৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি তাই এগৰাকী সবল নাৰী হিচাপে সমাজত থিয় হ'ব পৰাকৈ শিক্ষা-দীক্ষা দি উপযুক্ত কৰি গঢ়ি তোলা।

ফুলনি এডৰা সুন্দৰ ফুলেৰে সুশোভিত হৈ থাকিলে ফুলনিডৰা চাই ভাল লাগে। সেইদৰে এখন ঘৰত এগৰাকী সুন্দৰী নাৰী থাকিলে ঘৰখনলৈ শোভা বঢ়ায়। নাৰী এগৰাকী সৌন্দৰ্যৰ প্ৰতীক স্বৰূপ। সেইবুলি দেখিবলৈ ধুনীয়াটোকে নাৰী গৰাকীৰ সৌন্দৰ্যক নুবুজায়। বৰ্তমান আধুনিক সুন্দৰী নাৰী বুলিলে আজিকালি বিশ্বসুন্দৰী প্ৰতিযোগিতাত তেওঁ কথাকোৱাৰ ভাৱ-ভঙ্গী, শৰীৰৰ গঠন প্ৰণালী, স্বাস্থ্য, শিক্ষা, আধ্যাত্মিকতা, মানসিকতা, বাক্‌পটুতা আদিৰো পৰীক্ষা কৰি চোৱা হয়।

গাৰ্হস্থ্য জীৱনত নাৰীৰ আসনখন সুকীয়া। আধুনিক সমাজ ব্যৱস্থাৰ মাজত নাৰীক উচ্চাসন দিয়া হৈছে শ্ৰীমন্ত শংকৰদেৱৰ সংঘৰ মজিয়াত। নাৰীক পাকঘৰৰ পৰা উলিয়াই আনি নাৰী যে সাতোটা গুণৰ অধিকাৰী, মহিমাময়ী, নাৰী ক্ষমাৰ আধাৰ আদি গুণেৰে বিভূষিত কৰি তোলা হৈছে। বৈদিক যুগৰ পৰা নাৰীৰ গুণাগুণৰ বিষয়ে চৰ্চা হৈ আহিছে। মহাভাৰত, ৰামায়ণ, ভাগৱত আদি নানা শাস্ত্ৰত নাৰীৰ মায়া সৰ্ম্পকে আলোচনা হৈছে। শ্ৰীকৃষ্ণই অৰ্জুনক নাৰীৰ যি সাতোটা গুণৰ অধিকাৰী বুলি কৈছিল, সেই কেইটা হ'ল কীৰ্তি, শ্ৰীবাক, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা। এইকেইটা গুণ সেইগৰাকী নাৰীৰ তেতিয়াহে থাকিব, যেতিয়া অন্য কিছুমান নৈতিক উপাদান নাৰী গৰাকীয়ে আয়ত্ব কৰিব পাৰিব। সেইকেইটা হ'ল— শ্ৰদ্ধা, প্ৰেম, কৰুণা, দয়া, সৎচিন্তা, সৎভাৱনা, সৎকৰ্ম ইত্যাদি। এপাহ সজীৱ ফুল আৰু ফুলপাহিৰ সুৰভিৰ মাজত যি সম্পৰ্ক, এগৰাকী নাৰীৰ মাজতো সেই একে সম্পৰ্ক। নাৰী গৰাকী শিশুসকলৰ লালন-পালনৰ মূলগৰাকী। নাৰীৰ মুখেই হ'ল মনৰ দাপোনস্বৰূপ। আৰ্চিৰ আগত যি বস্তুৰেই ৰখা যায় তাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। নাৰীৰ মনটোও একেবাৰে বেলজিয়াম আইনাৰ দৰে। সন্মুখত বালি এটা থাকিলেও তাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। গতিকে নাৰীয়ে মনৰ ভাৱবেগ ঢাকি ৰাখিব নোৱাৰে, সি ধৰা দিয়েই। আমাৰ মাত-কথা চেহেৰা, স্বভাৱ-চৰিত্ৰ সকলোতেই সাংস্কৃতিৰ প্ৰভাৱ পৰি এটা অতুলনীয় সৌন্দৰ্যৰ গৰাকী কৰি তুলিব। কিন্তু চিন্তা-ভাৱনাবোৰ যদি পাৰ্থিৱ সংসাৰৰ কামনা-বাসনা যেনে— ভোগ বিলাস, টকা-পইচা, ঐশ্বৰ্য-বিভূতি, যশ, মাটিবাৰী, সম্পত্তি আদিতেই পুৱাৰ পৰা নিশাৰ সপোনলৈকে সীমাবদ্ধ থাকিবলৈ হয়, তেতিয়া হ'লে আমাৰ মনটোৰেই তাৰেই ৰূপ ল'ব। এই দুৰ্বাৰ কামনা-বাসনাৰ চিন্তাই যেতিয়া আমাক জৰ্জৰিত কৰি তুলিব, তেতিয়াই আমাৰ চেহেৰাবোৰত ইয়াৰ ভাৱাবেগবোৰৰ আভাস লাহে লাহে ফুটি উঠিব। যিয়েই ইয়াৰ ভুক্তভোগী হ'ব তেওঁৰ শ্ৰী সৌন্দৰ্য ম্লান পৰিব।

নেপোলিয়ন বোনাপাৰ্টে প্ৰায়ে কৈছিল, শিশুটিৰ ভৱিষ্যতৰ চৰিত্ৰ ভাল হ'বনে বেয়া হ'ব সেইটো সম্পূৰ্ণ ভাৱে এগৰাকী নাৰীৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁ বিশ্বাস কৰিছিল যে, তেওঁৰ জীৱনৰ চমকপদ সাফল্যৰ মূলতে বহু পৰিমাণে আছিল সৰুকালতে তেওঁ মাকৰ পৰা পোৱা শিক্ষা। মাকে তেওঁৰ ইচ্ছা শক্তিক প্ৰভাৱিত কৰিছিল। কৰ্মশক্তিক দৃঢ় কৰিছিল আৰু তেওঁ আত্মসংযমৰো শিক্ষা দিছিল। এইবোৰ শিক্ষা নেপোলিয়নৰ জীৱনৰ সফলতাৰ মাপকাঠি আছিল। প্ৰাচীন কালত আমাৰ দেশত নাৰী শিক্ষাৰ প্ৰচলন নথকাতো কেৱল মাত্ৰ মাতৃ আৰু ঘৰখনৰ পৰিবেশৰ বাবেই একোগৰাকী মহীয়সী নাৰীয়ে নিজৰ নাম উজ্জ্বলাই ৰাখিবলৈ সক্ষম হৈছিল। বৰ্তমান যুগত লাহ বিলাসৰ অগণন সামগ্ৰীৰ প্ৰতি আকৃষ্ট হৈ বহুতো নাৰীয়ে আৰ্থিক দুৰৱস্থাৰ হেতু ন্যায় কৰিব নোৱাৰি মানসিক ভাৱে হতাশাত ভোগে। এনে ক্ষেত্ৰত মাতৃগৰাকীয়ে সৰুতেই ভালদৰে বুজাই দিয়া উচিত যে, এইবোৰৰ অবিহনেও নাৰীয়ে নিজৰ গুণত সুন্দৰ হ'ব পাৰে। জগতত জিলিকি ৰ'ব পাৰে নিজৰ প্ৰতিভা বিকাশৰ জৰিয়তে। নিজকে এগৰাকী কাৰ্যক্ষম উপযুক্ত মহিলা হিচাপে গঢ়িব নোৱাৰা পৰ্যন্ত ছোৱালী গৰাকীৰ বিবাহৰ কথাও চিন্তা কৰা অনুচিত। আজিকালি কম মূলধনেৰে কৰিব পৰা ক্ষুদ্ৰ ব্যৱসায় কৰিও বহুতো নাৰী স্বাৱলম্বী হ'ব পাৰিছে। আৰ্থিক অভাৱ দূৰ কৰাত পৰিয়ালক সহায় কৰিছে। তাকে কৰিবলৈ লাগিব ধৈৰ্য, একাগ্ৰতা, সততা আৰু নিষ্ঠা। যি এই সুশিক্ষা ছোৱালীজনীয়ে সৰুতেই পাই আহিব, তেওঁ কেতিয়াও বিপথে যাব নোৱাৰে বা হতাশাগ্ৰস্ত নহয়। ইতিহাসৰ পাত লুটিয়ালে আমি দেখা পাওঁ, সকলোৰে উন্নতিৰ মূলত থাকে এগৰাকী নাৰী। কিন্তু

মাতৃগৰাকীয়ে তিল্‌তিলকৈ ডাঙৰহে অহা কন্যা সন্তানটিৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি তাই এগৰাকী সবল নাৰী হিচাপে সমাজত থিয় হ'ব পৰাকৈ শিক্ষা-দীক্ষা দি উপযুক্ত কৰি গঢ়ি তোলা।

ফুলনি এডৰা সুন্দৰ ফুলেৰে সুশোভিত হৈ থাকিলে ফুলনিডৰা চাই ভাল লাগে। সেইদৰে এখন ঘৰত এগৰাকী সুন্দৰী নাৰী থাকিলে ঘৰখনলৈ শোভা বঢ়ায়। নাৰী এগৰাকী সৌন্দৰ্যৰ প্ৰতীক স্বৰূপ। সেইবুলি দেখিবলৈ ধুনীয়াটোকে নাৰী গৰাকীৰ সৌন্দৰ্যক নুবুজায়। বৰ্তমান আধুনিক সুন্দৰী নাৰী বুলিলে আজিকালি বিশ্বসুন্দৰী প্ৰতিযোগিতাত তেওঁ কথাকোৱাৰ ভাৱ-ভঙ্গী, শৰীৰৰ গঠন প্ৰণালী, স্বাস্থ্য, শিক্ষা, আধ্যাত্মিকতা, মানসিকতা, বাক্‌পটুতা আদিৰো পৰীক্ষা কৰি চোৱা হয়।

গাৰ্হ্যস্থ জীৱনত নাৰীৰ আসনখন সুকীয়া। আধুনিক সমাজ ব্যৱস্থাৰ মাজত নাৰীক উচ্চাসন দিয়া হৈছে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মজিয়াত। নাৰীক পাকঘৰৰ পৰা উলিয়াই আনি নাৰী যে সাতোটা গুণৰ অধিকাৰী, মহিমাময়ী, নাৰী ক্ষমাৰ আধাৰ আদি গুণেৰে বিভূষিত কৰি তোলা হৈছে। বৈদিক যুগৰ পৰা নাৰীৰ গুণাগুণৰ বিষয়ে চৰ্চা হৈ আহিছে। মহাভাৰত, ৰামায়ণ, ভাগৱত আদি নানা শাস্ত্ৰত নাৰীৰ মায়া সম্পৰ্কে আলোচনা হৈছে। শ্ৰীকৃষ্ণই অৰ্জুনক নাৰীৰ যি সাতোটা গুণৰ অধিকাৰী বুলি কৈছিল, সেই কেইটা হ'ল কীৰ্তি, শ্ৰীবাক, স্মৃতি, মেধা, ধৃতি আৰু ক্ষমা। এইকেইটা গুণ সেইগৰাকী নাৰীৰ তেতিয়াহে থাকিব, যেতিয়া অন্য কিছুমান নৈতিক উপাদান নাৰী গৰাকীয়ে আয়ত্ব কৰিব পাৰিব। সেইকেইটা হ'ল— শ্ৰদ্ধা, প্ৰেম, কৰুণা, দয়া, সৎচিন্তা, সৎভাৱনা, সৎকৰ্ম ইত্যাদি। এপাহ সজীৱ ফুল আৰু ফুলপাহিৰ সুৰভিৰ মাজত যি সম্পৰ্ক, এগৰাকী নাৰীৰ মাজতো সেই একে সম্পৰ্ক। নাৰী গৰাকী শিশুসকলৰ লালন-পালনৰ মূলগৰাকী। নাৰীৰ মুখেই হ'ল মনৰ দাপোনস্বৰূপ। আৰ্চিৰ আগত যি বস্তুৰেই ৰখা যায় তাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। নাৰীৰ মনটোও একেবাৰে বেলজিয়াম আইনাৰ দৰে। সন্মুখত বালি এটা থাকিলেও তাৰ প্ৰতিফলন দেখিবলৈ পোৱা যায়। গতিকে নাৰীয়ে মনৰ ভাৱবেগ ঢাকি ৰাখিব নোৱাৰে, সি ধৰা দিয়েই। আমাৰ মাত-কথা চেহেৰা, স্বভাৱ-চৰিত্ৰ সকলোতেই সাংস্কৃতিৰ প্ৰভাৱ পৰি এটা অতুলনীয় সৌন্দৰ্যৰ গৰাকী কৰি তুলিব। কিন্তু চিন্তা-ভাৱনাবোৰ যদি পাৰ্থিৱ সংসাৰৰ কামনা-বাসনা যেনে— ভোগ বিলাস, টকা-পইচা, ঐশ্বৰ্য-বিভূতি, যশ, মাটিবাৰী, সম্পত্তি আদিতেই পুৰাৰ পৰা নিশাৰ সপোনলৈকে সীমাবদ্ধ থাকিবলৈ হয়, তেতিয়া হ'লে আমাৰ মনটোৰেই তাৰেই ৰূপ ল'ব। এই দুৰ্বাৰ কামনা-বাসনাৰ চিন্তাই যেতিয়া আমাক জৰ্জৰিত কৰি তুলিব, তেতিয়াই আমাৰ চেহেৰাবোৰত ইয়াৰ ভাৱাবেগবোৰৰ আভাস লাহে লাহে ফুটি উঠিব। যিয়েই ইয়াৰ ভুক্তভোগী হ'ব তেওঁৰ শ্ৰী সৌন্দৰ্য ম্লান পৰিব।

নেপোলিয়ন বোনাপাৰ্টে প্ৰায়ে কৈছিল, শিশুটিৰ ভৱিষ্যতৰ চৰিত্ৰ ভাল হ'বনে বেয়া হ'ব সেইটো সম্পূৰ্ণ ভাৱে এগৰাকী নাৰীৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁ বিশ্বাস কৰিছিল যে, তেওঁৰ জীৱনৰ চমকপ্ৰদ সাফল্যৰ মূলতে বহু পৰিমাণে আছিল সৰুকালতে তেওঁ মাকৰ পৰা পোৱা শিক্ষা। মাকে তেওঁৰ ইচ্ছা শক্তিক প্ৰভাৱিত কৰিছিল। কৰ্মশক্তিক দৃঢ় কৰিছিল আৰু তেওঁ আত্মসংযমৰো শিক্ষা দিছিল। এইবোৰ শিক্ষা নেপোলিয়নৰ জীৱনৰ সফলতাৰ মাপকাঠি আছিল। প্ৰাচীন কালত আমাৰ দেশত নাৰী শিক্ষাৰ প্ৰচলন নথকাতো কেৱল মাত্ৰ মাতৃ আৰু ঘৰখনৰ পৰিবেশৰ বাবেই একোগৰাকী মহীয়সী নাৰীয়ে নিজৰ নাম উজ্জ্বলাই ৰাখিবলৈ সক্ষম হৈছিল। বৰ্তমান যুগত লাহ বিলাসৰ অগণন সামগ্ৰীৰ প্ৰতি আকৃষ্ট হৈ বহুতো নাৰীয়ে আৰ্থিক দুৰৱস্থাৰ হেতু ন্যায় কৰিব নোৱাৰি মানসিক ভাৱে হতাশাত ভোগে। এনে ক্ষেত্ৰত মাতৃগৰাকীয়ে সৰুতেই ভালদৰে বুজাই দিয়া উচিত যে, এইবোৰৰ অবিহনেও নাৰীয়ে নিজৰ গুণত সুন্দৰ হ'ব পাৰে। জগতত জিলিকি ৰ'ব পাৰে নিজৰ প্ৰতিভা বিকাশৰ জৰিয়তে। নিজকে এগৰাকী কাৰ্যক্ষম উপযুক্ত মহিলা হিচাপে গঢ়িব নোৱাৰা পৰ্যন্ত ছোৱালী গৰাকীৰ বিবাহৰ কথাও চিন্তা কৰা অনুচিত। আজিকালি কম মূলধনেৰে কৰিব পৰা ক্ষুদ্ৰ ব্যৱসায় কৰিও বহুতো নাৰী স্বাৱলম্বী হ'ব পাৰিছে। আৰ্থিক অভাৱ দূৰ কৰাত পৰিয়ালক সহায় কৰিছে। তাকে কৰিবলৈ লাগিব ধৈৰ্য, একাগ্ৰতা, সততা আৰু নিষ্ঠা। যি এই সুশিক্ষা ছোৱালীজনীয়ে সৰুতেই পাই আহিব, তেওঁ কেতিয়াও বিপথে যাব নোৱাৰে বা হতাশাগ্ৰস্ত নহয়। ইতিহাসৰ পাত লুটিয়ালে আমি দেখা পাঁও, সকলোৰে উন্নতিৰ মূলত থাকে এগৰাকী নাৰী। কিন্তু

কেতিয়াবা ধ্বংসৰ কাৰণো হৈ পৰে এই নাৰীয়েই। সংস্কাৰপূৰ্ণ নীতি শিক্ষাৰে শিক্ষিতা ছোৱালীয়ে সমাজৰ দুস্কৃতিবোৰ আঁতৰাই এখন নিকা সমাজ গঢ়াত অগ্ৰণী ভূমিকা ল'ব পাৰে আৰু অসুস্থ পৰিবেশত ডাঙৰ হোৱা অনৈতিক কু-কৰ্ম কৰা নাৰীয়ে সমাজখন কলুষিত কৰে, তাৰ বাবেও জগৰীয়া হ'ল নাৰী গৰাকীয়েই। সুস্থ চিন্তাধাৰাৰে অশিক্ষিতা, অল্পশিক্ষিতা নাৰীয়েও নিজৰ কৰ্মৰ আদৰ্শৰে গঢ় দিব পাৰে এগৰাকী সফল আদৰ্শৱতী নাৰী আৰু উচ্চ শিক্ষিতা হৈও নৈতিকতাহীন এগৰাকী নাৰীয়ে সমাজত সৃষ্টি কৰে দিক্‌ভ্ৰষ্টা, উচ্ছৃংখল সমাজবৰ্জিতা নাৰী।

ভাৰতীয় সভ্যতাৰ নাৰীৰ স্থান আৰু মৰ্যাদাৰ মূল্যায়ন কৰিবলৈ গৈ এযাৰ মূল্যৱান কথা অৱতাৰণা হৈছিল। সভ্যতাৰ প্ৰাণবস্তু, তাৰ উৎকৰ্ষ আৰু সীমাবদ্ধতাৰ বিষয়ে জনাৰ উৎকৃষ্ট উপায় হৈছে সেই সভ্যতাত নাৰী স্থান আৰু অৱস্থাৰ ইতিহাস অধ্যয়ন। যুগে যুগে নাৰীসকলে সমাজ আৰু সভ্যতাৰ বিকাশত প্ৰচুৰ অৰিহণা আগবঢ়াই আহিছে। বৈদিক যুগৰ পৰাই আমাৰ ভাৰতীয় পৰম্পৰাই নাৰীক বৰ্তমানলৈকে সন্মান প্ৰদৰ্শন কৰাৰ সাক্ষ্য বহন কৰি আহিছে। ইয়াৰ এটা চিৰস্মৰণীয় প্ৰমাণ হ'ল আমাৰ জন্মভূমিক দেৱীস্বৰূপ স্বীকৃতি দিয়া, মাতৃ পদৰে সন্মানিত তথা পূজা কৰা। দেৱী আৰু মাতৃ উভয়েই নাৰী পদবাচক।

যদিও বৰ্তমান আমি উন্নত, শিক্ষিত সমাজক লৈ গৌৰৱ অনুভৱ কৰোঁ, তাতো কিন্তু নাৰী পদে পদে বঞ্চিতা, ধৰ্ষিতা, অৱহেলিতা, নিৰ্যাতিতা, উপেক্ষিতা হৈ আহিছে। সেয়েহে সমাজৰ লগতে নিজৰ সংস্কাৰৰ বাবে নাৰীৰ কৰণীয় বহুত আছে। বছেৰেকত এটা দিন নাৰী দিৱস পাতি নাৰীৰ সমস্যা আদিৰ বিষয়ে আলোচনা কৰিলেই নহ'ব। শিক্ষিত নাৰী সকলে সমাজৰ অশিক্ষিত আৰু পিচপৰি থকা নাৰী সকলক নিজৰ কৰ্তব্য আৰু অধিকাৰৰ প্ৰতি সজাগ, সচেতন কৰিব লাগিব। নাৰী সমাজত নাৰী সকলক কেনেদৰে নানা ধৰণৰ সমস্যাবোৰৰ পৰা নিৰাপত্তা দিব পৰা যায়, তাৰ ওপৰতেহে অধিক গুৰুত্ব দিয়া উচিত। তেতিয়াহে নাৰী দিৱসে সাৰ্থকতা লাভ কৰিব।

নাৰী সমাজ এনেদৰে জাগ্ৰত হৈ উঠিব লাগিব যে পিতৃ পৰিচয় আৰু স্বামী পৰিচয়েৰে ধন্য হৈ নাৰীয়ে যিকোনো কাৰ্যত দপ্‌দপাই ফুৰাত কি গৌৰৱ আছে— নাৰীয়ে নিজৰ পৰিচয়লৈ আগবাঢ়ক। নাৰীয়ে নিজৰ কণ্ঠত তোলক নিজৰ শ্ল'গান, নাৰীয়ে নিজৰ হাত মুঠিবদ্ধ কৰক। তৰ্জনী যদি তোলে এবাৰ নিজৰ তৰ্জনী তোলক। এই উদাত্ত আহ্বানক সাৰোগত কৰি মহিলাসকল আত্ম পৰিচয়েৰে আগবাঢ়ি যাওক, কিন্তু নিজৰ ভৰিৰ খোজটো যাতে পাহৰি নাযায়, নাযায় যেন ভৰিৰ তলত থকা পৃথিৱীখনৰ কথা। গতিকে নাৰী সমাজে নিজৰ কৰণীয়খিনি সুচাৰু ৰূপে পালন কৰি উঠি অহা নাৰীসকলক সেই আদৰ্শৰে অনুপ্ৰাণিত কৰে যেন।



# The Assam Movement : A theoretical viewpoint

B. K. Sonowal, Assistant Professor, Deptt. of English

**Introduction :**

Whenever we talk about Social Movements it can be said undoubetedly that social movements are the popular uprisings in the history of any country or nation. A social movement can be defined as a form of collective behaviour in which a large number of masses come together and associate themselves to prompote or defy any kind of changes in the society. Such social movements can be categorized into different types like Alternative Social Movements, Reformative Social Movements, Transformative Social Movements Reactionary social movements etc. on the basis of nature, objective and ideology etc of Social Movements they can be differentiated. Various writers of social movement had viewed Assam Movements from various angles. A social movement, thus, can be explained from various theories. To some it can be said that Assam Movement is a movement initiated by the upper caste Assamese people for their socio-politico-economic inrerest. To some it is a movement for the protection of Assamese nationalities and to some others again it is a movement sprung out owing to relative deprivation. So Assam Movement can be explained and understood through various views or theories and such explanation or understanding has become imperative to know Assam Movements.

**Importance of theorizing a movement :**

Theory means a formal idea or set of ideas that are intended to explain something, so one needs well-focused intellectual look taken into at something in a state of consideration with the intent to grasp or understand something. Thus, theory can act as a guide to practice adds much to what is merely described clarifies hypotheses, and as a part of philosophy it explains an issue which meets the requirements of both reason and vision. It also provides a systematic interpretation over the definite case variables. It is a literal communication of the incidents that happened in the moment of time. Thus, as a method of analysis the case happened in past, it provided a well set typology of assumption and interset of larger magnitude. It provides a scope for understanding a situation through a given framework paradigm.

In such a narrative, various theories can also be applied to the facts and figures of the Assam Movement. It could be perceived from some varied angle with the help of various theories. In short, by looking into the gravity, character, motive, result and back up forces of the Assam Movement, it can be theorized in several parallel line of understanding.

Theoretical viewpoint of Assam Movement would provide us a better understanding and knowledge of the movement. By theorizing the Assam Movement one can have a better understaning

of the nature, scope, cause, leadership, support base and opponent of the movement. Such theorization of the Assam Movement will also strengthen the knowledge base of the movement. Besides, it will open and provide new angles of analyzing the Assam Movement.

**A glimpse on Assam Movement**

The Assam Movement like all other significant social movements of the world is also deeply rooted in the history and the society from which it came into being. Assam movement like all other social movements do not rise all of a sudden; rather there have been a gradual rising owing to confusion and discontent among the Assamese middle class and the Assamese people at large, which later on outburst in a form of a great movement. Though, a feeling of deprivation and people's unfulfilled expectations gave stir to rise since early time, but is got more visible from the year 1979. With the issue of illegal immigration, Assam movements stirred up and ended with the enhancing of Assam's infrastructural development, in a form of an Accord, known as "Assam Accord."

Assam Movement in first hand started with the demands to stop the illegal immigration of foreigners to Assam from neighboring countries. With the objectives of impeding foreigners from participating in the electoral process, deportation of all foreigners who have immigrated to Assam illegally and also to enable the local people of Assam to know the importance of protecting their distinctive identity. The movement was started in 1979 under the leadership of the ASSU and AAGSP.

To understand a movement it is vital to know about the various components of the movement like ideology, objectives, organization, social condition, supporters, opponents, leadership, beneficiaries etc. So to understand the Assam Movement in a better and proper way it is very significant to have knowledge of these entire components. The ideology of the Assam Movement was the ideology of sub-nationalism, the objectives of the movement were to detect and deport foreigner from the land, economic development of the region and its inhabitants and to some scholars there was also a concealed objective of the movement which was to gain political power. All Assam Student Union (AASU), All Assam Gana Sangram Parishad (AAGSP) were the main organizations engaged in the Movement and so leaders of these two organizations took the inititative of leadership of the movement. They were like P.K. Mahanta, B.K. Phukan etc. If we look back into the social condition of Assam during Assam Movement then we will perceive that the whole society was underdeveloped and in many areas outsiders (Non-Assamese) had a better position in comparison to the locals. When understood the objectives of the Assam Movement it was largely supported by most of the inhabited of Assam including the Assamese middle class. Central government was considered as the villain or the opponent of Assam Movement. So in a nut-shell the movement can be described as a movement which was essentially against the outsiders. At the end the people who were benefited from the movement were the middle class Assamese people as they gained both economic and political benefit from the movement.

**Theories of the Assam Movement :**

The Assam Movement can be understood from various angles or from various theoretical

perspectives. Generally one can explicate the movement from assortment of theories but in this article focus will be given only on five theories basically. These are-

1. The Theory of Class Approach
2. The Theory of Structural Conduciveness
3. The Theory of Relative Deprivation
4. The Theory of Reference Groups and
5. The Theory of Resource Conflict etc.

Application of all these theories for better understanding of the movement would adequately reflect the nature and cause of Assam Movement. Some of these theories also indicate the outcome of the movement.

**1. The Theory of Class approach**

The Theory of class approach was developed by Karl Marx and his successor. This theory puts light on the economic exploitation of peope as a cause of a movement. It also examines the class character of the movement. It even tries to explain a movement by reflecting the leader class and the beneficiary class.

If we try to discuss the Assam Movement from the viewpoint of this theory. Then the class character of the movement will come to light. Prof. Manirul Hussain in his book *"The Assam Movement, Class, Ideology and Identity"* and Amalendu Guha in his article *"Little Nationalism Turned Chauvinist: Assam's Anti-Foreigner Upsurge"* discussed about the class character of the Assam Movement.

The Assam Movement was a movement against the resource exploitation of Assam. It was a movement stirred up by the oppressed class of the Assamese society and this movement was led or supported by the Assamese middle class to promote their interest. According to some scholars, the Assam Movement was a movement for the benefit of the Assamese educated middle class. So all these factors reflect the class character of the movement or to say the class approach to the Assam Movement can explain it as a movement which was stirred up because of economic exploitation led by Assamese middle class for their interest.

**2. The Theory of Structural Conduciveness :**

Theory of structural conduciveness is another theory which can be related to any social movement. The theory of structural conduciveness is proposed by Neil J. Smellser who identifies six conditions that led to social movement. These six conditions are structural conduciveness, structural strains, growth and spread of generalized belief, precipitating factors, mobilization of factors and mechanism of social control.

Through the perspective of the structural conduciveness theory, if we try to analysis the Assam Movement. Then we will notice that the Assam Movement had all the six conditions laid down by Smellser in his theory. The Assam Movement was a movement that was started in the independent democratic society and the structure of Assam at that time was conducive enough for a movement. The exploitation of resources by the center, its apathetic attitude and large scale immigration of outsiders gave a structural strain among the Assamese people and all these conditions led to a general belief that identity of Assamese people is in crises. Then the sudden killing of Khargeswar Talukdar was the precipitating factors of the Assam Movement. The leaders of the movement mobilize the people on the ground that a popular movement only can solve all the problems prevailing at that time. The movement was leaded by the student union and by some

other organization like ASSU, AAGSP, AXX etc. For such reasons, mechanism of social control was in the hands of leaders of those organizations.

**3. The Theory of Relative deprivation :**

Another theory through which one can examine the Assam Movement is the theory of relative deprivation. According to Relative Deprivation theory, people are driven into movements out of a sense of deprivation or inequality, particulary (i) in relation to others (in terms of some good(s) or resource(s) or (ii) in relation to their expectations. "According to this approach, individuals who are lacking some good, service, or comfort are more likely to organize a social movement to improve (or defend) their conditions." (Morrison 1978). As a theory, the theory of Relative Deprivation, underlies a sense of deprivation relatively from its sister organs. It indicates how one object is being deprived from the rights and concessions that other objects of same types are privileged. This theory has a dual perspective- one is Institutional and other is Individual. From the institutional perspective it shows how the institutions take a policy of relative deprivation in providing economic priorities. At the individual level, this theory indicates how one feels insecure and deprived from its equal counterpart.

Through this theory one can assess the Assam Movement. On the basis of this theory it can be said that at individual level the theory examines how the *"Asamiya"* people at large feels relative deprivation from the "Indian" imperialism and its other avenues of atrocities. People of Assam had the feeling that Government of India looks at them with apathy, an attitude of a step mother and so charged the Government of India for such step mother attitude and apathy. At the individual level "Asamiya" people blamed that Bohiragatos (outsiders), initially captured the revenues which actually belongs to Asamiyas. In that sense, "Land" created a sense of insecurities and economic revenue as source of discontent among the Assamese People. Thus, through this theory the reasons of the movement can be focused and studied.

**4. The Theory of Reference Groups :**

Role of demonstrative factors also played an important role in the emergence of the Assam Movement and the subsequent autonomy movement of Assam. It can be said that both these movements in fact are as a result of role model. This perception can be theorized in the banner of theory of reference group. In a straight line of direction, we can say that the Assam Movement is being inspired by the earlier two successive movements concerning "Language", in latter part of 60's and early part pf 70's. Therefore, there prevails a vast similarity between the two especially when it comes to the people's demands, strategy and organization. Besides, the emergence of middle class again was a result of such role model transaction, both at the top and bottom line up.

Again as a result of the Assam Movement a parallel proliferation of autonomy movement have been witnessed as a follow up actions of Assamese chauvinism. For the aboriginal Bodo's the Assam Movement is the reference movement for their subsequent movement. Thus, two language movements of Assam played the role of the reference movement for the Assam Movement on one hand and on the other hand the Assam Movement itself became reference for the Bodo Movement.

**5. The Theory of Resource Conflict :**

The Assam Movement again can also be viewed from the angle of the resource conflict theory between the centre and the leaders of the movement regarding the available natural resource of Assam. One of the most impressive debates on such conflict was the movement of Oil Blockade. The leaders of the movement had started "The blockade" in January 1980, with a slogan- "Tez Dim Tel Nidio" and they demanded for an own refinery instead of transporting crude oil to the Barauni refinery in Bihar. It was notable that, the oil blockade pressurized the centre to think seriously about the matter and to look forward for an immediate solution. It has been rightly mention by the Sanjaya Hazarika in his work called- "Assam: A Crisis of Identity", 1980 as "Thousands of supporters of the movement on 21st December 1979 moved into various oil installations and refineries in Assam and stop the flow of crude oil to outside Assam, which led to stoppage of functioning of Barauni refinery in Bihar."


**Conclusion :**

In these ways, one can analysis the Assam Movement from various viewpoints applying diverse theories. The movement can be examined from the above theories in an extensive direction, as each theory accepts the movement in different ways. Thus, the whole process of the Assam movement needs a re-look and the possible interpretation can be made through the theories discussed above but still those theories are not sufficient, thus a further interpretation of the movement again is felt to be needed.

One can again see the Assam Movement from the theory of legitimacy, theory of self determination, theory of sub nationalism etc. These theories observe the Assam Movement from some other angles with different viewpoints. According to these theories, the Assam Movement is not just a movement against foreigners but it is much larger than that.

***Reference :***

1. Baruchm Sanjib: India Against Itselfm Oxford University Press, New Delhi, 2000.
2. Debton E. Morrison: "Some Notes toward Theory on Relative Deprivation, Social Movements, and Social Change." In Louis E. Genevie, ed., Collective Behavior and Social Movements. Itasca, III 1978.
3. Gohain Hiren: Assam: The Burning Question, spectrum publications, Guwahati, 1985.
4. Guha, Amalendu: Little Nationalism Turned Chauvinist: Assam's Anti-Foreigner Upsurge.
5. Hazarika, Bolin (ed) Society and Politics in Assam, Dept. of Political Science J.B. College, 2000.
6. Hazarika, Samjay Assam: A Crises of Identity, 1980.
7. Hussain, Manirul; The Assam Movement, class, ideology and identity, Manak Publication Pvt. Ltd. Delhi 1993.
8. Konwarm Narayan: Society and Politics in Assam, Book land, Guwahati, 2005.
9. Brass, Paul: The Politics in India Since Independence, Cambridge University Press, New Delhi, 1997.



# বাঘধেনু

নাৰায়ণ বৰুৱা, অৱসৰপ্ৰাপ্ত সহযোগী
অধ্যাপক, অৰ্থনীতি বিভাগ

...প্ৰযুক্তি বিকাশৰ আগতে এই শিল্পবোৰেই আছিল জাতিৰ সম্পদ আৰু সাহস। এইবোৰ লৈয়ে চহকী হৈছিল আমাৰ কৃষ্টি আৰু আমাৰ পৰম্পৰা। এই শিল্প বা সম্পদবোৰৰ আলমতে আহিছিল দুখৰ মুখত সুখৰ হাঁহি আৰু দুখৰ দিনত সুখৰ অনুভৱ আৰু উপলব্ধি...


প্ৰাচীন অসমৰ জাতীয় চিন্তা-চেতনা, পৰম্পৰা আৰু কৃষিভিত্তিক কৃষ্টি সংস্কৃতিৰ পৰশত গঢ়লৈ উঠা অসংখ্য শিল্পৰ ভিতৰত এনে বহু শিল্প সঁজুলি আছে, যিবোৰৰ নাম আৰু স্মৃতি মানুহৰ বুকুৰে বুকুৰে আজিও সজীৱ হৈ আছে। গাঁৱে গাঁৱে আজিও প্ৰচলিত হৈ আছে সিবোৰৰ নাম। প্ৰযুক্তি বিকাশৰ আগতে এই শিল্পবোৰেই আছিল জাতিৰ সম্পদ আৰু সাহস। এইবোৰ লৈয়ে চহকী হৈছিল আমাৰ কৃষ্টি আৰু আমাৰ পৰম্পৰা। এই শিল্প বা সম্পদবোৰৰ আলমতে আহিছিল দুখৰ মুখত সুখৰ হাঁহি আৰু দুখৰ দিনত সুখৰ অনুভৱ আৰু উপলব্ধি। একোজন বাঢ়ৈৰ কঠিন হাতৰ পৰশত প্ৰাণ পাই উঠা এই সম্পদবোৰে শুৱনি কৰি ৰাখিছিল জুপুৰি পঁজাৰ চ'ৰাঘৰ আৰু বেৰৰ কামি। মূধৰ খুঁটাত গজাল মাৰি ওলোমাই থোৱা এই সম্পদবোৰৰ গাত পুৱা গধূলি চকু ফুৰুৱা হয়। কেৰাচিন সনা ফটাকানিৰে এবাৰ মোহাৰি দিলে বছৰটো নিঘুণী থৈ থাকে। কাঠ, বাঁহ আৰু বেত তথা ঢেকীয়ালতিৰে সাজি উলিওৱা এই সম্পদবোৰৰ অবিহনে অপূৰ্ণ হৈ ৰয় বাৰেৰহণীয়া আমাৰ কৃষ্টি আৰু পৰম্পৰা।

লোকশিল্প, লোক-সংস্কৃতি, লোক-কথা, লোক-সংগীত, লোকাচাৰ, লোকবাদ্য, লোকপ্ৰথা আদি অসংখ্য কৃষ্টিৰে ভৰপূৰ হৈ আছে অসমীয়া সমাজ। সুন্দৰ সেউজ প্ৰকৃতিৰ বুকুতে সৃষ্টি হৈছে এই সম্পদবোৰ। এইবোৰতে নিহিত হৈ আছে জাতিৰ সমস্ত চেতনা আৰু সত্তা। ইয়াৰ আলমতে সৃষ্টি হৈছে বাঢ়ৈ-খনিকৰ আৰু শিপিনী। বিশেষকৈ বাঢ়ৈৰ হাতত প্ৰাণ পাই উঠা শিল্প-সম্পদবোৰে আজিও চহকী কৰি ৰাখিছে অসমীয়া লোক সংস্কৃতিৰ ভঁৰাল। তাঁতশাল, ঢেঁকীশাল, পাচি-খৰাহী, জাপি-জপা, ডলা-চালনী, জকাই-জুলুকি, ঠুঁহা-চেপা, কৰঙা কাঁকৈ, তকা-টাঙোন আদি নামকৈ শেষ কৰিব নোৱাৰা সম্পদ। প্ৰত্যেকবিধ সম্পদৰে কাম আৰু কামৰ উদ্দেশ্য সুকীয়া সুকীয়া। নাঙলেৰে হালবোৱা আৰু ইয়াৰ উদ্দেশ্য কৃষি। কঁড়িয়াত গাখীৰ খিউৱা আৰু গাখীৰ সংৰক্ষণ কৰা। ঠিক এনে অসংখ্য সম্পদৰ মাজৰে এবিধ অতি উল্লেখযোগ্য সম্পদ- যিবিধ সম্পদে আজিও আমাৰ মন-মণিকোঠাত বিশেষ স্থান দখল কৰি আছে। এই সম্পদবিধ হৈছে 'বাঘধেনু'। পুৰণি কালত অসমীয়া কৃষিজীৱি সমাজত সঘনাই ব্যৱহাৰ হোৱা অসংখ্য সম্পদৰ ভিতৰত এই বাঘধেনু সৰ্বজনবিদিত আৰু সৰ্বচৰ্চিত। বাঘধেনু বিশ্বাস আৰু পৰম্পৰাৰ লগত জড়িত এবিধ আপুৰুগীয়া সম্পদ। অসমীয়া সাহিত্যৰ বনগীতৰ ভঁৰালত এই বাঘধেনুৰ পোহৰো নকৰাকৈ থকা নাই। গতিকে বাঘধেনু আমাৰ এক প্ৰাচীন সম্পদ।

বাঘধেনু সম্পৰ্কে আজিৰ সমাজত কোনো স্পষ্ট ধাৰণা নাই। আনকি সাহিত্যৰ লগত জড়িত গৰিষ্ঠ সংখ্যকেই এই ক্ষেত্ৰত অজ্ঞ। বহুতে আকৌ বাঘধেনু বাঘ মাৰিবৰ বাবে ব্যৱহাৰ কৰা ধনু বা চিটিকা বুলি ভাবে। অৱশ্যে বিৱৰণ দি ইয়াৰ ব্যৱহাৰিক দিশটো বুজাই দিলে তেওঁলোকৰ ভুল ভাগে। কিন্তু নতুন চামে ইয়াৰ বিৱৰণ দিলেও বুজি নাপায়। যিহেতু প্ৰযুক্তিৰ বিকাশে পুৰণি

শিল্প-কলা সমূহৰ ব্যৱহাৰ আৰু চৰ্চা সমূলি নিঃশেষ কৰি পেলালে। তথাপিও বাঘধেনুৰ স্মৃতিয়ে পুৰণি চামৰ মানুহক আজিও আৱেগিক কৰি ৰাখিছে। বাঘধেনু হ'ল বাঁহেৰে নিৰ্মিত এবিধ সুনিপুন কলা। এই কলাবিধত কেইবাবিধো সঁজুলি নিহিত হৈ আছে। এইবোৰৰ ভিতৰত ফলিয়া, বটিয়া (মুগা সূতাৰ হ'লে ভাল), মাৰি, বান্ধনি আৰু টোনা। টোনাটোত আকৌ দুবিধ সঁজুলি আছে। এবিধ হৈছে চুঙা আৰু আনবিধ সাফৰ। চুঙাৰ দীঘ ১.৩" আৰু সাফৰৰ দীঘ ৭" । সাফৰটোত আঢ়ৈ ইঞ্চিমান এটা খাপ আছে। এই অংশটো চুঙাটোৰ ভিতৰত সোমাই থাকে। চুঙা আৰু সাফৰ মিলাই টোনাৰ দীঘল মান ১.৮" হ'ব। বান্ধনিটো চুঙাটোৰ প্ৰায় ৩ মান তলতে দিয়া হয়। বান্ধনিটো বেতৰ। বাঘধেনুৰ মুখ্য সঁজুলি হ'ল ফলিয়া। ফলিয়াৰ দীঘ চাৰে আঠ ইঞ্চি আৰু বহল ১.১ ছেঃমিঃ। ইয়াৰ কম বেচি হ'লে শব্দ নোলায়। বটিয়াৰ কোনো নিৰ্দিষ্ট জোখ নাই। তথাপিও ৩-৪ ফুট মান হ'লে ভাল। মাৰিডালৰ দীঘ ১.৩" মান হ'লে জোখৰ হয়। হাতেৰে ধৰা ফালে শকত আৰু বটিয়া লগোৱা মূৰটো লাহী। এই নিৰ্দিষ্ট জোখৰ সঁজুলিবোৰ লগহৈ 'বাঘধেনু' নামৰ এই আপুৰুগীয়া সম্পদবিধ সৃষ্টি হৈছে। বটিয়া বন্ধা ফলিয়া চটা মাৰিৰে সৈতে টোনাটোত সুমুৱাই ৰখা হয়।

বাঘধেনু এবিধ বাদ্য। বটিয়া বন্ধা সেই ফলিয়া চটা জোৰেৰে ঘূৰাই দিলে গোঁ-ওঁ-ওঁ-ওঁ কৈ শব্দ হয়। এই শব্দ সাইলাখ বাঘৰ গোজৰণিৰ দৰে। কিন্তু অলপ কোমল। এইটোৱেই হৈছে বাঘধেনুৰ প্ৰধান বৈশিষ্ট্য। পৰম্পৰা মতে বাৰিষা পথাৰত চিৰাল ফাট মেলিলে বাঘধেনু বজোৱা হয়। বাঘধেনু বজালে বৰষুণ হয় বুলি বিশ্বাস কৰা হয়। বিশ্বাস অনুসৰি কামো হয়। লাহে লাহে মেঘে আকাশ ঢাকে। ক্ৰমে হুৰহুৰকৈ বৰষুণ আহে। বাঘধেনুৰ আধাৰত এয়া গ্ৰাম্য সমাজৰ পৰম্পৰা। বাঘধেনুৰ এনে



উপকাৰিতাৰ বিপৰীতে কিছু অপকাৰিতাও নথকা নহয়। লোক বিশ্বাস মতে বাঘধেনু বজালে হেনো বাঘ আহে। বাঘ বনৰ ৰজা। এই ৰজাই আন এজন ৰজাৰ উপস্থিতি কামনা নকৰে। বাঘধেনুৰ পৰা ওলোৱা শব্দৰ অনুসৰণ কৰি কিছু পৰৰ পিছত সেই ঠাইত বাঘ ওলায়হি। মানুহে ইয়াৰ প্ৰমাণো পায়। গতিকে বাঘধেনু সময়-সুবিধা চাইহে বজোৱা হয়। কিন্তু বাঘধেনু বজালে যে বৰষুণ হয়, সেয়া নিশ্চিত আৰু বাঘো যে ওলায়হি সেইটোও খাটাং। এই সম্পৰ্কে সৃষ্টি হোৱা বনগীতৰ কলি দুটিমান উল্লেখ কৰিলেই যথেষ্ট।

১) গধূলি পৰতে বাঘধেনু বজালি
আলি বঙিয়াতে বৈ,
শাওণৰ পথাৰত চিৰালফাট মেলিছে
আলিতে শুকাইছে মৈ।

২) বাঘধেনু বজালি মোৰ সোণ বাপু ঐ
গোহালিত দামুৰি আছে,
ৰোৱনী পথাৰত চিৰালফাট মেলিলে
মেঘে কেতিয়ানো গাজে।

বনগীতৰ এই কলি দুটি সৰুতে আইতাহঁতৰ মুখত শুনিছিলো। ক'ৰবাত উল্লেখ আছেনে নাইনাজানো। বৰ্তমান আমাৰ সমাজত বাঘধেনুৰ ব্যৱহাৰ অথবা চৰ্চা নাই। বোধহয় এই সম্পদবিধৰ সংৰক্ষণো নাই। সন্তোষৰ বিষয় যে লক্ষীমপুৰৰ এজন বিশিষ্ট ব্যক্তি শ্ৰী গোলাপ দিহিঙীয়াই তেওঁৰ নিজা প্ৰচেষ্টাত আপুৰুগীয়া এই সম্পদ বিধৰ চৰ্চা, প্ৰস্তুত, ব্যৱহাৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰি আহিছে। তেওঁ এজন সুখ্যাত কবি। 'মাধৈ মালতী কবি' খ্যাত এইজন গোলাপ দিহিঙীয়াৰ পৰা বহুতে এই বাঘধেনু সংগ্ৰহ কৰিছে। বহুতক তেওঁ উপহাৰ হিচাবেও দিছে। যিহেতু ক্ৰমান্বয়ে বাঢ়ি অহা অনাবৃষ্টি আৰু খৰাং পৰিস্থিতিত বাঘধেনুৰ প্ৰয়োজন আজিও আছে। কাৰণ- বিশ্বাসে মিলয় হৰি...। এই আপ্ত বাক্যফাঁকিৰ পৰা ইয়াকো ক'ব পাৰি যে বিজ্ঞানতকৈ বিশ্বাসতহে শান্তি বেছি। বাঘধেনুও ঠিক তেনে এবিধ সম্পদ, যি যুগ যুগ ধৰি অসমীয়া সমাজত বিশ্বাস আৰু শান্তি বৰ্তাই ৰাখিছে।

বাঁহ, সূতা আৰু বেতেৰে থলুৱা ভাবে নিৰ্মিত এই বিধ সম্পদৰ সংৰক্ষণ আৰু ব্যৱহাৰ বৰ্তি থাকিলে আমাৰ কৃষ্টি-সংস্কৃতি আৰু পৰম্পৰাৰ বৰঘৰ শুৱনি হৈ থাকিব। যিহেতু বাঘধেনু আমাৰ লোক বাদ্য তথা লোকশিল্পসমূহৰ এবিধ অতি মূল্যবান সম্পদ।

■■

# কাৰ্বহাইড্ৰেটৰ বিষয়ে জানো আহক

ড° দীপালী দাস, সহকাৰী অধ্যাপিকা, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

আমি দৈনিক খোৱা আহাৰ সমতাযুক্ত আৰু সকলোবিলাক লাগতিয়াল পৰিপোষকৰ গুণ আৰু পৰিমাণ উপযুক্ত মাত্ৰাত থকা উচিত। যদি নাথাকে তেন্তে বিভিন্ন ধৰণৰ পুষ্টিহীনতাই দেখা দিব। খাদ্যত থকা বেলেগ বেলেগ পৰিপোষকসমূহৰ ভিতৰত কাৰ্বহাইড্ৰেট অন্যতম। ই আমাৰ শৰীৰত তাপ আৰু শক্তিৰ যোগান ধৰে। সৰ্বসাধাৰণৰ বাবে কাৰ্বহাইড্ৰেটযুক্ত খাদ্যই প্ৰধান খাদ্য। কাৰণ কাৰ্বহাইড্ৰেট যুক্ত খাদ্য তুলনামূলক ভাৱে কম দামত পোৱা যায়।

কাৰ্বহাইড্ৰেট যৌগবিধ কাৰ্বন, হাইড্ৰ'জেন আৰু অক্সিজেন এই তিনিবিধ মৌলৰ দ্বাৰা গঠিত হৈছে। অক্সিজেন আৰু হাইড্ৰ'জেন পৰমাণু পানীৰ অণুত থকা অনুপাতত (২ঃ১) থকা বাবে এই যৌগৰ নাম কাৰ্বহাইড্ৰেট। কাৰ্বহাইড্ৰেট প্ৰধানকৈ উদ্ভিদ জগতৰ পৰা পোৱা যায়। গ্লাইক'জেন, লেক্টজ আৰু ৰিব'জ প্ৰাণীজ জগতত পোৱা যায়। বিশেষকৈ মাংসপেশী বা যকৃৎ আৰু প্ৰাণীৰ কোষত থাকে।

উদ্ভিদৰ বিভিন্ন অংশত যেনে— পাত, কাণ্ড, ফল-মূল, গুটি আৰু শিপাত কাৰ্বহাইড্ৰেট শ্বেতসাৰ আৰু শৰ্কৰা হিচাপে সঞ্চিত হৈ থাকে। উদ্ভিদে সালোক সংশ্লেষণ প্ৰক্ৰিয়াৰ দ্বাৰা কাৰ্বহাইড্ৰেট উৎপাদন কৰে আৰু ব্যৱহাৰৰ পাছত ই পলিচেকাৰাইড হিচাপে সঞ্চিত হৈ থাকে। কাৰ্বহাইড্ৰেটৰ ৰাসায়নিক সংকেত হৈছে $(CH_2O)n$।

কাৰ্বহাইড্ৰেটৰ অণুত থকা শৰ্কৰা একক অনুযায়ী ইয়াক তিনিভাগত ভাগ কৰা হয়—

(১) মন' চেকাৰাইড
(২) ডাই চেকাৰাইড
(৩) পলিচেকাৰাইড

মন'চেকাৰাইড সমূহ সৰল কাৰ্বহাইড্ৰেট। মন' শব্দটোৰ অৰ্থ হ'ল এটা অৰ্থাৎ ইয়াৰ অণুত শৰ্কৰা একক এটাহে মাথোন থাকে। মন'চেকাৰাইড পানীত দ্ৰাব্য। কাৰ্বন অণুৰ ওপৰত নিৰ্ভৰ কৰি মন'চেকাৰাইডক বাইঅজ (দুটা কাৰ্বন), ত্ৰায়জ (তিনিটা কাৰ্বন), তেত্ৰ'জ (চাৰিটা কাৰ্বন), পেন্টজ (পাঁচটা কাৰ্বন) আৰু হেক্স'জ (ছয়টা কাৰ্বন) আদিত ভাগ কৰা হৈছে।

আমাৰ শৰীৰৰ পৰিপুষ্টিৰ কাৰণে অকল হেক্স'জৰ গুৰুত্ব আছে। হেক্স'জৰ তিনিবিধ মন'চেকাৰাইড হৈছে গ্লুক'জ, ফ্ৰক্টজ বা লেভুল'জ আৰু গেলেক্ট'জ। গ্লুক'জক দ্ৰাক্ষা শৰ্কৰা বুলিও কোৱা হয়। ই পানীত সহজে দ্ৰাব্য আৰু সোৱাদ মিঠা। পৰিপাক ক্ৰিয়াত শ্বেতসাৰজাতীয় খাদ্য গ্লুক'জত পৰিণত হয় আৰু অন্ত্ৰত অৱশোষিত হৈ তেজৰ সোঁতত যকৃতলৈ আহে। সাধাৰণতে এজন সুস্থ মানুহৰ ১০০ মিঃ মিটাৰ তেজত প্ৰায় ৮০-১০০ মিঃ গ্ৰাম গ্লুক'জ থাকে। পকা ফল মূল আৰু মৌত গ্লুক'জ থাকে। গ্লুক'জত শ্বেতসাৰৰ মাত্ৰা সৰ্বাধিক। ফ্ৰুক্টজক ফলৰ শৰ্কৰা বুলি জনা যায়। মৌজোলত প্ৰচুৰ পৰিমাণে ৩০-৪০ শতাংশ ফ্ৰুক্টজ পোৱা যায়। গেলেক্ট'জ মাত্ৰ লেক্ট'জ হিচাপে প্ৰাণীৰ গাখীৰত পোৱা যায়। জল বিয়োজনত লেক্ট'জে গেলেক্ট'জ আৰু গ্লুক'জ উৎপাদন কৰে। মগজুৰ চেৰিব্ৰচাইড আৰু স্নায়বিক কলাত গেলেক্টজ পোৱা যায়।

কাৰ্বহাইড্ৰেটৰ অণুত দুটা শৰ্কৰা একক যোজিত হৈ ডাইচেকাৰাইড উৎপন্ন হয়। জল বিয়োজন বা বিপাকৰ দ্বাৰা ডাইচেকাৰাইড মন'চেকাৰাইডলৈ ৰূপান্তৰিত হয়। ডাইচেকাৰাইডৰ ৰাসায়নিক গঠন হৈছে $C_{12}H_{22}O_{11}$। সাধাৰণতে পোৱা ডাইচেকাৰাইড সমূহ হৈছে চুক্ৰ'জ, মাল্ট'জ আৰু লেক্ট'জ।

চুক্ৰ'জক 'Invert Sugar' বুলি কোৱা হয়। এইবিধ কাৰ্বহাইড্ৰেট চেনি আৰু গুড় হিচাবে পোৱা যায়। মাল্ট'জত শৰ্কৰা গ্লুক'জৰ দুটা একক লগ লাগি গঠিত হয়। ইয়াক মাল্ট শৰ্কৰা বুলি কোৱা হয়। বালি, গোমধান, জোৱাৰ আদিত মাল্ট'জ পোৱা যায়। লেক্ট'জক দুগ্ধ শৰ্কৰা বুলি কোৱা হয়। গ্লুক'জ আৰু গেলেক্ট'জ লগ লাগি ই গঠিত হৈছে। গৰুৰ গাখীৰত প্ৰায় ৫ শতাংশ আৰু শিশু মাতৃকাৰৰ গাখীৰত প্ৰায় ৬.৮ শতাংশ লেক্ট'জ পোৱা যায়। লেক্ট'জ সহজতে হজম হয় কিন্তু চুক্ৰ'জতকৈ মিঠা কম।


পলিচেকাৰাইড বহুত সংখ্যক মন'চেকাৰাইড একক সংযুক্ত হৈ সৃষ্টি হয়। শ্বেতসাৰ, চেলুলজ, ডেক্সট্ৰিন, গ্লাইক'জেন আৰু পেক্‌টিন আদি পলিচেকাৰাইডৰ ভাগ সমূহ।

প্ৰাণীজগতৰ শক্তিৰ প্ৰধান উৎস হ'ল শ্বেতসাৰ। সেউজীয়া উদ্ভিদে সৌৰ শক্তিৰ সহায়ত কাৰ্বন-ডাই অক্সাইড আৰু পানীৰ পৰা শ্বেতসাৰ প্ৰস্তুত কৰে। চাউল, ময়দা, গুটি, আটা, বাৰ্লি, কন্দজাতীয় পাচলি যেনে— আলু, শিমলু আলু, কাঠ আলু আদিত যথেষ্ট পৰিমাণে শ্বেতসাৰ থাকে। বিভিন্ন উৎসৰ শ্বেতসাৰে বিভিন্ন ধৰণৰ আচৰণ প্ৰদৰ্শন কৰে। শ্বেতসাৰ পানীত অদ্ৰাব্য। অন্যহাতেদি চেলুলজ হৈছে অদ্ৰাব্য, হজম নোহোৱা এবিধ পলিচেকাৰাইড। ৩,০০০ তকৈ অধিক গ্লুক'জ লগলাগি চেলুলজ উৎপন্ন হয়। চেলুলজ যদিও পৰিপোষক নহয়, স্বাভাৱিক মল উৎপাদনৰ কাৰণে শৰীৰত ইয়াৰ প্ৰয়োজন হয়। ৪-৬ গ্ৰাম চেলুলজ দৈনিক প্ৰয়োজন হয়। যেতিয়া শ্বেতসাৰযুক্ত খাদ্য সিজোৱা বা ভজা হয়, খাদ্যত থকা শ্বেতসাৰ ডেক্সট্ৰিনত পৰিণত হয়। গজালি ওলোৱা বীজত ডেক্সট্ৰিন পোৱা যায়। গ্লাইক'জেনক প্ৰাণীৰ কোষত বেছিকৈ পোৱা যায় বাবে ইয়াক প্ৰাণীৰ শ্বেতসাৰ বুলি কোৱা হয়। মানৱ দেহৰ শৰীৰত ৩৫০ গ্ৰাম মান গ্লাইক'জেন সঞ্চিত হৈ থাকে। মাংসপেশীত শতকৰা ০.৫-১ ভাগ গ্লাইক'জেন আৰু লিভাৰত শতকৰা ৩-৭ ভাগ সঞ্চিত হৈ থাকে। পেক্‌টিন হৈছে অন্য এবিধ পলিচেকাৰাইড। ইয়াৰ বিশেষ কোনো পৰিপুষ্টি নাই। কিন্তু ইয়াক জাম, জেলি বনোৱাত দৰকাৰ হয় আৰু এইদৰে ই সোৱাদ বঢ়ায়।

কাৰ্বহাইড্ৰেটে শৰীৰত তাপ শক্তি উৎপন্ন কৰাৰ উপৰিও কোষ্ঠকাঠিন্য দূৰ কৰাত সহায় কৰে। প্ৰতি ১ গ্ৰাম কাৰ্বহাইড্ৰেট জাৰিত হৈ ৪ কেলৰি শক্তিৰ যোগান ধৰে। শৰীৰৰ জৰুৰী অৱস্থাত প্ৰয়োজনীয় গ্লুক'জৰ যোগান ধৰে। ইপ্ৰ'টিন বচোৱা কাৰ্যও সম্পন্ন কৰে। কাৰ্বহাইড্ৰেট যুক্ত খাদ্য নাখালে স্নেহজাতীয় পদাৰ্থৰ দহন ক্ৰিয়া সম্পূৰ্ণ নহয় আৰু কিটোন গোত্ৰ নামৰ বিষাক্ত পদাৰ্থৰ সৃষ্টি হয়। কাৰ্বহাইড্ৰেট যুক্ত খাদ্য বেছিকৈ খোৱাৰ ফলত শৰীৰত মেদ জমা হৈ ওজন বৃদ্ধি পায়। তাৰোপৰি খাদ্য জীণ নাযায়, পিত্তজনিত উপসৰ্গই দেখা দিয়ে। পৰিশ্ৰম আৰু বয়সভেদে কাৰ্বহাইড্ৰেট গ্ৰহণৰ পৰিমাণ বিভিন্ন হয়।

# অটল বিহাৰী বাজপেয়ী :
## এক মহান সত্বা

দেৱযানী গগৈ



আধুনিক ভাৰতবৰ্ষত যিসকল বিচক্ষণ ব্যক্তিয়ে আমাৰ ভাৰতবৰ্ষক আধুনিক চিন্তাধাৰাৰে অনুপ্ৰাণিত কৰি নতুন নতুন পৰিকল্পনাৰে আগবঢ়াই নিয়াৰ কাৰণে একনিষ্ঠভাৱে প্ৰচেষ্টা চলাইছিল, সেইসকলৰ ভিতৰত দূৰদৰ্শী, বিচক্ষণ, ৰাষ্ট্ৰীয় চিন্তাধাৰাৰে পুষ্ট, শক্তিৰ অধিকাৰী মহা ব্যক্তিগৰাকীয়ে হ'ল— অটল বিহাৰী বাজপেয়ী। এই মহান ব্যক্তিজন আছিল একেধাৰে কবি, প্ৰবন্ধকাৰ, সম্পাদক, ৰাজনীতিবিদ। বাজপেয়ী এজন ভাৰতৰ প্ৰকৃত ৰত্ন আছিল।

১৯২৪ চনৰ ২৫ ডিচেম্বৰ তাৰিখে কবি কৃষ্ণ বিহাৰী বাজেপেয়ীৰ পত্নী কৃষ্ণাদেৱীয়ে এটা ল'ৰা সন্তানৰ জন্ম দিয়ে। পণ্ডিতৰ ঘৰত ল'ৰাৰ জন্ম হোৱা বাতৰিতো তৰিৎ গতিৰে গোৱালিয়ৰত তথা মধ্যপ্ৰদেশত বিয়পি পৰে। কৃষ্ণবিহাৰী বাজপেয়ী এজন হিন্দী আৰু ব্ৰজাৱলী ভাষাৰ এজন বিখ্যাত কবি ৰূপে গোৱালিয়ৰত পৰিচিত আছিল।

পণ্ডিতে গণি পিটি চাই কৃষ্ণবিহাৰী আৰু কৃষ্ণাদেৱীৰ পুত্ৰৰ নাম ৰাখিলে অটল বিহাৰী বাজপেয়ী। কিন্তু ঘৰত সকলোৱে 'বাপজী' বুলি মাতিছিল। পৰিয়াল আৰু বন্ধু-বান্ধৱৰ মাজত অটল বিহাৰী বাজপেয়ী 'বাপজী' নামেৰেহে অতি প্ৰিয়ভাজন হৈ পৰিছিল।

শিশু 'অটলজী' যেতিয়া অলপ বুজন হ'ল, তেতিয়া তেওঁক গোৱালিয়ৰৰ গৰখীত থকা সৰস্বতী শিশু মন্দিৰত নামভৰ্তি কৰি দিয়া হৈছিল। স্কুলীয়া শিক্ষা সাং কৰাৰ পিছত তেওঁ গোৱালিয়ৰৰ ভিক্টোৰিয়া কলেজৰ বৰ্তমানৰ ৰাণী লক্ষ্মীবাই কলেজৰ পৰা হিন্দী, ইংৰাজী আৰু সংস্কৃতত ডিষ্টিংচন লৈ প্ৰথম বিভাগত বি এ পাছ কৰে। তাৰ পিছত তেওঁ কাণপুৰৰ ডি এ ভি কলেজৰ পৰা ৰাজনীতি বিজ্ঞানত প্ৰথম বিভাগত এম এ পাছ কৰে। ইয়াৰোপৰি তেওঁ আইন পৰিছিল, যদিও সমাপ্ত নকৰিলে।

বাজপেয়ীদেৱে স্কুলীয়া জীৱনতে অৰ্থাৎ ছাত্ৰ জীৱনতে দেশৰ স্বাধীনতা আন্দোলনৰ সৈতে জড়িত হৈ পৰিছিল। স্বাধীনতা আন্দোলনত জড়িত হোৱাৰ বাবে তেওঁক বিট্ৰিছ চৰকাৰে গ্ৰেপ্তাৰো কৰিছিল। স্কুলীয়া জীৱনতে তেওঁ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘত যোগদান কৰিছিল আৰু সংঘৰ এগৰাকী নিষ্ঠাৱান স্বয়ংসেৱক আছিল। ইয়াৰোপৰি অটলজীয়ে আৰ্য সমাজৰ চসভ্য হৈ অটলজী গোৱালিয়ৰত সমাজ সংস্কাৰৰ কামত নামি পৰিছিল। এনেদৰেই অটল বিহাৰী বাজপেয়ীদেৱে ছাত্ৰাৱস্থাৰ পৰাই বিভিন্ন সংঘ, সংগঠন, সমাজ, আন্দোলন যেনে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, আৰ্য সমাজ, ভাৰত ত্যাগ আন্দোলন, সংবাদ সেৱা আদিত সক্ৰিয়ভাৱে অংশ গ্ৰহণ তথা যোগদান আৰু বিভিন্ন সংঘ, সমাজ প্ৰতিষ্ঠাৰ মাধ্যমেৰে দেশৰ সেৱা কাৰ্যত ব্ৰতী হৈ পৰিছিল।

ইয়াৰোপৰি ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত ১৯৫১ চনত অটল বিহাৰী বাজপেয়ীয়ে ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ সৰ সংঘচালক মাধৱৰাও গোলৱালকৰৰ (শ্ৰী গুৰুজী) পৰামৰ্শ মতে- ড° শ্যামাপ্ৰসাদ মুখাৰ্জী, দীনদয়াল উপাধ্যায়, প্ৰেম নাথ ডোগ্ৰা, ডি পি ঘোষ আদিকে ধৰি আন বহুকেইজন ব্যক্তিৰ সহযোগত ভাৰতীয় জনসংঘ নামৰ এটা ৰাজনৈতিক দল গঠন কৰে।

১৯৮০ চনত অটল বিহাৰী বাজপেয়ীল লালকৃষ্ণ আদৱাণী, ভৈৰণ সিং শ্বেখাৱত আৰু জনসংঘৰ আন সদস্যসকলে লগ লাগে নতুন ৰাজনৈতিক দল ভাৰতীয় জনতা পাৰ্টী গঠন কৰে। অটলজী আছিল এই দলৰ সভাপতি।

চিৰকুমাৰ অটল বিহাৰী বাজপেয়ীদেৱে দেশৰ সাংসদ ৰূপেও কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৫৭ চনত উত্তৰ প্ৰদেশৰ বলৰামপুৰ লোকসভা সমষ্টিৰ পৰা প্ৰথমবাৰৰ বাবে 'অটলজী' নিৰ্বাচিত হয়। সংসদত অটলজীৰ ভাষণ শুনি ভৱিষ্যতে অটলজী ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ব বুলি জৱাহৰলাল নেহৰুৱে তেতিয়াই ভৱিষ্যত বাণী কৰিছিল। ১৯৫৭ চনৰ পৰা ২০০৯ চনলৈ সংসদত অটলজী দহবাৰ লোকসভাৰ আৰু দুবাৰ ৰাজ্যসভাৰ সদস্য আছিল।

১৯৯৬ চনত অনুষ্ঠিত হোৱা লোকসভাৰ সাধাৰণ নিৰ্বাচনত বিজেপি দলে একক সংখ্যা গৰিষ্ঠ দলৰূপে পৰিগণিত হয় আৰু অটলজী পোন প্ৰথমবাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী পদত অধিষ্ঠিত হয়। কিন্তু প্ৰয়োজনীয় সাংসদৰ সমৰ্থন নোপোৱাত তেৰ দিনৰ পিচত তেওঁ পদত্যাগ কৰে। দ্বিতীয়বাৰ ১৯৯৮ চনৰ ১৩

...পণ্ডিতে গণি পিটি চাই কৃষ্ণবিহাৰী আৰু কৃষ্ণাদেৱীৰ পুত্ৰৰ নাম ৰাখিলে অটল বিহাৰী বাজপেয়ী। কিন্তু ঘৰত সকলোৱে 'বাপজী' বুলি মাতিছিল। পৰিয়াল আৰু বন্ধু-বান্ধৱৰ মাজত অটল বিহাৰী বাজপেয়ী 'বাপজী' নামেৰেহে অতি প্ৰিয়ভাজন হৈ পৰিছিল...

মাৰ্চৰ পৰা ১৯৯৯ চনৰ ১৭ এপ্ৰিললৈ প্ৰধানমন্ত্ৰী ৰূপে তেৰ মাহ শাসন ভাৱ চলাইছিল। সেইবাৰ জয়াললিতাৰ এ আই এম কে দলে সমৰ্থন প্ৰত্যাহাৰ কৰাত তেওঁ পুনৰ পদত্যাগ কৰিব লগা হয়। ১৯৯৯ চনৰ ১৩ অক্টোবৰৰ পৰা ২০০৪ চনৰ ১৯ মে' লৈকে অটলজীয়ে পুনৰ তৃতীয়বাৰৰ বাবে দেশৰ প্ৰধানমন্ত্ৰীৰ পদত থাকি সম্পূৰ্ণ ৰূপে পাঁচ বছৰ দেশৰ শাসন কাৰ্য পৰিচালনা কৰে। মুঠৰ ওপৰত অটলজীয়ে তিনিবাৰ দেশৰ প্ৰধানমন্ত্ৰীৰ আসন শুৱনি কৰিছিল। আৰু অটল বিহাৰী বাজপেয়ীদেৱেই আছিল প্ৰথম গৰাকী অকংগ্ৰেছী প্ৰধানমন্ত্ৰী, যিয়ে কেন্দ্ৰত পাঁচবছৰীয়া সম্পূৰ্ণ কাৰ্যকাল সমাপ্ত কৰে। এই অটলজীয়ে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত হিন্দী ভাষণ দি বিশ্বদৰবাৰত হিন্দীভাষাৰ গ্ৰহণযোগ্যতা প্ৰদান কৰিছিল।

দেশৰ উন্নয়নত অটল বিহাৰী বাজপেয়ীৰ এক অতুলনীয় অৰদান আছে। তেওঁ দেশখনৰ উন্নয়নৰ বাবে বহুতো আঁচনি, কাৰ্যপন্থা হাতত লৈছিল। অটলজী দেশৰ উন্নয়ন অৱদান সমূহৰ সম্পৰ্কে উল্লেখ কৰা হ'ল—

প্ৰধানমন্ত্ৰী হৈ বাজপেয়ীদেৱে সমগ্ৰ দেশতে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ যোজনা আৰম্ভ কৰে।

প্ৰধানমন্ত্ৰী গ্ৰাম-চড়ক যোজনাৰ অধীনত ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে দেশৰ গাঁওবোৰৰ সংযোগ স্থাপন কৰাৰ কাম আৰম্ভ কৰে।

সৰ্বশিক্ষা অভিযান আছিল অটলজীৰ অৰদান।

১৯৯৯ চনৰ জুন মাহত কাৰ্গিল যুদ্ধত পাকিস্তানক ভাৰতে পৰাস্ত কৰে।

১৯৯৮ চনত পোখৰাণত ভাৰতৰ পাৰমাণৱিক পৰীক্ষা সম্পন্ন কৰে।

অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিও অটল বিহাৰী বাজপেয়ীদেৱৰ বিশেষ প্ৰীতি আছিল। তেওঁৰ প্ৰধানমন্ত্ৰী হৈ থকা সময়তেই ২০০১ চনত উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নৰ লক্ষত ড'নাৰ মন্ত্ৰণালয় গঠন কৰা হৈছিল। ইয়াৰোপৰিও তেওঁ অসমৰ উন্নয়নৰ বাবে আগবঢ়োৱা অৰদান সমূহ হৈছে—

বগীবিল দলঙৰ আধাৰশিলা স্থাপন

নৰ নাৰায়ণ হেতুৰ বাবে বিশেষ পুঁজি

২০০৩ চনত ঐতিহাসিক বড়ো চুক্তি স্বাক্ষৰ

অসম চিকিৎসা মহাবিদ্যালয়ৰ আন্তঃগাঠনিৰ বাবে ১০০ কোটি মুকলি।

ধলা-শদিয়া দলঙৰ প্ৰাৰম্ভিক কাম আৰম্ভ।

বৰঝাৰ বিমানবন্দৰক লোকপ্ৰিয় গোপীনাথ বৰদলৈ নামেৰে নামাকৰণ।

তদুপৰি অসম আন্দোলনলৈ বাজপেয়ীয়ে এজন বিৰোধী সাংসদ হিচাপে আগবঢ়োৱা সমৰ্থন চিৰদিনলৈ অসমবাসীয়ে মনত ৰাখিব।

অটল বিহাৰী বাজপেয়ীদেৱ এজন সাহিত্যিকো আছিল। তেওঁ বহুতো কবিতা পুথি আৰু গ্ৰন্থ লিখি লৈ গৈছে। অটলবিহাৰী বাজপেয়ীদেৱৰ মহান ব্যক্তিত্ব মহান গুণ-গৰিমা তথা তেওঁৰ মহৎ কৰ্মৰাজিৰ বাবে ভাৰত চৰকাৰে ২০১৫ চনত 'ভাৰতৰত্ন', ১৯৯২ চনত 'পদ্মবিভূষণ' উপাধি প্ৰদান কৰে। ইয়াৰোপৰি বাজপেয়ীদেৱলৈ কাণপুৰ বিশ্ববিদ্যালয়ে ডি.লিট. লোকমান্য তিলক বঁটা, শ্ৰেষ্ঠ সাংসদ বঁটা, বাংলাদেশ স্বাধীনতা যুদ্ধ সন্মান, ভাৰতৰত্ন পণ্ডিত গোবিন্দ বল্লভ পন্ট বঁটা আদি আগবঢ়োৱা হয়।

২০১৮ চনৰ ১৬ আগষ্ট। ভাৰতবৰ্ষ ডুব গ'ল শোকৰ সাগৰত। আগদিনা দেশে পালন কৰিছিল ৭২ সংখ্যক স্বাধীনতা দিৱস।

নিশাই এটা খবৰ বিয়পি পৰিছিল ভাৰতৰ সুযোগ্য সন্তান, দেশ-মাতৃৰ সেৱক, ভাৰতৰত্ন, ৰাজনীতিৰ অজাত শত্ৰু, সকলোৰে মৰমৰ আৰু শ্ৰদ্ধাৰ অটল বিহাৰী বাজপেয়ীৰ স্বাস্থ্য অৱস্থা অতিশয় সংকটজনক।

নতুন দিল্লীৰ এইমছত মৃত্যুৰ সৈতে যুঁজি আছে । আৰু ১৬ আগষ্টৰ দিনা আবেলি প্ৰায় ৫.০৫ বজাত ৯৩ বছৰ বয়সত চিৰদিনৰ বাবে দেশমাতৃক এৰি কোটি কোটি ভাৰতীয়ক এৰি তেওঁ গুছি গ'ল অজান দেশলৈ, য'ৰ পৰা তেওঁ কোনো দিনেই উভতি নাহে। একেধাৰে ৰাজনীতিজ্ঞ, সুবক্তা, সু-প্ৰশাসক, দেশমাতৃৰ সেৱক, কবি, সাহিত্যিক গৰাকীৰ মৃত্যুৱে নিমিষতে বাক্‌ৰুদ্ধ কৰিলে অগণন জনগণক। সকলোৱে প্ৰাৰ্থনা কৰিছে যে, তেওঁৰ যেন পুনৰ এইখন ভাৰততে জন্ম হয়।

# এল. টি. কে. কলেজৰ অতীত আৰু বৰ্তমানৰ এক প্ৰতিচ্ছবি

ড° হামিদুৰ ৰহমান, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, এল. টি. কে. মহাবিদ্যালয়

ইংৰাজী ১৯৭৭ চনৰ ২২ আগষ্টত জন্ম লাভ কৰা 'লক্ষীমপুৰ তেলাহী কমলাবৰীয়া মহাবিদ্যালয়' চমুকৈ এল. টি. কে. কলেজ নামেৰে জনাজাত কলেজখনে ২০০২ চনত ৰূপালী জয়ন্তী বৰ্ষ পূৰ্ণ কৰে। ১৯৮৭ চনত ঘাটি মঞ্জুৰী লাভ নকৰালৈকে স্থানীয় ৰাইজৰ অসীম ত্যাগৰ কথা স্বীকাৰ কৰিবই লাগিব। কলেজখন গঢ় দিয়াৰ ক্ষেত্ৰত যিসকল স্বনামধন্য ব্যক্তিয়ে কায়িক, মানসিক, আৰ্থিক আদি দিশত সৰ্বতো প্ৰকাৰৰ সহায় সহযোগিতা আগবঢ়াইছিল, তেওঁলোকৰ মাজৰ পৰা যিসকলে ইহলীলা সম্বৰণ কৰিলে, তাৰ ভিতৰত স্বাধীনতা সংগ্ৰামী তথা কলেজৰ প্ৰতিষ্ঠাপক সভাপতি ইন্দ্ৰেশ্বৰ শৰ্মা, সম্পাদক কুমুদ শৰ্মা, উপসভাপতিদ্বয় তীৰ্থ দত্ত আৰু নুৰুদ্দিন আহমেদ, যুটীয়া সম্পাদকদ্বয় নিৰ্মল বৰা আৰু প্ৰভাত বৰগোঁহাই। সক্ৰিয় সদস্যসকল আছিল— ইন্দ্ৰেশ্বৰ দত্ত, ভোলানাথ মহন্ত, মাণিক চুতীয়া, ভোগেশ্বৰ দত্ত, লিকেশ্বৰ হাজৰিকা, বিপিন দত্ত, খগেন হিঁলৈদাৰী, টংক দত্ত, ভৱ হাজৰিকা, ফইজনুৰ আলি গাঁওবুঢ়া, হলি ভূঞা, শৰৎ গগৈ, ভদ্ৰেশ্বৰ দাস, কেৰামত আলি, মদন চেতিয়া, প্ৰাক্তন বিধায়ক শূল বৰা আদি। সেইসকলৰ আত্মাৰ সদগতিৰ বাবে পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। এই সকলৰ লগত সক্ৰিয় সহযোগিতা আগবঢ়োৱা সকল হ'ল— শ্ৰী দেবেন্দ্ৰ নাথ ভূঞা, ক্ষীৰদা কাকতি, আনন্দ চন্দ্ৰ দত্ত, নাৰায়ণ চন্দ্ৰ বৰগোঁহাই, তিলেশ্বৰ বৰা, হামিদুৰ ৰহমান, ইন্দ্ৰ বৰা, যজ্ঞোনাৰায়ণ সন্দিকৈ, ড° হেমন্ত বৰুৱা, যোগেন গগৈ, বৰ্তমানৰ বিধায়ক উৎপল দত্ত আৰু বৰ্তমানৰ বি.জে. পি. জিলা সভাপতি ফনীধৰ বৰুৱা আদি। এই সকলৰ দীৰ্ঘায়ু আৰু সু-স্বাস্থ্য কামনা কৰিলোঁ।

ইংৰাজী ২০১৩ চনৰ ১ নৱেম্বৰ তাৰিখে ড° বুবুল কুমাৰ শইকীয়াই কলেজৰ অধ্যক্ষ হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰা সময়লৈকে পূৰ্বৰ অধ্যক্ষ সকলৰ দিনত সম্পন্ন কৰা উল্লেখনীয় কামৰ এটি চমু আভাস উল্লেখ কৰিব বিচাৰিছোঁ। ১৯৭৯ চনতে কলেজখনৰ পশ্চিম দিশৰ ২০ বিঘা মাটিত সামাজিক বনানিকৰণৰ অধীনত বৃক্ষৰোপণ কৰাইছিল যিবোৰ বৃক্ষৰ অৱস্থিতি বৰ্তমানেও বিদ্যমান। ১৯৮৫ চনত কলেজৰ পূব দিশত সামাজিক বনানীকৰণৰ অধীনত চিচু গছ ৰোপণ কৰা হৈছিল, যিটোৰ বাবে কলেজত এক সেউজ পৰিবেশ গঢ়ি উঠিছিল। দুৰ্ভাগ্যবশতঃ এটা সময়ত একেলগে বহু গছ উঁয়ে খোৱাৰ ফলত নষ্ট হয় আৰু সেই ঠাইতেই ছাত্ৰী নিবাস, কাৰ্যালয়, পুথিভঁৰাল, শ্ৰেণী কোঠা আদি নিৰ্মাণ কৰা হয়।

প্ৰয়াত অধ্যক্ষ কৰুণা শৰ্মাৰ দিনতে ১৯৮৭ চনতে কলেজখনে ঘাটি মঞ্জুৰী লাভ কৰে। অধ্যক্ষ শ্ৰী নাৰায়ণ চন্দ্ৰ বৰগোঁহাইৰ দিনত ১৯৯৪ চনত কলেজত বিজ্ঞান শাখা খোলা হয়।

অধ্যক্ষ ড° লাবণ্য বুঢ়াগোঁহাইৰ দিনত কলেজৰ মূল প্ৰৱেশ পথত প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ইন্দ্ৰেশ্বৰ শৰ্মাৰ নামত পৰিয়ালবৰ্গৰ দ্বাৰা স্থায়ী তোৰণ নিৰ্মাণ হয়। আড়ম্বৰপূৰ্ণ ভাৱে কলেজৰ ৰূপালী জয়ন্তী পালন, খেলপথাৰত স্থায়ী পকী বেৰা নিৰ্মাণ, ইনডৰ ষ্টেডিয়াম নিৰ্মাণ, ছাত্ৰাবাস নিৰ্মাণ, প্ৰত্যেক বিভাগৰ বাবে সুকীয়া কোঠা নিৰ্মাণ আৰু প্ৰথমবাৰৰ বাবে সুকলমে NAAC ৰ পৰিদৰ্শন কৰোৱা হয়।

ড° হামিদুৰ ৰহমানৰ দিনত শিক্ষক-কৰ্মচাৰী সকলৰ আৰ্থিক সাহাৰ্যৰে নিৰ্মিত স্থায়ী তোৰণখনৰ উদ্বোধন

কৰা হয়।

এইখিনিতে উল্লেখ কৰিব লাগিব যে কলেজখনে ঘাটি মঞ্জুৰী লাভ কৰা সময়লৈকে কৰ্মৰত আৰু বৰ্তমান অৱসৰপ্ৰাপ্ত শিক্ষক সকল হ'ল— শ্ৰী নাৰায়ণ বৰগোঁহাই, ড° বীণা শইকীয়া, ড° হামিদুৰ ৰহমান, পদ্মাৱতী গোঁহাই, ড° লাবণ্য বুঢ়াগোঁহাই, লীলা বৰা, নাৰায়ণ বৰুৱা, কল্পনা গগৈ আৰু সোণেশ্বৰী শইকীয়া।

অৱসৰৰ পাচত আমাৰ মাজৰ পৰা হেৰাই যোৱা সকল হ'ল— ড° এলিচ বেগ, অঞ্জলিকা ৰাজখোৱা, নাৰায়ণ চন্দ্ৰ গগৈ। আনহাতে অৱসৰ গ্ৰহণ কৰা কৰ্মচাৰীসকল হ'ল মুখ্য সহায়ক শ্ৰী মানিক দাস, মিনাৰাম বৰা, গোলাপ কোঁচ, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী শ্ৰী হেম গগৈ। অৱসৰৰ পাচত আমাৰ মাজৰ পৰা হেৰাই যোৱা মুখ্য সহায়ক হৰেণ বৰা, চতুৰ্থ বৰ্গৰ কৰ্মচাৰী প্ৰফুল্ল হাজৰিকা, থানুৰাম বৰা, প্ৰদীপ নাথ। উল্লেখযোগ্য যে ঘাটি মঞ্জুৰী পোৱাৰ লগে লগে নিযুক্তি লাভ কৰা চাৰি গৰাকী শিক্ষকৰ ভিতৰত সম্পূৰ্ণা চলিহা আৰু চালেমা বেগমে ইতিমধ্যে অৱসৰ গ্ৰহণ কৰিছে আৰু জ্যোতি বৰুৱা আৰু বাহাৰুল ইছলামে বৰ্তমানেও কৰ্মৰত অৱস্থাত আছে।

বৰ্তমানৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই দায়িত্বভাৰ গ্ৰহণ কৰিয়েই কলেজখনক এক নতুন ৰূপত সজাই তোলাৰ বাবে সংকল্প গ্ৰহণ কৰে। আৰম্ভণিতেই "Green LTK College" নামৰ এখন আঁচনি গ্ৰহণ কৰি বৃক্ষৰোপণৰ কাৰ্যসূচী হাতত লয় আৰু বৰ্তমান এই আঁচনিৰ অধীনত নিম গছ ৰোপণৰ কাৰ্যসূচী অব্যাহত ৰাখিছে। তেখেতে যোগদানৰ পিচতেই Biotech Hub ৰ উদ্বোধন কৰায়। সেই সময়তেই কলেজখনে পাবলগীয়া ১ কোটি টকাৰ অনুদান লাভ কৰে আৰু পূৰ্বৰ পৰিকল্পনাৰ আধাৰত Digital Class room, Digital Library, Digital Conference Hall আদিৰ কাম সম্পন্ন কৰে। এই সময়তেই কলেজখনৰ বিজ্ঞান শাখাতো চৰকাৰীকৰণ হয়।

পৰৱৰ্তী সময়ত তেখেতৰ প্ৰচেষ্টাতেই কলেজত প্ৰকাশন কোষ, ড্ৰামেটিক চ'চাইটি, অৰ্কিডেৰিয়াম, Multipurpose gymnisyum Hall, প্ৰেক্ষাগৃহ নিৰ্মাণ, Community College ৰ অধীনত Food Processing ত B.Voc. পাঠ্যক্ৰম আৰম্ভ, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) ৰ অধীনত অনুদান লাভ, বিজ্ঞান শাখাৰ ৰূপালী জয়ন্তী পালন, প্ৰয়াত অধ্যাপক নাৰায়ণ চন্দ্ৰ গগৈ স্মৃতি ৰক্ষাৰ্থে পৰিয়ালৰ দ্বাৰা নিৰ্মিত স্থায়ী তোৰণ উন্মোচন, ছাত্ৰীৰ বাবে NCC ৰ অনুমোদন লাভ আৰু শেহতীয়াকৈ কলেজখনে Intregrated B.Ed Course ৰ সংযোজনৰ সুবিধা লাভ কৰে।

পূৰ্বতে কলেজত থকা NSS, Red Ribon Club, Distance Education আদিৰ উন্নীতকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰীসকলৰ উত্তৰণৰ বাবে Skill Development, Self Employment ৰ বাবে সময়ে সময়ে Workshop, Seminar আদি অনুষ্ঠিত কৰি আহিছে। শিক্ষক-কৰ্মচাৰী সকলৰ পূৰ্ণ সহযোগত কলেজত দ্বিতীয় বাৰ NAAC ৰ Inspection কৰাই B+ Grade পাবলৈ সক্ষম হয়।

এইখিনিতে কলেজখনৰ পূৰ্বৰ আৰু বৰ্তমানৰ অধ্যক্ষই সমাজত লাভ কৰা অৱস্থিতি সম্পৰ্কে উল্লেখ কৰিব বিচাৰিছোঁ। ১৯৮৪ চনত অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ (AHSEC) প্ৰতিষ্ঠা হোৱাত প্ৰথম পৰিচালনা সমিতিৰ এজন সদস্য হিচাপে প্ৰয়াত অধ্যক্ষ কৰুণা শৰ্মা মনোনীত হৈছিল। পৰৱৰ্তী সময়ত একালৰ অধ্যক্ষ ড° জিতৰাম দত্তই AHSEC ৰ Deputy Secretary (Academic) পদত অধিষ্ঠিত হৈছিল। বৰ্তমানৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াই NAAC ৰ PEER Team ৰ সদস্য পদ লাভ কৰাটো কলেজখনৰ বাবে এক গৌৰৱোজ্জ্বল অধ্যায়।

বৰ্তমানৰ অধ্যক্ষই প্ৰতিদিনে ন-ন চিন্তাৰে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীসকলৰ প্ৰগতিৰ লগতে অনুষ্ঠানটোৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। ৰাইজৰ বহু ত্যাগ আৰু আশীৰ্বাদপুষ্ঠ কলেজখনে ভৱিষ্যতে অসমৰ ভিতৰতে এক গৌৰৱোউজ্জ্বল অধ্যায়ৰ সূচনা কৰক, তাৰবাবে আন্তৰিকতাৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই লিখনিৰ সামৰণি মাৰিলোঁ।

# এল. টি. কে. মহাবিদ্যালয় ঃ অনুভৱৰ দুৱাৰ দলিত

সম্পূৰ্ণা চলিহা, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, এল. টি. কে. মহাবিদ্যালয়

বিদায় পৰৰ একাষাৰ— কি ক'ম কি নক'ম ভাবিয়েই পোৱা নাই। মনৰ মাজত বিভিন্নতাই দোলাদি গৈছে। ইমান মৰমৰ ইমান সাদৰৰ ইমান আপোন কৰ্মক্ষেত্ৰৰ পৰা আঁতৰি যাব লাগিব। ই এক ভাবিব নোৱাৰা কথা। কিন্তু ই চিৰসত্য। চৰকাৰী নিৰ্দেশ মানিবই লাগিব আৰু ইয়াক সহজভাৱে গ্ৰহণ কৰিবই লাগিব। তথাপিও বুকুৰ কোনোবা এটা কোণ যেন বিষাই যায়। নাযাব কিয়, য'ত কটালোঁ জীৱনৰ প্ৰায় ৩১ টা বছৰ। জীৱনটো হাঁহি আৰু আনন্দৰে ভৰাই তুলিলে। সময়বোৰ কেনেকৈ বাগৰি গ'ল গমকে নাপালোঁ। ইমান ব্যস্ততাপূৰ্ণ জীৱন, সচাঁই ভাল লগা।

মনত পৰিছে সেই দিনবোৰলৈ, যিবোৰ দিন আজিৰ দৰে নাছিল। বহুতৰ বাবে হয়তো ই এক সাধু কথা। মোৰ বাবে ই এক মধুৰ স্মৃতি। বহু মহান ব্যক্তিৰ আপ্ৰাণ চেষ্টাত গঢ়ি উঠা এল. টি. কে. মহাবিদ্যালয়খন যেন মোৰ আপোন ঘৰখনহে। ১৯৮৮ চনৰ ২৫ আগষ্টত কলেজত যোগদান কৰোঁ। সেইদিন ধৰি মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্যে কৰি শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী সকলৰ মাজত সোমাই পৰিলোঁ। মনত পৰে, সেই সময়ত যাতায়াতৰ অৱস্থা অতি পুতৌ লগা আছিল। বাছো চলিছিল এখনেই। ৰিস্কা, ট্ৰাক সকলো আমাৰ যাতায়তৰ সম্বল হৈ উঠিল। ভঙা চিঙা বাটপথ মোৰ বাবে যেন সেন্দুৰী আলি। খোজ কাঢ়িও মহাবিদ্যালয়ৰ পৰা উভটি যোৱাৰ অভিজ্ঞতা মনত পৰে। আপোন গাঁওখনৰ মাজে-মাজে বিভিন্নজনৰ লগত মত বিনিময় কৰাৰ লগতে সৌন্দৰ্য উপভোগ কৰি যোৱাৰ মাদকতাই বেলেগ আছিল। গাঁওবাসীৰ

...শিক্ষক-শিক্ষয়িত্ৰী সকলৰ প্ৰতি মোৰ এক বিনম্ৰ অনুৰোধ তেওঁলোক যেন নতুন নতুন চিন্তাৰে আগবাঢ়ি আহে আৰু ছাত্ৰ-ছাত্ৰীসকলক নতুনত্ব প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰী সকল হৈছে আমাৰ জীৱন, আমাৰ ভৱিষ্যৎ, আমাৰ সম্পদ...

যি মৰম ভালপোৱা সদায়ে মনত থাকিব।

এতিয়া আহো মোৰ কৰ্মক্ষেত্ৰখনলৈ, যাৰ নাম— লক্ষীমপুৰ তেলাহী কমলাবৰীয়া কলেজ; নামেই যাৰ পৰিচয়। চাকৰিত যোগদান কৰাৰ পৰা বিভিন্নজন সন্মানীয় অধ্যক্ষক লগ পালোঁ ড° জিতৰাম দত্ত, নাৰায়ণ চন্দ্ৰ বৰগোঁহাই, ড° লাবণ্য বৰগোঁহাই, ড° হামিদুৰ ৰহমান চাৰ আৰু বৰ্তমানৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়া চাৰ সকলোৰে ওচৰত কৃতজ্ঞ হৈ ৰ'ম। মই যোগদান কৰাৰ সময়ত আমাৰ মহাবিদ্যালয়ৰ অৱস্থা আজিৰ দৰে নাছিল। তেতিয়া আছিল নতুনকৈ ৰোপণ কৰা মাত্ৰ এটি গছ পুলি আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বেছি। শিক্ষক সকলে যিমান কষ্ট কৰিছিল, ছাত্ৰ-ছাত্ৰী সকল তাতোকৈ বেছি কষ্ট কৰিছিল। যাৰ ফলত শিক্ষাদান আৰু গ্ৰহণ প্ৰক্ৰিয়াটো সহজ হৈ উঠিছিল। বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে আগবাঢ়ি গৈছিল আমাৰ মহাবিদ্যালয়। এয়া মাথো মোৰ বাবে একো একোটা স্মৃতি।

১৯৭৭ চনৰ ২২ আগষ্টত প্ৰতিষ্ঠা লাভ কৰা এই মহাবিদ্যালয়ে আজি প্ৰায় পূৰ্ণাঙ্গ ৰূপ পাইছে বুলি ক'ব লাগিব। এয়া মাথোঁ সম্ভৱ হৈছে প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যক্ষ মহোদয়লৈ আগবঢ়োৱা সক্ৰিয় সহযোগিতাৰ বাবে। আমাৰ বৰ্তমানৰ অধ্যক্ষ ড° বুবুল কুমাৰ শইকীয়াদেৱৰ চিন্তাধাৰা অতি যোগাত্মক, আধুনিক আৰু দূৰদৰ্শী। যি সময়ত মহাবিদ্যালয়ৰ অৱস্থা অতি দুখজনক আছিল, সেইসময়ত অধ্যক্ষ মহোদয়ে এক সাহসী পদক্ষেপ গ্ৰহণ কৰিছিল। সেয়া হৈছে ৰাষ্ট্ৰীয় মূল্যাংকন পৰিষদৰ দ্বাৰা মহাবিদ্যালয়খনক পৰিদৰ্শন কৰিবলৈ লোৱা সিদ্ধান্ত। শিক্ষক-শিক্ষয়িত্ৰী সকল চিন্তিত হৈ পৰিছিল, এয়া জানো সম্ভৱ হ'ব? কিন্তু অধ্যক্ষ মহোদয়ৰ যোগাত্মক চিন্তাধাৰাই সকলোকে সক্ৰিয় কৰি তুলিছিল। অসম্ভৱো সম্ভৱ হৈ পৰিল। প্ৰতিটো বস্তুৱেই নতুনকৈ প্ৰাণ পাই উঠিল আৰু নাকৰ B+ গ্ৰেড পাবলৈ সক্ষম হৈছিল। এই কথা আমি স্বীকাৰ কৰিব লাগিব যে, অধ্যক্ষ মহোদয় আগবাঢ়ি নহা হ'লে হয়তো আজিও আমি ইয়াৰ পৰা বঞ্চিত হৈ থাকিলোঁহেঁতেন। মই এইখিনিতে কওঁ যে অধ্যক্ষ মহোদয়ৰ লগত কাম কৰাটো মোৰ বাবে এক সৌভাগ্য আছিল। তেখেতৰ পৰা মই বহু কথা শিকিছিলোঁ। প্ৰতিদিনে নতুন নতুন চিন্তা লৈ আগবাঢ়িছিল, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰী সকলক কেনেকৈ আগবঢ়াই নিব পাৰে তাৰ বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত বিভিন্ন সময়ত হাতত লোৱা Skill Development ৰ কাৰ্যসূচী সমূহৰ কথা ক'ব লাগিব। এজন অধ্যক্ষৰ গাত থাকিব লগা গুণ সমূহ তেখেতৰ গাত মই দেখা পাইছিলোঁ। বিনা কাৰণত কাকো এষাৰ কথাৰো নকয়। কিন্তু তেখেতে যি কৈছিল সকলো মহাবিদ্যালয়ৰ স্বাৰ্থৰ খাতিৰত কৈছিল। তাত আমি বেয়া পাব লগা একো নাছিল। তেখেত ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিও অতি মৰমীয়াল, কিন্তু প্ৰয়োজনত কঠোৰ হৈ পৰিছিল। প্ৰতিজন ছাত্ৰ-ছাত্ৰীক বুজিবলৈ চেষ্টা কৰে; যিটো এজন অধ্যক্ষৰ গাত থাকিবলগীয়া ডাঙৰ গুণ।

মোৰ দৃষ্টিত আমাৰ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকল যথেষ্ট প্ৰতিভা সম্পন্ন। প্ৰতিজনৰ গাত বিভিন্ন ধৰণৰ প্ৰতিভা পৰিলক্ষিত হয়। সাহিত্য, সঙ্গীত, অভিনয় সকলো ক্ষেত্ৰতে তেখেত সকলৰ প্ৰতিভা জিলিকি আছে। মাথো ছাত্ৰ-ছাত্ৰীসকলক আগবঢ়াই নিয়ক আৰু আগবাঢ়ি যাওঁক সেয়ে কামনা।

শিক্ষক-শিক্ষয়িত্ৰী সকলৰ প্ৰতি মোৰ এক বিনম্ৰ অনুৰোধ, তেওঁলোক যেন নতুন নতুন চিন্তাৰে আগবাঢ়ি আহে আৰু ছাত্ৰ-ছাত্ৰীসকলক নতুনত্ব প্ৰদান কৰে। ছাত্ৰ-ছাত্ৰী সকল হৈছে আমাৰ জীৱন, আমাৰ ভৱিষ্যৎ, আমাৰ সম্পদ। এই সম্পদ গঢ়িবৰ বাবেই যিহেতু আত্মনিয়োগ কৰিছোঁ, গতিকে আমি এক মন এক প্ৰাণে এই সকলৰ বাবেই চিন্তা কৰিব লাগিব। আমি সম্পূৰ্ণ এক মুকলি মন লৈ কাম কৰিব লাগিব। দেখিব ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাই মহাবিদ্যালয়খনক বহুত ওপৰলৈ আগবঢ়াই নিছে আৰু তেতিয়াহে আমি নিজকে এজন শিক্ষক হিচাবে গৌৰৱ অনুভৱ কৰিব পাৰিম। আমি কেতিয়াও পাহৰি যাব নালাগে আমাৰ দায়িত্ব আৰু কৰ্তব্যৰ কথা। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি যিদৰে দায়িত্ব আছে, ঠিক সেইদৰে দায়িত্ব আছে সমাজৰ প্ৰতিজন ব্যক্তিৰ। বিশেষকৈ কুসংস্কাৰ, অন্ধবিশ্বাস আদি বিভিন্ন দিশৰ প্ৰতি জনসাধাৰণক সজাগ কৰি তুলিব লাগে।

গ্ৰাম্যাঞ্চলত প্ৰতিষ্ঠিত আমাৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলৰ এক আকৰ্ষণৰ কেন্দ্ৰ বিন্দু। সেয়েহে বিভিন্ন অঞ্চলৰ পৰা বহু শিক্ষাৰ্থী অহা দেখা গৈছে। এই ছাত্ৰ-ছাত্ৰী সকল যথেষ্ট সম্ভাৱনাপূৰ্ণ, পঢ়া-শুনাৰ লগতে সাহিত্য, সংস্কৃতি, খেলা-

ধূলা সকলো ক্ষেত্ৰতে তেওঁলোকৰ প্ৰতিভা বিৰাজমান। কেৱল আগুৱাই নিয়াৰ দায়িত্ব আমাৰ। এই ক্ষেত্ৰত মহাবিদ্যালয়ত সকলো প্ৰকাৰৰ সুবিধা প্ৰদান কৰা দেখা গৈছে। শিক্ষক-শিক্ষয়িত্ৰী সকলৰ চেষ্টাত, ছাত্ৰ-ছাত্ৰীসকলৰ যত্নত এয়া হয়তো সম্ভৱ হৈ উঠিছে।

মোৰ মানস পটত সদায় সজীৱ হৈ থাকিব আমাৰ মহাবিদ্যালয়ৰ চৌপাশ। এখন পৰিস্কাৰ পৰিচ্ছন্ন সেউজী ধৰা। চাৰিওফালে কেৱল সেউজীয়া, নেদেখিলে হয়তো অনুভৱ কৰিব নোৱাৰিব। ছাত্ৰ-ছাত্ৰী সকলকো ইয়াৰ প্ৰতি সদা সচেতন হোৱা দেখা যায়। এদিন হয়তো ইয়াৰ আকৰ্ষণীয় পৰিবেশে সকলোকে আকৰ্ষণ কৰিব, ইয়াকেই কামনা কৰিছোঁ।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে, এই মহাবিদ্যালয়ে সকলো দিছে, কি দিয়া নাই সেই কথা মই ভাবিবই নোৱাৰোঁ। ডাঙৰ কথা হৈছে আমাক এটা নিজস্ব পৰিচয় দিছে। আমি আজি একো একোজন প্ৰতিষ্ঠিত ব্যক্তি। আমি সকলোৰে আদৰ্শ। গতিকে আমি এই দিশটোৰ প্ৰতি চকু ৰাখি আগবাঢ়ি যাব লাগিব। মই আজি গৌৰৱে কওঁ মহাবিদ্যালয়ে মোক এক মূল্যবান সম্পদ দান কৰিলে সেয়া হৈছে বন্ধুত্ব। বন্ধু শব্দটো ক'বলৈ সহজ কিন্তু প্ৰকৃত বন্ধু পাবলৈ বৰ টান। মোৰ বাবে ইয়ো সম্ভৱ হৈছে। বন্ধু বয়সেৰে নোজোখে; কেৱল বিশ্বাস, মৰম-ভালপোৱা, বন্ধুত্বৰ এনাজৰী সদায় চিৰ যুগমীয়া হৈ ৰ'ব।


শেষত কওঁ, মোৰ বাবে এল. টি. কে. মহাবিদ্যালয় যেন এখন মহাকাব্য; কৈ শেষ কৰিব নোৱাৰি। ইয়াৰ প্ৰতিটো ধূলি, বালি-মাটি প্ৰতি উশাহত সোমাই আছে। এই মহাবিদ্যালয়ৰ পৰিয়াল এটা অতি সুখী পৰিয়াল। অধ্যক্ষ মহোদয়ক প্ৰমুখ্যে কৰি প্ৰতিজন শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলো যেন একেডাল সূঁতাতে বান্ধ খাই আছে।

ইমান মৰম, ইমান ভালপোৱা হয়তো ইয়াতেই দেখিবলৈ পোৱা যায়। এই মহাবিদ্যালয় পৰিয়ালৰ এজন সদস্য হ'বলৈ পাই নিজকে সৌভাগ্যবান ব্যক্তি হিচাবে অনুভৱ কৰি কওঁ যে ছাত্ৰ-ছাত্ৰীসকল, তোমালোকে মহাবিদ্যালয়ৰ সুনাম ৰাখিবা আৰু উচ্চৰ পৰা উচ্চস্তৰলৈ লৈ যাবা, যাতে এখন জাকত জিলিকা মহাবিদ্যালয় হিচাবে প্ৰতিষ্ঠিত হয়। শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলোৰে চেষ্টাত এই কাৰ্যই যাতে সফলতা লাভ কৰে। এল. টি. কে. কলেজৰ দীৰ্ঘায়ু কামনা কৰি দুআষাৰ সামৰণি মাৰিলোঁ।

■■



# অতিথি চ'ৰা



# ৰামায়ণ আৰু ৰয়ছম

ড° মালিনী গোস্বামী, জ্যেষ্ঠ অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

...ৰয়ছমে *ৰামায়ণ* বা ৰামকথাক লৈ যে বহু কাম কৰিছিল, দেশে-বিদেশে ঘূৰিছিল, ভাষণ দিছিল, প্ৰবন্ধ লিখিছিল, কিতাপ লিখিছিল, বহু পুৰস্কাৰ আদিৰে স্বীকৃতি লাভ কৰিছিল সেই বিষয়ে যথেষ্ট অলোচনা পঢ়িবলৈ পোৱা নাযায়...

ৰয়ছম বুলি ক'লে অসমীয়া মানুহে এগৰাকী লেখিকাৰ কথাই বুজে। অসমৰ গাঁৱে-নগৰে, শিক্ষিত-অশিক্ষিত, সৰু-ডাঙৰ সকলোৱে বোধকৰো অন্ততঃ এটা কথা জানে যে অসমত মামণি ৰয়ছম গোস্বামী বুলি বৰ জনপ্ৰিয় এগৰাকী লেখিকা আছে। তেঁৱেই যে মামণি গোস্বামী বা তেঁৱেই যে ড° ইন্দিৰা গোস্বামী সেই কথা নাজানিবও পাৰে। কিন্তু চমুকৈ তেওঁক মামণি ৰয়ছম বুলি ক'লেও সকলোৱে বুজে যে তেওঁ *নীলকণ্ঠী ব্ৰজ, অহিৰণ, চেনাবৰ সোঁত, তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা, মামৰে ধৰা তৰোৱাল* আদি যুগজয়ী উপন্যাসৰ স্ৰষ্টা মামণি ৰয়ছম। ৰয়ছম শব্দটো বা উপাধিটো লাগি থকা লেখক বা লেখিকা বোধকৰো অসমত আৰু নাই। 'বগা জোনাক' নামৰ কবিতা এটাৰে স্কুলীয়া দিনতে সাহিত্য চৰ্চা আৰম্ভ কৰা মামণি গোস্বামীৰ এজোকা কবিতা এটা সঙ্কলনত (*Pain and Flesh*) পঢ়িবলৈ পোৱা যায়। কবিতাখিনিৰ কথা বৰকৈ আলোচিত হোৱা নাই। কিন্তু গল্পকাৰ, ঔপন্যাসিকৰূপে মামণি ৰয়ছমে পাঠকৰ মনত কেতিয়াবাই উচ্চ স্থান অধিকাৰ কৰি লৈছে। তেখেতৰ সৃষ্টিশীল ৰচনাৰাজিত থকা কিছুমান বিশেষ গুণে সৃষ্টিৰাজিক এক কথাত ব্যতিক্ৰমীও কৰি তুলিছে। এইবোৰ কথা কাকত, আলোচনী আদিত আলোচিত হোৱাৰ লগতে পিএইচ.ডি. গৱেষণাও কৰা হৈছে।

কিন্তু ৰয়ছমে *ৰামায়ণ* বা ৰামকথাক লৈ যে বহু কাম কৰিছিল, দেশে-বিদেশে ঘূৰিছিল, ভাষণ দিছিল, প্ৰবন্ধ লিখিছিল, কিতাপ লিখিছিল, বহু পুৰস্কাৰ আদিৰে স্বীকৃতি লাভ কৰিছিল সেই বিষয়ে যথেষ্ট অলোচনা পঢ়িবলৈ পোৱা নাযায়। তেওঁনো *ৰামায়ণ*ক কিয় বাছি ল'লে, *ৰামায়ণ*ৰ কোনবোৰ দিশে, কোনবোৰ চৰিত্ৰই আৰু আখ্যানে তেওঁক আকৰ্ষণ কৰিছিল ইত্যাদি বিষয়ে এতিয়ালৈকে কোনো আলোচনা হোৱা দেখা নাযায়। হয়তো কোনোবাই ভাবিছে যদিও মই অন্ততঃ পঢ়িবলৈ পোৱা নাই।

তেখেতে নিজে ক'তো উল্লেখ কৰা নাই যদিও তেখেতৰ লেখনিসমূহ পঢ়ি উলিয়াই ক'ব পাৰি যে ১৯৬৯ চনলৈকে তেওঁৰ ৰামকথাৰ লগত বিশেষ সম্পৰ্ক নাছিল। ১৯৬৭ত তেওঁৰ স্বামী মাধৱেন ৰয়ছম আয়েঙ্গাৰৰ মৃত্যু হৈছিল। তাৰ পাছত গোৱালপাৰা সৈনিক স্কুলত কিছুদিন কাম কৰাৰ পাছত তেওঁ ১৯৬৯ চনৰ আগষ্ট মাহত বৃন্দাবনলৈ আহে Institute of Oriental Philosophyত তেতিয়াৰ শ্ৰীমন্ত শঙ্কৰদেৱ আসনৰ পদত থকা শ্ৰীযুত উপেন্দ্ৰ চন্দ্ৰ লেখাৰুদেৱৰ অধীনত Ph.D. কৰিবৰ বাবে।

...বিভিন্ন ঠাইত ভাষণ দিওঁতে তেখেতে প্ৰায়ে তুলসীদাসৰপৰা পদ-দোহা আবৃত্তি কৰে। বহু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ৰামায়ণী আলোচনাত ভাগ লৈ গৱেষণা প্ৰবন্ধৰপৰা মূল ভাষণলৈকে প্ৰদান কৰি আহিছিল...

বোধকৰো লেখাৰুৰ পৰামৰ্শ মতেই তেওঁ 'তুলসীদাস আৰু মাধৱ কন্দলীৰ ৰামায়ণৰ এক তুলনামূলক অধ্যয়ন' নামে এটা বিষয় গৱেষণাৰ বাবে স্থিৰ কৰি ল'লে।

অৱশ্যে এইখিনিতে এটা কথা কৈ থোৱা ভাল হ'ব যে ৰয়ছমৰ সৰু কালতে স্বৰ্গীয় মাধৱ বৰদলৈ ডাঙৰীয়াই সম্পাদনা কৰি ছপা কৰি উলিওৱা মাধৱ কন্দলিৰ ৰামায়ণৰ বাবে এটা দীঘলীয়া পাতনি ৰয়ছমৰ পিতাক শ্ৰীউমাকান্ত গোস্বামীয়ে লিখি দিছিল। (*আধালেখা দস্তাবেজ*, পৃ. ১১১) পিতাকৰ এই লেখনিয়ে ৰয়ছমক কেনেদৰে প্ৰভাৱিত কৰিছিল বা কৰিছিল নে নাই তাক তেখেতৰ লিখনিত নাই। কিন্তু ১৯৬৯চনৰপৰা মৃত্যুপৰ্যন্ত ৰামায়ণৰ লগত ৰয়ছমৰ এক নিবিড় সম্পৰ্ক গঢ়ি উঠিছিল। পোনতে তুলসীদাসৰ *ৰামচৰিত মানসৰ* জৰিয়তে তেওঁ বাল্মীকি *ৰামায়ণৰ* ওচৰ চাপি গৈছিল। অসমীয়া ৰামায়ণী সাহিত্যৰ অধ্যয়নৰ সময়ত গুৰু শ্ৰীউপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰ গভীৰ জ্ঞানেও তেওঁক প্ৰভাৱিত কৰিছিল। সেই কথা ৰয়ছমৰ স্বীকাৰোক্তিৰপৰা বুজিব পাৰি। ৰামায়ণ চৰ্চাৰ ক্ষেত্ৰত কেইজনমান বিদ্বান পণ্ডিতৰ প্ৰেৰণায়ো কাম কৰিছিল। (*আধালেখা দস্তাবেজ*, পৃ. ১১৯)

পাছলৈ তেওঁ ৰামকথাত এনেদৰে মজি পৰিছিল যে তেখেতে নিজৰ আবাসটিৰ নাম ৰাখিছিল 'ৰামাঞ্জলি'। বেৰত বন্ধাই ৰাখিছিল *ৰামচৰিত মানসৰ* পংক্তি। কোঠাই কোঠাই সজাই ৰাখিছিল ৰজা ৰামচন্দ্ৰৰ প্ৰতিমূৰ্তি। বেৰত আৰি ৰাখিছিল বিভিন্ন ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ৰামায়ণ অধ্যয়ন চক্ৰৰপৰা প্ৰদত্ত মান পত্ৰ। তুলসীদাসৰ *ৰামচৰিত মানসৰ* লগত মাধৱ কন্দলিৰ *ৰামায়ণৰ* তুলনামূলক অধ্যয়ন ৰ ভিত্তিত থেছিছ লিখি পিএইচ.ডি. উপাধি লাভ কৰিছিল। উপন্যাসৰ নাম ৰাখিছিল *দাশৰথিৰ খোজ*। তাৰ পাছতো তেখেতে গংগা উপত্যকাৰপৰা ব্ৰহ্মপুত্ৰৰ পাৰৰ পাৰ্বত্যভূমি আৰু সমতলত আহি বিভিন্ন ৰূপ লোৱা *ৰামায়ণৰ* কাহিনীৰ চৰ্চা কৰিছে *ৰামায়ণ ফ্ৰম গংগা টু ব্ৰহ্মপুত্ৰ*নামৰ ইংৰাজী গ্ৰন্থত। বিভিন্ন ঠাইত ভাষণ দিওঁতে তেখেতে প্ৰায়ে তুলসীদাসৰপৰা পদ-দোহা আবৃত্তি কৰে। বহু ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ৰামায়ণী আলোচনাত ভাগ লৈ গৱেষণা প্ৰবন্ধৰপৰা মূল ভাষণলৈকে প্ৰদান কৰি আহিছিল। ৰামায়ণ অধয়নৰ লগত জড়িত দক্ষিণ-পূব এছিয়াৰ বহু পণ্ডিত গৱেষকৰ লগত বন্ধুত্ব ৰাখিছিল। ব্যক্তিগত পুথিভঁৰালত সজাই থোৱা আছিল নেদাৰলেণ্ড, ডেনমাৰ্ক আদি ঠাইৰ ইউৰোপীয় চিত্ৰশিল্পীয়ে আঁকা ৰামায়ণৰ কাহিনীৰ চিত্ৰৰূপ। আলমাৰি, মেজ, ৰেক আনকি ডাইনিং টেবুলতো দেখা পোৱা যায় ঠাক-ঠাক ৰামায়ণ সম্পৰ্কীয় গ্ৰন্থ। ৰাৱণৰ চৰিত্ৰৰ ভিত্তিত ৰচিত বিভিন্ন ঠাইৰ পণ্ডিতে লিখা একাধিক প্ৰবন্ধৰ একত্ৰ সঙ্কলন কৰি উলিয়াইছিল। নিজৰ আৰ্জিত আৰু সঞ্চিত অৰ্থৰে গঢ়ি তুলিছিল 'ছাউথ-ইষ্ট এছিয়ান ইনষ্টিটিউট অৱ ৰামায়ণ ৰিছাৰ্চ'। ফাদাৰ কামিল বুল্কেৰ ৰামায়ণ সম্পৰ্কীয় গ্ৰন্থখনৰ ভালেমান কপিৰ অৰ্ডাৰ দিছিল আৰু অহালৈ বাট চাই আছিল এই বুলিয়েই যে ৰামায়ণৰ আৰ্হি আৰু আদৰ্শ অসমীয়া মানুহে সঁচা অৰ্থত বুজা উচিত। লক্ষ্যণীয়ভাৱে বৃন্দাবনত তেওঁ থকা চুবুৰীটোৰ নাম আছিল 'দশৰথ আখাৰা'।

কৈছোৱেই যে তুলসীদাসৰ *ৰামচৰিত মানসৰ* মাধ্যমেৰেহে তেওঁ *ৰামায়ণৰ* লগত পৰিচিত হৈছিল। তুলসীদাসৰ ভাষাৰ প্ৰতি আকৰ্ষিত হৈছিল। তুলসীৰ নিৰ্মল ভক্তি আৰু তেওঁৰ জগত সম্পৰ্কে দৃষ্টিভংগীৰ প্ৰতি প্ৰশংসাপৰ হৈ পৰিছিল। উপমা, ৰূপক আদি খটুৱাই তেওঁ তুলসীক কেইবাবাৰো প্ৰশংসা কৰিছে। মই ভাবো তুলসীদাসৰ চৰম দুৰ্দশাৰে ভৰা জীৱনটোৰ প্ৰতিও ৰয়ছম সহানুভূতিশীল আছিল। তুলসীদাসৰ মাকৰ অকল বিয়োগ ঘটিছিল। তেওঁ এক অশুভ নক্ষত্ৰত জন্ম

লাভ কৰিছিল বাবে পিতৃও তেওঁৰ প্ৰতি অমনোযোগী আছিল। আমি মনত পেলোৱা উচিত যে অশুভ ক্ষণত জন্ম হোৱাৰ পৰিণাম ৰয়ছমেও ভুগিবলগীয়া হৈছিল। গণক, তান্ত্ৰিক সকলোৱে কৈছিল — "বৰ বেয়া সোঁৰৰণী।" (দস্তাবেজ, পৃ. ২৪) জ্যোতিষী এজনে কৈছিল — "এইজনী ছোৱালী বিয়া দিয়াতকৈ দুটুকুৰা কৰি কাটি পানীত ভহাই দিয়াই ভাল হ'ব।" এনেবোৰ কথাত ৰয়ছমৰ মাকে সদায় কওঁতাজনক মুখ পাতি ধৰিছিল। কিন্তু ৰয়ছমৰ মনত কথাবোৰে কেনে প্ৰতিক্ৰিয়া কৰিছিল সি সহজবোধ্য। সেয়েহে তুলসীদাসৰ জীৱনতো ঘটা তেনে নৈৰাশ্যৰ কথা তেওঁ হৃদয়ঙ্গম কৰিছিল। এটা কথা ঠিক যে কাৰোবাৰ ৰচনাৰ বিষয়ে অধ্যয়ন কৰিবলৈ যাওঁতে ৰচকজনৰ প্ৰতি এক সম্ভ্ৰাৰ নাথাকিলে, অচিনাকী বা কোনোদিন নেদেখা হ'লেও একেবাৰে বেয়া পোৱা লেখক এজনৰ ৰচনাৰ প্ৰতি অধ্যয়নকাৰীৰ আগ্ৰহ নোহোৱাটো স্বাভাৱিক কথা। গৱেষক বা অধ্যেতাজন সাহিত্য বিচাৰৰ ক্ষেত্ৰত নিৰপেক্ষ হোৱা উচিত বুলি যিমানেই নকওক কিয় লেখক আৰু ৰচনাৰ প্ৰতি এক কৌতুহল থাকিব লাগিব আৰু নাথাকিলেও বিষয়টোত লাগি থাকোতে এক প্ৰকাৰৰ সহমৰ্মীতাই গা কৰি উঠিব লাগিব। তাৰ পাছতহে পক্ষপাতিত্বৰ কথাটো াত সযতনে চকু দিব পৰা যায়। ৰয়ছমৰো তুলসীদাসৰ প্ৰতি তেনে এক মনোভাৱ গঢ়ি উঠিছিল। তুলসীৰ জীৱন কথাত নিজৰ অভিজ্ঞতাৰ প্ৰতিফলন দেখি তাক সহজে হৃদয়ঙ্গম কৰিছিল আৰু *ৰামচৰিত মানসত* ধৰা পৰা কাৰুণ্যৰ অনুভূতিকো বুজিছিল আৰু বুজাই দিব পাৰিছিল।

এটা কথা, মামণি ৰয়ছমৰ যি ৰচনাই নপঢ়ো কিয় আমি প্ৰায়ে এটা কথা নিশ্চয় মন কৰোঁ বা লেখিকাই বাৰে বাৰে নিজেই কৈ থাকে — এক বিষণ্ণতা, নৈৰাশ্য, বিচ্ছেদ, দুঃখবোধৰ কথা — এইবোৰ কথা প্ৰায় সকলো ৰচনাতে আছে। তেখেতৰ আত্মকথা *আধালেখা দস্তাবেজৰ* (ইয়াৰ পিছত *দস্তাবেজ*) প্ৰথম অধ্যায়ৰ প্ৰথমটো ছেদ তেনে এক অনুভৱেৰে আৰম্ভ কৰিছে। আচলতে আত্মকথাখনৰ পঞ্চম বাক্যটোতে কোৱা হৈছে — "এক প্ৰকাৰ নৈৰাশ্য আৰু দুঃখবোধে মোৰ হৃদয়ৰ লগত যেন ঘৰ বান্ধিয়ে লৈছিল।" এয়া তেখেতৰ একেবাৰে সৰু কালৰ কথা। স্কুল-কলেজত পঢ়ি থকা কালত একাধিকবাৰ তেওঁ হতাশাৰ বলি হৈছিল। এবাৰ আত্মহননৰ চেষ্টাও কৰিছিল। (*দস্তাবেজ*, ২০১১, পৃ. ২০-২২)। তেওঁ ৰ স্বামী মাধৱেনৰ মৃত্যুৰ পাছত দিল্লী বিশ্ববিদ্যালয়ত চাকৰিত যোগ দিয়ালৈকে দীঘলীয়া সময়ছোৱাত বিষাদগ্ৰস্ততাই তেওঁৰ দেহ-মন-বিবেক কাবু কৰি পেলাইছিল। তেতিয়াৰ দিনত ডিপ্ৰেশ্বনৰ একমাত্ৰ চিকিৎসা বোধকৰো শ্লিপিং পিলেই আছিল। তেওঁ কিন্তু টোপনি যাবৰ বাবে বা চিৰকাল শুবৰ মানসেৰেও টোপনিৰ বড়ি ভেনিটি বেগত ৰখাৰ কথা অকপটে স্বীকাৰ কৰিছে। শেষলৈ তেওঁ নিজেই আৱিষ্কাৰ কৰিছিল যে "শেষলৈ তেনে এটা অৱস্থা হৈছিল যে একমাত্ৰ সাহিত্যই হৈছে এনে অমৃত যাৰ ওচৰত মই পৃথিৱীৰ সকলো দুখৰপৰা পলাই গৈ আশ্ৰয় ল'ব পাৰো।" (*আধা লেখা দস্তাবেজ*, পৃ. ২৩) হয়তো তুলসীদাসৰ বিষন্নতা *ৰামচৰিত মানসৰ* প্ৰেৰণা আছিল বুলি ৰয়ছমে অনুভৱ কৰিছিল। সেয়েহে তুলসীৰ কাব্যৰ কাৰুণ্যৰে সিক্ত চৰিত্ৰবোৰৰ স্বৰূপ ৰয়ছমে বুজিছিল আৰু বোধকৰো সেই কাৰণতেই তেওঁৰ থেছিছখনত কন্দলিৰ *ৰামায়ণৰ* চৰিত্ৰসমূহৰ লগত তুলসীৰ *ৰামচৰিতৰ* চৰিত্ৰবোৰৰহে এটা এটাকৈ তুলনা কৰি চাবলৈ আগ্ৰহ হৈছিল। দুয়োখন গ্ৰন্থৰ তুলনা কৰিবলৈ আন আৰু বহুতো বিষয় আছিল। আন বহু উপাদান মন কৰিলে উলিয়াই ল'ব পাৰি। সেইবোৰলৈ তেওঁৰ মনোযোগ নাছিল।

...গৱেষক বা অধ্যেতাজন সাহিত্য বিচাৰৰ ক্ষেত্ৰত নিৰপেক্ষ হোৱা উচিত বুলি যিমানেই নকওক কিয় লেখক আৰু ৰচনাৰ প্ৰতি এক কৌতুহল থাকিব লাগিব আৰু নাথাকিলেও বিষয়টোত লাগি থাকোতে এক প্ৰকাৰৰ সহমৰ্মীতাই গা কৰি উঠিব লাগিব...

ৰয়ছমৰ ইমানবোৰ গল্প, উপন্যাসৰপৰা এনে এটা চৰিত্ৰ বোধকৰো উলিয়াবলৈ টান হ'ব, যিটি চৰিত্ৰ সুখী আৰু সম্পূৰ্ণ; সংসাৰৰ বা-মাৰলীয়ে যাক টলাব পৰা নাই। কিন্তু সাধাৰণভাৱে তেওঁৰ ৰচনাৰ চৰিত্ৰবোৰক বাস্তৱে খুন্দি-চেপি জুৰুলা কৰিছে, যন্ত্ৰণাই জঠৰ কৰিছে। হাঁহি-আনন্দেৰে জীপাল জীৱন তেওঁৰ ৰচনাত বিৰল। আত্মকথাত নিজৰ হতাশা, দুখবোধৰ কথা কৈছে যেনেকৈ তেনেকৈ তেখেতৰ চৰিত্ৰসমূহো এক প্ৰকাৰ গভীৰ বিষণ্ণতাৰে আছন্ন। তুলসীদাসৰ জীৱনতো তেওঁ একে দুৰ্দশা, বিষণ্ণতা বিচাৰি পাইছিল।

ৰয়ছমে কৈছে, "মোৰ নিজস্ব বিচাৰেৰে তেওঁ এগৰাকী বিফল প্ৰেমিক আছিল।" (*দস্তাবেজ*, পৃ. ১২৭) তুলসীদাসৰ জীৱনৰ এই বিফলতাত ৰয়ছমে নিজৰ প্ৰেমত বিফলতাৰ বেদনা অনুভৱ কৰিছিল বুলি ধাৰণা হয়। কৈশোৰৰপৰা ভালেকেইটা নিজৰ বিফল প্ৰেমগাঁথা তেওঁ নিজে স্বীকাৰ কৰি গৈছে। আত্মকথাৰ এঠাইত ৰয়ছমে লিখিছে — "প্ৰেমিকৰতো অভাৱ নাছিল। হিন্দু, মুছলমান, ব্ৰাহ্মণ, কায়স্থ। ... কোনোবাই কবিতা লিখিছিল ... কোনোবাই সুদীৰ্ঘ পত্ৰত ৰূপ-গুণৰ ব্যাখ্যা কৰিছিল ...।" (*দস্তাবেজ*, পৃ. ২৭) আকৌ গোৱালপাৰাৰ সৈনিক স্কুলত চাকৰি কৰাৰ সময়ত তেওঁৰ প্ৰশংসাত দুজনমানে আকাৰে-ইঙ্গিতে দিয়া আহ্বানকো তেওঁ উপেক্ষা কৰিছিল। কাৰণ সেইখিনি সময়ত মাধৱেন আয়েঙ্গাৰৰ মৃত্যুৱে তেওঁক বিধ্বস্ত কৰি থৈ গৈছিল। মাধৱেনৰ লগত প্ৰেম আৰু বিৱাহ সফল হৈছিল যদিও সি সাৰ্থক নহ'ল। বৰঞ্চ 'মাধুৰ যি স্মৃতিক হৃদয়ৰ গোপন কক্ষত সংসাৰৰ নানা ধৰণৰ ৰহণৰ আৱৰণেৰে' (*দস্তাবেজ*, পৃ. ২১৬) লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছিল 'সি অধিক যন্ত্ৰণাময় হৈ উঠিছিল'। স্বামীৰ সহকৰ্মী বন্ধু কাইকছ বাৰ্জোৰ পাছত আহিছিল, যেন হাতত এটা মমৰ শিখা লৈ। সেই পোহৰলৈ ৰয়ছমে মূৰ তুলিও চাইছিল। হিন্দুস্তান কনষ্ট্ৰাকশ্বন কোম্পানীৰ এইজন সুদক্ষ অভিযন্তাৰ ওচৰত তেওঁ 'কায়-বাক্যে' সমৰ্পণো কৰিছিল। (*দস্তাবেজ*, পৃ. ১৯৮) কিন্তু নিজৰ মনটোক তেওঁ পৰাজিত কৰিব পৰা নাছিল। এইগৰাকী সহানুভূতিশীল লোক ৰয়ছমৰ জীৱনৰ সহযাত্ৰী হৈ ৰ'ল যদিও সেই যাত্ৰাক কোনো নাম দিয়া নহ'ল। এনেকৈ ৰয়ছমৰ আত্মকথা পঢ়িলে মনলৈ এনে প্ৰশ্ন আহে — কিয়নো বাৰু বিশ্বস্ৰষ্টাজনে এই দৰদী লেখিকাগৰাকীক প্ৰেমৰ পৰিণতি চাবলৈ নিদিলে, যেনেকৈ নিদিলে *ৰামায়ণ*-স্ৰষ্টাজনে সীতাৰ প্ৰেমক। *আধালেখা দস্তাবেজ* আৰু *ৰামায়ণ*ৰ নায়িকা দুগৰাকীৰ প্ৰেমে যিদৰে মৰ্যদা নাপালে, তেনেদৰে তুলসী বা তুলসীৰ পত্নীয়েও মনৰ মাণিক মুকুটত পিন্ধিবলৈ নাপালে। এনেধৰণৰ বহু কথা ভাবি গৈ থাকিব পাৰি আৰু শেষত এনে এক সিদ্ধান্তলৈ আহিব পাৰি যে প্ৰেমৰ বিফলতাই ৰয়ছমৰ বৌদ্ধিক সফলতা সহজ কৰি তুলিছিল। আৰু তুলসীদাসৰো।

তুলসীদাসৰ নাৰীনিন্দা সম্পৰ্কে আন এঠাইত ৰয়ছমে লিখিছে — "মোৰ বদ্ধমূল ধাৰণা হৈছিল, নাৰীৰ বিষয়ে উৎসাহ আৰু প্ৰেৰণাপূৰ্ণ কথা লিখিবলৈ নিজৰ অভিজ্ঞতাৰপৰা বুটলি ল'ব পৰা সমল তেওঁৰ (তুলসীদাসৰ) বৰ কম আছিল।' ৰয়ছমে স্বীকাৰ কৰিছে যে — তুলসীদাসৰ 'ৰচনাতকৈ তেওঁৰ জীৱন কাহিনীয়ে মোক সেই সময়ত বৰকৈ অভিভূত কৰিছিল। তেওঁৰ জীৱন কাহিনীৰপৰা মই এক ধৰণৰ প্ৰেৰণা লাভ কৰিছিলো।' (*দস্তাবেজ*, পৃ. ১২৭) এনেবোৰ কাৰণে ৰয়ছমক ৰামকথাৰ ওচৰ চপাই আনিছিল। তাত সবাতোকৈ অধিক অৰিহণা আছিল *ৰামচৰিত মানস*ৰ।

ৰয়ছমৰ আৰু এক দুৰ্বলতা হৈছে মানুহ। প্ৰতিখন উপন্যাসতে তেওঁ বিভিন্ন চৰিত্ৰৰ ভিতৰলৈ সোমাই গৈছে। *চেনাবৰ সোঁত, অহিৰণ, মামৰে ধৰা তৰোৱালত* শ্ৰমিক, বনুৱা, মহৰী, নবিচ, ইঞ্জিনিয়াৰ, মেনেজাৰ, কোম্পানীৰ চাহাব আদি বহু চৰিত্ৰ — বহু মানুহ। সকলোৱে কষ্ট কৰি খায়, আৰ্তজন — সকলোৰে জীৱন একোটা adventure। *উদয়ভানুৰ চৰিত্ৰত* সকলোবোৰ মধ্যবিত্ত মানুহ — তাকো সামাজিক অৱক্ষয়ে পঙ্গু কৰা মানুহ।

এনে লাগে, যেন জীৱনৰ জৰ্জৰ অৱস্থাতো ৰয়ছমে হৃদয়ঙ্গম কৰিছিল। *নীলকণ্ঠী ব্ৰজত* এক জৰ্জৰ পৰিৱেশ — মন্দিৰ, আখাৰা, গলিবোৰ, গছবোৰ — সকলো ৰাধেশ্যামীবোৰৰ জীৱনে জৰ্জৰ কৰি কৰি তুলিছে আৰু বাঁকেবিহাৰী ভগৱান কৃষ্ণ জৰ্জৰিত হৈছে মানুহৰ অত্যাচাৰত, বৃন্দাবন জৰ্জৰিত বিদেশীৰ আক্ৰমণত, তেনেকৈ উদয়ভানুৰ চৰিত্ৰত স্খলিত জৰ্জৰিত নায়ক আৰু তেওঁক বেৰি থকা আত্মীয়সকল। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* পটভূমি সম্ভ্ৰান্ত। এক পৱিত্ৰ সত্ৰীয়া

পৰিৱেশ। তাতো বহুত চৰিত্ৰ। সংৰক্ষণশীলতাই পিষ্ট কৰা প্ৰতিটো চৰিত্ৰ। *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা*ৰ কথাতো ক'বই নালাগে, তাততো পৰিস্থিতিৰ ভয়াৱহতাৰ লগত লেখিকা একাকাৰ হৈছে। আৰু গল্পবোৰ? ঠিকাদাৰ, অধ্যাপক, ফান্দীৰপৰা লম্পট সংস্কাৰক, দময়ন্তী আৰু *মামৰে ধৰা তৰোৱাল*ৰ নাৰায়ণী — প্ৰতিটো চৰিত্ৰৰ মাজত লেখিকাগৰাকীয়ে উদঘাটন কৰিব খোজে সংগ্ৰাম আৰু কষ্টৰে ভৰা অথচ সহিষ্ণুতাৰে সৈতে মোকাবিলা কৰা, সম্পূৰ্ণ কৰা জীৱন।

*নীলকণ্ঠী ব্ৰজত* বহু চৰিত্ৰ, বহু মানুহ আহি বৃন্দাৱনৰ এই কাহিনীত থুপ খাইছেহি। কিন্তু সকলোবোৰ জৰ্জৰিত। মোৰ এনে লাগে যেন মানুহৰ সংখ্যা গৰিষ্ঠতা মামণি ৰয়ছমৰ ৰচনাৰ বৈশিষ্ট্য। এগৰাকী লেখিকাই গোৰা মানুহৰ গাঁথা।

*বৃত্তৰ পৰিধি ভাঙি*নামৰ গ্ৰন্থত তেওঁ দিল্লীৰ অট'চালক সাতাৰ সিঙক কৈছে, "মই মানুহক লৈ গৱেষণা কৰি ভালপাওঁ। মানুহৰ শৰীৰৰ তেজ, মানুহৰ দেহৰ ঘ্ৰাণ, মানুহৰ তীব্ৰ বাসনা, মানুহৰ যন্ত্ৰণা চব, চব মই মোৰ কলমৰ চিয়াহী কৰি ল'বলৈ ভালপাওঁ।" দিল্লীৰ নিষিদ্ধ এলেকাৰ বাসিন্দাসকলৰ জৰ্জৰিত জীৱনৰ বিষাদ লিখা এইখন গ্ৰন্থও ৰয়ছমৰ স্বগতোক্তি বুলিব পাৰি।

আৰু *ৰামায়ণ*নো কি? মানুহে মানুহকলৈ মানুহৰ বাবে লিখা প্ৰথম মানুহৰ কবিতা। *ৰামায়ণ* আদিকাব্য আৰু বাল্মীকি আদিকবি। সি প্ৰমাণিত তথ্য। কিন্তু কিয় মানুহৰ কবিতা, — কাৰণ ইয়াৰ আগতে ভাৰতত যি লানি সাহিত্য ৰচিত হৈছিল — সেইখিনিও মানুহেই লিখিছিল, কিন্তু স্বৰূপ আছিল সুকীয়া। মানুহৰ জীৱনৰ কথাতকৈ তাত দেৱ-দেৱীৰ মহিমা গাঁথাই প্ৰাধান্য পাইছিল। মানুহৰ জয়গানতকৈ অধিক আছিল দেৱ-দেৱীৰ প্ৰতি স্তুতি, প্ৰাৰ্থনা বা শুদ্ধ অৰ্থত ক'বলৈ গ'লে পৃথিৱীৰ মানুহকৈ শক্তিশালী বহু প্ৰাকৃতিক শক্তিৰ জয়গান। বাল্মীকিয়ে মহাকাব্যখনত মৰ্ত্যৰ মানুহৰ কথাহে লিখিব খুজিছিল। তাক আদিকবিৰ নিজৰ উক্তিৰপৰাই বুজিব পাৰি। বাল্মীকিয়ে এজন পৰিপূৰ্ণ মানুহৰ অনুসন্ধান কৰিছিল। (দ্ৰষ্টব্য ১/)

ৰামায়ণতো প্ৰতিটো চৰিত্ৰৰ জীৱন কাৰুণ্যৰে ভৰা। সেয়েহে ৰামায়ণ আনসকলোবোৰ কাব্যতকৈ ব্যতিক্ৰম। ভাৰতীয় সাহিত্যতাত্ত্বিকসকলে মহাকাব্যৰ লক্ষণসমূহৰ কথা কওঁতে কৈছে — "শৃঙ্গাৰোৱীৰ শান্তানাম্ একো অঙ্গীৰস ঈষ্যতে"। শৃঙ্গাৰ, বীৰ বা শান্তহে মহাকাব্যৰ প্ৰধান ৰস হ'ব পাৰে। কাৰণ *মহাভাৰত*ৰপৰা আৰম্ভ কৰি আন যিমান মহাকাব্য লিখা হ'ল সকলোবোৰতে এই তিনি ৰসৰ প্ৰাধান্য দেখা যায়। কোনো মহাকাব্যৰ প্ৰধান ৰস কৰুণ নহয়। কিন্তু *ৰামায়ণ*ৰ কাৰুণ্য আনন্দবৰ্ধনৰ নিচিনা প্ৰসিদ্ধ চিন্তাশীল তাত্ত্বিকেও স্বীকাৰ কৰি *ধ্বন্যালোক* গ্ৰন্থত কৈছে, "ৰামায়ণে হি কৰুণো ৰসঃ স্বয়ং আদিকবিণা সূত্ৰিতঃ"। আকৌ একেখন গ্ৰন্থৰে আন এঠাইত কৈছে,

"কাব্যস্যাত্মা স এৱাৰ্থ তথা চাদিকবেঃ পুৰা।

ক্ৰৌঞ্চ দ্বন্দ বিয়োগোত্থ ঃ শ্লোকঃ শ্লোকত্বমাগতঃ।। (১।৫)

একে কথাকে কালিদাসেও স্বীকাৰ কৰি কৈছে —

"নিষাদবিদ্ধাণ্ডজদৰ্শনোত্থঃশ্লোকত্বমাপদ্যতে য়স্যশোকঃ।। (ৰঘুবংশ ১৪।৭০)

বাল্মীকিয়ে নিজেও কৈছে —

"শোকাৰ্ত্তস্য শকুনেঃ কিমিদং ব্যাহৃতংময়া।

আকৌ কৈছে—

"পাদবদ্ধোহক্ষৰঃ সমস্তন্ত্ৰীলয় সমন্বিতঃ।

শোকাৰ্ত্তস্য প্ৰবৃত্তো মো শ্লোকো ভৱতু নান্যথা।।"

ৰয়ছমৰো জীৱন আগুৰি আছিল শোকে — আশৈশৱ। তেখেতৰ আত্মজীৱনী *আধালেখা দস্তাবেজ*ৰ 'লেখিকাৰ কথা' নামৰ পাতনিখনত হোমেন বৰগোহাঞিৰ চিঠি এখনৰ পাঁচটা বাক্য প্ৰথম ছেদতে উদ্ধৃত কৰিছে। তাতো কৈছে — "আপোনাৰ মন কি দুঃসহ বেদনাৰে ভাৰাক্ৰান্ত ....." ইত্যাদি ইত্যাদি। কিতাপখনৰ প্ৰথম ছেদৰ পঞ্চম বাক্যটিতে তেখেতে এক প্ৰচণ্ড দুঃখবোধ, নৈৰাশ্যৰ কথা কৈছে — আৰু কিতাপখনত যে কিমান বাৰ দোহাৰিছে, তাক *আধালেখা দস্তাবেজ* পঢ়া মানুহে জানে। দুখ আৰু বেদনা বাল্মীকি, তুলসী আৰু ৰয়ছমৰ ৰচনাৰ মূল উপজীব্য।

মোৰ ভাৱ হয় *ৰামায়ণ* যিমান দূৰ ৰামকথা তাতকৈ বহু বেছি, মই ভাবো *সীতা গাঁথা*। বিশেষকৈ কোনটো চৰিত্ৰ আমাৰ বাবে অধিক আৱেদনশীল? তুলসীদাসৰ

*ৰামচৰিত মানসে* সীতাৰ ওপৰত অধিক মনোযোগ দিছে— অধিক আলোকপাত কৰিছে। বাল্মীকিৰ *ৰামায়ণে* ৰামৰ ৰূপ-গুণৰ ভূয়সী প্ৰশংসা কৰিছে— তুলসীদাসে কিন্তু বৰ্ণাইছে সীতাৰ সৌন্দৰ্য আৰু গুণৰ কথা।

সুন্দৰতা কঁহ সুন্দৰ কৰঈ।

ছবি গৃহ দীপশিখা জুন বৰঈ।।

সব উপমা কবি ৰহে জুঠাৰী।

কেহি পট তৰউ বিদেহ কুমাৰী।।

---

সীয় বৰণি তেই উপমা দেঈ।

কুকৰি কহাই অজস কোলেঈ।।

জৌ পটতৰিয় তীয় মঁহ সীয়া।

জগ অস জুঁৱতি কঁহা কমনীয়া।।

---

জৌ ছবি সুধা পায়া নিধি হোঈ।

পৰম ৰূপ ময় কচ্ছল সোঈ।।

সোভা ৰজু মন্দৰু সিঙ্গাঁৰু।

মথই পানী পঙ্কজ নিজ মৰু।।

এহি বিধি উপজাই লচ্ছি জব সুন্দৰতা সুখ মূল।

তদপি সকোসেমতে কবি কঁহাই সীয় সম তুল।।

এনে বহু পংক্তি তুলসীদাসৰপৰা তুলি আনিব পাৰি য'ত সীতাৰ ৰূপ, গুণ, ৰমণীয়তা, কমনীয়তা, শালীনতা, বুদ্ধিমত্তা ইত্যাদি অধিক স্পষ্ট ৰূপত তুলি ধৰা হৈছে। ৰয়ছমে সীতৰ পক্ষলৈ লিখা ৰচনা এতিয়ালৈকে অৱশ্যে মই পঢ়িবলৈ পোৱা নাই। কিন্তু তুলসীৰ সমৰ্থনত লিখা কথাতেই তেওঁৰ বক্তব্যও স্পষ্ট হৈছে বুলি বুজিব পাৰি। কিন্তু সাধাৰণভাৱে গল্প, উপন্যাসৰ নাৰী চৰিত্ৰই লেখিকাৰপৰা ........

বাল্মীকিৰ সীতা যদি ত্যাগৰ মৌন মূৰ্তি তেনেহ'লে তুলসীদাসৰ সীতাৰ জীৱন এখন বিচ্ছেদৰ আৰু অপ্ৰাপ্তিৰ ছবি। বিচ্ছেদ, অপ্ৰাপ্তি আৰু অপূৰ্ণতাৰ কথা ৰয়ছমে মৰ্মে মৰ্মে অনুভৱ কৰিছিল। ৰয়ছমৰ *দাশৰথিৰ খোজ* নামৰ উপন্যাসৰ প্ৰমুখ্য চৰিত্ৰ শাস্ত্ৰী মহাৰাজে ৰ'জ মেৰীকো মুখত হাত বুলাই বুজাইছে — "সমগ্ৰ জীৱনেই হৈছে এক বিচ্ছেদৰ কাহিনী।" আৰু ৰয়ছমৰ জীৱন — নহয়নে এক বিচ্ছেদৰ কাহিনী?

এই কথা তেওঁ আত্মকথাত অকপটে স্বীকাৰ কৰিছে যে কৈশোৰ অৱস্থাৰপৰাই একাধিক পুৰুষৰ আহ্বান তেওঁ শুনিছিল। কাৰোবাক বহু দূৰৰপৰা, স্বামী মাধৱেন ৰয়ছম আয়েঙ্গাৰক বহু ওচৰৰপৰা, তেনেদৰে কাইকোৰেচ বাৰ্জাৰ সাতাৰৱাক একেবাৰে ওচৰৰপৰা। কিন্তু কাৰো লগতেই তেওঁৰ সম্পৰ্ক স্থায়ী নাছিল। মাধৱেনৰ লগত বিৱাহ হ'ল, দীৰ্ঘস্থায়ী হ'ল। 'বিচ্ছেদ' যেন তেওঁৰ সবাতোকৈ চিনাকী শব্দ। *দাশৰথিৰ খোজত* শাস্ত্ৰী মহাৰাজে ৰ'জ মেৰীকো কৈছে (আচলতে ৰয়ছমেই কৈছে) "সমগ্ৰ জীৱনেই এখন বিচ্ছেদৰ কাহিনী"। আৰু উপন্যাসখনত ৰয়ছমে মাধৱানন্দৰ মৃত্যুৰে কমলা আৰু মাধৱানন্দৰ বিচ্ছেদক দেখুৱালে। এওঁলোক দুয়োজনে একেলগে থাকি *ৰামায়ণ* চৰ্চা আগবঢ়াই নিয়া দেখুৱাব পাৰিলেহেঁতেন। কিন্তু তেওঁ নেদেখুৱালে, তেনে পৰিকল্পনা নকৰিলে। কাৰণ প্ৰেমত বিচ্ছেদ তেওঁৰ বাবেও এক নিদাৰুণ অভিজ্ঞতা। সেই বিচ্ছেদক যেন ৰয়ছমে *ৰামায়ণৰ* দিনৰেপৰ ঘটি অহা এক শ্বাশ্বত ঘটনা বুলিয়েই ধৰি লৈছিল।

কোৱা ভাল, *দাশৰথিৰ খোজ* আচলতে এখন ভ্ৰমণ কহিনী। কিন্তু তাক উপস্থাপন কৰা হৈছে উপন্যাসৰ শৈলীত আৰু ৰয়ছমে নিজেও তাক উপন্যাস বুলিয়ে কৈছে। মৰিছাছ আৰু নেপালত অনুষ্ঠিত দুখন ৰামায়ণী মহাসভালৈ যোৱাৰ কথা, দুয়োখন অধিৱেশনৰ সৰু-ডাঙৰ ঘটনা উপন্যাসখনত বৰ্ণোৱা হৈছে। বিশেষকৈ ৰাম কথাৰ লগত জড়িত বহু দৃশ্য, বহু পট, আচাৰ-অনুষ্ঠান, বিশ্বাস আদিৰ বৰ্ণনা কৰা হৈছে। মানুহৰ মাজত *ৰামায়ণৰ* কথাবস্তুৰ জনপ্ৰিয়তা, *ৰামায়ণৰ* কথাৰ মাজেৰে ৰামকথাৰ ৰূপায়ণ, দেশী-বিদেশী ৰামভক্তৰ বিভিন্ন দৃষ্টিভঙ্গী তাত ৰয়ছমে বৰ্ণাই গৈছে। তাৰ মাজতে কেতিয়াবা মাধৱ কন্দলি (বিশেষকৈ সীতাৰ), তুলসীদাস,

গুণভদ্ৰ, কম্বন, নৃসিংহ পুৰাণ, বাবা কামিল বুল্কে, ফাৰ্কুহাৰ, গ্ৰাউচ, সতীশ দাশগুপ্ত আদিৰ অভিমত আৰু নিৰ্বচনো মাজে মাজে কৈ গৈছে। তেখেতে শেষত নিজৰ কথা অথবা বৰ্ণনাৰ নামত কৈছে যে ফাদাৰ বুল্কেৰ বিষয়ে দুটা সৰু প্ৰবন্ধও তেখেতে লিখিছেও। *ৰামায়ণ* মণ্ডলীৰ লগত তেওঁ নিজে দেশ-বিদেশ ভ্ৰমণ কৰিছে। তেওঁ এই কথাও কৈ গৈছে যে গৱেষণাৰ সময়তো তেওঁ অনেক বছৰ অনেক *ৰামায়ণ* সম্পৰ্কীয় কিতাপ-পত্ৰ পঢ়াৰ সুযোগ পাই ছিল। তেনেদৰে আহৰিত জ্ঞান *দাশৰথিৰ খোজ*ত প্ৰতিফলিত হৈছে।

*ৰামায়ণ*ৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা আছিল। বাল্মীকি *ৰামায়ণ*তকৈয়ো প্ৰান্তীয় আৰু ধৰ্মীয় (জৈন ধৰ্মৰ *পউম চৰিত্ৰ*, কন্দলিৰ অনূদিত *ৰামায়ণ*) ব্যতিক্ৰমবোৰত মনোযোগ দিছিল। ৰামায়ণী পণ্ডিতসকললৈ অতি শ্ৰদ্ধা আছিল। বিশেষকৈ ফাদাৰ কামিল বুল্কে, জেচুইউ পণ্ডিত সন্যাসী বুল্কেৰ প্ৰতি ৰয়ছমৰ অগাধ ভক্তি। আত্মকথাতো তেওঁ বুল্কেক প্ৰথমবাৰ লগ পোৱাৰ অভিজ্ঞতা আৰু বুল্কেৰ গভীৰ পাণ্ডিত্যত মুগ্ধ হোৱাৰ কথা বহলাই লিখিছে।

সীতা বনবাস, অগ্নি পৰীক্ষা, অসুৰ বধ আদিৰ তাৎপৰ্য; বালকাণ্ড, উত্তৰাকাণ্ড আদিৰ প্ৰক্ষিপ্ততাৰ কথাও কৈ গৈছে। উইলিয়াম কাপ নামৰ এজন জাৰ্মান পণ্ডিতৰ কিছুমান গুৰুত্বপূৰ্ণ সন্দেহ নিৰসন কৰিবৰ বাবে আৰু তেওঁ কৰা তাচ্ছিল্যৰ সমুচিত উত্তৰ দিব পৰাকৈ বাল্মীকি *ৰামায়ণ*ৰ কাণ্ড, অধ্যায় আৰু শ্লোক আদিও নিৰ্দিষ্ট কৰি দিছে। কিষ্কিন্ধা কাণ্ডৰ ছয় নম্বৰ অধ্যায়ৰ আঠ নম্বৰ শ্লোক বা সুন্দৰাকাণ্ডৰ বাইছ নম্বৰ অধ্যায়ৰ শেষৰ শ্লোকসমূহ চাব — এনেদৰে ৰয়ছমে প্ৰসঙ্গৰে সৈতে প্ৰমাণ দাঙি ধৰিছে। তাৰপৰা তেওঁৰ *ৰামায়ণ* অধ্যয়নৰ গভীৰতা বুজিব পাৰি। সুন্দৰকাণ্ডৰ অষ্টম অধ্যায়ৰ ৰাৱণৰ পুষ্পক বিমানৰ বৰ্ণনাৰ বিষয়ে ৰয়ছমৰ উক্তি এইখিনিতে আমি ক'ব পাৰো।

*ৰামায়ণ*ত বাল্মীকিয়ে সম্বন্ধৰ গৰিমা প্ৰতিষ্ঠা কৰিছে। পিতা-পুত্ৰ, ককাই ভাই, ককাই-ভনী, ৰজা-মন্ত্ৰী, গুৰু-শিষ্য, বন্ধু-বন্ধু ইত্যাদি সম্বন্ধৰ বান্ধোন কিমান দৃঢ় হ'ব পাৰে, তাক নিৰূপণ কৰি দেখুৱাইছে। দশৰথ-ৰাম, ৰাৱণ-মেঘনাদ, ৰাম-লক্ষ্মণ, ভৰত-ৰাম, ভৰত-শত্ৰুঘ্ন, ৰাৱণ-কুম্ভকৰ্ণ, দশৰথ-সুমন্ত্ৰ, জটায়ু-দশৰথ আদি একাধিক সম্বন্ধক বাল্মীকিয়ে কাব্যৰূপত তুলি ধৰিছে। ৰাৱণ আৰু মন্দোদৰীৰ সম্বন্ধকো বাল্মীকিয়ে সন্মানেৰে ৰূপায়ণ কৰিছে। আনৰ ৰচনাৰ প্ৰসঙ্গ টানি ৰয়ছমে তাক প্ৰতিপন্ন কৰিব খুজিছে। ৰাজতান্ত্ৰিক ব্যৱস্থাত প্ৰজাৰ প্ৰতি ৰজৰ দায়িত্ব আৰু কৰ্তব্যৰ আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ গৈ বাল্মীকিয়ে ৰাম-সীতাৰ সম্বন্ধটোক কিয় বাছি ল'লে সি সদায় বিদ্বান-ৰসিকৰ বাবে সাঁথৰ হৈ আহিছে আৰু থাকিবও। বাল্মীকিৰ পৰিকল্পনাৰ সপক্ষে আৰু বিপক্ষে থিয় হ'বলৈ ভিন্ন ভিন্ন যুক্তি সদায় আগবঢ়াই অহা হৈছে। তেনে বিতৰ্কৰ মাজলৈ নোসোমোৱাকৈয়ো এই কথা নিশ্চিত কৰিব পাৰি যে বাল্মীকিয়ে প্ৰতিষ্ঠা কৰা সম্বন্ধবোৰক তুলসীয়ে অধিক দৃঢ় কৰি বান্ধিছে তেওঁৰ ৰচনাত। আৰু তুলসীৰ আদৰ্শৰে প্ৰেৰিত ৰয়ছমে স্বীকাৰ কৰি কৈছে যে — "দুই এটা কথা মই ভালপোৱা নাছিলো। তথাপি ভাতৃ-ভগ্নী, পিতৃ-মাতৃ আৰু বন্ধুৰ যি নিৰ্মল সম্বন্ধৰ কাহিনী তেওঁ দেখুৱাইছিল সেইবোৰে মোক গভীৰভাৱে আকৰ্ষণ কৰিছিল। মোৰ ভাৱ হৈছিল পৃথিৱীত এনেধৰণৰ সম্বন্ধ থাকিলেও শোক-সাগৰত ডুব দিবলগীয়া অৱস্থা মানৱ জাতিৰ নহয়।" — আৰু ৰয়ছমো তেনে এক সম্বন্ধৰ গাঁঠিৰে আটিলকৈ বান্ধ খাই আছিল। *আধালেখা দস্তাবেজ*ৰ তৃতীয় অধ্যায়টিলৈকে লিখি উঠি ৰয়ছমে কৈছে — "মোৰ অত্যন্ত প্ৰিয় ভাতৃ-ভগ্নী, বন্ধু-বান্ধৱ আদিৰ ছবি এই গ্ৰন্থত অংকিত হোৱ নাই।" কিন্তু জানোতাই জানে যে ককায়েক-বৌৱেক, ভনীয়েক-জোঁৱায়েক, ভাগিন-ভতিজাৰে ৰয়ছমৰ জীৱন ভৰি আছিল। জীৱনৰ অধিক সময় দিল্লীত পাৰ কৰাৰ পাছতো একেবাৰে শেষৰ সময়খিনি গুৱাহাটীত ভাই-ভনীৰ মাজতে কটালেহি আৰু তাতেই শেষ-নিশ্বাস ত্যাগ কৰিলেহি। (একান্ত ঃ টিকটিকিয়া ৰঙা কাপোৰযোৰ ধুনীয়া বুলি কোনোবাই ক'লে তপকৈ অহা উত্তৰটো আছিল — "দাদাই দিছে, সি মোক বৰ মৰম কৰে।" ডাঙৰ ভনীয়েকক অতি মৰমৰ বন্ধু বুলি উল্লেখ কৰিছে।) ৰয়ছমে বিভিন্ন ৰচনাত, নিজৰ ভালকেইজন বন্ধু-বান্ধৱী আৰু আত্মীয়ৰ উল্লেখ আগ্ৰহেৰে কৰিছে। তাৰ ভিতৰত গৃহ-পৰিচাৰিকাৰপৰা প্ৰসিদ্ধ শিল্পী-সাহিত্যিকো আছে।

ৰয়ছমে সম্পাদনা কৰা *Ravana* গ্ৰন্থখনত দেশী আৰু বিদেশী লেখকে ৰাৱণৰ চৰিত্ৰটোৰ বিষয়ে লিখা এলানি প্ৰবন্ধৰ সংকলন কৰিছে। এই গ্ৰন্থত

বাল্মীকিৰ *ৰামায়ণত*কৈয়ো ভাৰতৰ প্ৰান্তীয় *ৰামায়ণ*আৰু দক্ষিণ-পূব এছিয়াৰ একাধিক দেশৰ ৰামকথাত ৰূপায়িত ৰাৱণৰ চৰিত্ৰটোৰ পৰিচয়মূলক আলোচনাত মনেযোগ দিয়া হৈছে।

*Ramayana from Ganga to Brahmaputra* নামৰ গ্ৰন্থখন ৰয়ছমৰ পিএইচ.ডি. থেছিছখনৰ সম্পাদিত ৰূপ। ইয়াত কন্দলি আৰু তুলসীৰ সৃষ্টিৰ বিষয় তেওঁ আলোচনা কৰিছে। কন্দলি ৰামায়ণৰ বেঙেনাআটি সত্ৰৰপৰা গোটোৱা পুথিৰপৰা চিত্ৰ, ৰাঁচীৰপৰা অনা *ৰামচৰিতমানস*ৰ ফলক, পাচী *ৰামায়ণ*ৰ সচিত্ৰ পুথিৰ নটা ফলক, বানাৰসৰ ৰামনগৰৰপৰা গোটোৱা *ৰামচৰিত*ৰ ফলক আৰু হাঙ্গেৰীৰ বুডাপেষ্টৰ ৰোজালিয়া ৰাধিকা প্ৰিয়া নামৰ চিত্ৰশিল্পীৰ *ৰামকথা*ৰ চিত্ৰ আদি ৰয়ছমে গ্ৰন্থখনত সংযোগ কৰিছে। সচিত্ৰ পুথিত *ৰামকথা*ৰ ৰূপায়ণ সম্পৰ্কে তেওঁ আন এঠাইত আলোচনাও কৰিছে। ইকবালৰ কবিতাত শ্ৰীৰামচন্দ্ৰ, মোল্লা মসীহাত্তৰ সীতা বৰ্ণনা, গুৰু হনুমান, ৰামায়ণী সাহিত্যৰ পণ্ডিত বীৰাপ্পা মৈলী, ফাদাৰ বুল্কেৰ *ৰামকথা*আদি বিষয়ৰ প্ৰবন্ধ লিখিছে।

কালিদাসৰ বাবে *ৰঘুবংশ* মহাকাব্য লিখিবলৈ বাল্মীকিৰ *ৰামায়ণ* 'ৰাগ্দ্বাৰ' আছিল। মহাকবিজনে অতি বিনয়েৰে স্বীকাৰ কৰিছে —

"অথৱা কৃতৱাগ্দ্বাৰে ৱংশেহস্মিন পূৰ্বসূৰিভিঃ।

মনৌবজ্ৰসমুৎকীৰ্ণে সূত্ৰস্যেৱাস্তি মে গতিঃ।।"

ৰয়ছমৰ বাবে *ৰামায়ণ*ৰ ভিতৰলৈ সোমাবলৈ তুলসীদাসৰ *ৰামচৰিতমানস* আছিল ৰাগ্দ্বাৰ। তাৰ বাবে তেওঁ বৃন্দাৱনত থাকোতেই প্ৰয়োজনীয় অধ্যয়ন কৰিছিল বুলি জানিবলৈ দিছে। সেই সময়তে কন্দলি *ৰামায়ণ*খৰচি মাৰি পঢ়িছিল। আদালত খাঁই কৰা *ৰামচৰিতমানস*ৰ অনুৱাদ, গ্ৰাওচ চাহাবে কৰা ইংৰাজী অনুবাদৰো সোৱাদ লৈছিল। কিন্তু বেলজিয়ামৰ জেছুইট সন্ন্যাসী আৰু পিছলৈ ৰাঁচীৰ ছেইণ্ট জেভিয়াৰ্ছ কলেজৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ ভাৰততে বৈ যোৱা ফাদাৰ কামিল বুল্কেৰ বিষয়ে ৰয়ছমে একাধিক লেখাত বৰ ভক্তিপূৰ্ণভাৱেৰে লিখি থৈ গৈছে। বুল্কেৰ গ্ৰন্থ *ৰামকথা*ৰ উপৰিও লেখকজনৰ লগতো ৰয়ছমৰ এক বৌদ্ধিক সম্পৰ্ক গঢ়ি উঠিছিল।

*ৰামকথাত* মনোনিৱেশ কৰিবলৈ ৰয়ছমে অনুপ্ৰেৰণা পাইছিল তেওঁৰ উচ্চশিক্ষাৰ গুৰু অধ্যাপক উপেন্দ্ৰ চন্দ্ৰ লেখাৰুৰপৰা। *ৰামচৰিতমানসো* তেওঁৰ হাতত তুলি দিছিল লেখাৰুৱে আৰু আশীৰ্বাদ দিছিল এনেদৰে — "... তুলসীদাসৰ *ৰামচৰিতমানসে* এদিন তোমাৰ হৃদয় স্পৰ্শ কৰিব।" ৰয়ছমে আজীৱন গুৰু বাক্য পালন কৰিছিল। *ৰামায়ণ* মণ্ডলীৰ লগত আৰু ব্যক্তিগতভাৱেও তেওঁ দেশে-বিদেশে *ৰামকথা* সম্পৰ্কীয় প্ৰবন্ধ পাঠ কৰিছিল। একাধিকবাৰ বিদেশলৈ নিমন্ত্ৰিত হৈ *ৰামায়ণ*ৰ আলোচনাত ভাগ লৈছিল।

এনেবোৰ কথা পঢ়ি-শুনি, জানি-বুজি মোৰ এনে ভাৱ হয় যেন *ৰামায়ণ*ৰ ৰসত অৱগাহন কৰিয়েই তেখেতৰ অভিষেক উদ্যাপন হৈছিল। ৰামকথাৰ উপলব্ধি আৰু জীৱনৰ অভিজ্ঞতাৰ সঙ্গমত তৰ্পণ কৰা ড° ইন্দিৰা গোস্বামী আৰু মামণি ৰয়ছম গোস্বামী একাকাৰ হৈ পৰিছিল। এনেকৈ ভাৰতীয় জ্ঞানপীঠত অধিষ্ঠিতা ৰয়ছম *ৰামায়ণ* সাধিকাৰূপেও বিশ্ৰুত হৈ ৰ'ল।

■■

# অসমীয়া লোকভাষা আৰু লোকসাহিত্যত লিংগ বৈষম্যৰ প্ৰতিফলন

ড° উপেন ৰাভা হাকাচাম, জ্যেষ্ঠ অধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমাজ-ভাষাবিজ্ঞানত (Socio-linguistics)লিংগ-বৈষম্যৰ কথা বৰকৈ আলোচনা কৰা হয়। ভাষা আৰু লিংগভেদ (Language and Sex) শিতানত পৃথিৱীৰ বিভিন্ন ভাষাত পৰিলক্ষিত হোৱা একে ভাষা-ভাষী লোকৰ মাজতে সামাজিক শ্ৰেণী, বৃত্তি, ধৰ্ম, শিক্ষা, বয়সৰ বাহিৰেও কেনেকৈ লিংগগত পাৰ্থক্যই অৰ্থাৎ পুৰুষ- নাৰী ভেদে ভাষাৰ বিভিন্ন স্তৰত প্ৰভাৱ পেলাইছে সেই বিষয়ে আলোচনা কৰা হয়। সমাজ এখনতে নহয় একেখন ঘৰৰে ল'ৰা- ছোৱালী বা পুৰুষ- নাৰী অনুযায়ী বেলেগ বেলেগ শব্দ, জতুৱা ঠাঁচ খণ্ডবাক্য,বাক্যশৈলীৰ ব্যৱহাৰ কৰা দেখা যায়। অৱশ্যে এনে পাৰ্থক্যৰ হাৰ ভাষা আৰু সমাজ ভেদে কিছু তাৰতম্য হয়। প্ৰতিটো ভাষাতে মতা মানুহে ব্যৱহাৰ নকৰা এনে বহুতো শব্দ বা জতুৱা ঠাঁচ পোৱা যায় যিবোৰ সচৰাচৰ তিৰোতা মানুহে ব্যৱহাৰ কৰে।এটা আমোদজনক কথা এয়ে যে--কিছুমান বিশেষ ক্ষেত্ৰত তিৰোতাৰ ভাষা পুৰুষৰ ভাষাতকৈ পৃথক।তিৰোতাৰ মুখৰ ভাষাৰ প্ৰাচীন ৰূপৰ সংৰক্ষণ হয় আৰু এয়ে ভাষাটোৰ ইতিহাস নিৰ্ণয়ত সহায় কৰে।[১]

"আজিৰ পৰা কেই দশকমান আগতে অসমীয়া তিৰোতাই পৰিয়ালৰ বয়োবৃদ্ধসকলৰ উপস্থিতিত নিজৰ গিৰীয়েকক মাত-বোল কৰিব নোৱাৰিছিল। স্বাভাৱিকতে গিৰীয়েকক সম্বোধন কৰা শব্দ এটা অসমীয়া ভাষাত বিচাৰি পোৱা নাযায়। ইয়াৰ কাৰণ আমি উল্লেখ কৰা সামাজিক বাধা। নাটকত অৱশ্যে ৰাণী বা ৰাজকুমাৰীয়ে নিজৰ গিৰীয়েকক 'বঙহৰ দেউ', 'প্ৰাণনাথ' বুলি সম্বোধন কৰা দেখা যায়। কিন্তু সাধাৰণতে নাৰীৰ বাবে গিৰীয়েকক সম্বোধন কৰা শব্দ নাই। আনকি খাবলৈ চাহ বা ভাত দিলেও পোনে পোনে নকৈ "চাহ/ভাত দিছোঁ, খাবলৈ ক" বুলি পৰোক্ষভাৱেহে কথাষাৰ জনায়। আনৰ আগত কথা প্ৰসংগত উল্লেখ কৰিব লাগিলে 'আমাৰ এওঁ', 'অমুকাৰ বাপেকে' বুলিয়েই কোৱা হয়।...............

সমাজ ভেদে ৰীতি-নীতি সুকীয়া সুকীয়া। অসমীয়া তিৰোতাই বয়সস্থজনক বা গিৰীয়েকক নাম কাঢ়ি মতা প্ৰশ্নই নুঠে। গিৰীয়েকৰ নাম যদি মহেশ্বৰ হয় তেনে গাঁৱত চমুকৈ 'মহে' বুলি কয়। যদি তিৰোতাজনীক মহে কামুৰি থাকে তেনেহ'লে ভুলতেও তেওঁ 'মহে কামুৰিছে' বুলি ক'ব নোৱাৰে। খুব বেছি 'আমাৰ এওঁ আমনি কৰিছে', 'পোকে কামুৰিছে' বুলি ক'ব। চেনিৰামৰ ঘৈণীয়েকে জীৱনত চেনি খাব নোৱাৰে, 'বগা মিঠৈ' খায়।" [২]

মূলতঃ অসমীয়া সংস্কৃতমূলীয় ভাৰতীয় আৰ্য ভাষা। সেয়েহে পিতৃতান্ত্ৰিক সমাজ-ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰিত আৰ্য বৰ্ণহিন্দুসকলৰ দ্বাৰা প্ৰবাহিত সংস্কৃত ভাষাৰ প্ৰায়বোৰ লক্ষণ অসমীয়ালৈ সংক্ৰমিত হৈছে। তলত অসমীয়া সমাজত প্ৰচলিত নাৰীৰ মুখৰ আৰু নাৰী বিষয়ক কেতবোৰ সুকীয়া ভাষা-ৰূপৰ উল্লেখ কৰা হ'ল--

**খ) নিষিদ্ধ (Taboo) অৰ্থসূচক ঃ**

অ) পুষ্পিতা হোৱা অৰ্থত--

পুষ্পিতা /ঋতুমতী হ /হোৱা
শান্তি হ /হোৱা
মানুহ /ডাঙৰ/লায়েক হ /হোৱা
ধুঅনি/ধুৱেনি হ /হোৱা
চুৱা য /যোৱা
গাত গামোচা ল /লোৱা
লঘন লাগবাৰ হ /হোৱা (ঋতুমতী হ'বৰ উপক্ৰম হোৱা বুজোৱা)

আ) তিৰোতাৰ ঋতুস্ৰাৱ বুজোৱা অৰ্থত—

মাহেকীয়া হ /হোৱা
ৰজস্বলা অৱস্থাত থাক /থকা
লঘোন লাগ/ লগা
চুৱা হ / হোৱা
এফলীয়া হ / হোৱা
লাৰিব নোৱাৰা হ / হোৱা
পাগৰ বাহিৰ হ / হোৱা
(চুব) নোৱাৰা হ / হোৱা
অসুবিধা হ / হোৱা
মাহৰ আলহী আহ/ অহা
সিজনা /আচলটোৱে আহ/ অহা
পেন্সন পা /পোৱা ইত্যাদি।

ই)ঋতুস্নান কৰা অৰ্থত—
( তিনিদিনীয়া) গা (মূৰ) ধো/ ধুৱা
**ঈ) যৌন সহবাস কৰা অৰ্থত—**
একেলগে ঘুমা
এখান ঘৰতে / বিচনাতে থাক / থকা
ৰাতি শুবা আহ/যা
ৰাতিটো একেলগে থাক / থকা / কাট / কটোৱা
আপা- আপীৰ গাঁঠি লাগ / লগা (তিৱামিজ)
খুলি পাত / পতা ( অবৈধ সম্পৰ্ক স্থাপন কৰা)
ঘুমা/ঘমেতি (দক্ষিণ কামৰূপত প্ৰচলিত)
বুকুত সাবটি ল
বুকুত হাত দি থাক
পাটী পাৰি শো,
দেহা উবুৰিয়াই দি
অমুকৰ লগত থাক/শো
দুয়ো একেখন বিছনাত থাক
অমুকীক জোৰকৈ ৰাতি ৰাখ্
দেহা চুৱা কৰ (মনে-চিতে নিমিলিলে দেহা নকৰোঁ চুৱা)
কটা তামোল খা (তোমাৰে কটা তামোল নেখাওঁ ঐ লাহৰী, আমাৰে মৰিব কুল)
নাখালে ভোক নুগুচা (গাত জুই জ্বলে সৰিয়হ বাগৰে নাখালে নুগুচে ঐ ভোক)
হাট-বাট/হলি-গলি কৰ্
লিংলাং/লিলিমাই (কিহৰ লিংলাং/লিলিমাই) ইত্যাদি।
**সেইদৰে ধৰ্ষণ কৰা অৰ্থত ঃ**
সতীত্ব নাশ কৰ /কৰা
বলাৎকাৰ কৰ /কৰা
কুমাৰীত্ব বিসৰ্জন দিব লগা হ /হোৱা
সৰ্বনাশ / সকলো শেষ কৰ /কৰা
ইচ্ছাৰ বিপৰীতে দৈহিক মিলনত লিপ্ত হ' /হোৱা
যৌন উৎপীড়ন / নিৰ্যাতন কৰ /কৰা
অমুকীক হাতত ধৰি টান
ৰেপ (Rape) কৰ /কৰা (সাম্প্ৰতিক কালৰ ভাষাত) ইত্যাদি।

অৱশ্যে এনে অৰ্থবোধক কলাগত আৰু ৰুচিসন্মত মান্য ভাষাৰো সমান্তৰাল প্ৰয়োগ পোৱা যায়। উদাহৰণ—

ফুল চুৰি কেছ, বলাৎকাৰ, ধৰ্ষণ, যৌন নিৰ্যাতন, যৌন মিলন/ সংগম, সহবাস, যৌনসুখ, অবৈধ/চোৰাং মিলন, অবৈধ/শাৰীৰিক সম্পৰ্ক স্থাপন, মিলনৰত অৱস্থাত (থকা), অশালীন অৱস্থাত (থকা), ফুলশয্যা ৰচনা কৰ্, আদিম বাসনা চৰিতাৰ্থ কৰ্, অংকশায়িনী/শয্যাসংগী হ ,ৰতি বিহাৰ কৰ্, ইজ্জত লুট, যৌবন দান কৰ্, পৰপুৰুষ/নাৰী গমন, মাতৃগামী, পিতৃগামিনী, অগম্য গমন আদি।

**জীৱ-জন্তুৰ ক্ষেত্ৰত হ'লে ঃ** খুলি পাত, ওৰ খা, জাক ফুৰ্ (গাই গৰুৱে), লগ / পাল খা /যা (গৰু আদিৰ ক্ষেত্ৰত), ৰস খা, সৰ যা, যোৰ পাত্, জোৰে খা (সাপে), বাহ বিচাৰ, মতা/মাইকী বিচাৰ, কণী পাৰিবৰ হ, যোৰ পাত (সাপ আদিৰ ক্ষেত্ৰত), গৰম হ / উঠ (গৰু- ম'হ আদি ৰ ক্ষেত্ৰত), কুকুৰ-গাঁঠি লাগ্, বলিয়া তিয়া/ভাঠী খোলা (হাতীয়ে) ইত্যাদি।

**উ) গৰ্ভৱতী হোৱা অৰ্থত ঃ**
গা ভাৰী / বন্ধ/ বন্দি ( হ / হোৱা)
গা ভৰুণ
গা জিলিক/ জিলিকা
গা নৰিয়া
গা ( কেঁচুৱা) থাক / থকা
গাত লেঠা আছে / থকা/ হোৱা
গা ধুব এৰ / এৰা
পেট ( ভাৰী) হ / হোৱা
নাও ডুবাই নাৱৰীয়া পলোৱা
বমি কৰিবৰ মন যা যোৱা
টেঙা খাবৰ মন যোৱা/টেঙা খাবা হাবিলা (ৰাভামিজত)
(আজি তিনিমাহ ) তাইৰ গা বন্ধ / নোধোৱা (হ'ল)
(আজি তিনিমাহে ) তাই গা ধোৱা নাই
(আমাৰ) ঘৰলৈ আলহী আহিবৰ হৈছে
নাও ডুবাই নাৱৰীয়া পলা (লক্ষ্মীধৰ ফুকনৰ গল্পত প্ৰয়োগ)
(তুমি) মা/ দেউতা / মামা/ মাহী/ পেহী / ককা / আইতা হ'বলৈ ওলাইছা তু. হিন্দী ঃ তুম মা / বাপ ........নানা / নানী / বননেৱালা / ৱালী হো
কনচীভ কৰা (সাম্প্ৰতিক কালৰ ভাষাত) ইত্যাদি।

**ঊ) গৰ্ভৱতী নোহোৱা অৰ্থত ঃ**
চুৱা হৈ থাক /থকা
গা ধুই থাক /থকা

**ঋ) গৰ্ভপাত হোৱা( ৰক্তস্ৰাৱ) অৰ্থত ঃ**
গা ভাগ/ ভগা ( প্ৰসৱৰ পূৰ্বৰ স্ৰাৱ হোৱা)
গা (সুৰি /সুৰ) যা / যোৱা( **ৰক্তস্ৰাৱ**)
**গা ৰ / ৰোৱা ( ৰক্তস্ৰাৱ বন্ধ হোৱা))**
গা লাৰ/ লৰা
বঙ /বঙহ যা /যোৱা
ভৰ বয়সত ফুল পৰক
(বেটী, তই) শেল বাজি মৰ/ মৰিবি
(বেটী) ভৰা কলহেদি যাবি
বিনচ হোৱা/কৰা (গাই আদি জীৱ-জন্তুৰ ক্ষেত্ৰত) তু. বিনচলৈ ওহৰা
গাব/গা ব্ৰা ছাৱ (ৰাভামিজত ঃ গাই আদি জীৱ-জন্তুৰ ক্ষেত্ৰত) ইত্যাদি।

**এ) গৰ্ভপাত কৰা অৰ্থত ঃ**
**গৰ্ভ (পাত /নষ্ট) কৰ/ কৰা**
গা খহা /খহোৱা

ঘৰ /গা খালাচ কৰ /কৰা
পেট খহা /খহোৱা
বঙ /বঙ হ খেদ /খেদা (কামৰূপীত)
ৰাচ (wash) কৰ /কৰা (সাম্প্ৰতিক কালৰ ভাষাত)
এবৰচন (abortion) কৰ /কৰা (সাম্প্ৰতিক কালৰ ভাষাত)

**ঐ) সন্তান প্ৰসৱ কৰা অৰ্থত ঃ**

ভূমিস্থ হ /হোৱা
জন্মগ্ৰহণ /লাভ কৰ / কৰা
ল'ৰা / ছোৱালী / কেঁচুৱা হ /হোৱা
গা খালাচ (হোৱা)
গা -ৰ লেঠা) এৰ /এৰা
গা লৰ /লৰা
গা সাৰ /সাৰা
(গা ) ভাল হ /হোৱা
অশৌচ হ /হোৱা / লাগ /লগা
বিষ pain/ আহ /অহা
গা বেয়া কৰ / কৰা
অমুকীৰ গৰ্ভত আৰু অমুকৰ ঔৰসত জন্ম লাভ / গ্ৰহণ কৰ /কৰা
দেলিভাৰি হোৱা /কেচ (Delivery Case) (সাম্প্ৰতিক কালৰ ভাষাত)
জগ্ / ওপজ্ /বিয়ন দি (পোৱালী দি) ইত্যাদি।

**খ)কুসংস্কাৰ জনিত—**

**অ)শৌচ ত্যাগ কৰা / শৌচ লগা অৰ্থত—**

বৰপানী ছো /ছুৱা
বাহিৰ ফুৰিবলৈ যা /যোৱা
ফুৰা হবা যা/ য
বাত্ৰাক / বাৰীক যা / যোৱা
মুখ-হাত/ গা ধুব যা / য
গা ধুবা/ধোৱা লাগ/ লগা
গা ধুৱা হ/ হোৱা ( হাগনি হ / হোৱা)
বাৰে বাৰে বাৰীক যা / য ( হাগনি হ / হোৱা)
হাগা হ /হোৱা ( হাগনি হ / হোৱা)
ৰচী, পকা ঃ সাপ( ৰাতিত)
ৰং(গুৰা /গুৰি) ঃ হালধি (ৰাতিত)
বগা ঃ চূণ (ৰাতিত)

**আ) প্ৰস্ৰাৱ (কৰা) লগা—**

বাইজোক / বাইহৰোক /বাহিৰক যা / যোৱা
ভোইদ /ভৰি ধুবা /ধুব য / যোৱা

**গ) সুমিষ্ঠ ভাষণ ঃ**

স্তন ঃ দুদু, পিয়াহ, নুনু( ৰাভামিজত)
যোনি ঃ
লিংগ ঃ
অণ্ডকোষ ঃ জুলি, জুদাৰি
ৰক্তস্ৰাৱ ঃ ৰকত,নকত

**ঘ) বিভিন্ন বিভূষণ / খিতাপ ঃ**

**নাৰীৰ ক্ষেত্ৰত প্ৰযোজ্য—**

বাঁৰী/বিধবা
ফুলবাঁৰী/জীয়াবাঁৰী (হ / হোৱা)
ফুলতে বাঁৰী হ / হোৱা
মূৰ খা / খোৱা
বহুবল্লভা/বহুগামিনী
বাৰেপৈয়াতী / বাৰেমতৰী / বাৰভাতাৰী
বনৰী/বাৰেবনৰী
বাপভাতাৰী /ভায়েভাতাৰী
ভাতাৰ ফালাঙী (ৰাভামিজ)
ডাংকাটী/মতাডাং/ ডাকেলী /মৰ্দেনী
চটাই পাখৰী/ লচপচী /খচমচী/ চটচটী /ছুলছুলী( ৰাভামিজ)
লাহতী/ ধুনতী /দেখেনী/ বাখিনী/ বাখিনচহৰী ( ৰাভামিজ)
নটী/ নাককাটী/ পঘা খাইতী
ৰাংঢালী/ মিচিকমাৰী (ৰাভামিজ)
চকুত /হাড়ীত খাইতী
ৰোৱনী, দাৱনী,ৰোৱতী
পোৱাতী, কাঁচপোৱাতী
আয়তী / নামতী / বৰতানী (তিৰামিজ)
স্বামী সুৱাগিনী/ সুৱাগী
ঘৰবুঢ়ী/আবিয়ৈ
বাঁজী, কাঠবাঁজী, আঁঠুকুৰীয়া
গজমূৰী, লালাকৰ/ পুতাকৰ মূৰ খাইতী
শাঁখিনী, চিত্ৰিনী, পদ্মিনী, হস্তিনী/হছকিনী (ৰাভামিজ)
লাগী, এলাগী,
দুখুনী, নিচলা, অবলা
নিলাজী, নিমাতী
কাচনমতী বাই, ঊষা পটেশ্বৰী
ক'লীফেঁচী, ফেঁচীনাকী
লাট চাহাবৰ বেটী
নেখান্তী কইনা
অকাজী, থুপুৰী, অকাজভাগী, এলাই জাবৰী ইত্যাদি।

**ঙ) স্বাৰ্থিক প্ৰত্যয় (বিস্ময় ভাৱসূচক)/বিৰক্তি প্ৰকাশক শব্দ ঃ**

**নাৰীৰ মাজত বহুল প্ৰচলিত ঃ-**

আই চিকৌ/ ছিকৌ/ চিকোহো !
আই লা পচু /আইলা-আপচু/ আইলা- পোচুল (আই বৰ লাজ পালোঁচোন )
আই লা পচু আই / দেং দেঙেৰি !
হাৰা !
মাৰে/মাকে/মাকতিয়েকে
মাৰৰ/মায়েৰৰ
মূৰটো/হৰলাটো/লাওখোলাটো, মায়েৰৰ খং দেখা নাই

নেওচা-কেওচা চহৰৰ চদকা আউলা-আপচু (জাৰি-জোকাৰি) দিবলৈ বহি ইত্যাদি।

সেইদৰে লিংগভেদে অৰ্থাৎ পুৰুষ-নাৰী সাপেক্ষেও গালিৰ ভাষা বেলেগ বেলেগ হ'ব পাৰে।[৩] ইয়াৰ কেবাটাও কাৰণ আছে। সমাজত পুৰুষ-নাৰীৰ স্থান সমমৰ্যাদা সম্পন্ন নোহোৱা গুণে অথবা পুৰুষ-নাৰীৰ মনঃস্তত্ত্ব সুকীয়া সুকীয়া হোৱা গুণে বিশেষকৈ জৈৱিক কাৰণতে গালি-শপনিৰ ভাষা-ৰূপৰ তাৰতম্য হয়। খণ্ডত যিবিলাক ভাষা পুৰুষে ৰাজহুৱা স্থানতো প্ৰয়োগ কৰিব পাৰে তেনে ভাষা নাৰীয়ে গোপনীয় স্থানতো হয়তো প্ৰয়োগ কৰিব নোৱাৰিব পাৰে 'নাৰীৰ বুকু ফাটে মুখ নাফাটে' বোলা কথা এষাৰো আছে। অৱশ্যে বহুবল্কী, প্ৰগলভা, দন্দুৰী, মুখৰা নাৰীৰ কথা সুকীয়া। নাৰী-পুৰুষৰ খণ্ডৰ প্ৰকোপ কিম্বা খণ্ডৰ গতি প্ৰকৃতিও বেলেগ বেলেগ। শব্দ নিৰ্বাচনৰ ক্ষেত্ৰতো তফাৎ দেখা যায়। সেয়েহে পুৰুষ আৰু নাৰীয়ে প্ৰয়োগ কৰা গালি-শপনিৰ ভাষাত ভিন্নতা পোৱা যায়। পুৰুষে ব্যৱহাৰ কৰা ভাষা নাৰীয়ে কাচিৎহে অবিকল ৰূপত ব্যৱহাৰ কৰে অথবা নাৰীয়ে ব্যৱহাৰ কৰা ভাষাকো পুৰুষে সততে এৰাই চলে। সেইদৰে পুৰুষে পুৰুষৰ লগত আৰু নাৰীয়ে নাৰীৰ লগত গালি-গালাজত ব্যৱহাৰ কৰা ভাষাৰো স্বকীয়তা আছে। অৱশ্যে কিছুমান গালি-গালাজৰ ভাষা উমৈহতীয়া।[৪] তলত সেইবোৰ উপভাষাগত ৰূপসহ তালিকা আকাৰে দেখুৱা হ'ল ঃ

**খ) নাৰীৰ একচেটিয়া গালি-গালাজৰ ভাষা ঃ**

**(অ) নাৰী বনাম নাৰী ঃ**

আই আই হে, মতা খঁকে পোৱা, বুঢ়াঘৰৰ পোকৰ শুঙা, বাপভাতাৰী, বাপেৰৰ গোঁহানী, (পাতি দৰঙীয়া), ভাইৰে ভটেৰী (পাতি দৰঙীয়া), ভাইক/ভাইবাৰাকে বহা (ৰাভামিজ), বাপক/বাপবাৰাক বহা (ৰাভামিজ), 'নেওচা-কেওচা তিনি মোকোচা, কুমাৰণী গামোচা, আগত দহিকটা দিবলৈ বহি কটা', 'তয়ো মাকৰ জী ময়ো মাকৰ জী/তপত ভাতক চেঁচা কৰো হেঁচা পোটোকা দি', 'কৈ থাক কুকুন্নী, শুনি আছু ঠাকুন্নী'(বৰপেটীয়া), একঘৰৰ বেটী, এক ঘৰৰ জী, তই নাককাটীৰ হৈছে কি' (বৰপেটীয়া), 'আইৰ ঘৰৰ তাই/আইৰ মাকৰ তাই, তাইৰ মাকৰ ধিতাই মাকৰ সতিনীয়েকৰ বাই' ইত্যাদি।

**(আ) নাৰী বনাম পুৰুষ ঃ**

বায়েকৰ ভনী বোলা, ঘৈণীয়েৰক চিনি পোৱা নাই, ঘৈণীয়েৰৰ মেখেলা ধোৱা/চেলেকা, ঘৈণীয়েৰৰ মেখেলাৰ তলত সোমোৱা, ঘৈণীয়েৰৰ মুতনি/লালী/ফেদা/নৰক/ৰকত খোৱা, ঘৈণীয়েৰৰ মেখেলা ভাৰী/মেখেলা তলীয়া/মেখেলা গাত দিম, মেখেলাৰে পাগুৰি দিম, মেখেলাৰে বান্ধিম/আঁটাম, শোটাৰে কোবাম, বাঢ়নীৰে জাৰিম, বুটী ছুৱা বাঢ়নীৰে কোবাম, বাঢ়নী গালত তুলিম, বেটীৰ বাঢ়নীৰে খুঁচিম, লোকৰ মাইকীৰ লগত ঘূৰা/ফুৰা, লোকৰ চৰুৰ জুতি লোৱা, (অমুকীৰ) মেখেলা শুঙা/পিন্ধা/তলীয়া/ভাৰী (সাধাৰণতে বিবাহিত স্বামীক পত্নীয়ে এইবুলি তেওঁৰ অনুৰক্ত সতিনী বা অন্য নাৰীৰ নাম ধৰি কাজিয়া কৰোতে গালি-শপনি পাৰে), তোৰ দৰে মতা/মৰদ বহুত দেখিছো, তোৰ দৰে মতা জগততে নাই, তিৰীৰ/ঘৈণীয়েৰৰ ওপৰত বৰমতা দেখুৱাইছ, বৰমতা একেবাৰে, তহঁত পুৰুষজাতিটো ঘাই খোৱা জাত ইত্যাদি।

**(ই) নাৰীয়ে উভয়কে প্ৰয়োগ কৰিব পৰা ঃ**

আই চিকৌ, আইলা-আপচু (আইৰ লাজ পালোচোন ),মাৰৰ/মায়েৰৰ মূৰটো/হৰলাটো/লাওখোলাটো, মায়েৰৰ খং দেখা নাই, নেওচা-কেওচা চহৰৰ চদকা আউলা-আপচু (জাৰি-জোকাৰি) ইত্যাদি।

"আনহাতে খণ্ডত তিৰোতাই ব্যৱহাৰ কৰা এনে বাক্য পুৰুষৰ মুখত কেতিয়াও শুনা নাযায়— (ক) ৰক্তেনি খা, (খ) মেখেলাৰে বান্ধিম, (গ) বাঢ়নিৰে কোবাম ইত্যাদি।

কাজিয়া লাগিলে ব্যৱহাৰ কৰা ভাষাতো পুৰুষ আৰু তিৰোতাৰ মাজত পাৰ্থক্য দেখা যায়। কামৰূপৰ তিৰোতাৰ কাজিয়াত এই লিখকে প্ৰত্যেক্ষ কৰা এটা চিত্ৰ তলত দাঙি ধৰা হ'ল।

দুজনী তিৰোতাৰ তৰ্ক-বিতৰ্কই উচ্চ সীমা পাইছিল। এজনীয়ে চৰম বিতৃষ্ণাৰে কাজিয়া সামৰি তাৰ পৰা আঁতৰি গ'ল এনেদৰে—

দুহাতেৰে মেখেলাখন সামান্য দাঙি— আইচিকৌ

মেখেলাখন জোৰেৰে জোকাৰি— আইলাপচু

মেখেলাখন এৰি দি উৰুৰ মাজত দুয়োখন হাতেৰে কোবাই— ধাপ্পা।

"আইচিকৌ আইলাপচু ধাপ্পা'— এই কথাখিনি ইমান খৰকৈ কয় যে একেটা শব্দ যেনেই লাগে। ইয়াৰে 'আইচিকৌ' শব্দটি একাধিক ঔপন্যাসিকে গাঁৱলীয়া তিৰোতাৰ মুখত দিছে।"[৫]

লোকভাষাৰ দৰে অসমীয়া প্ৰবাদ-প্ৰবচনতো নাৰী-বৈষম্যৰ উমান পোৱা যায়। এই বিষয়ে জানিবলৈ বা অধ্যয়ন কৰিবলৈ হ'লে পাৰিৱাৰিক সম্বন্ধৰ আলোচনা অতিকৈ প্ৰয়োজন। অসমীয়া ভাষাত গাৰ্হস্থ্য জীৱনক লৈ সৃষ্টি হোৱা প্ৰবাদ-প্ৰবচন প্ৰচুৰ। এই শ্ৰেণীৰ সৰহসংখ্যক প্ৰবাদ-প্ৰবচনত অসমীয়া সমাজৰ

নাৰী-পুৰুষৰ মানসিকতা স্পষ্ট আৰু বাস্তৱ ৰূপত প্ৰতিফলিত হৈছে।

অসমীয়া সমাজত, বিশেষকৈ বৰ্ণহিন্দু সমাজত নাৰীয়ে তাই কাৰোবাৰপত্নী, বোৱাৰী বা জীয়ৰী যিয়েই নহওক পূৰ্বেতে স্নানকে আদি কৰি প্ৰাতঃক্ৰিয়া সম্পাদন অৰ্থাৎ শৌচাচাৰ বিধি অতি সঠিক ৰূপত পালন কৰাটো অলিখিত বিধিস্বৰূপ আছিল। বাহী গাৰে মুখত একো এটাকে নিদিছিল আৰু জ্যেষ্ঠজনৰ কাষ নাচাপিছিল। এই নিয়মটো শিশু বা বয়োবৃদ্ধৰ ক্ষেত্ৰত কিছু শিথিল হ'লেও জীয়ৰী- বোৱাৰীৰ ক্ষেত্ৰত যথেষ্ট কটকটীয়া আছিল। কাউৰীয়ে কা নৌ কৰোঁতেই ঢাৰি-পাটী এৰি (বিছনাৰ পৰা উঠি), বাহী চোতাল সাৰি (বাহী-বন কৰি), ঘৰৰ পুৰুষসকল শুই নুঠোঁতেই শৌচাচাৰ কৰি (বাহিৰ ফুৰা/বৰপানী চুৱা, ফুৰা হ/গা ধুব লগা হ), স্নানাদিৰ অন্ততহে (গা-মূৰ ধুই) আখলঘৰত তিতা-তিয়নীৰে মুচি-কাচি জুই ধৰিছিল। সেই বাবেই অসমীয়াত কাহিলি কাহিলি পুৱাক 'বোৱাৰীপুৱা' (তু. কামৰূপী ঃ বৰেৰ পুৱা) বুলি কোৱা হয়। অকুমাৰী/এৰাঁ ল'ৰাজনী (ছোৱালী)ৰ ক্ষেত্ৰত যেন-তেন, তোলনী বিয়া হোৱা (তু. কামৰূপীঃধুৱেনী হোৱা) অৰ্থাৎ পাটগাভৰুৰ (পুষ্পিতা হোৱা) ক্ষেত্ৰত –প্ৰতি মাহৰ নিৰ্দিষ্ট তিনি-চাৰি দিন অৰ্থাৎ ঋতুস্নান বা মাহেকীয়া হোৱা কালত চৰুত জুই ধৰাটো বাদেই, কোনো কামতে হাত দিবলৈ দিয়া নহৈছিল আৰু সেই কেই দিন ঘৰৰ-পৰৰ পুৰুষ (পিতৃস্থানীয়, ভাতৃস্থানীয়) মানুহৰ পৰা আলেঙে আলেঙে থাকিব লগা হৈছিল। সেয়ে এনে সময়ছোৱাক কোৱা হৈছিল— পাগৰ বাহিৰ হোৱা, চুব নোৱাৰা হোৱা, লাৰ্বা নোৱা হ তু. দৰঙীয়া, আলগীয়া হোৱা, লঘন লাগা, চুৱা হোৱা (মান্য ভাষাতঃ একবস্ত্ৰ হৈ থকা, ৰজস্বলা অৱস্থাত থকা, মাহেকীয়া ঋতু হোৱা বা অতি ভদ্ৰ ভাষাত অসুবিধা হোৱা/হৈ থকা)। সেই সময়ত গা ধুলেও যেন গা ধোৱা নহয়— অপৱিত্ৰ। সেয়ে সন্তানসম্ভৱা বোৱাৰী ক্ষেত্ৰত হ'লে এনে সময়ত মাহেকীয়া নহ'লে— আজি তিনি মাহে (মই/তাই/অমুকী) গা ধোৱা নাই, আজি তিনি মাহে (মাৰ/তাইৰ/অমুকীৰ) গা বন্ধ (অন্তঃসত্ত্বা হোৱা) ইত্যাদি বোলা হৈছিল।

পাৰিবাৰিক জীৱনত দাম্পত্য জীৱনে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। পতি-পত্নীৰ সম্বন্ধৰ আধাৰত সৃষ্ট অসমীয়া প্ৰবচন সমূহত অসমীয়া নাৰীৰ বৈচিত্ৰপূৰ্ণ ৰূপ প্ৰতিফলিত হৈছে। এফালে পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত নাৰীৰ অবদমিত ৰূপ আনফালে গৃহ পৰিচালনাৰ দক্ষতাৰে এক প্ৰতিভাশালী ব্যক্তিত্বৰ ৰূপ। মনু সংহিতাৰ দ্বাৰা পৰিচালিত পুৰুষ তান্ত্ৰিক সমাজ এখনে নাৰীক পুৰুষৰ নিয়ন্ত্ৰণত ৰাখিব বিচাৰে। নাৰীৰ গতি প্ৰকৃতিক নিয়ন্ত্ৰণ কৰিব বিচাৰে।[৬] সমাজ জীৱনত নাৰীৰ স্বাধীনতা খৰ্ব কৰা মানসিকতাৰ প্ৰতিফলন ঘটা কেতবোৰ প্ৰবাদ-প্ৰবচন হ'ল —

■ যিটো নাৰী প্ৰভাতে নিদ্ৰা যায়
বাহি শয্যাক সূৰ্যে দেখয়।।
পৰ বেলাতো নিলিপে ঘৰ
ডাকে বোলে তাইক এৰিয়ো নৰ।।

■ যাৰ স্ত্ৰী স্বতন্ত্ৰা
সি জীয়ন্তে মৰা।

■ লচ পচ ঘৈণী, দমৰাৰ হাল
সেই পুৰুষৰ মৰণ কাল।

■ সু-বাৰী নষ্ট হয়
মাজে লয় বাট;
সুতিৰী নষ্ট হয়
ঘনাই / নিতে বেহায় হাট।

নিয়ম-নীতি মনা-নমনাৰ ক্ষেত্ৰত পুৰুষ-নাৰী ভেদে বা শিশু-বৃদ্ধ ভেদে কিছু হীন-ডেঢ়ি আছে। স্বামীৰ উচ্ছিষ্ট ভোজন, গুৰুজনাৰ পদজল গ্ৰহণ, গুণী-জ্ঞানী লোকৰ পদধূলি লোৱা (ভৰিত ছুই সেৱা কৰা), অতিথি শুশ্ৰূষা (প্ৰাচীন কালত নিঃসন্তান নাৰীয়ে অতিথি শুশ্ৰূষা কৰি পুত্ৰ সন্তান মগাৰ বিষয়ে পাওঁ-ডাকৰ জন্মকাহিনীত), স্বামীৰ সৈতে ইচ্ছামৃত্যু বৰণ কৰা (সতীদাহ বা সতী যোৱা, সয়ম্ভৰী হোৱা), স্বামীৰ মাৰ-কিল সহ্য কৰা আদি হিন্দুধৰ্ম মতে বিধেয়। ইয়াৰ বিপৰীতে পুৰুষে স্ত্ৰীৰ উচ্ছিষ্ট খালে, পিন্ধা কাপোৰ চুলে বা ধুলে, পুনৰ্বিবাহ নকৰি ডাংবৰলা হৈ থাকিলে সমাজে বেয়া পায়। চুৱা বাঢ়নী, মেখেলা আদি পুৰুষৰ বাবে, বিশেষকৈ স্বামী বাবে অতি অপৱিত্ৰ হোৱাৰ লগতে অপমৃত্যুৰো কাৰক স্বৰূপ। আনকি ওৰণি-বাঢ়নিৰে নথকা, ডগ্‌মগীয়া সেন্দুৰ নোলাৱা পত্নীৰ বাবেই স্বামীৰ অকাল বিয়োগ হয় আৰু নিজেও বৈধব্য (ফুলবাঁৰী) জীৱন কটাব লগীয়া হয় বুলি ভবা হয়। এনে ইংগিত বহন কৰা কেতবোৰ পটন্তৰ বা লোকভাষা হ'ল—

■ তিৰী হন্তে গিৰি/তিৰী হন্তে হতচিৰী।

পাঠান্তৰঃ
তিৰী ঘৰৰ গিৰি/তিৰী নিমিত্তে হয় হতচিৰী।

■ পৈয়াতীক পৈয়ে কিলায়/অপৈয়াতীক কোনে কিলায়।

■ তিৰীৰ চিকুণ ওৰণি লোৱা
গোৰ চিকুণ হামোৰ-দামোৰ খোৱা।

সমাজত বিবাহিতা নাৰী, বিশেষকৈ প্ৰথমা পত্নীৰ যি মৰ্যাদা তাক কাৰো সৈতে তুলনা কৰিব নোৱাৰি। ইয়াৰ ব্যতিৰেকে পলুৱাই অনা, চপনীয়া চপা (গভীয়া/ঘৰজোঁৱাই/ঢোকা ৰখা), দ্বিতীয় বিবাহ (ধেমনী, সতিনী খটা), বিধৱা বিবাহ, অসামাজিক বিবাহ (বিয়াতা ভাতাৰৰ তিৰী নোহোৱা) আৰু অবিবাহিতা পুৰুষ-নাৰীক

(বৰলা, ডাংবৰলা, আবিয়ৈ) আদিক হীন দৃষ্টিৰে চাইছিল। তেনে ইংগিত বহন কৰা শব্দ (জতুৰা ঠাঁচ, খণ্ডবাক্য) বা পটন্তৰ কিছুমান হ'ল— মাহীমাকৰ মৰম, মাহীআইৰ মৰমে/আদৰে খেৰৰ জুয়ে সমান; সতিনীৰহীয়া পৈ, সতিনীৰ পো গা নপৰে জুৰ; 'বৃদ্ধস্থ তৰুণী ভাৰ্য্যা', 'তিনি ঘৰজোঁৱাইৰ মাটিত শগুনেও শ নাখায়' ইত্যাদি।

■আইৰ ঘৰৰ তাই/আইৰ মাকৰ তাই
তাইৰ মাকৰ ধিতাই মাকৰ সতিনীয়েকৰ বাই।

■বাপ মৰা ৰজাৰ কুঙৰ
মাক মৰা সতীয়া টেঙৰ। (ৰাভামিজ)

■ওডা ধানৰ বডা পিঠা
ধেমনী তিৰীৰ পাদা মিঠা। (ৰাভামিজ)

■'ঢকাক বুলি যাওঁ চেপেটীয়া পিঠা;
ভুকুত বুলি যাওঁ লাৰু।

সেইদৰে বিবাহিতা নাৰীৰ ক্ষেত্ৰতো সন্তান থকা বিশেষকৈ পুত্ৰৱতী মহিলা যেনে সৌভাগ্যৱতী (সুৱাগী / লাগী) সন্তানহীনা মহিলাক তেনে দুৰ্ভগীয়া জ্ঞান কৰিছিল। নিঃসন্তান (বাঁজী/বন্ধা) নাৰীয়ে স্বামীৰ হাততো নিৰ্যাতিতা হৈ এলাগীৰ মৰ্যাদা লাভ কৰিছিল। তেনে চিত্ৰৰ উমান পোৱা যায়—

■বাঁজীয়ে নুবুজে পোৱালিৰ মোল।

■বাঁজী নাৰীয়ে কি জানে মাতৃত্বৰ বেদনা।

অসমীয়া সমাজত তাহানিতে সাজ-সজ্জা,সৌন্দৰ্য সচেতন নাৰীক মুঠেই ভাল দৃষ্টিৰে চোৱা হোৱা নাছিল। তাতে যদি সিজনী অকাঁজী আৰু থুপুৰী হ'ল —কথাই নাই। তেনে নাৰীকে সংসাৰত যত অনৰ্থৰ মূল বুলি ভবা হৈছিল। এই বিষয়ৰ কেবাফাকিও প্ৰবচন ৰচিত হৈছে। উদাহৰণ—

■ অবুৰেনীয়ে পিন্ধে শাৰী
বুৰেনীয়ে পিন্ধে নাৰী।

■ কাজীঁৰ টিকাত জাঁজি
একাঁজীৰ টিকাত মুগাৰে মেখেলা
যায় খম খম বাজি।

বুদ্ধিমত্তা আৰু অভিজ্ঞতাৰ পৰিচয়জ্ঞাপক স্বৰূপ প্ৰবাদ-প্ৰবচন সমূহত লোকসমাজৰ অন্যান্য দিশৰ দৰে নাৰী সম্পৰ্কীয় ধ্যান-ধাৰণাৰো প্ৰতিফলন ঘটিছে। প্ৰবাদ-প্ৰবচনৰ লগত নাৰীৰ ঘনিষ্ঠতা সকলো সমাজৰ সকলো ভাষাৰ ক্ষেত্ৰতেই প্ৰযোজ্য। নাৰী সম্পৰ্কে লোকসমাজৰ ধ্যান-ধাৰণাৰ প্ৰতিফলন ঘটিছে প্ৰবাদ-প্ৰবচন সমূহত। জীৱনৰ বিভিন্ন স্তৰত কন্যা, ভাৰ্যা, মাতৃ আদি ভিন্ন ৰূপত নাৰী সমাজত বিদ্যমান। নাৰীৰ এই বিভিন্ন ৰূপ লোকসমাজে অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰিছে। তেওঁলোকৰ চলন-ফুৰণ দোষ-গুণ, ৰূপ-লাৱণ্য, ঈৰ্ষা-অসূয়া সম্পৰ্কে লোকসমাজৰ ধ্যান-ধাৰণাক প্ৰতিফলিত কৰিছে লোকোক্তিসমূহে। বহু ক্ষেত্ৰতে দেখা যায় যে— নাৰীৰ লগত জড়িত লোকোক্তিসমূহ নাৰী সমাজৰে সৃষ্টি।[৭]

"পূৰ্বতে কৈ অহা হৈছে যে প্ৰবাদৰ স্ৰজন আৰু প্ৰচলন দুয়ো ক্ষেত্ৰতে নাৰীৰ সৰ্বাত্মক ভূমিকা বিদ্যমান। এই প্ৰবাদসমূহ কিন্তু আন সমস্ত ধৰণৰ লোক-সাহিত্যতকৈ বিচাৰ-বুদ্ধি-বিবেক প্ৰধান। আজি আমাৰ সমাজত যি আত্ম বিশ্লেষণ আৰু আত্মা সমালোচনাৰ অভাৱ, লোক সমাজত নাৰীসকলে প্ৰবাদৰ সহায়ত এক প্ৰকাৰ ক'বলৈ গ'লে যেন প্ৰয়োজনতকৈও অধিক ৰূপত সেই অভাৱ পূৰণ কৰিছিল বা অনেক ক্ষেত্ৰতে আজিও কৰি আছে। নাৰীয়ে নাৰীৰ নিজৰ লগতে অন্য ব্যক্তি তথা সামগ্ৰিক ৰূপত সমাজক বিভিন্ন ধৰণেৰে সমালোচনাৰে থকা সৰকা কৰাৰ অলেখ উদাহৰণ আছে।'[৮]

পুৰুষপ্ৰধান শাসন-ব্যৱস্থাত নাৰীৰ স্বকীয় সত্তা আৰু স্বাধীনতাৰ দিশত মুঠেই মনোযোগিতা দিয়া হোৱা নাছিল। হিন্দু স্মৃতিশাস্ত্ৰ মনু স্মৃতিতো কোৱা হৈছে যে— নাৰী কোনো কালেই স্বাধীন নহয়। নাৰী বাল্যকালত পিতৃৰ, যুৱতীকালত স্বামীৰ আৰু বৃদ্ধা অৱস্থাত পুত্ৰৰ অধীন বুলি উল্লেখ কৰিছে।

"পিতা ৰক্ষতি কৌমাৰে ভৰ্তা ৰক্ষতি যৌৱনে।ৰক্ষন্তি স্থবিৰে পুত্ৰা ন স্ত্ৰী স্বাতন্ত্ৰ্যমৰ্হতি।"

পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত পুৰুষৰ স্থান উচ্চ আৰু বংশ পৰিচয় আৰু সা-সম্পত্তিৰ উত্তৰাধিকাৰ পুত্ৰ- পৌত্ৰাদি অনুক্ৰমে পিতৃৰ পৰা পুত্ৰৰ মাজেদিহে হস্তান্তৰিত হয়—কন্যাৰ মাজেদি নহয়। এনে সমাজত নাৰী সন্তানৰ প্ৰতি বিশেষ অনুৰাগ-প্ৰীতি নাই। সেয়েহে অসমীয়া লোক সমাজত পুত্ৰৰ স্থান কন্যাতকৈ বহু ওপৰত সেইটো— "কত ভাগ্যে তামোল পাণৰ বাৰী/কত ভাগ্যে পুত্ৰৱতী নাৰী", "বেটী নাতি হোকাৰ ছাটি/ বেটাৰ নাতি মৈৰাৰ মাটি", "পো নাতি ধৰে ছাটি/জী নাতি জপনা কাটি", "ল'ৰা ধান, ছোৱালী পতান" আদি প্ৰবচনত স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে।

পুৰুষ শাসিত প্ৰায়বোৰ সমাজৰ দৰে অসমীয়া সমাজতো নাৰীৰ স্থান যথেষ্ট নিম্ন। অৱশ্যে ভাৰতৰ আন আন প্ৰান্তৰ তুলনাত অসমীয়া সমাজত নাৰীৰ স্থান কিছু উন্নত। এসময়ত প্ৰমীলাৰ ৰাজ্য হিচাপে খ্যাত অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল মাতৃপ্ৰধান জনজাতি অধ্যুষিত হোৱাৰ বাবেই এনে হোৱাটো নিশ্চিত। জনজাতীয় সমাজৰ নাৰীসকলৰ বিপৰীতে অতীতৰে পৰা বৰ্ণহিন্দু সমাজত নাৰীসকলৰ স্থান আছিল নিম্ন। তেওঁলোকৰ প্ৰতি সাধাৰণ লোকসমাজৰ দৃষ্টি আছিল যথেষ্ট কঠোৰ। কিয়নো তেনে সমাজ এখন পৰিচালনাৰ আঁৰত আছিল ধৰ্মীয় ৰীতি নিৰ্ধাৰণকাৰী ব্ৰাহ্মণ বা উচ্চবৰ্ণৰ ক্ষমতাশালী পুৰুষসকল। তেওঁলোকে সদায় নাৰীক পুৰুষৰ

একচেতীয়া সম্পত্তি হিচাপে গণ্য কৰিছিল। পতিধৰ্ম পালনেই তেওঁলোকৰ জীৱনৰ মূল্য উদ্দেশ্য হোৱাটো তেওঁলোকে বিচাৰিছিল।গৃহ কৰ্ম, সন্তান প্ৰতিপালন, ৰন্ধা-বঢ়া আদিতেই পৰম্পৰাগত নাৰীৰ কাম সীমাবদ্ধ। সেয়েহে সামাজিক সংগঠনত নাৰীয়ে প্ৰতিভা বিকাশৰ সুবিধা লাভ কৰিব পৰা নাছিল। তেওঁলোকৰ কাম কেচুৱা জন্ম দি ডাঙৰ- দীঘল কৰা, পাগ ঘৰ সামৰাতে আৱদ্ধ আছিল। তাৰ অনুৰণন ঘটিছে তলৰ লোকোক্তিসমূহত–

■ য'মে নিলেও নিয়া, জোঁৱায়ে নিলেও নিয়া। ঢেঁকী স্বৰ্গলৈ গ'লে, ধান বানিবই লাগিব।

■পাটীৰ তিৰি, পট্টাৰ মাটি সমান।

■ কোকিল সুন্দৰ হয় মাতত,
তিৰোতা সুন্দৰ হয় স্বামীৰ হাতত।

■ধান বনাই অনোৱাই পানী
বোলন্তে ডাকে সিজনী নাৰী।

■তিৰীৰ চৰু, মতাৰ গৰু। ইত্যাদি

নাৰী পুৰুষতকৈ শাৰীৰিকভাৱে দুৰ্বল যদিও যথেষ্ট সহনশীল। পুৰুষ প্ৰধান সমাজত নাৰীক দমন কৰাৰ মনোবৃত্তি অসমীয়া লোকসমাজত দেখিবলৈ পোৱা যায়। স্বামীয়ে শাৰীৰিক অত্যাচাৰ কৰি হ'লেও পত্নীক সদায় নিজৰ অধীনত ৰাখিব লাগে। তেনে ভাৱ প্ৰকাশ কৰা কেতবোৰ অসমীয়া লোকোক্তি--

■তিৰীক কিলে, মিৰিক মিলে।

■কটাৰী চিকুণ হয় শাণত।
তিৰী চিকুণ হয় কিলত।।

■ অস্ত্ৰত শিল, তিৰীত কিল।

■কটাৰী ভাল কৰে শিলে
তিৰোতা ভাল কৰে কিলে।

■মাটি ভাল কৰে মৈয়ে
তিৰী ভাল কৰে পৈয়ে।

■কুকুৰ, চাকৰ, তিৰীক নিদিবা লাই
লাই পালে তিনিও কান্ধত উঠি যায়। ইত্যাদি

এই ধৰণৰ পত্নীৰ প্ৰতি নিন্দাসূচক মন্তব্যৰ দ্বাৰাও নাৰীৰ প্ৰতি থকা পুৰুষৰ ৰক্ষণশীল মনোভাব প্ৰকাশ পাইছে। পুৰুষে বিচৰা আচৰণৰ বিৰুদ্ধে গ'লে আনকি নাৰীক শাৰীৰিক অত্যাচাৰ কৰাত ইংগিতো এই প্ৰবচনসমূহত পোৱা যায়।

পিতৃতান্ত্ৰিক সমাজ ব্যৱস্থাৰে পৰিচালিত অসমীয়া সমাজৰ পুৰুষে নাৰীক বিশ্বাসত নল'বলৈ শৈশৱৰে পৰা ঘৰখনতে শিক্ষা দিয়া হয়। 'পথে নাৰী বিবৰ্জিতা' এই নীতিশাস্ত্ৰৰ দোহাই দি নাৰীক বিশেষকৈ বিবাহিতা পত্নীক বিশ্বাসত ল'লে যে–সহায় হওক চাৰি অসহায়হে হয় তাক জ্যেষ্ঠসকলে দঢ়াই দঢ়াই ক'বলৈ নাপাহৰে। সেয়েহে পুৰুষে নাৰীক কোনো গুৰুত্বপূৰ্ণ কথা জানিব দিয়া নহৈছিল। নাৰীৰ প্ৰতি অসমীয়া পুৰুষ প্ৰধান সমাজৰ মানসিকতা কেনে তাৰ স্পষ্ট চানেকি থকা প্ৰবাদ-প্ৰবচনৰ উদাহৰণ তলত দিয়া হ'ল ঃ–

■ আয়ে ক'লে বাটত, বায়ে ক'লে তাঁতত।
মই শুনি আহিলোঁ পানী অনা ঘাটত ।।

■তিৰীৰ মেল, কলৰ ভেল।

■তিৰী লতা, তিৰী পাতা
তিৰীক ন'কবি সঁচা কথা।

■তিৰীক নামাতিবা নিতে
বাঁহ খৰি নিদিবা চিতে।

■মৰে নাৰী উৰে ছাঁই
তথাপি তাইৰ বিশ্বাস নাই। ইত্যাদি

তাহানিতে অসমীয়া সমাজ ব্যৱস্থাত স্ত্ৰী আৰু শূদ্ৰক একে মৰ্যাদাৰে চোৱা হৈছিল। তেনে ভাৱধাৰাৰ দ্বাৰা প্ৰভাৱিত লোকসমাজে নাৰীৰ উপদেশ বা সহায় গ্ৰহণ কৰাটো একেবাৰে গৰ্হিত বুলি বিবেচনা কৰিছিল। কিছুমান অসমীয়া প্ৰবচনত এনে মানসিকতাৰ প্ৰতিফলন ঘটিছে। উদাহৰণ–

■ স্ত্ৰী বুদ্ধি প্ৰলয়ংকাৰী।

■ তিৰীৰ কথা শুনে যিটো
অধোগতি যায় সিটো।

■তিৰী মিৰি ভাটৌ কোৱা;
এই চাৰিৰ আঁসে নোপোৱা।

নাৰীৰ প্ৰতি কঠোৰ মনোভাৱ পোষণ কৰা পুৰুষপ্ৰধান সমাজত নাৰীৰ হিত চিন্তা কৰাটো কল্পনাৰো অগোচৰ। নাৰীৰ প্ৰতি নমনীয় মনোভাৱ লোৱা পুৰুষক সমাজে ভাল চকুৰে চোৱা নাছিল। এই চিন্তাৰ প্ৰতিফলন ঘটা তেনে দুটিমান অসমীয়া প্ৰবচন হ'ল—

"তিৰীৰ নিচিন্তিবা হিত
দেৱতাৰ চঞ্চল চিত।"

এনে পত্নীপ্ৰাণা স্বামীক (আন কাৰোবাৰ পুত্ৰ বা ভাতৃ) সমাজে তিৰোতাসেৰুৱা (তিৰী ভাৰুৱা), তিৰীৰ তলত থকা, তিৰীৰ মেখেলা তলত সোমোৱা, ঘৈণীয়েৰৰ মেখেলাভাৰী/ মেখেলাতলীয়া ইত্যাদিৰে ঠাট্টা কৰিছিল। তেনে পেংলাইসূচক অসমীয়া লোকোক্তি—

"ভাই-ভনী কাল/ খেৰৰ শনি,
তিৰী /ভাৰ্য্যা হ'ল ডিঙিৰ মণি।"

অকল এয়াই মাথোন নহয় —'নকৰিবা কইনা ওঠৰটা মূৰ্ত্তি', 'ইয়ে বোলে সীতা, সিয়ে বোলে সীতা/ সীতাৰ কাৰণে জগত গোটেইখন তিতা', 'বৰ চহকী নাৰী/গধূলিতে শোৱে মেখেলা পাৰি' আদি কিছুমান প্ৰবচনত নাৰীৰ দোষ-দুৰ্বলতাসমূহ দেখুৱাই দি ইয়াৰ শুধৰণিৰ বাবে যথাবিহিত ব্যৱস্থা লোৱাৰ বাবে সচেতন কৰি দিয়া হৈছিল।

বিয়াকে ধৰি এগৰাকী নাৰী সম্পৰ্কে কোনো সিদ্ধান্ত গ্ৰহণ কৰোঁতে নাৰীগৰাকীৰ অনুমতিৰ প্ৰয়োজন অনুভৱ নকৰে পুৰুষ প্ৰধান সমাজে। লোকসমাজৰ উক্ত ধাৰণাৰ অনুৰণন ঘটা এটি লোকোক্তি হ'ল—

"চৰুক সুধি চাউল নবহায়।"

অতীতৰ পৰা বৰ্তমানলৈ আমাৰ সমাজত এটি প্ৰচলিত ধাৰণা হ'ল যে নাৰী সদায় পৰনিৰ্ভৰশীল। শিক্ষা-দীক্ষা, বুদ্ধি-বৃত্তিত নাৰী যিমানেই আগ নাবাঢ়ক কিয় নাৰী সদায় আন কাৰোবাৰ নহয় কাৰোবাৰ তলতীয়া হ'বই.। নাৰী সদায় পুৰুষৰ তল এই ধাৰণাক প্ৰতিফলিত কৰে তৰল জনপ্ৰিয় প্ৰবচনফাকিয়ে —

"লাও যিমানেই ডাঙৰ নহওক তেও পাতৰ তল।"

ব্যতিক্ৰম স্বৰূপে অৱশ্যে অসমীয়া সমাজত নাৰীৰ নিৰ্য্যাতিতা ৰূপ দেখা গ'লেও ভাৰতৰ অন্যান্য ঠাইৰ তুলনাত জনজাতীয় প্ৰভাৱপুষ্ট অসমীয়া নাৰীৰ স্থান তুলনামূলকভাৱে উচ্চ।[৯] গৃহ পৰিচালনাৰ ক্ষেত্ৰত পুৰুষেও কোনো কোনো ক্ষেত্ৰত নাৰীৰ পৰামৰ্শ বিচৰাৰ কথা অসমীয়া প্ৰবাদত পোৱা যায়। উদাহৰণ স্বৰূপে– "ডাঙৰ আপীৰ মাক/ঘৰৰ ঘৈণী ল'ৰাহঁতৰ মাক।তোমাক নুসুধি সুধিম কাক।।" - এই প্ৰবাদৰ দ্বাৰা অসমীয়া সমাজত নাৰীৰ মৰ্যাদাপূৰ্ণ স্থিতি স্পষ্ট হৈ পৰিছে। গৃহ পৰিচালনাৰ পৰা সমাজ পৰিচালনালৈ থকা নাৰীৰ প্ৰতিভা লোক সমাজে অভিজ্ঞতাৰ দ্বাৰা উপলব্ধি কৰিছিল সেয়েহে ঘৰ এখন ধৰি ৰখাত নাৰীৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা প্ৰবচনত এইদৰে আছে— "ঘৈণীয়ে ঘৰ; ঘৈণী নহ'লে লৰফৰ", "তিৰীয়ে পুৰুষে হৈবা একমতি/তেবেসে সিজিব হৰিত ভকতি" - ভকতীয়া ঠাঁচত সৃষ্টি হোৱা এই প্ৰবচনতো নাৰীৰ প্ৰতিভাক স্বীকৃতি দিয়া দেখা যায়।

ডাকৰ বচনত নাৰীৰ মুকলিমূৰীয়া জীৱন পুৰুষৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছিল যদিও জনজাতীয় প্ৰভাৱৰ বাবে কোনো কোনো অৱস্থাত নাৰীৰ মুক্ত বিচৰণৰ কথাও কেতবোৰ প্ৰবচনত প্ৰতিফলিত নোহোৱাকৈ থকা নাই। কাৰণ "অসম জনজাতি প্ৰধান ৰাজ্য যদিও আৰ্যগোষ্ঠীৰ মাজত পুৰুষ প্ৰধান সমাজৰ ধ্যান-ধাৰণা ব্যাপক। অৱশ্যে ভাৰতৰ অন্য প্ৰদেশৰ তুলনাত অসমত আপেক্ষিকভাৱে নাৰীৰ মুক্ত বিচৰণ বা স্বাধীনতা বহু পৰিমাণে বেছি বুলি ক'ব পাৰি।"[১০] বিবাহৰ ক্ষেত্ৰত বিশেষকৈ দৰা নিৰ্বাচনত অসমীয়া নাৰীৰ স্বাধীনতাৰ কথা প্ৰবচনত এইদৰে আছে —"ৰিহা লাগে কেচ বছা /দৰা লাগে মনে বছা।"

ৰন্ধা- বঢ়া, বোৱা- কটা আদি কামেৰে ঘৰ- গৃহস্থালি চম্ভলাৰ উপৰিও মাছ মৰা, ভূঁই ৰোৱা আদি বাহিৰৰ কামেৰেও অসমীয়া নাৰীয়ে মুকলিমূৰীয়াকৈ অবাচ বিচৰণ কৰিব পাৰে। তাত সমাজে বিশেষ বাধা নিদিয়ে। এনে দিশৰ উমান পোৱা প্ৰবচন কেইফাকিমান তলত দিয়া হ'ল–

■ আহু চাবা গধুলি, শালি চাবা পুৱা।
জাঁকে বাওঁতে ছোৱালী চাবা কোন কেনেকুৱা।।

■ বাৰটা কঠীয়াৰ তেৰটা ৰোৱনী
হ'ক বা ন'হক পথাৰখন শুৱনি।

■ কাজীয়ে পালে কৰে দহিকটাকো বাণি
একাজীয়ে পালে কৰে দহিকটাকো হানি।

নাৰীমনস্তত্ত্বৰ বিভিন্ন দিশ, ঈৰ্ষা-অসূয়া, প্ৰেম-প্ৰীতি আদি লোকসমাজে অতি সূক্ষ্ম দৃষ্টিৰে পৰ্যবেক্ষণ কৰি আহিছে। নাৰী মনস্তত্ত্বৰ তেনে কেইটামান দিশৰ ভিতৰত– ঈৰ্ষাক স্ত্ৰীজাতিৰ স্বভাৱসুলভ বৈশিষ্ট্য বুলি গণ্য কৰাটো। এগৰাকী নাৰীয়ে যেতিয়া আন এগৰাকী নাৰীৰ প্ৰতি ঈৰ্ষান্বিত হয় তেতিয়া নাৰীয়ে নিজৰ অপকাৰ সাধি হ'লেও আনৰ অনিষ্ট কৰিবলৈ কুণ্ঠাবোধ নকৰে। নাৰীৰ এই মানসিকতাৰ বিষয়ে প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰা লোকোক্তি হ'ল–

"আপোনাৰ নাক কাটি সতিনীৰ যাত্ৰা ভংগ কৰা।"

নাৰী আটাইতকৈ ডাঙৰ শত্ৰু হ'ল সতিনী। সতিনাৰ প্ৰতি সতিনীৰ আক্ৰোশ অতি তীব্ৰ। এনে সতিনী ৰূপী শত্ৰুক শালিবলৈ নাৰীয়ে যিকোনো ব্যৱস্থাই ল'ব পাৰে।

এজনী নাৰীয়ে আন এজনী নাৰীৰ ওপৰত প্ৰতিহিংসা চৰিতাৰ্থ কৰিবলৈ হ'লে লাগিলে সতিনী খাটিবলৈকো তাই সাজু। তাৰ ইংগিত বহন কৰা প্ৰবচন কেইফাকিমান–

"লাটিম বৰুৱাক ছাটিম, লাগে চাৰিকৰা ভৰিম,
তেও তাইৰে (তোৰে) সতিনী খাটিম।"

ভৱিষ্যতে এনে পৰিস্থিতিৰ উদ্ভৱ হ'লে কেনেকৈ চম্ভালিব লাগিব তাৰো কায়দা-কৌশল তেওঁলোকৰ কুক্ষিগত। উদাহৰণ–

■ তিনিটাতে টেটৰী, বাঁহপাতৰ জুই
কোনজনী আহিছা মোৰ সতিনী হই।

আহিছ সতিনী থম চুকত
তুৰি-মুৰি কৰিলে গোৰ দিম বুকুত।।

■ তয়ো মাকৰ জী, ময়ো মাকৰ জী
তপত ভাতক চেঁচা কৰোঁ হেচাঁ পোটোকা দি।

■ সৰুজনী সতিনী, বাঁহতলৰ যখিনী
কিয় তয়া হয়াঁ কৰ;
মাৰ যদি মাৰিবি, গাতে মাৰিবি
খেজেলা-খেজেলি কিহৰ।

সতিনীৰ ঈৰ্ষা অকল সিহঁত দুয়োজনীৰ মাজতে আৱদ্ধ নাথাকে, স্বামীৰ পৰা সতীয়া পো- জীলৈকে যায়। উদাহৰণ–

■ হাতে- মুখে আছু মই
বুৱেনী কাটেনী আন তই।

■ মোৰ পো নহয় সতিনীৰ পো
ঢাৰি নাই পাতি নাই মাটিতে শো।

■সতিনীৰ পোৱে নোবোলে আই
সেই অপমান মৰিবাক যায়।

সতিনী বিষয়ক বহুতো প্ৰবচনে অসমীয়া সমাজৰ নাৰী চৰিত্ৰৰ দোষ-দুৰ্বলতাৰ দিশো উদঙাই দিয়ে। সতিনীৰ মাজত থকা ইৰ্ষা, হিংসা, জেদা-জেদিয়ে এখন ঘৰৰ পাৰিৱাৰিক শান্তি বিঘ্নিত কৰে। এইদৰে সতিনী বিদ্বেষৰ ভাব স্পষ্ট হৈ পৰা প্ৰবচনসমূহে অসমীয়া সমাজৰ নেতিবাচক দিশ প্ৰতিফলিত কৰিছে।

■সতিনীৰ হাল
গা নকৰে ভাল।

■এজনী থাকোতে এজনী আনিলো খৰিয়াল শুনিবৰ মনে।

■ নিম তিতা, বাহক তিতা, তিতা মচন্দৰ
তাতোকৈ অধিক তিতা দুই সতিনীৰ ঘৰ।

■ সতিনী মৰিল ভালেই হ'ল;
দুয়োখন মেখেলা মোৰেই হ'ল। ইত্যাদি

তাহানিৰ বহুবিবাহ প্ৰথা প্ৰচলিত অসমীয়া সমাজত প্ৰথমা পত্নীৰ মৰ্যাদা দ্বিতীয় পত্নীয়ে কেতিয়াও লাভ কৰিব পৰা নাছিল।। এনে সংসাৰত লাগী আৰু এলাগীৰ মাজত স্বামীৰ বিশেষ প্ৰীতি লাভৰ অঘোষিত প্ৰতিযোগিতা দৈনন্দিন জীৱনত অনবৰতে চলি থাকিছিল। "লাগীয়ে ভাঙিলে কাঁহী/থ'লে মিচিকিয়াই হাঁহি। এলাগীয়ে ভাঙিলে কটৰা/পালেগৈ গড়গাঁও বতৰা।।" — এই ধৰণৰ প্ৰবচনে লাগী-এলাগীৰ ধাৰণাৰে সৃষ্ট অসমীয়া সমাজৰ এটি বাস্তৱ নেচিবাচক দিশকে প্ৰতিফলিত কৰিছে।

নাৰীৰ পৰস্পৰৰ প্ৰতি অসহিষ্ণু মনোভাৱ অকল যে দুই সতিনীৰ মাজতহে বিৰাজমান এনে নহয় অন্যান্য নাৰীৰ মাজতো ই বিৰাজমান। অসমীয়া লোক-সমাজত বিদ্যমান তেনে কিছুমান প্ৰবাদ- প্ৰবচনৰ উদাহৰণ দিয়াৰ লোভ সামৰিব নোৱাৰিলোঁ।

■এনেও কাণী তেনেও কাণী
ভালকৈ দিওঁ শাকত পানী।

■বাঁতীয়তী তই
লগত মৰতী মই।

■তই গিৰেতনী এদোন ধানৰ
মই গিৰেতনী তুঁহ পতানৰ।

■এক গিৰীৰ বেটী, এক গিৰীৰ জী
তই নাককাটীৰ হৈছে কি?
দেখিব নোৱাৰি কৰিবি কি
আগত থাকিম থিয় দি।

■ওহি ৰকত বহি দেউ
নাই ৰকত ধাৰ কৰি দেউ।

................
কৈ থাক কুকুন্নী
শুনি আছু ঠাকুন্নী।

অসমীয়া লোক সমাজত বিধবা নাৰীক স্বাভাৱিক মৰ্যাদা দিয়াৰ পৰিৱৰ্তে সকলো কথাতে হেয় আৰু এলাগী জ্ঞান কৰা হয়। অতীতৰ সমাজত বিধবা নাৰীক কুলক্ষণী বিবেচনা কৰা হৈছিল। প্ৰবাদ-প্ৰবচনৰ মাজেৰে প্ৰতিফলিত হোৱা বিধবাৰ প্ৰতি সমাজৰ শ্লেষাত্মক উক্তিয়ে অসমীয়া সমাজত নাৰীৰ অৱদমিত আৰু পদদলিত স্থান নিৰূপণ কৰে। উদাহৰণ —

■ছলিক নিদিবা লাই
বাঁৰীক নিদিবা ঠাই।

■অতি সুন্দৰী নাৰীক নুবুলিবা ভাল
তিনিটা দোষ তাৰ নুগুচে সৰ্বকাল।
বন্ধ্যা, বিধবা আৰু অপবাদ
জ্ঞানী লোকে বোলে ইটো গৃহীৰ আপদ।।

■মতা নাইকিয়া বাঁৰী
ধুম ধুমকৈ ধৰে গাৰী।

■বিধবা হই ভোগক কৰে ইচ্ছা
ৰাতি ফুৰি মাতে দিনত মিছা। ইত্যাদি

অসমীয়া লোক সমাজত বৈধব্য যন্ত্ৰণা ইমান কৰুণ যে মাকেও জোঁৱায়েকৰ মৃত্যু হোৱাতকৈ জীয়েকৰ মৃত্যু হোৱাই ভাল বুলি অনুভৱ কৰে। সেয়েহে কোৱা হয় — "বেটী মৰি জোঁৱাই থাকক/ বছৰ বছৰ জকৰ (উৰুলি) পৰক।"

নাৰী মনস্তত্ত্বৰ আন এটি উল্লেখযোগ্য দিশ হ'ল নাৰীকেতিয়াও স্বামীৰ ঘৰ, তেওঁলোকৰ পৰিয়াল- পৰিজনক নিজৰ বুলি ভাবিব নোৱাৰাটো। শহুৰ- শাহুৰ ঘৰ যিমান দিনেই নাযাওক কিয় সি সদায় পৰ। স্বামীৰ পৰিয়ালতকৈ মাতৃৰ পৰিয়ালৰ প্ৰতি সেয়ে তেওঁলোকৰ অনুৰাগ- অনুকম্পা বেছি। নাৰী মনৰ দুৰ্বলতা প্ৰকাশক কেতবোৰ অসমীয়া প্ৰবাদ- প্ৰবচন—

"ধানবান লেঙেৰী
—নোৱাৰোঁ
পানী আন লেঙেৰী
—নোৱাৰোঁ
মাৰৰ ঘৰলৈ যা লেঙেৰী
—লেংতুচ লেংতুচ।"

যিগৰাকী নাৰী শাৰীৰিক অক্ষমতাৰ দোহাই দি দৈনন্দিন কামৰ পৰা আঁতৰি থাকে তেনে নাৰীয়েও মাতৃগৃহলৈ যোৱাৰ কথা ক'লে সকলো অক্ষমতা পাহৰি যায়।

অসমীয়া পৰিয়ালত শাহু-বোৱাৰী, বৌ-ননদ, জা-জোৱালীৰ মাজত পাৰিবাৰিক সম্পৰ্ক মধুৰ নহয়। বিৰোধ, ঈৰ্ষা, হিংসা আদি ভাবে তেওঁলোকৰ পাৰস্পৰিক সম্পৰ্কক তিক্ত কৰি তোলে। শাহু-বোৱাৰীৰ এনে তিক্ততাপূৰ্ণ সম্পৰ্কৰ ছবি স্পষ্ট হৈ পৰা কেতবোৰ অসমীয়া প্ৰবচন হ'ল —

■ শাহুৰী কেনে?
বোলো লোণে আমলখিযেনে।

■ শাহু হ'লে আহুকাল

তেৰী হ'লে জঞ্জাল।

■ কচু হ'লে খজুৰায়, শাহু হ'লে নচুৰায়।

■ খাই ল, খাই ল, ন শাহুৰী নৌ পাওঁতেই ;

শুই ল, শুই ল, পো জী-নৌ পাওঁতেই।

সেয়েহে বোৱাৰীয়েকেও শাহুৰেকৰ মৃত্যুত ভালেই পায়। "শাহু মৰিল ভালেই হ'ল, দুয়োখন মেখেলা মোৰেই হ'ল।" - প্ৰবচনটিত দেখ দেখকৈ এনে মানসিকতাই প্ৰতিফলিত হৈছে।

ইয়াৰ বিপৰীতে আন আন সমাজৰ দৰে অসমীয়া সমাজতো জোঁৱাইৰ আদৰ বেছি। "জোঁৱাই বেটাই সমান", "পো যিজন জোঁৱাই সেইজন", "শাহু থাকে মানে জোঁৱাইৰ আদৰ" আদি প্ৰবচনৰাজিয়ে অসমীয়া সমাজত যে জোঁৱাইৰ বিশেষ সমাদৰ চিৰকালে বিদ্যমান তাকে প্ৰতীয়মান কৰে। কিন্তু কি আচৰিত কথা শাহুৰে গৰকা বোৱাৰীয়েও. অসমীয়া লোকসমাজত সেই স্থান কিঞ্চিৎ পৰিমানে হ'লেও অধিকাৰ কৰিব নোৱাৰে।

অতীতৰ পৰা বৰ্তমানলৈ লোকসমাজতেই হওক বা শিষ্ট সমাজতেই হওক নাৰীক সাধাৰণতে লজ্জা, দয়া, মমতা, করুণাৰ প্ৰতিমূৰ্ত্তি বুলি গণ্য কৰা হয়। এই ধাৰণাৰ ভিত্তিতেই লোকসমাজে নাৰীৰ স্বভাৱ-চৰিত্ৰ সম্পৰ্কে ধ্যান-ধাৰণা গঢ়ি তুলিছিল। কিন্তু সু-গৃহিণী, সু-নাৰী, আদৰ্শ বোৱাৰীৰ স্বভাৱ কেনে হোৱা উচিত সেই সম্পৰ্কে ডাকৰ বচনে পক্ষপাতিত্ব আচৰণ কৰা যেন লাগে।[১১]

ইয়াৰ বিপৰীতে অসমীয়া জনমানসত নাৰীৰ প্ৰতি বিযোদগাৰ তুলনামূলক কিছু নৰম। অসমীয়া গ্ৰাম্য-সমাজত বিশ্বাস কৰা হয় যে বৰকৈ ঘূৰি ফুৰা নাৰী বোৱাৰী কৰি অনাৰ বাবে উপযুক্ত নহয়। সেই প্ৰসংগত কোৱা হয় –

"মাছৰ নানিবা সৰু কুটা
তিৰীৰ নানিবা বজাৰ লুটা।"

আমাৰ সমাজত বিশ্বাস কৰা হয় যে নাৰীৰ প্ৰকৃত পৰিচয় ৰক্ষিত হয় স্বামীৰ পৰিচয়ৰ সৈতে। যিগৰাকী নাৰীয়ে নিজ স্বামীক অমান্য কৰে তেনে নাৰীয়ে পৰিচয় হেৰুৱায় আৰু তেওঁৰ প্ৰেম প্ৰকৃত প্ৰেম নহয় বুলি বিশ্বাস কৰা হয়। এনে ভাৱ প্ৰকাশক প্ৰবচন কেইফাকিমান—

■মাছে নিচিনে নৈ,
তিৰোতাই নিচিনে পৈ।

নাৰীৰ ৰূপ-সৌন্দৰ্য্য লোকসমাজৰ অভিজ্ঞতা বিভিন্ন প্ৰবাদ-প্ৰবচনৰ মাজেৰে প্ৰকাশ হৈছে। নাৰীৰ মহত্ব নিৰ্ভৰ নকৰে ৰূপ-লাৱণ্যৰ ওপৰত। বৰং কুৰূপা নাৰী এগৰাকীও গাৰ্হস্থ্য জীৱনত সুগৃহিনী, সুমাতৃ হিচাপে সফল হ'ব পাৰে। অসমীয়া সমাজত ৰূপতকৈ গুণৰ প্ৰশংসা বেছি কৰা হয়। ৰূপৱতী তিৰোতাৰ নৈতিকতাক সমাজে হীনাত্মক দৃষ্টিৰে চায়। অসমীয়া সমাজত ঘৰ এখন সুচাৰু ৰূপে পৰিচালনাত ৰূপৱতী তিৰোতাৰ বিপৰীতে গুণৱতী অথচ এলাই জাবৰী তিৰোতাকহে প্ৰাধান্য দিয়ে। ৰূপে সকলোকে আকৰ্ষণ কৰে, ৰূপ যৌৱনলৈ কৰা অহংকাৰে সাংসাৰিক জীৱনত সৃষ্টি কৰিব পাৰে অশান্তিৰ। সেয়েহে অতি সুন্দৰ নাৰী সম্পৰ্কে লোকসমাজত নেতিবাচক ধাৰণা দেখিবলৈ পোৱা যায়। লোকসমাজৰ এই মনোভাৱ প্ৰবচন মাজেৰে প্ৰকাশ কৰিছে এনেদৰে ঃ

■সুফল কদলী /কদেলী
সুতিৰী ফেদেলী/গেন্ধেলী।

■ৰূপে কি কৰে
গুণহে সংসাৰ তৰে।

■অতি সুন্দৰী নাৰীক নুবুলিবা ভাল,
তিনিটা দোষ তাৰ নুগুচে সৰ্ব্বকাল।
বন্ধ্যা, বিধৱা আৰু অপবাদ,
জ্ঞানীলোকে বোলে ইটো গৃহিৰ আপদ।

ৰূপ-লাৱণ্যক লৈ নাৰী সদায় সচেতন। অসুন্দৰী নাৰী এগৰাকীও নিজকে সুন্দৰী ৰূপত সজাই তুলিবলৈ প্ৰয়াস কৰে। তেনে বৃথা প্ৰচেষ্টাক ব্যংগ কৰিবলৈ লোকসমাজত কিছুমান প্ৰবাদ- প্ৰবচনৰ ৰচনা হৈছে। উদাহৰণ—

■ৰেচতেই পেচ,
ধান দুনীয়াটোৱে কঁকালটো হেচ।

■অ'হে ঠগো বাই, ৰূপে তোৰ সমান নাই।

ইমান বয়সতো তিনিটা স্বামী পাই আছা,
তোৰ সম ভাগ্যৱতী নাই।।

(চৰিত্ৰহীন তিৰোতাৰ প্ৰতি বক্ৰোক্তিমূলক উক্তি)

অসুন্দৰী নাৰী এগৰাকীক সুন্দৰী বুলি ব্যংগ কৰিবলৈ ব্যৱহৃত আন এটি লোকোক্তি হ'ল ঃ

"মাজ মূৰত নাই চুলি, পৈয়েকে মাতে কেশমতী বুলি।"

নাৰীয়ে গৌৰৱ কৰা ৰূপ সৌন্দৰ্য্যই নাৰী জীৱনলৈ বিপদো মাতি আনিব পাৰে। এই কথাকে লোকসমাজে লোকোক্তিৰ জৰিয়তে নিজ মনোভাৱ প্ৰকাশ কৰিছে এনেদৰে—

"হৰিণাৰ মাংসই বৈৰী।"

প্ৰবাদ-প্ৰবচনসমূহৰ ৰচয়িতাসকল আছিল তেনেই চহা, নিৰক্ষৰ মানুহ। নিজ কাণেৰে শুনা আৰু চকুৰে দেখা বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত তেওঁলোকে প্ৰবাদ-প্ৰবচনসমূহ ৰচনা কৰিছিল। লোকসমাজৰ নাৰী সম্পৰ্কীয় অভিজ্ঞতাৰ প্ৰতিফলন ঘটিছে মুখে মুখে ৰচিত আৰু চৰ্চিত হৈ অহা এনে ধৰণৰ

প্ৰবাদ-প্ৰবচনসমূহৰ মাজত। প্ৰবাদ-প্ৰবচন, লোকোক্তি আদিত চিত্ৰিত হোৱা নাৰী-চৰিত্ৰৰ মাজেদি সেই সেই লোকসমাজত নাৰীৰ স্থান কেনেকুৱা তাক অতি সহজে ঠাৱৰ কৰিব পাৰি।

সামৰণিত নাৰীৰ প্ৰসংগত ৰচিত তেনে কেইটিমান উল্লেখযোগ্য প্ৰবাদ-প্ৰবচনসমূহৰ উদাহৰণ দিয়া হ'ল ঃ

■ আগেয়ে আছিলোঁ দোৱনী-সোৱনী গাই,
গুৱালেও বুলিছিল আই,
এতিয়া হ'লো নেজ গুবৰী,
পালতো নিদিয়ে ঠাই।

■ বেটীৰ খং বাঢ়নীত।

■ মাকে খায় এৰী কাটি ভাত
জীয়েকে জোৰে ধনশ্ৰী ৰাগ।

■ জলত শুদ্ধ কৈৱৰ্তৰ নাও
শয্যাত শুদ্ধ তিৰীৰ পাও।

মন কৰিব লগীয়া এয়ে যে--অসমীয়াত নাৰীবিদ্বেষ সম্পৰ্কীয় ইমানবোৰ প্ৰবাদ- প্ৰবচন ৰচিত হ'লেও মাতৃৰ প্ৰতি বিশেষ শ্ৰদ্ধা নিবেদন কৰা প্ৰবাদ- প্ৰবচনৰ সংখ্যাও নিচেই সামান্য নহয়। পৃথিৱীৰ সকলো মানুহৰ বাবে মাতৃ পূজনীয়, মাতৃৰ তুলনা নাই। অসমীয়া সমাজতো ইয়াৰ ব্যতিক্ৰম নহয়। "প্ৰবাদসমূহ বক্ৰোক্তি প্ৰধান হ'লেও মাতৃকেন্দ্ৰিক প্ৰবাদত ব্যংগ বিদ্ৰূপৰ চিটিকনি নাই, বৰং এইবোৰত ধ্বনিত হয় — 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী' বাণী। ফকৰা যোজনাত মাতৃয়েই সৰ্বতীৰ্থ — 'মাতৃদেৱ ভবো।'"[১২]

নাৰীৰ চিৰন্তন ৰূপ মাতৃময়ী মাকৰ সন্তানৰ প্ৰতি থকা স্নেহৰ চিত্ৰও প্ৰবাদ-প্ৰবচনসমূহত সুন্দৰ ৰূপত চিত্ৰিত হৈছে। এগৰাকী নাৰীয়ে মাতৃ আৰু পত্নী দুই ভিন্ন ৰূপত ভিন ভিন প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। বিশেষকৈ মাতৃ সদায় সচেতন সন্তানৰ দুখ-কষ্টক লৈ। পুত্ৰস্নেহ, পাৰিবাৰিক প্ৰীতি, গৃহ পৰিচালনাত পাৰদৰ্শিতা, অতিথি শুশ্ৰূষাৰ অতুলনীয় নিদৰ্শনেৰে মহীয়ান হোৱা অসমীয়া মাতৃ এগৰাকীৰ আদৰ্শনীয় ৰূপ অসমীয়া প্ৰবাদে সুন্দৰ ৰূপত দাঙি ধৰিছে। উদাহৰণ-

■আইৰ সমান হ'ব কোন,
নৈৰ সমান ব'ব কোন।

■মাকে চাই মুখলৈ,
তিৰোতাই / তিৰীয়ে চায় হাতলৈ/
খোচনালৈ।

■আই আছে যদি খাই যা,
আই নাই যদি চাই যা।

■আয়ে ক'লে বাটত,
বায়ে ক'লে হাটত।

■মাহী আছে পেহী আছে, জুৰি আছে গাঁও
আই নাই দেখি আজি লঘোণে যাও।

■ বাৰিষা খৰালি দুহে গাই
যাঠি বছৰত বোলে আই
তাৰ সমান ভাগ্যৱান নাই। ইত্যাদি

মূলগতভাৱে পিতৃতান্ত্ৰিক বৰ্ণহিন্দু অসমীয়া সমাজৰ এনে লিংগবৈষম্যৰ বিপৰীতে অসমীয়া লোকসাহিত্যৰ মেটমৰা ভঁৰালত মাতৃকেন্দ্ৰিক প্ৰবাদ- প্ৰবচনৰ পয়োভৰে অন্যান্য জনজাতীয় সমাজৰ দৰে অসমীয়া সমাজতো মাতৃৰ স্থান যে যথেষ্ট উচ্চ, সেই কথাটোকে প্ৰতীয়মান কৰে।

**পাদটীকা আৰু প্ৰসংগ সূচী ঃ**

১। দ্ৰষ্টব্য ঃ
  ক) ষ্টৰ্ক, এফ. চি. এণ্ড উইন্দোচন,জে. দি. এ. ঃ লাৰ্নিং এবাউট লিংগুইষ্টিক্স, ১৯৭৪, পৃ. ১৫৭
  খ) ব্লুমফিল্ড, লিওনাৰ্ড ঃ লেঙ্গুৱেজ,১৯৮০, পৃ. ৪৬
  গ) ব্ৰাইট, উইলিয়াম ঃ ভেৰিয়েচন এণ্ড চেঞ্জ ইন লেঙ্গুৱেজ, ১৯৬১, পৃ. ২৬-২৭
  ঘ) চেম্বাৰ, জে. কে. এণ্ড ট্ৰাদ্‌গিল, পেটাৰ ঃ দায়েলেক্টোল'জি, ১৯৮৮, পৃ. ৭১ -৭৩
  ঙ) জেচপাৰ্চন, অক্তো ঃ লেঙ্গুৱেজ, ইত্‌চ্ নেচাৰ, দেভেলপমেণ্ট এণ্ড ওৰিজিন, ১৯৬০, পৃ. ২৩৭
  চ) হাইম্‌চ, ডেল ঃ লেঙ্গুৱেজ ইন কালছাৰ এণ্ড চোছাইটি, ১৯৬৪, পৃ. ২২৮

২। উৎস ঃ পাঠক, ৰমেশ ঃ 'সমাজত নাৰীৰ ভাষাৰ স্বকীয়তা বিচাৰ ', অসম সাহিত্য সভা পত্ৰিকা, চতুঃষষ্ঠিতম বৰ্ষ,প্ৰথম সংখ্যা, জুন ২০০৯, সম্পা, উপেন ৰাভা হাকাচাম, পৃ. ৪৬, ৪৭)

৩। উৎস ঃ ৰাভা হাকাচাম,উপেন ঃ 'লোক-ভাষা আৰু অসমীয়া গালি শপনিৰ ঐতিহ্য আৰু ৰূপান্তৰ', অসমীয়া আৰু অসমৰ জাতি- জনগোষ্ঠী ঃ প্ৰসংগ-অনুষংগ, ২০১৩, পাদটীকা নং ১১, পৃ.৭৩, ১০৩

৪। সদ্যোক্ত, পৃ.৭৩

৫। উৎস ঃ পাঠক, ৰমেশ ঃ প্ৰাগুক্ত, পৃ. ৪৬-৪৭

৬। শৰ্মা, শশী ঃ 'অসমৰ লোক সাহিত্যত নাৰী আৰু প্ৰেম', অসমৰ লোক সাহিত্য, ১৯৯৩, পৃঃ ৩২৮

৭। ক)"ফকৰা- যোজনা, পটন্তৰ, ডাকৰ বচন,বচন,আদি প্ৰবাদবোৰ অসমীয়া তিৰুতা ( যথা) মানুহৰ মাজতেই কথা প্ৰসংগত বেছি প্ৰচলন হোৱা দেখা যায় ।কিন্তু কালক্ৰমত সমাজত এই ফকৰা- যোজনা আদি প্ৰবাদ বাক্য ব্যৱহাৰ কৰা তিৰুতা ( যথা) মানুহবোৰক মানুহে অশালীন আৰু মুখ চোকা মানুহ বুলি বিবেচনা কৰি অৱহেলাৰ চকুৰে চোৱা হ'ল ।এই কাৰণে এই প্ৰবাদ বাক্য সংগ্ৰহ কৰিবৰ সময়ত এনে ফকৰা যোজনা জনা তিৰুতা(যথা) মানুহৰ ওচৰ চাপিলেও তেওঁলোকে সমাজত 'মুখ চোকা' তিৰুতাৰ আখ্যা পোৱাৰ ভয়ত ফকৰা যোজনা ক'বলৈ মুখ নেমেলা হ'ল ।"( ৰাজগুৰু, সৰ্বেশ্বৰ ঃ অসমীয়া প্ৰবাদ, দ্বিতীয় প্ৰকাশ,২০০৩, পৃ. ৫)

খ) "অসমীয়া লোক জীৱনৰ মানসিক উৎকৰ্ষ আৰু বুদ্ধি মত্তাৰ পৰিচায়জ্ঞাপক অসমীয়া প্ৰবাদসমূহ প্ৰধানকৈ নাৰী সমাজৰ সৃষ্টি। এইসমূহৰ প্ৰচলনো নাৰীসকলৰ মাজতে অধিকভাৱে দেখা পোৱা যায়। সেয়েহে প্ৰবাদসমূহক এক প্ৰকাৰে নাৰীৰ ভাষাত অভিব্যক্ত নাৰীৰ জীৱন দৰ্শন বুলিব পাৰি। প্ৰবাদৰ লগত নাৰীৰ এই ঘনিষ্ঠতা যিকোনো সমাজৰ বাবে যিকোনো ভাষাৰ ক্ষেত্ৰতে প্ৰযোজ্য। সংখ্যাৰ ফালৰ পৰা চাবলৈ গ'লে এক বুজন সংখ্যক অসমীয়া প্ৰবাদ পোনপটীয়াকৈ নাৰী সম্পৰ্কীয়। এনে নাৰী সম্পৰ্কীয় প্ৰবাদসমূহত সাধাৰণতে নাৰীৰ দোষ-দুৰ্বলতাসমূহৰ শুধৰণিৰ বাবে সিবিলাকৰ প্ৰতি কটাক্ষ কৰা হৈছে।"( মহন্ত বেজবৰা, নীৰাজনা ঃ 'অসমীয়া লোকসাহিত্যত নাৰী', অসম সাহিত্য সভা পত্ৰিকা, চতুঃষষ্ঠিতম বৰ্ষ, প্ৰথম সংখ্যা, জুন,২০০৯, পৃ. ৫৪, ৫৮)

৮। মহন্ত বেজবৰা, নীৰাজনা ঃ সদ্যোক্ত, পৃ. ৫৪, ৫৮

৯। "জনজাতীয় সমাজ-ব্যৱস্থা নাৰীকেন্দ্ৰিক - যাৰ গুণে নাৰীৰ অৰ্ধাকাশ আৰু পুৰুষৰ অধীনতো নহয়েই বৰঞ্চ নাৰী, পুৰুষৰ পৰিচালিকা নহ'লেও নাৰী নিজেই অকলেই স্বয়ং ক্ৰিয়া আৰু স্বতন্ত্ৰৰীয়া।" ( হাকাচাম, উপেন ৰাভা ঃ 'জনজাতীয় নাৰীৰ স্বকীয়তা আৰু সামাজিক স্থিতি', অসমৰ জনজাতীয় সংস্কৃতি, ২০১০, পৃ. ৪৩)

১০। পাঠক, ৰমেশ ঃ প্ৰাগুক্ত, পৃ. ৪৬

১১। লেখকে স্থানান্তৰত এই বিষয়ে বিস্তাৰিত ভাৱে আলোচনা কৰিছে। (দ্ৰষ্টব্য ঃ হাকাচাম, উপেন ৰাভা ঃ 'লোক ভাষাৰ আধাৰত অসমীয়া সমাজৰ ধুতি-বিধুতি', সাতসৰী, অষ্টম বছৰ, দ্বাদশ সংখ্যা, ২০১৩, পৃ ঃ )

১২। কলিতা, ফুলকুমাৰী ঃ 'ফকৰা যোজনা, প্ৰবাদ-প্ৰবচনত অসম আৰু বংগদেশৰ পাৰিবাৰিক সম্পৰ্ক', আজিৰ দৈনিক বাতৰি, দেওবৰীয়া অনুভূতি, ১৮ ডিচেম্বৰ, ২০১১, পৃঃ ১৫

## গ্ৰন্থ পঞ্জী ঃ


১। গগৈ, জীৱকান্ত ঃ অসমীয়া লোক সাহিত্যৰ সাতসৰী, এক্সপ্ৰেছ পাব্লিকেছ্যনচ, গুৱাহাটী, ১৯৯৬

২। দলৈ, হৰিনাথ শৰ্মা ঃ বাৰে বৰণীয়া অসম, ২০০৩

৩। দাস, গীতাঞ্জলী ঃ 'অসমীয়া লোকোক্তিত নাৰী', প্ৰান্তস্বৰ , প্ৰথম সংখ্যা (সম্পা. মুকুল চক্ৰৱৰ্তী), ২০১১

৪। দাস, চক্ৰেশ্বৰ ঃ প্ৰবাদ-প্ৰবচন, বাণী মন্দিৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০০৮

৫। পাটোৱাৰী, সৰমা ঃ 'লোক-সাহিত্যত নাৰীৰ ভাষা', চিন্তা বিচিত্ৰা, ২০১৬

৬। বৰুৱা, অতুল চন্দ্ৰ ঃ অসমীয়া লোক সাহিত্য, অসম বুক ডিপো, গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৮৪

৭। বৰ্মন, প্ৰণীতা ঃ'অসমীয়া আৰু ৰাভা ভাষাৰ প্ৰবাদ- প্ৰবচনত সামাজিক- সাংস্কৃতিক জীৱন' ,অসমীয়া আৰু ৰাভা ভাষাৰ প্ৰবাদ- প্ৰবচন ঃ এটি অধ্যয়ন (অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, গুৱাহাটী বিশ্ববিদ্যালয়), ২০১৫

৮। শৰ্মা, নবীন চন্দ্ৰ ঃ লোকসংস্কৃতি, চন্দ্ৰ প্ৰকাশ গুৱাহাটী, প্ৰথম প্ৰকাশ, ১৯৯৭ খ্ৰীঃ

৯। শৰ্মা, নবীন চন্দ্ৰ ঃ লোকসংস্কৃতি আভাস, চন্দ্ৰ প্ৰকাশ গুৱাহাটী,

১০। ৰাভা হাকাচাম, উপেন (সম্পা.) ঃ অসম সাহিত্য সভা পত্ৰিকা, নাৰী বিশেষ সংখ্যা, চতুঃষষ্ঠিতম বৰ্ষ, প্ৰথম সংখ্যা, জুন ২০০৯

১১। ৰাভা হাকাচাম, উপেন ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ২০০৮

১২। Dundes, Alan (ed.) : The Essays in Folkloristics, meerut, 1978


■■

# সাংবাদিকতাৰ সংকট আৰু সাংবাদিকৰ দিনলিপি

কুমুদ বৰুৱা
জ্যেষ্ঠ সাংবাদিক, অসমীয়া প্ৰতিদিন

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভটো শক্তিশালী কৰি ৰখাৰ ক্ষেত্ৰত সাংবাদিকৰ ভূমিকা
অপৰিসীম। ইয়াৰ বাবে সাংবাদিকসকল হ'ব লাগিব সাহসী, পৰিশ্ৰমী, অনুসন্ধিৎসু আৰু
নিৰপেক্ষ গুণৰ অধিকাৰী। নিৰ্ভীক, নিৰপেক্ষ বাতৰি সত্য আৰু শুদ্ধ ৰূপত সমাজৰ
সন্মুখত দাঙি ধৰাই হ'ল সাংবাদিকৰ প্ৰধান দায়িত্ব আৰু কৰ্তব্য। স্বাধীনোত্তৰ কালৰে
পৰা সাংবাদিকসকলে সন্মানীয় পেচাটোত জড়িত হৈ সামাজিক দায়বদ্ধতাৰে সেৱা
আগবঢ়াই আহিছে। পিছে একাংশ সংবাদ মাধ্যমৰ সাংবাদিকৰ ওপৰত নিয়ন্ত্ৰণহীনতাই
এই পেচাটোক বদনামী কৰাই নহয় জনসাধাৰণৰ আস্থা হেৰুৱাবলৈ লৈছে। সমান্তৰালভাৱে
সংবাদ ক্ষেত্ৰখনত ক'ৰ্পৰেট গোষ্ঠীৰ দপ্‌দপনি, ৰাজনৈতিক নেতাৰ হস্তক্ষেপ আৰু
সাংবাদিকৰ নিগ্ৰহৰ ঘটনা গুৰুত্বপূৰ্ণ সমস্যা হিচাপে দেখা দিছে। ভাৰতবৰ্ষৰ সৰ্বাধিক
প্ৰচলিত বহুকেইখন কাকত সম্প্ৰতি ক'ৰ্পৰেট গোষ্ঠীৰ হাতত থকাৰ লগতে অসমকে
ধৰি ভাৰতৰ বিভিন্ন ৰাজ্যত এচাম ৰাজনৈতিক নেতাই বাতৰি কাকত আৰু বৈদ্যুতিন
মাধ্যমৰ মালিকীস্বত্ব গ্ৰহণ কৰাটোও চিন্তনীয় বিষয় হিচাপে পৰিগণিত হৈছে। এনে
সমস্যাৰ মাজতে বাতৰি কাকতৰ প্ৰচলন বৃদ্ধি আৰু বৈদ্যুতিন মাধ্যমৰ টি.আৰ.পি. বৃদ্ধিৰ
বাবে একাংশ সংবাদ মাধ্যমৰ বাতৰি পৰিৱেশন শৈলীয়ে জনসাধাৰণক বিতুষ্ট কৰিছে।
ইয়াৰ বিৰূপ প্ৰভাৱ সাংবাদিকসকলৰ ওপৰতো পৰিছে। দেখা গৈছে, কোনো এক
ঘটনাস্থলীত বৈদ্যুতিম মাধ্যমৰ সাংবাদিক উপস্থিত হোৱাৰ পিছত কেমেৰাৰ সন্মুখত
দুষ্কৃতিকাৰীয়ে উদ্ভণ্ডালি আৰম্ভ কৰা, ৰাজহুৱা সম্পত্তি নষ্ট কৰা, অভিযুক্তক মাৰপিত
কৰা আদিৰ বাবে বহু সময়ত সাংবাদিকক জগৰীয়া কৰা হয়। আনহাতে, সাংবাদিকক
খবৰ দিয়াৰ পিছতো ঘটনাস্থলীত সাংবাদিক উপস্থিত নহ'লে বিভিন্ন সমালোচনাৰ সন্মুখীন
হ'বলগা হয়। প্ৰকাশৰ বাবে অনুপযোগী আৰু ভিত্তি নথকা বাতৰিসমূহ প্ৰকাশ নকৰিলে
বাতৰিৰ খবৰ দিওঁতাই সাংবাদিকে টকা খাই বাতৰি প্ৰকাশ নকৰা বুলি বদনাম উলিয়ায়।
সাংবাদিক মেনেজ হোৱা বুলি কুৎসা ৰটনা কৰা হয়। আনহাতে, বাতৰিৰ সত্যতা থাকিলেও
বাতৰি প্ৰকাশ হোৱাৰ পিছত বহু দুৰ্নীতিগ্ৰস্ত চৰকাৰী বিষয়া, চিকিৎসক, ব্যৱসায়ী আদিয়ে
কোটি টকাৰ মানহানি গোচৰ তৰি সংবাদগোষ্ঠী আৰু সাংবাদিকক হাৰাশাস্তি কৰি আহিছে।
গোচৰৰ পৰৱৰ্তী পৰ্যায় হৈছে সাংবাদিক নিগ্ৰহ। সাংবাদিকতা যেতিয়া এচাম দুৰ্নীতিগ্ৰস্ত আৰু অসাধু লোকৰ বাবে ভাবুকি হৈ পৰে তেতিয়াই সাংবাদিকৰ ওপৰত আক্ৰমণৰ ঘটনা ঘটে। নব্বৈ দশকৰ পৰা বৰ্তমানলৈকে ৰাজ্যত চাব্বিশ জন সাংবাদিক এনে ধৰণৰ ঘটনাৰ বলি হৈছে আৰু বহুজন ঘূণীয়া হৈছে।

লক্ষণীয়ভাৱে অসমত সাংবাদিকৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাৱলীয়ে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্ব লাভ কৰিবলৈ সক্ষম হোৱা নাই।

## সাংবাদিকৰ দিনলিপি

বিচিত্ৰ অভিজ্ঞতাৰে ভৰা সাংবাদিকৰ জীৱন। আজি যদি কোনোৱে দামী হোটেলত সংবাদমেলৰ আয়োজন কৰি সুস্বাদু আহাৰেৰে সাংবাদিকক আপ্যায়ন কৰিছে; কাইলৈ হয়তো দিনটো লঘোণে ভোকে থাকি দুৰ্গম স্থানত সংবাদ সংগ্ৰহত ব্যস্ত থাকিবলগা হৈছে। প্ৰকাশিত বাতৰিৰ বাবে কোনোৱে যদি পুৱাই ধন্যবাদ জনাইছে, কোনোৱে আকৌ প্ৰকাশিত বাতৰিত খড়্গহস্ত হৈ ব্ৰহ্মপুৱাতে সাংবাদিকক ফোনতে কটু কথা শুনাইছে।

ইয়াৰ মাজতে থাকে বাতৰি প্ৰকাশ বন্ধ ৰাখিবৰ বাবে সাংবাদিকক দিয়া প্ৰলোভনৰ দৰে প্ৰস্তাৱ। সমান্তৰালভাৱে টোপনি আৰু খাদ্যাভ্যাসৰ লগতে মানসিক চাপ আদিৰ বাবে সাংবাদিকসকলে বিভিন্ন ৰোগ বৈ ফুৰিব লগা হয়। কিন্তু সমস্যা আৰু বেদনাবোৰ একাষৰীয়া কৰি সাংবাদিকসকলে যন্ত্ৰৱৎ সেৱা আগবঢ়াই যায়। ইপিনে সংবাদ সংগ্ৰহৰ বাবে একোজন সাংবাদিকে বিভিন্ন কৌশল অৱলম্বন কৰিবলগা হয়। সন্মুখীন হ'বলগা হয় বিভিন্ন পৰিৱেশৰ। এই সকলোবোৰ মিলি প্ৰতিদিনে সৃষ্টি হয় একোটা কাহিনী।

**কাহিনী-এক**

ম'বাইল ফোন ওলোৱা বেছিদিন হোৱা নাই। ম'বাইল ফোনৰ ব্যৱহাৰ তেতিয়া ব্যয়সাধ্য আছিল। ম'বাইল ফোন থকা বহুতে অন্যক মিছকল দিয়া দিনৰ কথা। এদিন এজন যুৱকে মোলৈ মিচ কল দি ফোনতে চিনাকি হৈছিল। মাজে-সময়ে বিভিন্ন খা-খবৰ দিছিল। মিচ কল দি খা-খবৰ দিয়াৰ বাবে মোৰ ফোনত তেওঁৰ নামটো মিচ কল বুলিয়েই চেভ কৰিছিলোঁ। এদিন লক্ষীমপুৰ নগৰৰ ত্যাগক্ষেত্ৰত চলি থকা আনন্দ মেলাত মিচকলক প্ৰথম দেখা পালোঁ। আনন্দ মেলাত সংঘটিত এটা ঘটনাৰ খবৰ মোলৈ দিয়াৰ সময়ত মই মিচকলৰ ওচৰতে আছিলোঁ। কথা প্ৰসংগত তেওঁ সৰু-সুৰা ব্যৱসায় কৰি চলি থকা বুলি ক'লে।

অন্য এদিনৰ কথা। নগৰৰ দৈনিক বজাৰত মানুহৰ জুম এটা দেখি চাপি যাওঁতে দেখিলোঁ দুজনমানে মিচকলক বেৰি লৈ লপাথপা দি আছে। মিচকলে কিবা চুৰ কৰিছিল বোলে। মই মিচকলক সহায় কৰিব পৰা নাছিলোঁ। বহুদিন মিচকলৰ লগত যোগাযোগ নাই। এদিন চিভিল হাস্পতালত মিচকলৰ লগত ভেটাভেটি হ'ল। মিচকলে মোক বেয়া পোৱা বুলি আক্ষেপেৰে ক'লে। লগতে দৈনিক বজাৰৰ ঘটনাত মই তেওঁক সহায় নকৰাৰ কথাও ক'লে। মই কিবা কোৱাৰ আগতে মিচকলেই আৰম্ভ কৰিলে। মিছা কৈ লাভ নাই, পকেট মৰাই মোৰ একমাত্ৰ উপাৰ্জন। অনিচ্ছাকৃতভাৱে হ'লেও মই বেয়া কাম বুলি জানিও এই কাম কৰি যাওঁ। চুৰি কৰা বেগত পোৱা লাগতিয়াল কাগজ, এটিএম কাৰ্ড মই গৰাকীক যিকোনো প্ৰকাৰে দিয়াৰ ব্যৱস্থা কৰোঁ। সিদিনা দৈনিক বজাৰত মই অন্য বস্তু চুৰ কৰা নাছিলোঁ। বাইক এখনৰ হেণ্ডেলৰ পৰা এক কেজিমান কমলাৰ টোপোলা এটাহে নিছিলোঁ।

মিচকলৰ কথাবোৰ আৱেগিক হৈ পৰিল।

জানে দাদা-মোৰ এবছৰীয়া ছোৱালীজনীয়ে এফুটা কমলা হাতত লৈ চুপি চুপি খোৱা দৃশ্যটো চাই মোৰ বৰ ভাল লাগে। বজাৰ কৰা লাগতিয়াল বস্তু কমকৈ নি হ'লেও মই তাইলৈ সদায় এটা কমলা কিনো। কিন্তু কেইবাদিনো মোৰ এটকাও ইনকাম নাছিল। ছোৱালীজনীয়ে কমলা খোৱা দৃশ্যটো মনলৈ অহাৰ সময়ত বাইকখনৰ হেণ্ডেলত থকা কমলাৰ টোপোলাটোলৈ চকু গ'ল...

মিচকলক সিদিনা মোৰ অসুবিধাৰ কথাটো বুজাবলৈ চেষ্টা কৰিলোঁ। লগতে মোক বেয়া নাপাবলৈ ক'লোঁ। সি কি বুজিলে নাজানো। কিন্তু তেওঁৰ ছোৱালীজনীলৈ কিনি দিয়া কমলাকেইটা নিনিলে।

মিচকলৰ দৰে সাধাৰণ বুলি ভবা বহু চৰিত্ৰই মোৰ সাংবাদিকতাৰ সেৱাত সহায়ক হোৱাকৈ অসাধাৰণ সেৱা আগবঢ়াই আহিছে।

ভাৱ হয় মিচকলৰ নিচিনা চোৰতকৈ চৰকাৰী আঁচনিৰ ধন লুণ্ঠন কৰি সম্পদশালী হোৱা আমোলা-বিষয়াসকলহে প্ৰকৃত অপৰাধী।

**দুই**

নগৰৰ এন আৰ এল পেট্ৰ'ল পাম্পত উগ্ৰপন্থীয়ে এজন কৰ্মচাৰীক গুলীয়াই হত্যা কৰা ঘটনাত আৰক্ষীয়ে এজন যুৱকক আটক কৰে। আৰক্ষীয়ে খবৰটো সংবাদ মাধ্যমক জনোৱাত মই সংশ্লিষ্ট আৰক্ষী চকীত উপস্থিত হ'লোঁগৈ। আৰক্ষীয়ে আটকাধীন অপৰাধীক মোৰ ওচৰলৈ আনিলে। অপৰাধীয়ে হত্যা কাণ্ডত জড়িত থকাৰ কথা স্বীকাৰ নকৰে। তদন্তকাৰী আৰক্ষী বিষয়াগৰাকীৰ মতে উগ্ৰপন্থীৰ দলটোৰ সিও এগৰাকী সক্ৰিয় সদস্য। প্ৰথমাৱস্থাত এই হত্যাকাণ্ডত ধৃত যুৱকজন জড়িত থকা বুলি ধাৰণা কৰিছিলোঁ যদিও পিছত নিশ্চিত হ'লোঁ যে সি অন্ততঃ এই হত্যাকাণ্ডত জড়িত নহয়। আৰক্ষী বিষয়াগৰাকীৰ অদ্ভুত যুক্তি আছিল-ধৃত যুৱকজনৰ লাইফষ্টাইল পদ্ধতি সন্দেহজনক।

যুৱকজনক মই মণিহাৰী নামেৰে চিনি পাইছিলোঁ। অৱশ্যে তেওঁ মোক চিনি নাপায়। চাইকেলত গাঁৱে গাঁৱে মণিহাৰী সামগ্ৰী বিক্ৰী কৰি ফুৰে। সেয়েহে মণিহাৰী নামেৰে যুৱকজন পৰিচিত। অৱশ্যে


ব্যৱসায় বৰ বেয়া চলিলে চোৰৰ দলৰ লগত মাজে-সময়ে যায় বুলি জানো। পিছে মণিহাৰীৰ দিন ভাল নাছিল তাক জেললৈ প্ৰেৰণ কৰা হৈছিল। মণিহাৰীৰ দৰে যুৱকক জেলত ভৰোৱা ঘটনা প্ৰায়ে ঘটি থাকে। এনে বহু ঘটনা আন্ধাৰতে থাকি যায়। নিৰপেক্ষভাৱে চালে দেখা যায় যে-অসম আৰক্ষীৰ সমস্যাসমূহ দূৰ কৰাৰ ক্ষেত্ৰত চৰকাৰ সম্পূৰ্ণ উদাসীন। তেনেদৰে আৰক্ষীৰ আধুনিকীকৰণ ব্যৱস্থাও বাস্তৱক্ষেত্ৰত কাৰ্যকৰী হোৱা নাই। এনে পৰিপ্ৰেক্ষিতত বহুসময়ত সন্মান বচাবৰ বাবেও নিৰপৰাধী লোকক আৰক্ষীয়ে আটক কৰিবলগা হয়।

## তিনি

নগৰৰ সূৰ্য চিনেমা হলৰ সমীপত সংঘটিত পথ দূৰ্ঘটনাত চাইকেল চলাই যোৱা এজন অনাঅসমীয়া যুৱকৰ মৃত্যু হৈছিল। উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিয়াৰ পথত যুৱকজনৰ মৃত্যু হৈছিল। মৃতকৰ আত্মীয় আৰু নগৰৰ দৈনিক বজাৰৰ একাংশ ব্যৱসায়ীৰ অভিযোগ আছিল যে-দূৰ্ঘটনাত আহত যুৱকজনৰ চিকিৎসা প্ৰদানত চিকিৎসকে অৱহেলা কৰিছিল। ইয়াৰোপৰি উন্নত চিকিৎসাৰ বাবে সোনকালে গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'লে আদবাটতে যুৱকজনৰ মৃত্যু নহ'লহেঁতেন।

পিছদিনা চিকিৎসকজনৰ বিৰুদ্ধে বাতৰি প্ৰকাশ হ'ল। বাতৰি পাই চিকিৎসকগৰাকী ক্ষুণ্ণ হৈছিল আৰু প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত স্পষ্টীকৰণ দিছিল। কিন্তু স্পষ্টীকৰণক লৈ চিকিৎসকগৰাকী সন্তুষ্ট হোৱা নাছিল। ইয়াৰ বাবে তেওঁ আমাৰ কাকতৰ বিৰুদ্ধে এক কোটি টকাৰ মানহানি গোচৰ তৰিছিল। গোচৰ চলি থাকিল। এটা তাৰিখত আমাৰ অধিবক্তাই চিকিৎসকগৰাকীক আদালতৰ মজিয়াত জেৰা কৰিলে। জেৰাত দূৰ্ঘটনাত আহত যুৱকজনৰ চিকিৎসাৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰা হৈছিল আৰু কি নিদান দিয়া হৈছিল ইয়াৰ সম্পূৰ্ণ তথ্য বিচাৰিলে। লগতে সমাজত তেওঁৰ সন্মান কিমান অৰ্থাৎ তেওঁ সমাজৰ সন্মানীয় ব্যক্তি হয়নে নহয় আদালতৰ বিধি অনুযায়ী এই তথ্যও বিচৰা হ'ল (চিকিৎসক হ'লেও সন্মানীয় ব্যক্তি নহ'ব পাৰে-আদালতৰ মতে)। আদালতে বিচৰা তথ্য-পাতিবোৰ দেখুৱাব নোৱাৰাৰ বাবে চিকিৎসকগৰাকী গোচৰটোত হাৰিল।

সাংবাদিকৰ জীৱনত এনে অলেখ ঘটনা সংঘটিত হয়। কিছুমান বিৰক্তিদায়ক আৰু কিছুমান ৰোমাঞ্চকৰ। কিছুমান বেদনা দায়ক ঘটনাই কেতিয়াবা মনটো শোকাচ্ছন্ন কৰি পেলায়। ইয়াৰ মাজতে সংবাদ সৈনিকসকলে যুদ্ধ চলাই যাব লাগিব। সমাজ, স্বদেশ আৰু স্বজাতিক ভাল পোৱাৰ পূৰ্ণ অনুভূতি আৰু চৰ্তলৈ যুদ্ধক্ষেত্ৰত অৱতীৰ্ণ হ'ব লাগিব।



দুয়োফালে ধাৰ থকা এখন তৰোৱাল সদৃশ

# ৰোমাঞ্চকৰ- জনপ্ৰিয় সামাজিক মাধ্যম আৰু ছাত্ৰ সমাজ

**শৈলেন বৰুৱা**
**জ্যেষ্ঠ সাংবাদিক, আমাৰ অসম**

বিশ্বজুৰি সামাজিক মাধ্যম জনপ্ৰিয় হৈছে। তাৎক্ষণিক যোগাযোগ আৰু উৎকৰ্ষতাৰ মাধ্যম ৰূপেও বিবেচিত হৈছে সামাজিক মাধ্যমসমূহ। মাধ্যম— এনে এটা শব্দ যাৰ অৰ্থ ব্যাপক। এক কথাত চমুকৈ বুজাবলৈ হ'লে এজনৰ লগত এজনৰ বা এজনৰ লগত দহজনৰ সংযোগী পন্থাটোকেই মাধ্যম বোলা হয়। এটা উদাহৰণেৰে মাধ্যমক বিশ্লেষণ কৰিলে দেখা যায়— নদী এখনৰ দুইকুল সংযোগৰ প্ৰাচীন মাধ্যম আছিল নাও বা ভুৰ। একেখন নদীৰ অৰ্বাচীন মাধ্যম হ'ল এখন দলং। মাধ্যমৰ পৰিৱৰ্তন হয়। এই পৰিৱৰ্তন দ্ৰুতৰ পৰা দ্ৰুততৰ হয়; পৰিৱৰ্তিত সময়ত নদীখন পাৰ হ'বলৈ নাৱেৰে যিমান সময় লাগিছিল তাৰ তুলনাত দলঙেৰে পাৰ হ'বলৈ কম সময় লাগে। একেদৰে নাৱেৰে পাৰ হ'বলৈ যিমান কষ্ট কৰিব লগা হৈছিল তাৰ তুলনাত দলঙেৰে যাতায়াত অধিক সুচল হৈ পৰিল। এই তুলনাৰ পৰাই স্পষ্ট হয় মানৱ সমাজে সময়ৰ ইতিহাসত মাধ্যমৰ পৰিৱৰ্তন সাধে নিজা প্ৰয়োজনত তথা নিজা সুবিধাৰ বাবে।

...ৰেডিঅ' তৰংগক চালুকীয়া অৱস্থাত জাহাজৰ সমূহৰ মাজত বা মাজ সাগৰৰ পৰা উপকূললৈ বাৰ্তা প্ৰেৰণৰ বাবেহে ব্যৱহাৰ কৰিছিল। তেতিয়া ৰেডিঅ' তৰংগ আছিল মুক্ত আৰু যি ইচ্ছা কৰে সিয়েই ব্যৱহাৰ কৰিব পাৰিছিল...

গণ মাধ্যমেও বিভিন্ন স্তৰ পাৰ হৈ আহিছে। শিল্প বিপ্লৱে আনি দিয়া প্ৰচুৰ সহজলভ্য উপাদানক ভিত্তি কৰিয়ে পৰৱৰ্তী সময়ত গণ মাধ্যমৰ ৰূপ, গুণ, অলংকাৰ সলনি হৈ আহিছে। ৰেডিঅ'ৰ অৱিস্কাৰে গণ মাধ্যমত জোৱাৰ তুলিছিল। কিন্তু ৰেডিঅ' তৰংগক চালুকীয়া অৱস্থাত জাহাজৰ সমূহৰ মাজত বা মাজ সাগৰৰ পৰা উপকূললৈ বাৰ্তা প্ৰেৰণৰ বাবেহে ব্যৱহাৰ কৰিছিল। তেতিয়া ৰেডিঅ' তৰংগ আছিল মুক্ত আৰু যি ইচ্ছা কৰে সিয়েই ব্যৱহাৰ কৰিব পাৰিছিল। কিন্তু ৰেডিঅ'ৰ তৰংগ ব্যৱহাৰেৰে যে গণ মাধ্যমলৈ পৰিৱৰ্তন হৈ প্ৰচুৰ জনপ্ৰিয়তা আনিব পাৰে তাৰ সাক্ষী আছিল— টাইটানিক নামৰ আটলাণ্টিক মহাসাগৰত ডুব যোৱা সেই দুৰ্ভগীয়া জাহাজখন।

নিউয়ৰ্কৰ এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ ওপৰত মাৰ্কনি কোম্পানীৰ যুৱ অপাৰেটৰ ডেভিড চাৰনভে ১৯৪২ চনৰ ১৫ এপ্ৰিলত কৰ্মৰত অৱস্থাতে লাভ কৰে এক ত্ৰাৰ্ণ বাৰ্তা। সেয়া আছিল টাইটানিক ক্ৰমশঃ ডুবিবলৈ ধৰা আৰু সহায় বিচাৰি প্ৰেৰণ কৰা এক বাৰ্তা। সুদীৰ্ঘ ৭২ ঘণ্টা ধৰি নিজ কামত লাগি এইজন যুৱ অপাৰেটৰজনে বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ সাংবাদিকলৈ প্ৰেৰণ কৰিছিল টাইটানিক ডুব যোৱাৰ সংবাদ। এফালে উদ্ধাৰ কাৰ্যৰ বাবে বাৰ্তা প্ৰেৰণ, আনফালে সংবাদ যোগান। এই দুই কৰ্মৰ ফলতে ৰেডিঅ' তৰংগও যে বাতৰি বা গণ মাধ্যমৰ দ্ৰুত বাৰ্তাবাহক হ'ব পাৰে সেই কথা প্ৰমাণ হৈছিল। এই ঘটনাৰ বহু পূৰ্বৰে পৰা অৰ্থাৎ প্ৰথম বিশ্বযুদ্ধৰ (১৯১৪-১৮) পিছৰে পৰা ৰেডিঅ' তৰংগৰ ব্যৱহাৰ হৈ আছিল যদিও এক কথাত ই বাতৰি মাধ্যমৰূপে ব্যৱহাৰ হোৱা নাছিল।

এই ঘটনাই প্ৰমাণ কৰে প্ৰথম অৱস্থাত একেটা মাধ্যমৰ আৰম্ভণিক লৈ কোনোধৰণৰ ভৱিষ্যদ্বাণী কৰিব পৰা নাযায়। সেইসূত্ৰে বৰ্তমানৰ সামাজিক মাধ্যমৰ ব্যৱহাৰ আৰু জনপ্ৰিয়তা আজিৰ দৰেই থাকিব বুলি ক'ব পৰা নাযায়। টেলিগ্ৰাফ যন্ত্ৰৰ সহায়ত ১৮৪৪ চনৰ ২৪ মে'ত আমেৰিকাৰ চিত্ৰশিল্পী তথা নিউয়ৰ্ক বিশ্ববিদ্যালয়ৰ ললিত কলা বিভাগৰ অধ্যাপক এফ বি মৰ্ছে 'ডট এণ্ড দ্যাচ' সংকেত উদ্ভাৱন কৰি বাল্টিমোৰৰ পৰা ৱাশ্বিংটন ডি চি লৈ দূৰ সংযোগৰ প্ৰথম বাৰ্তা প্ৰেৰণ কৰি বিশ্বৰ প্ৰথম দূৰ সংযোগৰ যুগ আৰম্ভ কৰে। পৰ্যায়ক্ৰমে এই দূৰ সংযোগৰ বিকাশ সাধন হৈছে আৰু আজিও ইয়াৰ ৰূপান্তৰিত প্ৰভাৱ মানৱ জাতিৰ মাজত আছে। সেয়েহে ক'ব পাৰি ১৮৯৬ চনত গুগলিয়েলমো মাৰ্কনিয়ে অনাতাঁৰ যন্ত্ৰ আৱিষ্কাৰ কৰাৰ চাৰিটা দশকৰ পিছত সংঘটিত টাইটানিক দুৰ্ঘটনাই ইয়াৰ চমকপ্ৰদ প্ৰসাৰ ঘটাবলৈ সক্ষম হৈছিল। ঠিক একেদৰে ১৯৪৫ চনত প্ৰসিদ্ধ ব্ৰিটিছ কল্প কাহিনী লেখক আৰ্থাৰ চি ক্লাৰ্কে ৰচনা কৰা 2001: A Space Odyssey নামৰ গ্ৰন্থত মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপন কৰাৰ অবিশ্বাস্য কাহিনী সন্নিৱিষ্ট হৈছিল। তাত লেখকে পৃথিৱীৰ পৰা মহাকাশৰ উপগ্ৰহলৈ প্ৰেৰণ কৰা শব্দ, সংকেত পুনৰ পৃথিৱীলৈ ঘূৰাই পঠাব পৰা যায় বুলি উল্লেখ কৰা কল্পিত কাহিনীৰ ভিত্তিতে ১৯৫৭ চনৰ ৪ অক্টোবৰত ছোভিয়েট ৰাছিয়াই স্প'টনিক-১ নামৰ কৃত্ৰিম উপগ্ৰহ মহাকাশত স্থাপন কৰে। ১৯৫৮ চনৰ ৩১ জানুৱাৰীত আমেৰিকাই এক্সপ্লোৰাৰ-১ আৰু ১৯৭৫ চনৰ ১৯ এপ্ৰিলত ভাৰতে আৰ্যভট্ট নামৰ কৃত্ৰিম উপগ্ৰহ মহাকাশত স্থাপন কৰি আৰ্থাৰ চি ক্লাৰ্কে কৰা কল্পনা বা অবিশ্বাস্য ঘটনাক বিশ্বাসযোগ্য আৰু বাস্তবায়িত কৰি তোলে।

দেখাত ওপৰৰ কথাখিনিৰ লগত আজিৰ বিষয়-সামাজিক মাধ্যমৰ সৈতে সামঞ্জস্য নাই যেন লাগে। কিন্তু এইখিনি তথ্য বেকত কৰাৰ মূল উদ্দেশ্য হ'ল— সামাজিক মাধ্যমৰ পূৰ্বে গণ মাধ্যমৰ বিকাশ আৰু স্তৰ জনাটো অতীব প্ৰয়োজন। যিহেতু একোটা মাধ্যমৰ জন্ম কাহিনী আৰু প্ৰসাৰৰ লগত সেই কালৰ অদ্ভুত-অবিশ্বাস্য কাহিনীৰ লগতে সামাজিক জীৱন সংপৃক্ত হৈ আছে সেয়ে গণ মাধ্যমৰ ইতিহাসৰ সম্যক জ্ঞান নহ'লে সামাজিক মাধ্যমৰ গুৰুত্ব বুজি পোৱাত অসুবিধা হয়। গণ মাধ্যমৰ বোকোচাত উঠিয়েই পালিত হৈছে- সামাজিক মাধ্যম। সামাজিক মাধ্যম বুলি ক'লে আমি সততে ফেচবুক আৰু ৱাটছ এপৰ কথাই জানো। কিন্তু ইয়াৰ উপৰি Google.plus, Blogs, Twitter, Instagram, You tube আদিও সামাজিক মাধ্যমৰ অন্তৰ্ভুক্ত।

সাম্প্ৰতিক বিশ্বত ফেচবুক ব্যৱহাৰকাৰীৰ সংখ্যা ৫০০ মিলিয়ন

অতিক্ৰম কৰিছে। টুইটাৰ ব্যৱহাৰকাৰীৰ সংখ্যা ২০০ মিলিয়নৰ ওপৰ হৈছে। ব্লগ, ই টিউব আদিৰ ব্যৱহাৰকাৰীৰ প্ৰকৃত তথ্য পাবলৈ নাই। বিশ্বৰ কোটি কোটি মানুহে এই সামাজিক মাধ্যমবোৰ ব্যৱহাৰ কৰাৰ মূল কাৰণ কি হ'ব পাৰে? এইক্ষেত্ৰত নানা মুনিৰ নানা মত পোৱা যায়। সকলো কথা বিতংকৈ আলোচনা কৰিবলৈ হ'লে ই এখন গ্ৰন্থৰ ৰূপ পাব। সেয়ে থাউকতে ক'বলৈ হ'লে মানুহে তথ্য সৰবৰাহ সচেতনতাৰ লগতে মনোৰঞ্জনৰ মাধ্যম ৰূপেই সামাজিক মাধ্যম ব্যৱহাৰ কৰিবলৈ ধৰিছে। দ্বিতীয়তে গণ মাধ্যমে সমাজ এখন সামগ্ৰিক ভাৱে সামৰি লয়। ব্যক্তি বিশেষৰ ক্ষেত্ৰত গণ মাধ্যম দায়বদ্ধ নহয় বা ব্যক্তিকেন্দ্ৰিক ৰূপে গণ মাধ্যম পৰিচালিত নহয়। তাৰ বিপৰীতে সামাজিক মাধ্যমে ব্যক্তিৰ পৰা ব্যক্তিলৈ, ব্যক্তিৰ পৰা অনুষ্ঠানলৈ বা ব্যক্তিৰ পৰা ৰাজহুৱা ক্ষেত্ৰলৈ অবাধে বিচৰণ কৰিব পৰা সুযোগ-সুবিধাৰ বাবেই ই ব্যক্তি বা ব্যক্তি সমষ্টি বা সমাজৰ মাজত গুৰুত্ব লভিবলৈ সক্ষম হৈছে। তদুপৰি সামাজিক মাধ্যমৰ কোনো নিৰ্দিষ্ট পৰিচালক নথকাৰ বাবে প্ৰতিজন লোকেই ইয়াত মুক্ত বিচৰণ কৰিব পাৰে, বিনাদ্বিধাই মনৰ ভাৱ প্ৰকাশ কৰিব পাৰে, বিতৰ্কৰ ধুমুহাৰ সৃষ্টি কৰিব পাৰে, নিজৰ বুদ্ধিদীপ্ততাক প্ৰকট কৰি তুলিব পাৰে। ফলত একোজন একোজনকৈ ব্যক্তিৰ মত সংগঠিত কৰি সমাজৰ ভালৰ বাবে সামাজিক মাধ্যমতে একোখন সমাজ (গ্ৰ'প) গঠন হোৱা দেখা যায়। এই মুক্ত চিন্তাৰ সামাজিক প্লেটফৰ্মখনে সেয়েহে দিনে দিনে সামাজিক ক্ষেত্ৰত বিপুল জনপ্ৰিয়তা অৰ্জন কৰিছে। অৱশ্যে পৰিচালকবিহীন ভাৱে পৰিচালিত সামাজিক মাধ্যম লেকাম নোহোৱা ঘোঁৰাৰ দৰে হোৱাৰ বাবে বহুক্ষেত্ৰত সামাজিক মাধ্যমৰ নেতিবাচক দিশো প্ৰকট হয়। এই আলোচনাৰ বিষয় যিহেতু সামাজিক মাধ্যমৰ গুৰুত্ব আৰু ছাত্ৰ সমাজত ইয়াৰ প্ৰভাৱ। সেয়ে ইয়াৰ সামগ্ৰিক নেতিবাচক দিশ পৰ্যালোচনা কৰাৰ এয়া সময় নহয়। ইয়াৰ বিপৰীতে ছাত্ৰ সমাজত পৰা ইতিবাচক-নেতিবাচক দিশহে পিছৰ পৰ্যায়ত আলোচনা কৰা হ'ব।

সামাজিক মাধ্যমৰ প্ৰভাৱ ছাত্ৰ সমাজৰ ওপৰত পৰে। এই প্ৰভাৱ ধনাত্মক বা ইতিবাচক ৰূপত পৰাৰ সমান্তৰাল ভাৱে ঋণাত্মক বা নেতিবাচক ৰূপতো পৰা দেখা যায়। প্ৰথম কথা ছাত্ৰই সামাজিক মাধ্যম ব্যৱহাৰ কৰে কিয়? ইয়াৰ উত্তৰ এয়ে যে নজনাক জনাৰ আৰু নেদেখাক চোৱাৰ মানুহৰ স্বভাৱজাত বৈশিষ্ট্যৰ বাবে ছাত্ৰ সমাজেও সামাজিক মাধ্যমত ভুমুকি মাৰে। এই মনস্তাত্বিক কাৰণৰ লগতে তথ্যৰ বাবে ছাত্ৰই ইন্টাৰনেট চাৰ্চ কৰে। সামাজিক মাধ্যমৰ ভিতৰত ফেচবুক যিহেতু এক জনপ্ৰিয় চাইট সেয়ে ফেচবুকৰ প্ৰথম প্ৰেমত পৰাৰ পিছত যিকোনো এজন ছাত্ৰই ইয়াৰ পৰা সহজে মূৰ দাঙিব নোৱাৰে। কাৰণ ফেচবুকত ছাত্ৰ এজনৰ বাবে প্ৰয়োজনীয়-অপ্ৰয়োজনীয় সকলো ধৰণৰ মানসিক খাদ্যৰ অভাৱ নাই। কাৰোবাৰ যদি চিত্ৰকলাত ৰাপ তেওঁ ফেচবুকৰ জৰিয়তে ভাৰ্চুৱেল পৃথিৱীখনত চিত্ৰৰ ৰং-ৰূপ পান কৰিব পৰা বিপুল সম্ভাৰ প্ৰতিনিয়তে লাভ কৰে। ৰাজনীতি, অৰ্থনীতি, বিজ্ঞান, চিনেমা, গান, কবিতা, ফটোগ্ৰাফী আদি সকলো বিষয়ৰ বিবিধ সম্ভাৰ ফেচবুকৰ বুকুতে লুকাই আছে। কৈশোৰ বা যুৱ কালৰ ছাত্ৰ এজনৰ বাবে আজিৰ পৃথিৱীৰ নিত্য নতুন খবৰ বা উপাদান ফেচবুকত উপলব্ধ।

ছাত্ৰৰ বাবে তথ্যৰ প্ৰয়োজন হয়, এই তথ্য যিকোনো সামাজিক মাধ্যমত আছে বা বিচাৰিলে আনে যুগুতাই দিয়ে। ইয়ে প্ৰমাণ কৰে শ্ৰেণী কোঠাত ছাত্ৰজনৰ শিকন কম হৈছে। যাৰ বাবে তেওঁ সামাজিক মাধ্যমলৈ যাব লগা হৈছে। ফলত ছাত্ৰজনে শ্ৰেণী কোঠাৰ শিক্ষণ পদ্ধতিৰ প্ৰতি অনিহা প্ৰকাশ কৰি ভাৰ্চুৱেল পৃথিৱীখনত ভ্ৰমণৰ বাবে আগ্ৰহী হৈ পৰে। ই নিশ্চিত ভাৱেই ছাত্ৰজনৰ বাবে সামাজিক মাধ্যমৰ নেতিবাচক প্ৰভাৱ। এই কথা বিশ্বজুৰি চৰ্চিত হৈছে যে যিসকল ছাত্ৰই ছ'চিয়েল মিডিয়াৰ কেবাটাও চাইট উপভোগ কৰে, তেওঁলোকৰ বিদ্যায়তনিক পাৰদৰ্শিতা হ্ৰাস পায়। সৃজন শক্তিৰ ক্ষেত্ৰতো নেতিবাচক প্ৰভাৱ পৰে। অত্যধিক পৰিমাণে সামাজিক মাধ্যম ব্যৱহাৰ কৰাৰ ফলত ছাত্ৰৰ মন সংযোগ সক্ষমতা হ্ৰাস পায়। যি কথা শ্ৰেণী কোঠাত পৰিস্ফুত হয়। সামাজিক মাধ্যমত বেছি সময় খৰচ কৰা ছাত্ৰৰ বাস্তৱত সামাজিক মানুহ হ'বলৈ সময়ৰ অভাৱ ঘটে। কাৰণ ভাৰ্চুৱেল পৃথিৱীত

মানুহৰ মুখামুখি নোহোৱাকৈ মানুহৰে সংযোগ স্থাপন কৰিব পাৰি। সেয়ে বাস্তৱত তেনে ছাত্ৰৰ মানুহৰ সৈতে যোগাযোগ কমি যায়।

ফেচবুক বা আন সামাজিক মাধ্যমত লিখা মেলা কৰা ছাত্ৰৰ বানান আৰু ব্যাকৰণত ভুল বৈ যায়। কাৰণ এইখন পৃথিৱীত শব্দটো বুজিলেই হ'ল, তাত শুদ্ধ বানান লিখিবই লাগিব বুলি কোনো নীতি নাই। আনহাতে ভুল বানান শুদ্ধ কৰিবলৈ Spelling checker ৰ সহায় ল'ব লগা হয়। এই checker তো আকৌ সমস্যা। দহোটামান সাম্ভাব্য বানান থাকে, তাৰ ভিতৰৰ পৰা শুদ্ধ বুলি ভাবি এটা ল'ব লাগে। ফলত ছাত্ৰজন দোধোৰ-মোধোৰত পৰে কোনটো বা শুদ্ধ, কোনটো অশুদ্ধ। সেয়ে ছাত্ৰৰ ওপৰত সামাজিক মাধ্যমে পেলোৱা নেতিবাচক দিশৰ ক্ষেত্ৰত বানানৰ সমস্যা এক উল্লেখযোগ্য দিশ।

সামাজিক মাধ্যম ৰূপে ফেচবুক, গুগুলৰ দৰে চাৰ্চ ইঞ্জিন নহয়। সেয়ে চাৰ্চ ইঞ্জিনৰ বিপৰীতে ছ'ছিয়েল মিডিয়াক ছাত্ৰই তথ্য সংগ্ৰহৰ মাধ্যম ৰূপে ব্যৱহাৰ কৰিলে বহুক্ষেত্ৰত ঠগ খোৱাৰ আশংকা আছে। কাৰণ ফেচবুকত তথ্যৰ শুদ্ধতা নাথাকিব পাৰে, যি ছাত্ৰ এজনক ভয়ংকৰ ভাবে ক্ষতি কৰিব পাৰে। দ্বিতীয়তে ফেচবুকত যিকোনো এটা বিষয়ৰ ওপৰত জানিবলৈ বিচাৰিলে মুহূৰ্তৰ ভিতৰতে বহু লোকে (ফেচবুক বন্ধু) বিষয়টোৰ ওপৰত মতামত দিয়ে। কিন্তু এনে মতামত মূল বিষয়টোৰ ক্ষেত্ৰত কিমান বিশুদ্ধ সেয়া ছাত্ৰ এজনে ঠাৱৰ কৰিবলৈ অক্ষম হ'লেই, তেওঁ বিপদত পৰাটো নিশ্চিত।

ছাত্ৰ জীৱনত ফেচবুক অপব্যৱহাৰ কৰিলে ছাত্ৰ এজনে পিছৰ জীৱনত তাৰ ফল ভুগিব লগাতো পৰে। আজিকালি ক'ৰ্পৰেট খণ্ডত চাকৰি প্ৰাৰ্থীৰ সাক্ষাৎকাৰৰ পূৰ্বে প্ৰাৰ্থীজনৰ ছ'ছিয়েল নেটৱৰ্কিং চাইট নিৰীক্ষণ কৰে নিয়োগ কৰ্তাই। যিকোনো এজন ফেচবুক ব্যৱহাৰকাৰীৰ একাউণ্ট নিৰীক্ষণ কৰিলেই মানুহজনৰ ব্যক্তিত্বৰ আভাস পোৱা যায়। সেয়ে নিয়োগ কৰ্তাই চাকৰি প্ৰাৰ্থীৰ অৰ্হতাৰ বিভিন্ন দিশ চালি জাৰি চোৱাৰ লগতে প্ৰাৰ্থীজনৰ ছ'ছিয়েল নেটৱৰ্ক কেনেকুৱা, তাক পৰীক্ষা কৰে। সেয়েহে সামাজিক মাধ্যম ব্যৱহাৰকাৰীৰ ফেচবুক, টুইটাৰ আদিৰ একাউণ্ট নিৰীক্ষণ কৰিয়েই নিয়োগ কৰ্তাই প্ৰাৰ্থী নিৰ্বাচন নিশ্চিত কৰে। তেনেক্ষেত্ৰত লিখিত-মৌখিক আদিত সুকলমে উত্তীৰ্ণ হ'লেও একমাত্ৰ ছ'ছিয়েল নেটৱৰ্কিঙত আপত্তিজনক কিবা দেখিলে নিয়োগকৰ্তাই সাক্ষাৎকাৰৰ পূৰ্বেই তেনেজন চাকৰি প্ৰাৰ্থীৰ নাম কৰ্তন কৰিব পাৰে। একেদৰে দেখাক দেখি নামত ফেচবুক একাউণ্ট খুলি ব্যৱহাৰ নকৰিলে ইয়ো চাকৰি প্ৰাপ্তিৰ ক্ষেত্ৰত হেঙাৰ সৃষ্টি কৰিব পাৰে। মাৰ্জিত ৰুচিৰে ফেচবুক ব্যৱহাৰ কৰা বা নিজ সৃজন প্ৰতিভাৰে ফেচবুকৰ ৱাল উজ্জ্বলাই তোলা ছাত্ৰ-ছাত্ৰীয়ে তেনেধৰণৰ নিয়োগ কৰ্তাৰ কৃপাদৃষ্টি লাভ কৰাটো নিশ্চিত। আনহাতে নামত ফেচবুক একাউণ্ট খুলি বছৰৰ পিছত বছৰ এটাও আপডেট নিদিয়া বা নিজ অভিৰুচিৰ বৰ্হি প্ৰকাশ ঘটাবলৈ সুযোগ পোৱা স্বত্বেও সেই সুযোগ ব্যৱহাৰ নকৰা চাকৰি প্ৰাৰ্থীৰ বাবে সামাজিক মাধ্যম চাকৰি প্ৰাপ্তিৰ বাবে হেঙাৰ স্বৰূপ। অৱশ্যে এই কথা সত্য যে সকলোধৰণৰ চাকৰিৰ বাবে সামাজিক মাধ্যম ব্যৱহাৰ কৰাটো বাধ্যতামূলক অন্যতম অৰ্হতা নহয়। অৰ্থাৎ পোনপতীয়া বা মুকলিমূৰীয়াকৈ নিয়োগৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ব্যৱহাৰ কৰাটোক অৰ্হতা বুলি এতিয়াও বিবেচনা কৰা নাই। ইয়াৰ বিপৰীতে একাংশ ক'ৰ্পৰেট খণ্ডই দক্ষ, অভিজ্ঞতা সম্পন্ন, চতুৰ আৰু কৌশলী প্ৰাৰ্থী বিচাৰে। তেনে কোম্পানী সমূহে প্ৰাৰ্থীৰ অজ্ঞাতে তেওঁৰ সামাজিক মাধ্যমৰ প্ৰফাইল প্ৰত্যক্ষ কৰে। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ক'ৰ্পৰেট খণ্ডত এজন উপযুক্ত চাকৰি প্ৰাৰ্থীক নিৰ্বাচন কৰাৰ ক্ষেত্ৰত ব্যক্তিত্বৰ পৰীক্ষা (Personality Test) লোৱা দেখা যায়। আজিকালি অৱশ্যে এই পৰীক্ষাৰ বিপৰীতে কিছুমান কোম্পানীয়ে প্ৰাৰ্থীৰ সামাজিক মাধ্যমৰ একাউণ্টবোৰ গোপনে নিৰীক্ষণ কৰি প্ৰাৰ্থীজনৰ ব্যক্তিত্ব কেনে তাৰ আভাস লয়। সেয়ে ছাত্ৰ-ছাত্ৰীয়ে ফেচবুককে ধৰি যিকোনো সামাজিক মাধ্যম ব্যৱহাৰ কৰিলে, তাক আৰম্ভণীৰ পৰা শৃংখলাৱদ্ধ আৰু নিজা ৰুচি অনুযায়ী মাৰ্জিতভাৱে ব্যৱহাৰ কৰা উচিত। সেই ভাল অভ্যাসেই কৰ্ম সংস্থাপনৰ ক্ষেত্ৰত সহায়ক হ'ব পাৰে।

এতিয়া পোনপতীয়াকৈ আহো ছাত্ৰ সমাজৰ বাবে সামাজিক মাধ্যমৰ

ইতিবাচক দিশবোৰলৈ। সামাজিক মাধ্যম ব্যৱহাৰৰ ফলত ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক মান বৃদ্ধি পায়, যদিহে তেওঁ নিজ চিন্তা চৰ্চাৰে সামাজিক মাধ্যমক উজ্বলাই তুলিবলৈ সক্ষম হয়। এই মাধ্যমে ছাত্ৰ-ছাত্ৰীৰ বোধগম্যতা বৃদ্ধি কৰে। খৰতকীয়াকৈ তথ্য প্ৰেৰণ, বিতৰণ আৰু ভাগ বটোৱাৰা কাৰ্যৰ ফলত একোজন ছাত্ৰই সামাজিক মাধ্যমত নিজকে উজ্বলাই তুলিব পাৰে।

ছাত্ৰৰ নিপুনতাৰ ক্ষেত্ৰত সামাজিক মাধ্যমে শিক্ষা দিয়ে। আজিৰ বাণিজ্যিক পৃথিৱীত একোজন ছাত্ৰ কি বা তেওঁ কোন বা তেওঁ কোন স্তৰৰ তাক ছ'চিয়েল মিডিয়াৰ জৰিয়তে বুজি উঠে। নতুন প্ৰযুক্তিয়ে ছাত্ৰ-সমাজত ঔৎসুক্যৰ সৃষ্টি কৰে। এয়া মানুহৰ স্বাভাৱিক প্ৰবৃত্তি। সেইসূত্ৰে ছাত্ৰ সমাজেও সামাজিক মাধ্যমৰ দ্বাৰা প্ৰভাৱিত হয়। নিত্য-নতুন জ্ঞান আৰু প্ৰযুক্তি দৰ্শনৰ বাবেও ছাত্ৰ সমাজে সামাজিক মাধ্যমৰ দ্বাৰাই অৱগত হয়। ছাত্ৰ সমাজে অধ্যয়নৰ সমান্তৰাল ভাৱে চাকৰি বা সংস্থাপনৰ বাৰ্তাবো সন্ধান কৰি থাকে। এনেক্ষেত্ৰত সামাজিক মাধ্যমে ছাত্ৰ সমাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিব পাৰে। কাৰণ এনে মাধ্যমে সমূহত চাকৰিৰ বিজ্ঞাপন বা সংস্থাপনৰ আঁত বিচাৰি পোৱা যায়। এইক্ষেত্ৰত সামাজিক মাধ্যমেই ছাত্ৰ সমাজৰ বাবে আটাইতকৈ সুখবৰ দিওতা বন্ধু হৈ পৰিব পাৰে।


একোজন ছাত্ৰৰ মাজত শিল্পী সদৃশ বা লেখক সদৃশ বিপুল সম্ভাৱনা লুকাই থাকে। কাৰোবাৰ থাকে নিপুন ক্ৰীড়া শৈলী, কাৰোবাৰ চিনেমাৰ প্ৰতি প্ৰগাঢ় আন্তৰিকতা। এইখিনিক সামগ্ৰিক ভাৱে হবি বা অভিৰুচি বুলি যদি ধৰি লোৱা হয় তেন্তে একোজন ছাত্ৰই নিজৰ সেই নিচাক পেছালৈ ৰূপান্তৰ কৰিব পাৰে সামাজিক মাধ্যম ব্যৱহাৰ কৰি। একোজন ছাত্ৰ কিমান কলা নিপুন, শব্দ সচেতন তাক তেওঁৰ প্ৰফাইলত চকু ফুৰালেই বুজিব পাৰি। একেদৰে প্ৰতিভাৰ বিকাশ সাধন কৰিবলৈ আমি যে কৈ থাকো—একোখন মঞ্চৰ প্ৰয়োজন, সেইখন মঞ্চ সামাজিক মাধ্যম নহৈ কি হ'ব পাৰে। সেয়ে ছাত্ৰ সমাজে নিজ অভিৰুচি অনুযায়ী সামাজিক মাধ্যম ব্যৱহাৰ কৰিলে এহাতে তেওঁৰ প্ৰতিভাৰ উৎকৰ্ষ সাধন হয় আৰু তেওঁক অনুসৰণ কৰাসকল উপকৃত হয়। তেনেক্ষেত্ৰত সামাজিক মাধ্যম একোজন ছাত্ৰৰ উৎকৰ্ষ সাধনৰ পৃষ্ঠপোষক হৈ পৰে। জনমত সৃষ্টিতো সামাজিক মাধ্যমৰ ভূমিকা আছে। তেনে জনমত সৃষ্টিত ছাত্ৰ সমাজে অংশ ল'লে সমাজৰে উপকাৰ হয়।


শেষত কওঁ সামাজিক মাধ্যম দুয়োফালে ধাৰ থকা এখন তৰুৱালৰ দৰে। অৰ্থাৎ ইয়াৰ ইতিবাচক আৰু নেতিবাচক দুয়োটাই দিশ আছে। ছাত্ৰ সমাজে ইয়াক কেনেভাৱে ব্যৱহাৰ কৰে বা গ্ৰহণ কৰে তাৰ ওপৰতে ছাত্ৰ সমাজৰ বহু কথা নিৰ্ভৰ কৰে। যেনেদৰে ব্যক্তিত্ব সম্পন্ন এজন বন্ধুৰ দ্বাৰা আন এজন বন্ধু উপকৃত হয় অথবা সংগদোষে এজন ছাত্ৰক বিপথগামী কৰিব পাৰে, ঠিক একেদৰে সামাজিক মাধ্যমেও ভাল বন্ধুৰ দৰে উপকাৰ কৰিব পাৰে বা বেয়া লগৰীয়াৰ দৰে অনিষ্টও কৰিব পাৰে।

চলিত শতিকাটো প্ৰতিযোগিতা যুগ। এই প্ৰতিযোগিতাত তিষ্টি থাকিবলৈ হ'লে ছাত্ৰই আজিৰ যুগৰ প্ৰযুক্তিৰ সোৱাদ ল'ব লাগিব। কিন্তু এই সোৱাদ লোৱা প্ৰক্ৰিয়া দেখাত কোমল যেন লাগিলেও ইয়াৰ অন্তনিৰ্হিত অৰ্থ কঠিন। অৰ্থাৎ ভাৰ্চুৱেল পৃথিৱীখনত ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰাটো ছাত্ৰৰ বাবে যিমান সহজ, ইয়াৰ সঠিক ব্যৱহাৰ নাজানিলে বা নকৰিলে ভৱিষ্যতটো কঠিন হৈ পৰিব পাৰে। ছাত্ৰ সমাজৰ অৱক্ষয় প্ৰত্যক্ষ কৰিলেও এই কথা সত্য হৈ ৰ'ব যে ছ'ছিয়েল মিডিয়া আজি যুগত তথ্য সৰবৰাহৰ লগতে জ্ঞানাৰ্জনৰ বাবে এক মুকলি ক্ষেত্ৰ। এইক্ষেত্ৰ কেনেদৰে বা কি ভাৱে ব্যৱহাৰ কৰা হয় তাৰ ওপৰতে নিৰ্ভৰ কৰে ব্যৱহাৰকাৰীৰ ভৱিষ্যৎ।

■■

# গ্রন্থ সমালোচনা






# ড° ৰীতা চৌধুৰীৰ 'বিভ্ৰান্ত বাস্তৱ'

## গ্ৰন্থখনৰ এক চমু আলোচনা

বুলবুলি বৰা

সাম্প্ৰতিক কালৰ এগৰাকী বিশিষ্ট ঔপন্যাসিকা হ'ল ড° ৰীতা চৌধুৰী। ড° চৌধুৰী অসমীয়া সাহিত্যৰ সাহসী লেখিকা। কবিতা চৰ্চাৰে সাহিত্যিক জীৱন আৰম্ভ কৰিলেও বৰ্তমান চৌধুৰী ঔপন্যাসিকা হিচাপেহে পাঠকৰ মাজত পৰিচিত। অন্যায় অবিচাৰৰ বিৰুদ্ধে তেওঁৰ 'কলম' এক প্ৰতিবাদী কণ্ঠ। অগতানুগতিক লিখনিৰে সকলো পাঠকৰে হৃদয় জয় কৰিছে তেওঁ।

ড° চৌধুৰীৰ উপন্যাস সমূহৰ ভিতৰত এখন উল্লেখযোগ্য উপন্যাস হ'ল 'বিভ্ৰান্ত বাস্তৱ'। এই উপন্যাসখন প্ৰকাশিত হৈছিল ২০১৫ চনৰ অক্টোবৰ মাহত। 'বিভ্ৰান্ত বাস্তৱ' এখন নাৰীকেন্দ্ৰিক উপন্যাস। নাৰীৰ জীৱন গাঁথাৰ ওপৰত ৰচিত হোৱা উপন্যাসখনে সমাজৰ কিছু বাস্তৱিক ছবি অংকন কৰিছে। উপন্যাসখনত শোষিত, নিষ্পেষিত, অৱহেলিত সকলৰ প্ৰতি সহানুভূতি প্ৰদৰ্শন কৰা হৈছে। উপন্যাসখনৰ মূল নায়িকা মায়া অৰ্থাৎ গায়ত্ৰী ষড়যন্ত্ৰৰ বলি হোৱা এগৰাকী মহিলা। সহজ-সৰল কোমল শিশু সুলভ মানসিকতা থকা এগৰাকী যুৱতীয়ে জীৱনত বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে পাৰ হৈ কেনেকৈ নাৰী শক্তি ৰূপে ঠিয় দিছে তাৰ এটি সুন্দৰ প্ৰতিচ্ছবি অংকন কৰা হৈছে। সমাজত নাৰীসকলে কেনে সমস্যাৰ সন্মুখীন হ'ব লগা হয়, তাৰ এটি আভাস উপন্যাসখনত দাঙি ধৰা হৈছে।

উপন্যাসখনৰ মূল চৰিত্ৰটো হৈছে গায়ত্ৰী। উপন্যাসখনত গায়ত্ৰীক এক শক্তিশালী চৰিত্ৰ হিচাপে অংকন কৰা হৈছে। উপন্যাসৰ কাহিনী অনুসৰি গায়ত্ৰী এগৰাকী সহজ-সৰল, হাঁহি-ফূৰ্তি কৰি ভালপোৱা কোমল মনৰ ছোৱালী। মাক-

দেউতাক আৰু ককায়েকৰ সৈতে চাৰিজনীয়া এটি অতি সুখী পৰিয়াল। গায়ত্ৰী পঢ়াশুনাতো মেধাৱী আছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল লাভ কৰিবলৈ সক্ষম হোৱা গায়ত্ৰীক মাক-দেউতাকে হোষ্টেলত ৰাখি ককায়েকৰ সৈতে একেখন কলেজত পঢ়াৰ ব্যৱস্থা কৰি দিছিল। হোষ্টেলত থকা সময়ছোৱাত গায়ত্ৰীৰ জীৱনটো ভালদৰে অতিবাহিত হ'বলৈ ধৰিছিল। গায়ত্ৰীৰ ককায়েক কলেজৰ সাধাৰণ সম্পাদক আছিল। সেয়ে গায়ত্ৰীক সকলোৱে সমীহ কৰি চলিছিল। পঢ়া-শুনা কৰাৰ লগতে গায়ত্ৰীয়ে ভাল কবিতাও লিখিছিল। কলেজত পঢ়ি থাকোঁতেই তাই পৰিচিত হৈছিল সিহঁতৰে কলেজৰ নিশান্ত নামৰ এজন যুৱকৰ লগত। নিশান্তই গায়ত্ৰীক লগ কৰিবলৈ এদিন গায়ত্ৰীহঁতৰ হোষ্টেললৈ আহিছিল আলোচনীত প্ৰকাশ কৰিবলৈ এটি কবিতা বিচাৰি। এইদৰে সি কেইবাবাৰো গায়ত্ৰীৰ পৰা কবিতা নিবলৈ গায়ত্ৰীৰ হোষ্টেললৈ আহিছিল। এইদৰে দুয়োৰে মাজত প্ৰেম ভাৱৰো সৃষ্টি হৈছিল। কিন্তু নিশান্ত নামৰ চৰিত্ৰটোৰ আগমনে গায়ত্ৰীৰ জীৱনক অন্য পথেদি গতি কৰালে। এই ঘটনাই গায়ত্ৰীৰ জীৱনলৈ অমানিশা নমাই আনিলে। এদিন নিশান্ত সিহঁতৰ হোষ্টেললৈ আহিছিল কবি সন্মিলন এখনত অংশ গ্ৰহণ কৰিবলৈ গায়ত্ৰীক নিবৰ বাবে। য'ত বহুতো ভাল ভাল বছা বছা কবিয়ে অংশ গ্ৰহণ কৰিব। তাত গায়ত্ৰীকো নিমন্ত্ৰণ কৰা হৈছিল। গায়ত্ৰীৰ মন আনন্দত নাচি উঠিছিল। কোনো শংকা নকৰাকৈ, নিশান্তৰ ওপৰত বিশ্বাস ৰাখি তাই নিশান্তৰ লগত হোষ্টেলৰ পৰা ওলাই গৈছিল। সিহঁত গৈ যেতিয়া এডোখৰ নিৰ্জন ঠাইৰ আচাম টাইপৰ ঘৰ এটাৰ ওচৰত ৰ'ল, গায়ত্ৰীয়ে কিছু আচহুৱা যেন অনুভৱ কৰিলে। কিন্তু নিশান্তই তাইক কবি সন্মিলন পাতিবলৈ বহু ঠাই নালাগে, এনে ধৰণৰ ঠাই হ'লেও হ'ব বুলি পতিয়ন নিয়াবলৈ যত্ন কৰিছিল। তাই আৰু নিশান্ত ঘৰটোৰ ভিতৰত সোমাই গ'ল। নিশান্তই তাইক বহিবলৈ দি দুয়োৰে বাবে ককোক'লা আনিবলৈ ভিতৰলৈ গ'ল। গায়ত্ৰীয়ে কোঠাটোৰ চাৰিওফালে চাই দেখিলে যে তাত এখন বিচনা আৰু কেইখনমান চকী পাৰি থোৱা আছে। কোঠাটো বিশৃংখল। গায়ত্ৰীৰ মনত শংকাৰ সৃষ্টি হ'ল। নিশান্তই দুগিলাচ ককোক'লা আনি এগিলাচ গায়ত্ৰীক দিলে। ককোক'লা খাই গায়ত্ৰী শুই পৰিল। তাই যেতিয়া সাৰ পাই উঠে তেতিয়া নিশা আঠমান বাজিছিল। তাই সাৰ পাই উঠি দেখে যে, তাই বিচনাত শুই আছে আৰু তাইৰ কাষত বহি আছে নিশান্ত। নিশান্তই তাইলৈ চাই আছিল আৰু তাৰ মুখত এটি বীভৎস্য হাঁহি। এই ঘটনাই তাইৰ জীৱনত কালিমা সানিলে। তাই হৈ পৰিল সমাজৰ এগৰাকী বেশ্যা নাৰী। তাই নিশান্তক বিশ্বাস কৰিছিল। তাৰ মাজত তাই কেতিয়াও তেনে ভাব দেখা নাছিল। নিশান্তৰ মনত এনে পৈশাৰিক মনোভাৱ লুকাই আছিল বুলি তাই কল্পনাও কৰিব পৰা নাছিল। ককায়েকৰ লগত নিশান্তৰ কলেজত হোৱা খণ্ডযুদ্ধৰ প্ৰতিশোধ ল'বৰ বাবে নিশান্তই ৰচনা কৰিছিল এই ষড়যন্ত্ৰৰ।

এই ঘটনাই তাইৰ জীৱনলৈ


...নিশান্তই তাইক বহিবলৈ দি দুয়োৰে বাবে ককোক'লা আনিবলৈ ভিতৰলৈ গ'ল। গায়ত্ৰীয়ে কোঠাটোৰ চাৰিওফালে চাই দেখিলে যে তাত এখন বিচনা আৰু কেইখনমান চকী পাৰি থোৱা আছে। কোঠাটো বিশৃংখল। গায়ত্ৰীৰ মনত শংকাৰ সৃষ্টি হ'ল। নিশান্তই দুগিলাচ ককোক'লা আনি এগিলাচ গায়ত্ৰীক দিলে। ককোক'লা খাই গায়ত্ৰী শুই পৰিল...

অমানিশা নমাই আনিলে। তাইৰ সপোন ভাঙি চুৰমাৰ কৰি পেলালে। গায়ত্ৰীয়ে কলেজ হোষ্টেল এৰি ঘৰলৈ ঘূৰি আহিল। সদায় ফূৰ্তি, হাঁহি-তামাচা কৰি ভাল পোৱা গায়ত্ৰীয়ে কাকো মাতবোল নকৰা হ'ল। মাক- দেউতাকেও তাইৰ লগত কথা পতা বন্ধ কৰি দিলে। কেৱল কোঠাটোৰ ভিতৰত সোমাই থাকি তাই খিৰিকিৰে বাহিৰৰ পৃথিৱীখন চাই থাকিল। এদিন তাই অনুভৱ কৰিলে যে, তাই এইদৰে ঘৰৰ ভিতৰত সোমাই থাকিলে নহ'ব। তাই কৰিব লগা বহুত কাম আছে। মাক দেউতাকৰ হেৰুওৱা সন্মান তাই ওভোটাই আনিব লাগিব। সেয়ে মাক দেউতাকক কৈ তাই গুৱাহাটীত পঢ়িবলৈ যাবলৈ ওলাল। গুৱাহাটীত গায়ত্ৰীয়ে মাকৰ বান্ধৱী এজনীৰ ঘৰত থাকি পঢ়া শুনা কৰিবলৈ ল'লে। গুৱাহাটীলৈ গৈ গায়ত্ৰী হৈ পৰিল যন্ত্ৰ সদৃশ মানৱ। কলেজলৈ যোৱা, কলেজৰ পৰা আহি ঘৰৰ যাৱতীয় কামখিনি কৰি নিজৰ পঢ়াশুনা কৰা, এইবোৰৰ বাহিৰে তাই কাৰো লগত বিশেষ কথা বতৰা নাপাতে। অনবৰতে গহীন-গম্ভীৰ হৈ থকা গায়ত্ৰীৰ কলেজতো কোনো বন্ধু-বান্ধৱী নাই। গায়ত্ৰীয়ে নিবিচাৰে তাইৰ কোনো বন্ধু-বান্ধৱী থাকক। জীৱনৰ এই যুঁজত তাই অকলেই আগবাঢ়িব খোজে।

মাকৰ বান্ধৱী যদিও তাই মামা-মামী বুলি সম্বোধন কৰা এই দম্পতী হালে তাইৰ জীৱনত বিশেষ ভূমিকা পালন কৰিছে। মামীয়েক এগৰাকী সহজ-সৰল, বিশাল অন্তৰৰ গৰাকী। তেওঁ কোনো দিনে গায়ত্ৰীক আনৰ ছোৱালী বুলি জ্ঞান কৰা নাই। নিজৰ ছোৱালীৰ দৰে মৰম- চেনেহ কৰিছিল। গায়ত্ৰীৰ জীৱনৰ সকলোবোৰ কথা জানি তেওঁ গায়ত্ৰীক কোনো দিন হেয় জ্ঞান কৰা নাই, বৰং তাই আগবাঢ়ি যাবলৈ অদম্য শক্তি আৰু উৎসাহ প্ৰদান কৰিছে। তাৰ বিপৰীতে মোমায়েক আছিল সমাজৰ আগত ভদ্ৰৰ মুখাপিন্ধা এজন অসভ্য ব্যক্তি। গায়ত্ৰী তেওঁলোকৰ ঘৰত থাকিবলৈ যোৱা দিন ধৰি তেওঁ গায়ত্ৰীক বিভিন্ন ধৰণৰ অভব্য আচৰণ দেখুৱাইছিল। আনৰ চকুত ধৰা নপৰাকৈ তেওঁ গায়ত্ৰীক বিভিন্ন ধৰণৰ ইংগিত দিছিল। বিভিন্ন কাৰণ উলিয়াই তেওঁ মামীয়েকক বাহিৰলৈ পঠাই তেওঁ গায়ত্ৰীক বিভিন্ন ধৰণৰ কথা বতৰা, অভব্য আচৰণ প্ৰদৰ্শন কৰিছিল। কোঠাৰ ভিতৰত সোমাই অকলে তাই নিশ্চুপ হৈ কান্দিছিল। কিন্তু কাকো একো কোৱা নাছিল। গায়ত্ৰীয়ে বুজি উঠিছিল যে, তাই ভাঙি পৰিলে নহ'ব। জীৱনত আগবাঢ়িবলৈ হ'লে তাই অনেক কষ্ট সহ্য কৰিব লাগিব।

উপন্যাসখনৰ আন এটি চৰিত্ৰ হৈছে পিয়ানুজ অৰ্থাৎ সন্দীপন। সন্দীপন গায়ত্ৰীৰ মোমায়েক-মামীয়েকৰ ভাগিনীয়েক। গায়ত্ৰীয়ে সন্দীপনক লগ পাইছিল মোমায়েকহঁতৰ ঘৰত। গুৱাহাটী কটন কলেজৰ বিজ্ঞান শাখাৰ ছাত্ৰ সন্দীপন আছিল স্বভাৱতে হাঁহি-স্ফূৰ্তি কৰি ভালপোৱা এটি ল'ৰা। সি মোমায়েক মামীয়েকৰ অতি মৰমৰ আছিল। প্ৰথম চিনাকিতে সি গায়ত্ৰীৰ প্ৰতি মোহিত হৈ পৰিছিল। কিন্তু গায়ত্ৰীয়ে তাক গুৰুত্ব দিয়া নাছিল। কিয়নো তাই কোনো বন্ধু-বান্ধৱী নিবিচাৰে। তাই অনুভৱ কৰে যে, তাইৰ

...পৰীক্ষাৰ ফলাফলৰ পাছত গায়ত্ৰী যাবলৈ ওলাইছিল দিল্লীত পঢ়িবলৈ। নিজৰ জীৱন গঢ় দিয়াৰ মানসিকতাৰে। মাক- দেউতাকে বাধা দিছিল। কিন্তু গায়ত্ৰীয়ে নুশুনিলে। আনৰ ঘৰত থাকি, কাম কৰি গায়ত্ৰীয়ে পঢ়াৰ খৰচ উলিয়াইছিল। দিল্লীৰ পৰা গায়ত্ৰী অসমলৈ উভতি আহিল আই পি এছ হৈ...




সন্দীপন আৰু গায়ত্ৰীৰ যি প্ৰেম, সি কোনো কামনা-বাসনাৰে সিক্ত প্ৰেম নহয়। দুয়োৰে পৰা আঁতৰত থাকিও দুয়ো দুয়োকে ভাল পাইছিল অকল্পনীয়ভাৱে।

জীৱনটো এতিয়া এটা গতানুগতিক জীৱন হৈ থকা নাই। তাই জীৱনত কৰিব লগা বহুত আছে। তাই হাৰি যাব নিবিচাৰে। কিন্তু সন্দীপন আছিল অলপ জেদী মনৰ ল'ৰা। মামীয়েকে গায়ত্ৰীক সন্দীপনৰ আগত মায়া বুলি চিনাকি কৰাই দিছিল। গায়ত্ৰী অৰ্থাৎ মায়াই সন্দীপনে কৰা আচৰণ ভাল পোৱা নাছিল। সেয়ে তাই সন্দীপনক তাইক 'মায়াবা' বুলি সম্বোধন কৰিবলৈ কৈছিল। কিন্তু সন্দীপনে তাক মানি ল'ব খোজা নাছিল। সপ্তাহৰ প্ৰত্যেক শনিবাৰে হোষ্টেলৰ পৰা মোমায়েকৰ ঘৰলৈ সন্দীপন আহিলে মোমায়েকৰ ঘৰখন হাঁহিৰে ভৰি পৰে যদিও কিছুকিছু ক্ষেত্ৰত গায়ত্ৰীয়ে বিৰক্তিও অনুভৱ কৰে। গায়ত্ৰীৰ গহীন-গম্ভীৰ মুখখন দেখি সন্দীপনে বুজি উঠিছিল যে গায়ত্ৰীৰ এটা অতীত আছে, যি অতীতৰ বাবে তাই সন্দীপনৰ লগত মিলা মিছা কৰিব বিচৰা নাই। সন্দীপন আছিল বাস্তৱবাদী দৃষ্টি ভংগী থকা এটি ল'ৰা। সি কোনো দিন গায়ত্ৰীৰ অতীতক জানিব বিচৰা নাই। সি কোনোদিন গায়ত্ৰীক প্ৰেমৰ বাবে জোৰ জবৰদস্তি কৰা নাই। গায়ত্ৰীয়ে লাহে লাহে সন্দীপনৰ প্ৰতি ভালপোৱা ভাব জাগি উঠিছিল। কিন্তু তাই সেই ভালপোৱা সন্দীপনৰ আগত প্ৰকাশ কৰিব নিবিচাৰে। কাৰণ তাই সিমানতে সীমাবদ্ধ হ'ব নিবিচাৰে। তাই জীৱনত আৰু আগুৱাই যাব লাগিব। তাই জীৱনত কৰিব লগা বহুত আছে। তাই এটি জ্যোতিষ্ক হৈ জিলিকি উঠিব পাৰিব লাগিব।

গুৱাহাটীত থকা অৱস্থাতো গায়ত্ৰীয়ে জীৱনত বহুতো ঘাত-প্ৰতিঘাত সন্মুখীন হ'ব লগা হৈছিল। সন্দীপন আৰু গায়ত্ৰীৰ মিলামিছাৰ কথা জানিব পাৰি সন্দীপনৰ মাকে গায়ত্ৰী আৰু মামীয়েকক বহুতো কটু কথা শুনাইছিল। যাৰ বাবে গায়ত্ৰী সন্দীপনৰ মাকৰ দৃষ্টিত হৈ পৰিছিল এজনী টকা লোভী ছোৱালী। কাৰণ সন্দীপনৰ মাকে গায়ত্ৰীৰ অতীতৰ বিষয়ে জানিছিল। কাৰণ সন্দীপনৰ ঘৰ ডিব্ৰুগড়ত আৰু গায়ত্ৰীৰ ঘৰো আছিল ডিব্ৰুগড়ত। আনফালে মোমায়েকে গায়ত্ৰীক বেয়া আচৰণ কৰিবলৈ নাপাই তেওঁ গায়ত্ৰীক বিভিন্ন বেয়া সমালোচনাৰে তিক্ত কৰি তুলিছিল। গায়ত্ৰীক লৈ মোমায়েক আৰু মামীয়েকৰ মাজত বিভিন্ন ধৰণৰ খণ্ড যুদ্ধৰো সূচনা হৈছিল। গায়ত্ৰীয়ে সেইদিনা দেখিবলৈ পাইছিল নাৰীৰ অদম্য শক্তি। গায়ত্ৰীৰ প্ৰতি মোমায়েকে কৰা সমালোচনাত সহজ সৰল মামীয়েকে কিদৰে মোমায়েকৰ প্ৰতি তীব্ৰ খং দেখুৱাইছিল, তাক দেখি গায়ত্ৰী অবাক হৈ পৰিছিল। মামীয়েকৰ দৰে সহজ-সৰল এজনী নাৰীৰ মাজতো যে ইমান শক্তি থাকিব পাৰে গায়ত্ৰীয়ে কল্পনাও কৰিব পৰা নাছিল।

মোমায়েকৰ উপদ্ৰৱত থাকিব নোৱাৰি গায়ত্ৰীক মামীয়েকে এখন হোষ্টেলত থকাৰ ব্যৱস্থা কৰি দিছিল। নিজৰ গহনা বন্ধকত থৈ গায়ত্ৰীৰ যাৱতীয় আচবাব কিনি দিয়া মামীয়েকৰ প্ৰতি গায়ত্ৰীৰ চকু চল্‌চলীয়া হৈ উঠিছিল। সকলোকে চমকিত কৰি গায়ত্ৰীয়ে উচ্চতৰ মাধ্যমিকত দশম স্থান অধিকাৰ কৰিবলৈ সক্ষম হ'ল। মাক- দেউতাকৰ লগতে আত্মীয় স্বজনৰো মুখত হাঁহি বিৰিঙি উঠিল। এই সময়তে সন্দীপনে তাইক লগ কৰিছিল। তাই সন্দীপনক মনৰ কথা প্ৰকাশ নকৰিলে। তাই যেতিয়া সন্দীপনক বিচাৰে তাইৰ কাষত থিয় দিয়াৰ প্ৰতিশ্ৰুতিৰে, সি নিজৰ জীৱন গঢ়াৰ বাবে গুচি গৈছিল এটি বিষন্ন মনেৰে।

পৰীক্ষাৰ ফলাফলৰ পাছত গায়ত্ৰী যাবলৈ ওলাইছিল দিল্লীত পঢ়িবলৈ। নিজৰ জীৱন গঢ় দিয়াৰ মানসিকতাৰে। মাক-

দেউতাকে বাধা দিছিল। কিন্তু গায়ত্ৰীয়ে নুশুনিলে। আনৰ ঘৰত থাকি, কাম কৰি গায়ত্ৰীয়ে পঢ়াৰ খৰচ উলিয়াইছিল। দিল্লীৰ পৰা গায়ত্ৰী অসমলৈ উভতি আহিল আই পি এছ হৈ। সকলোৰে সেই সময়ত গায়ত্ৰীৰ গুণ-গৰিমা গাইছিল। এসময়ত গায়ত্ৰীক দেখিলে অমংগল হোৱা বুলি ভবা মানুহবোৰ লাহে লাহে গায়ত্ৰীৰ আপোন হ'বলৈ ধৰিলে।

গায়ত্ৰীৰ জীৱন কাহিনীৰ লগে লগে ঔপন্যাসিকাই শিখা আৰু মঞ্জুৰ জীৱন কাহিনীও আগবঢ়াই লৈ গৈছে। আনৰ ষড়যন্ত্ৰৰ বলি হোৱা এগৰাকী কিশোৰীয়ে গায়ত্ৰীৰ সহায়ত কিদৰে নাৰী শক্তি ৰূপে থিয় দি তেওঁৰ দৰে অৱহেলিত শোষিত সকলৰ প্ৰতি কেনে ব্যৱস্থা গ্ৰহণ কৰিছে, কেনেদৰে বাট দেখুৱাইছে তাৰ এটি সুন্দৰ প্ৰতিচ্ছবি অংকন কৰিছে। নাৰী শক্তি যে এটি অদম্য শক্তি সেই কথা ঔপন্যাসিকাই অতি সুন্দৰ ৰূপত অংকন কৰিছে।

প্ৰেমৰ সুন্দৰ ছবিও উপন্যাসখনত অংকন কৰিছে। সন্দীপন আৰু গায়ত্ৰীৰ যি প্ৰেম, সি কোনো কামনা-বাসনাৰে সিক্ত প্ৰেম নহয়। দুয়োৰে পৰা আঁতৰত থাকিও দুয়ো দুয়োকে ভাল পাইছিল অকল্পনীয়ভাৱে। গায়ত্ৰীৰ বাবে সন্দীপনৰ প্ৰেম আছিল প্ৰেৰণাৰ উৎস। নিজকে অকলশৰীয়া যেন অনুভৱ নকৰাইছিল সন্দীপনৰ প্ৰেমে তাইক।

ড° ৰীতা চৌধুৰীয়ে 'বিভ্ৰান্ত বাস্তৱ' উপন্যাসখন সহজ-সৰল ভাষাৰে ৰচনা কৰিছে সকলোৱে বুজিব পৰাকৈ। এই উপন্যাসখনে বৰ্তমান সমাজ উপকৃত হ'ব পৰাকৈ ভূমিকা গ্ৰহণ কৰিছে। নাৰীৰ শক্তি যে অদম্য শক্তি, সেই কথা উপন্যাসখনত অতি বাস্তৱিকভাৱে অংকন কৰিছে। নাৰীৰ জীৱনৰ ওপৰত ৰচিত এই উপন্যাসখন পঢ়ি সঁচাই আপ্লুত হ'লোঁ। উপন্যাসখন পঢ়ি বিশ্বাস, ধৈৰ্য আৰু আত্মবিশ্বাস বঢ়াব পৰা যায়। উপন্যাসখনে মোৰ মানসিকতাক বাৰুকৈয়ে প্ৰভাৱ পেলালে। এনে এখন উপন্যাস আমাৰ মাজলৈ আগবঢ়াই দিয়াৰ বাবে ড° ৰীতা চৌধুৰী বাইদেউলৈ কৃতজ্ঞতা জনালোঁ।

■■






# হোমেন বৰগোহাঞিৰ "চিন্তাৰ খোৰাক" ঃ এক আলোচনা

জয়প্ৰভা দত্ত

জীৱনৰ একোটা সাধাৰণ অভিজ্ঞানক অসাধাৰণ ৰূপে বৰ্ণনা দিব পৰা হোমেন বৰগোহাঞি এজন অপ্ৰতিদ্বন্দী লেখক। অসমৰ সাহিত্য আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ বাবে হোমেন বৰগোহাঞিক অসম প্ৰাদেশিক যোগী সন্মিলনীয়ে শেহতীয়াভাৱে 'মৎস্যেন্দ্ৰ নাথ' বঁটা প্ৰদান কৰিছে। জীৱনত লাভ কৰা অনেক বৰ্ণময় অভিজ্ঞতা তেখেতৰ লেখাসমূহত প্ৰকাশ পায়।

হোমেন বৰগোহাঞিয়ে ৰচনা কৰা গ্ৰন্থসমূহৰ ভিতৰত "চিন্তাৰ খোৰাক" এখন অন্যতম গ্ৰন্থ। চিন্তাৰ খোৰাকৰ অন্তৰ্গত লেখাসমূহ বাস্তৱ জীৱনৰ পৰা পোৱা অভিজ্ঞতাৰে সমৃদ্ধ। গ্ৰন্থখনত ৩৯ টা লেখা সংযোজন কৰা হৈছে। প্ৰত্যেকটো লেখাতেই জীৱনৰ অনেক ক্ষুদ্ৰ অভিজ্ঞতাক বিশাল পটভূমিত থিয় কৰিবলৈ সক্ষম হৈছে। তেখেতৰ লেখা সমূহত ব্যক্তিগত অনুভৱৰ প্ৰাধান্য আছে, কিন্তু কেৱল আত্মকেন্দ্ৰিক নহয়। বিশ্বৰ বিভিন্ন ব্যক্তিৰ জীৱনৰ অভিজ্ঞতাৰ পটভূমিত নিজৰ জীৱনৰ অভিজ্ঞতা উপস্থাপন কৰাৰ বাবেই গ্ৰন্থখনৰ প্ৰত্যেকটো লেখাই পাঠকৰ আগ্ৰহৰ বিষয় হৈ পৰিছে।

'চিন্তাৰ খোৰাক' গ্ৰন্থখন পঢ়াৰ পাছত লেখাসমূহে পাঠকৰ জীৱনত যথেষ্ট প্ৰভাৱ পেলাব। গ্ৰন্থখনৰ প্ৰতিটো লেখাতেই জীৱন সাধনাৰ বিৱৰণ পোৱা যায়। এনে এখন গ্ৰন্থ পঢ়ি সমালোচনা আগবঢ়োৱাতো আমাৰ পক্ষে সম্ভৱ নহয়, তথাপি গ্ৰন্থখনৰ সন্নিবিষ্ট লেখাসমূহৰ বিষয়বস্তু সম্পৰ্কে এটা চমু আলোচনা আগবঢ়োৱা হ'ল—

**ঈশ্বৰৰ ভৱিষ্যৎ ঃ** কিতাপখনৰ প্ৰথম অধ্যায়ত ঈশ্বৰৰ ভৱিষ্যতৰ বিৱৰণ পোৱা গৈছে। পৃথিৱীত যিমানবোৰ ধৰ্ম আছে, সেইবোৰৰ বহিৰংগ আৰু আচাৰ অনুষ্ঠান দেখাত বেলেগ বেলেগ যেন লাগিলেও কেইটামান বিষয়ত আটাইবোৰ ধৰ্মৰে মিল আছে বুলি গোহাঞিদেৱে কৈছে। সেই বিষয়কেইটা হ'ল আত্মাৰ অমৰত্ব আৰু স্বৰ্গ নৰকৰ অস্তিত্বত বিশ্বাস। মাক্স আৰু ফ্ৰয়েডে ক'ব খোজাৰ দৰে মানুহৰ মৃত্যু ভয় তথা মৃত্যুৰ ৰহস্যময়তাকে ধৰ্মৰ প্ৰধান আধাৰ বুলি কৈছে। সকলো ধৰ্মৰে নিজৰ নিজৰ তীৰ্থক্ষেত্ৰ আছে।

বিশ্বাসী সকলে পূণ্যজনৰ আশাত বা ঈশ্বৰৰ কৰুণা পোৱাৰ আশাত কিদৰে তীৰ্থক্ষেত্ৰলৈ যায়, তাৰ বৰ্ণনা এই লেখাটোত প্ৰকাশ পাইছে। আনকি পাপীয়েও হৃদয়ৰ সমস্ত ব্যাকুলতাৰে ঈশ্বৰৰ কৰুণা প্ৰাৰ্থনা কৰে।

তেওঁ কৈছে যে, মানুহে ঈশ্বৰৰ ওচৰত কৰুণা ভিক্ষা কৰি থকাৰ সময়তে কৰুণাৰ পৰিৱৰ্তে ভয়ংকৰ শাস্তি কিয় পাব লগা হয়, তাৰ উত্তৰ বিভিন্ন ধৰ্মৰ শাস্ত্ৰ গ্ৰন্থবোৰত আছে। অৱশ্যে সেইবোৰ উত্তৰে সকলো মানুহক সন্তুষ্ট নকৰে।

বহুতে এতিয়াও স্বৰ্গ আৰু নৰকৰ অস্তিত্বত বিশ্বাস কৰে। টাইম চি এনে চলোৱা এটা নমুনা সমীক্ষাৰ পৰা দেখা গৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শতকৰা ৮১ জন মানুহে স্বৰ্গৰ আৰু ৬৩ জন মানুহে নৰকৰ অস্তিত্বত বিশ্বাস কৰে। অৱশ্যে মানুহৰ স্বৰ্গ আৰু নৰকৰ ধাৰণা আনকি প্ৰচলিত ঈশ্বৰৰ ধাৰণাও আৰু কিমান দিন স্থায়ী হ'ব সেই কথা কোৱা টান।

**মই তেওঁলোকক আশাৰ বাণী শুনাব নোৱাৰিলো ঃ** এই অধ্যায়ত কটন কলেজৰ এগৰাকী ছাত্ৰীৰ সৈতে তেওঁ কৰা কথোপকথনৰ কথা কৈছে। ছোৱালীজনীয়ে গোহাঞিদেৱক কিছু প্ৰশ্ন কৰিছিল যদিও তেওঁ সেই প্ৰশ্নৰ উত্তৰ দিব নোৱাৰিলে বুলিও এই অধ্যায়ত উল্লেখ কৰিছে। প্ৰশ্নসমূহ আছিল এনেধৰণৰ—

— ভালকৈ পঢ়া শুনা কৰিবলৈ প্ৰেৰণা পাম আমি ক'ৰ পৰা ?

— যান্ত্ৰিক পাঠদানে ছাত্ৰ-ছাত্ৰীক আনন্দ দিয়াৰ পৰিৱৰ্তে কিয় যন্ত্ৰণা দিয়ে ?

— গভীৰ মানসিক অৱসাদে যদি ছাত্ৰ-ছাত্ৰীক আধা মৰা কৰে, তেন্তে তাৰ বাবে জগৰীয়া কোন ?

এই অধ্যায়ত এইটোও কৈছে যে মানুহে আনক দেখুৱাই শাৰিৰীক বা মানসিক যিকোনো ধৰণৰ দূৰ্বলতা প্ৰকাশ কৰিব নালাগে। তেখেতৰ মতে মানুহে কথা কৈ থাকোঁতে শুনোতাজনে হামিয়াব নালাগে। তেখেতৰ মতে হামি হ'ল দুৰ্বলতা বা অৱসাদৰ চিন।

তেখেতে এই অধ্যায়ত পঞ্চাশৰ দশকত তেওঁ 'ৰামধেনুত' জনদিয়েক অসমীয়া আধুনিক কবি নামৰ প্ৰৱন্ধ লিখি হেম বৰুৱা, নৱকান্ত বৰুৱা, মহেন্দ্ৰ বৰা আদি কবিসকলৰ আবিৰ্ভাৱৰ তাৎপৰ্য ব্যাখ্যা কিদৰে কৰিছিল তাক উল্লেখ কৰিছে। ষাঠিৰ দশকত 'নৱযুগত তিনিজন নতুন কবি' নামৰ প্ৰৱন্ধ লিখি তেওঁ নীলমনি ফুকন, ভবেন বৰুৱা আৰু হীৰেন্দ্ৰ নাথ দত্তৰ কবিতাৰ মহত্ব ঘোষণা কৰিছিল। আশীৰ দশকত 'নাগৰিক'ত 'আশীৰ উপকণ্ঠত ৰৈ মই কোন কবি' নামৰ এটা প্ৰৱন্ধ লিখি সনন্ত তাঁতী আৰু সমীৰ তাঁতীক তেওঁ প্ৰথম স্বাগতম জনাইছিল। বিশ্বাসৰ জোৰতেই তেওঁ ক'ব খুজিছে যে, প্ৰাণজিৎ বৰা, প্ৰণৱ কুমাৰ বৰ্মণ আৰু নৱজ্যোতি পাঠক আদি তৰুণ কবিসকলে অসমীয়া কবিতাত এটা নতুন ঋতুৰ আগজাননী দিছে।

গোহাঞিদেৱৰ মনত এটাই দুখ যে— প্ৰণৱ, নৱজ্যোতিক বা সেই কটন কলেজৰ ছোৱালীজনীক একো আশাৰ বাণী শুনাব নোৱাৰিলে।

**অসুখ বিসুখ ঃ** মানুহৰ জীৱনৰ এটা প্ৰধান সমস্যা হ'ল সৰু-সুৰা অসুখ-বিসুখ। অসুখ শব্দটোৰ অৰ্থই হ'ল সুখৰ অভাৱ।

...বহুতে এতিয়াও স্বৰ্গ আৰু নৰকৰ অস্তিত্বত বিশ্বাস কৰে। টাইম চি এনে চলোৱা এটা নমুনা সমীক্ষাৰ পৰা দেখা গৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শতকৰা ৮১ জন মানুহে স্বৰ্গৰ আৰু ৬৩ জন মানুহে নৰকৰ অস্তিত্বত বিশ্বাস কৰে...

গোহাঞিদেৱৰ মতে এই অসুখ বা ৰোগৰ সৃষ্টি কৰে মানুহৰ মনত স্থায়ীভাৱে বাঁহ লোৱা যুক্তিহীন ভয়, উদ্বেগ, আশংকা আৰু অৱসাদে। তেওঁ কৈছে, তেওঁ নিজে সহজে হাৰ মনা মানুহ নহয়। ৰোগৰ যন্ত্ৰণা পাহৰি থাকিবলৈ বহুত মানুহে বিষৰ দৰৱ খায়। আন বহুতে কানি বা মদ খায়। কিন্তু গোহাঞিদেৱে আশ্ৰয় বিচাৰি পাইছিল কামৰ মাজত। কামেই তেখেতৰ জীৱনৰ চালিকাশক্তি, সৰ্বৰোগৰ মহৌষধ হ'ল কাম। এইটোও উল্লেখ কৈছে যে, একমাত্ৰ কামেই তেওঁক নানাবিধৰ এলাৰ্জিক আৰু ছাইক ছমেটিক ৰোগৰ যন্ত্ৰণা দমন কৰি ৰাখিবলৈ আৰু জীৱনটোক উপভোগ্য কৰি ৰাখিবলৈ সহায় কৰিছে। তেওঁ কৈছে- সকলো সময়তে কাৰ্যক্ষম হৈ থাকিবলৈ স্বাস্থ্যৰ সাধনা কৰাটোৱেই হ'ল জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সাধনা।

**কেঞ্চাৰৰ কথা ঃ** বৰ্তমান যুগৰ বিভীষিকা হৈছে কেঞ্চাৰ। আন সকলো ৰোগতকৈ মানুহে কেঞ্চাৰক ভয় কৰে। কিন্তু হোমেন বৰগোহাঞিদেৱে কৈছে ভয়ক জয় কৰিব পৰা মানুহো আছে। প্ৰয়োজনৰ সময়ত মানুহে তেওঁলোকক স্মৰণ কৰিব লাগে।

তেওঁ এই অধ্যায়ত জীৱবিজ্ঞানী জে বি এছ হলডেইনৰ কথা কৈছে। হোমেন বৰগোহাঞিদেৱে হলডেইনৰ বহুকেইখন ছবি দেখিছে। তাৰে এখন হ'ল টাইমত প্ৰকাশ পোৱা এখন ছবি। হলডেইনৰো কেঞ্চাৰ হৈছিল। কিন্তু আচৰিত কথা যে কেঞ্চাৰ হোৱা বুলি শুনি হলডেইনৰ কোনো ভয় লগা নাছিল বৰঞ্চ ঘৰলৈ ঘূৰি আহি এটা পদ্যহে লিখিছিল। হোমেন




...ৰোগৰ যন্ত্ৰণা পাহৰি থাকিবলৈ বহুত মানুহে বিষৰ দৰৱ খায়। আন বহুতে কানি বা মদ খায়। কিন্তু গোহাঞিদেৱে আশ্ৰয় বিচাৰি পাইছিল কামৰ মাজত...

বৰগোহাঞিদেৱে কৈছে মানুহৰ জীৱনটোক জীয়াই থকাৰ যোগ্য কৰি ৰাখিছে হলডেইৰ নিচিনা বীৰ পুৰুষসকলেই। হলডেইনৰ যেতিয়া কেঞ্চাৰ ক্ৰমাৎ বৃদ্ধি পাব ধৰিলে, তেতিয়া তেওঁ পৃথিৱীৰ পৰা চিৰ বিদায়ৰ দিন চমু চাপি আহিছে বুলি বুজি পালে। এইবাৰ তেওঁ লিখিলে আন এটা কবিতা। বিষয় একেটাই— কেঞ্চাৰ। কেঞ্চাৰৰ লগত খাপ খুৱাই তেওঁ লিখিলে—

'My final word before I am done
Is cancer can be rather fun
Thanks to the nurses and nye bevan
The NHs is quite like heaven
Provided one confronts the tumour
with a sufficient sense of humour'

**ডাক্তৰৰ কথা ঃ** ডাক্তৰ হোৱাটোৱেই আছিল হোমেন বৰগোহাঞিদেৱৰ জীৱনৰ উচ্চতম আকাংক্ষা। তেওঁ ডাক্তৰ হ'ব খুজিছিল জীৱনৰ মূল উপাদান শৰীৰ আৰু মনৰ অন্তহীন ৰহস্য জানিবৰ কাৰণে। কিন্তু শেষত তেওঁৰ মেডিকেল পঢ়া হৈ নুঠিল। ডাক্তৰি পঢ়িব নোৱাৰিলেও চিকিৎসা বিজ্ঞানৰ প্ৰতি তেওঁৰ অনুৰাগ আৰু কৌতূহল তেওঁৰ মনত চিৰস্থায়ী হৈ ৰ'ল। হোমেন বৰগোহাঞিদেৱে কৈছে যে বহুত মানুহ তেওঁৰ ওচৰলৈ যায় বা তেওঁলৈ চিঠি লিখে- কেৱল স্বাস্থ্যৰক্ষাৰ বিষয়ে উপদেশ ল'বলৈ।

এই অধ্যায়ত হোমেন বৰগোহাঞিদেৱে ডাঃ বিশ্বনাথ শৰ্মাৰ লগতে ডাঃ বনজিৎ চৌধুৰী, ডাঃ জয়ন্ত বৰদলৈ, ডাঃ কেনেথ ওৱাকাৰ, ডাঃ প্ৰণয় ফুকন, ডাঃ ৰবীন গোস্বামী, ডাঃ ত্ৰিদিব বৰুৱা, ডাঃ নৰেন্দ্ৰনাথ দত্ত, ডাঃ নিৰ্মল চাহেৱালাৰ, ডাঃ নোমল চন্দ্ৰ বৰা ইত্যাদি ডাক্তৰ সকলৰ কথা উল্লেখ কৰিছে।

হোমেন বৰগোহাঞিদেৱে কৈছে ডাঃ বিশ্বনাথ শৰ্মাৰ মতে চিকিৎসা মানে কেৱল ঔষধ বা বেজি বা কটা চিঙা নহয়। চিকিৎসাৰ প্ৰধান কথা হ'ল দিহা পৰামৰ্শ।

যাৰ লগত জড়িত হৈ থাকিব লাগিব ৰোগীৰ প্ৰতি ডাক্তৰৰ গভীৰ সহানুভূতিপূৰ্ণ ব্যক্তিগত মনোযোগ। ৰোগীৰ ৰোগ নিৰাময় কৰাত আটাইতকৈ ডাঙৰ ভূমিকা লয় counselling।

গ্ৰীক দাৰ্শনিক সকলে কৈছিল যে, ৰোগ আৰোগ্য কৰাটো চিকিৎসকৰ কাম নহয়। চিকিৎসকৰ প্ৰধান কাম হ'ল ৰোগীৰ অন্তৰ্নিহিত নিৰাময় শক্তিক জগাই তোলা।

২০০৩ চনৰ অক্টোবৰ মাহত বৰগোহাঞিদেৱৰ কেইদিনমান জি এন আৰ চি হাস্পতালত চিকিৎসাধীন হৈ থাকিব লগা হৈছিল। ডাঃ নোমল চন্দ্ৰ বৰাই স্নেহপূৰ্ণ কথা আৰু মধুৰ শান্ত ব্যক্তিত্বই গোহাঞিদেৱৰ মনৰ ওপৰত যাদু মন্ত্ৰৰ দৰে কাম কৰিছিল। হাস্পতালৰ পৰা বিদায় লোৱাৰ আগত বৰগোহাঞিদেৱে ডাঃ নোমল চন্দ্ৰ বৰাক কৈছিল— মোক ঔষধে আৰোগ্য কৰা নাই, যমৰ দুৱাৰ ডলিৰ পৰা মোক ঘূৰাই আনিলে আপোনাৰ নিৰাময়কাৰী স্পৰ্শই। আপোনাৰ কৰুণা স্নিগ্ধ উপস্থিতিয়ে। এই অভিজ্ঞতাবোৰৰ পৰা বহুতো চিকিৎসকে চিন্তাৰ খোৰাক বিচাৰি পাব বুলি হোমেন বৰগোহাঞিদেৱে এই কথাখিনি ব্যক্তি কৰিছে।

লেখক কেনেথ ৱাকাৰৰ গ্ৰন্থ 'A Doctor digress' খন পঢ়ি হোমেন বৰগোহাঞিদেৱৰ মনত ডাক্তৰ আৰু ৰোগীৰ মাজৰ বিভিন্ন প্ৰশ্ন তেওঁৰ মনত জাগি উঠিছিল।

এই অধ্যায়ত ঔষধ আৰু চিকিৎসা বিজ্ঞানক কেন্দ্ৰ কৰি কুৰি শতিকাৰ দ্বিতীয়াৰ্ধত আমেৰিকা যুক্তৰাষ্ট্ৰত কিদৰে বিৰ্তক চলি আছে তাক উল্লেখ কৰিছে। এই বিৰ্তকৰ আভাস দিবলৈ আইভান ইলিচৰ 'Medical Nemesis' নামৰ কিতাপৰ এটা সৰু উদ্ধৃতি দিছে। সেইটো হৈছে— যান বাহনৰ ফলত হোৱা দুৰ্ঘটনা ঔদ্যোগিক দুৰ্ঘটনা আৰু যুদ্ধ বিগ্ৰহে কোটি কোটি মানুহক নিধন কৰে। কিন্তু সম্প্ৰতি মানুহৰ জীৱনত প্ৰযুক্তি নিৰ্ভৰ মেডিকেল হস্তক্ষেপে যি যন্ত্ৰণা, অক্ষমতা, শাৰীৰিক শক্তিহীনতা আৰু মনোকষ্টৰ সৃষ্টি কৰিছে যি পূৰ্বোল্লোখিত কাৰকসমূহে সৃষ্টি কৰা সমস্যাকো চেৰাই যাবলৈ অতিক্ৰম কৰিছে। আমাৰ যুগৰ দ্ৰুততম গতিৰে বৃদ্ধি পোৱা মহামাৰীৰ সৃষ্টি কৰিছে ঔষধৰ ব্যাপক প্ৰয়োগে।

শেষত কৈছে, ডাক্তৰে এটা কথা মনত ৰখা উচিত যে তেওঁ ৰোগীৰ লগত যান্ত্ৰিকভাৱে দহ মিনিট সময় কথা পতাতকৈ মানৱীয় মমতা আৰু সহানুভূতিৰে তিনি মিনিট সময় কথা পাতিলেও ৰোগীৰ পৰম উপকাৰ হয়।

**লৰ্ড জিম ঃ** লৰ্ড জিম জোছেফ কনৰাডৰ এখন উপন্যাসৰ নাম। জন্মসূত্ৰে জোছেফ কনৰাড পোলেণ্ডৰ মানুহ আছিল। অৱশেষত তেওঁ ইংলেণ্ডলৈ আহিল। জোছেফ কনৰাডৰ প্ৰতি হোমেন বৰগোহাঞিদেৱৰ আকৃষ্ট কৰা প্ৰথম মানুহজন আছিল দাৰ্শনিক বাট্ৰাণ্ড ৰাছেল। ৰাছেলৰ সৰ্বশ্ৰেষ্ঠ উপন্যাস 'The heart of Darkness' আৰু 'Lord Jim'। এই দুয়োখন উপন্যাসৰ বিষয়ে হোমেন বৰগোহাঞিদেৱে প্ৰায় ত্ৰিশ বছৰৰ আগতে দুটা চুটি প্ৰৱন্ধ লিখিছিল। এই অধ্যায়ত

গ্ৰীক দাৰ্শনিক সকলে কৈছিল যে ৰোগ আৰোগ্য কৰাটো চিকিৎসকৰ কাম নহয়। চিকিৎসকৰ প্ৰধান কাম হ'ল ৰোগীৰ অন্তৰ্নিহিত নিৰাময় শক্তিক জগাই তোলা।

বৰগোহাঞিদেৱে লৰ্ড জিমৰ কাহিনীটো বৰ সুন্দৰকৈ উল্লেখ কৰিছে।

কনৰাডৰ প্ৰায় সকলো কাহিনীৰে বক্তা আৰু ব্যাখ্যাতা মালোৰ ভাষাত— 'Pitiless wedding with a shadowy ideal of conduct'।

**কাম কৰাৰ সময় ঃ** এই প্ৰৱন্ধত বৰগোহাঞিদেৱে তেওঁৰ এজন বন্ধুৰ কথা কৈছে, যিজনক তেওঁ এটা বিশেষ বিষয়ৰ ওপৰত কিতাপ লিখিবলৈ পৰামৰ্শ দিয়াত বন্ধুজনে হুমুনিয়াহ কাঢ়িছিল। তেতিয়াই বৰগোহাঞিদেৱে বন্ধুজনক এইচ জি ওৱেলচৰ দ্বাৰা লিখি সম্পূৰ্ণ কৰা এখন কিতাপৰ কথা কৈছিল। লগতে কৈছিল, আমাৰ মানুহে অলপ কাম কৰিলেই বহুত কাম কৰা বুলি ভাবি আত্মপ্ৰসাদ লাভ কৰে। কিন্তু তেওঁলোকে এই কথা ভাবি নাচাই যে উন্নত সভ্য জগতৰ আচল কাম কৰা মানুহবোৰৰ তুলনাত আনকি অতি উচ্চাকাংক্ষী আৰু প্ৰতিভাৱান অসমীয়া মানুহবোৰেও একো উল্লেখযোগ্য কাম নকৰে। উন্নত জাতিৰ মানুহবোৰৰ লগত আমি প্ৰতিযোগিতা কৰিব পৰাৰ কোনো আশা নাই। অসমীয়া মানুহৰ যিটো বস্তুৰ অতি বেছি অভাৱ সেইটো হৈছে শ্ৰম সহিষ্ণুতা।

সেয়েহে তেওঁ কৈছে— জীৱনত আগ বয়সৰ পৰাই মানুহে কাম কৰাৰ হাবিয়াস গঢ়ি তুলিব লাগে।

**নিৰ্মলপ্ৰভা বৰদলৈৰ গীত আৰু কবিতা ঃ** ২০০৪ চনৰ ১২ অক্টোবৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অনুষ্ঠিত নিৰ্মলপ্ৰভা বৰদলৈ স্মৃতিচাৰণ সভাত দিয়া ভাষণটোক নিৰ্মলপ্ৰভা বৰদলৈৰ গীত আৰু কবিতা বুলি এই অধ্যায়ত লিখিছে। হোমেন বৰগোহাঞিদেৱৰ প্ৰিয় অসমীয়া কবি কেইজনৰ ভিতৰত এজন হ'ল নিৰ্মলপ্ৰভা বৰদলৈ। নিৰ্মলপ্ৰভা বৰদলৈৰ কেইটামান কবিতাই হোমেন বৰগোহাঞিদেৱৰ চেতনা আৰু কল্পনাক সম্প্ৰসাৰিত কৰি মাত্ৰ কেইটামান মুহূৰ্তৰ কাৰণে হ'লেও অস্তিত্বৰ এক নতুন আয়তন আৱিস্কাৰ কৰিবলৈ বৰগোহাঞিদেৱক সহায় কৰিছিল। জীৱনৰ সেই বিৰল মুহূৰ্তকেইটাৰ কাৰণে গোহাঞিদেৱ নিৰ্মলপ্ৰভা বৰদলৈৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিব বুলি এই প্ৰৱন্ধত উল্লেখ কৰিছে।

উদাহৰণ হিচাপে বৰগোহাঞিদেৱে নিৰ্মলপ্ৰভা বৰদলৈৰ 'মৰ্মান্তিক' নামৰ কবিতাটোৰ কথা কৈছে। মৰ্মান্তিকৰ লগতে- নীলা চিঠি, কৰুণ প্ৰহৰ, কৰুনতম, বিহু আৰু ঋতু, কবিতা গুচ্ছ ইত্যাদি কবিতাৰ বিষয়ে কৈছে।

হোমেন বৰগোহাঞিদেৱৰ মতে, নিৰ্মলপ্ৰভাৰ প্ৰেম আৰু প্ৰকৃতি বিষয়ৰ কবিতাবোৰেই তেওঁৰ আটাইতকৈ ভাল কবিতা। তেওঁ দুই এটা কবিতা অৱদমিত লিবিডৰ ঘনীভূত বাঙ্ময় প্ৰকাশ- যাৰ তুলনা অসমীয়া সাহিত্যত বেছি নাই। উদাহৰণস্বৰূপে তেওঁৰ সংজ্ঞা- প্ৰেমৰ কবিতাটো উল্লেখ কৰিব পাৰি।

**চৈয়দ আব্দুল মালিক ঃ** অসমীয়া সকলৰ মাজত চিৰপৰিচিত এজন মানুহ হ'ল--- চৈয়দ আব্দুল মালিক। তেওঁ ইতিমধ্যে আশী বছৰ অতিক্ৰম কৰিছে বুলি গোহাঞিদেৱে কৈছে। চৈয়দ আব্দুল মালিক কেন্সাৰ ৰোগৰ দ্বাৰা আক্ৰান্ত হৈছিল। সমস্ত জীৱন ধৰি অবিৰামভাৱে কঠোৰ পৰিশ্ৰম কৰা মানুহজনে এই ৰোগজীৰ্ণ বৃদ্ধ অৱস্থাতো পৰিশ্ৰমৰ দাসত্বৰ পৰা মুক্তি পোৱা নাই। যিজনে এদিন 'প্ৰাণ পোৱাৰ পিছত' আৰু 'কাঠফুলাৰ নিচিনা' অনবদ্য গল্প আৰু 'সুৰুযমুখীৰ স্বপ্ন'ৰ নিচিনা অসাধাৰণ উপন্যাস লিখি অসমীয়া সকলৰ হৃদয়ত তোলপাৰ লগাইছিল। হোমেন বৰগোহাঞিদেৱে কৈছে, মালিক সদায় ডেকা হৈয়েই থাকিল, বুঢ়া হোৱাটো তেওঁৰ পক্ষে অসম্ভৱ হৈ পৰিল।

কস্তুৰী নামৰ এটা সংস্থাই মালিকৰ আটাইবোৰ লেখা সামৰিলৈ বিশটা বৃহৎ খণ্ড প্ৰকাশ কৰাৰ দিহা কৰিছে। গুৰুত্ব বা মহত্ত্বৰ ফালৰ পৰাও চৈয়দ আব্দুল মালিকৰ ৰচনাৱলী অসমৰ বিংশ শতাব্দীৰ ইতিহাসৰ এটা প্ৰধান কীৰ্তিস্তম্ভ।

**মুনীন ভূঞা ঃ** হোমেন বৰগোহাঞিদেৱে কৈছে, যিসমল নিষ্ঠাৱান আৰু প্ৰতিভাৱান নাট্যকৰ্মী আৰু চিত্ৰ নিৰ্মাতাৰ নাম আমাৰ মনলৈ আহিছিল। তেওঁলোকৰ ভিতৰত এজন আছিল মুনীন ভূঞা।

নীলাচলৰ যোগেদি আত্মপ্ৰকাশ কৰা এজন প্ৰতিভাৱান ডেকা আছিল মুনীন ভূঞা। তেওঁ সম্প্ৰতি আকাশবাণীৰ ডিব্ৰুগড় কেন্দ্ৰৰ প্ৰযোজক। প্ৰতিভাৱান নাট্যকাৰ ভূঞাই ইতিমধ্যে একাধিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰ অৰ্জন কৰিছে।

হোমেন বৰগোহাঞিদেৱে কৈছে মুনীনক লৈ এই কাৰণেই গৰ্ব অনুভৱ কৰোঁ

যে তেওঁ দুৰ্বল নহয়ল কাপুৰুষ নহয়, তেওঁ প্ৰকৃত অৰ্থত এজন প্ৰাণৱন্ত পুৰুষ।


**ছেমুৱেল স্মাইলছ ঃ** হোমেন বৰগোহাঞিৰ জীৱনত প্ৰভাৱ পেলোৱা কিতাপ দুখন হ'ল— 'Lahiri's Select Poems' আৰু ছেমুৱেল স্মাইলছৰ 'Reading from smiles'।

'Lahiri's select poems' কিতাপখনত হোমেন বৰগোহাঞিদেৱে আটাইতকৈ ভাল পোৱা কবিতা দুটা হ'ল টেনিছনৰ 'The may Queen' আৰু 'The lotus eaters'।

হোমেন বৰগোহাঞিৰ দেউতাকৰ কিতাপৰ আলমাৰীত তেওঁৰ দ্বিতীয় গুৰুত্বপূৰ্ণ আৱিস্কাৰ- ছেমুৱেল স্মাইলছৰ 'Reading from smiles' বুলি উল্লেখ কৰিছে। এই কিতাপখনৰ পৃষ্ঠাই পৃষ্ঠাই এটাৰ পিছত এটাকৈ অজস্ৰ উদাহৰণ- যিবোৰ পঢ়িলে মহৎ আৰু পৱিত্ৰ জীৱনৰ উদাত্ত আহ্বানত মনটো ধীৰে ধীৰে জাগি উঠে, তুচ্ছতা আৰু ক্ষুদ্ৰতাত লেটি হৈ নাথাকি এটা উচচতৰ লক্ষ্য অভিমুখে ওপৰলৈ উঠিবলৈ মনটোৱে আপোনা আপুনি সংকল্প লয় বুলি হোমেন বৰগোহাঞিদেৱে কৈছে। এই গ্ৰন্থখন হোমেন বৰগোহাঞিদেৱৰ বিশ্বস্ত সংগী আছিল।

ইয়াৰ উপৰিও 'তামোলৰ কথা', 'কাৰ্বি লাময়েত আমেই', 'ভোকেই ভাতৰ আঞ্জা', কাৰ্বি ব্যঞ্জনৰ জুতি, ৰাজেন শইকীয়াৰ ঘৰত এদিন, অনুপমাৰ জীৱন আৰু কবিতা, ইছমাইল হুছেইনৰ সন্ধানত, বাতৰি কাকতত অসমীয়া ভাষাৰ দুৰ্গতি, কিতাপ আৰু টেলিভিচন, দীঘল আৰু চুটি, নাগালেণ্ডত মনুষ্যত্বৰ নীৰৱ সাধনা, ভলগাৰ পৰা ব্ৰহ্মপুত্ৰলৈ, অজগৰ সংবাদ, সন্ত্ৰাসবাদী, উত্তৰ আয়াৰলেণ্ড, দেৱালৰ লিখন, যুদ্ধৰ শেষ ক'ত, যুদ্ধক্ষেত্ৰত মৃত্যু, ৰাজনীতি, মন্ত্ৰী আৰু সংস্কৃতি, ভুলৰ প্ৰায়চিত্ত, বিশ্বাসঘাতকতা, শিশুৰ কাৰণে কিতাপ, অসমীয়া ভাষাত গণিতৰ ইতিহাস, হাতী, অসমীয়া কোন, অসম বাণীৰ লগত চাৰিটা বছৰ— ইত্যাদি লেখাকেইটি 'চিন্তাৰ খোৰাক' গ্ৰন্থখনত সংযোজন কৰা হৈছে। এই লেখা সমূহত উল্লেখ কৰা কিছুমান বিষয় আলোচনা কৰি চোৱাৰ প্ৰয়োজন। অসমীয়া ভাষাটো বৰ্তমান সময়ত বাতৰি কাকতত ভুলকৈ প্ৰয়োগ হৈছে, তাৰ বিষয়ে লেখকে 'বাতৰি কাকতত অসমীয়া ভাষাৰ দুৰ্গতি' নামৰ প্ৰৱন্ধত লিখিছে। কাৰ্বি আংলঙলৈ গৈ কিদৰে কাৰ্বিসকলৰ ৰন্ধন কলাৰ লগত পৰিচিত হ'বলৈ সুযোগ পাইছিল, তাৰ বিষয়ে হোমেন বৰগোহাঞিদেৱে 'কাৰ্বি ব্যঞ্জনৰ জুতি'ত লিখিছে। কাৰ্বি মাম্‌মেত আমেই মানে কাৰ্বি সাহিত্য সভা। কাৰবি লাময়েত আমেইৰ পঞ্চদশ বছৰেকীয়া অধিৱেশন ২০০৩ চনৰ ২৫ মাৰ্চত অনুষ্ঠিত হৈছিল ডেনগাঁৱত। ইয়াৰ বিষয়ে 'কাৰবি লামমেত আমেই'ত উল্লেখ কৰিছে। শেষত ইয়াকেই ক'ব পাৰি যে, গ্ৰন্থখন অভিজ্ঞতাপুষ্ট, সহজ-সৰল বৰ্ণনাৰে সমৃদ্ধ। এই গ্ৰন্থখনৰ লেখা সমূহে পাঠক সকলক এটা সৎ আৰু আদৰ্শ চৰিত্ৰ গঢ়ি তোলাত সহায় কৰিব। এই গ্ৰন্থৰ প্ৰেৰণা লৈ মানুহে বহুতো কাম কৰিবলৈ যত্ন কৰিব।

■■




# মণিকুন্তলা ভট্টাচাৰ্যৰ "বৰদোৱানী"

নীহাৰিকা বৰা

অসমৰ এগৰাকী প্ৰসিদ্ধ ঔপন্যাসিকা তথা কবি সাহিত্যিক হ'ল মণিকুন্তলা ভট্টাচাৰ্য। সাধাৰণতে তেখেতে নাৰীৰ মনস্তত্বৰ ওপৰত ভিত্তি কৰি উপন্যাস সমূহ লিখি আহিছে। এগৰাকী সংবেদনশীল লেখিকা হিচাপে মণিকুন্তলা ভট্টাচাৰ্যৰ যথেষ্ট সুনাম আছে। নাৰীৰ জীৱনক কেন্দ্ৰ কৰি লিখা উপন্যাস সমূহত তেখেতে নাৰীৰ ত্যাগৰ এক সুন্দৰ প্ৰতিফলন দেখুৱাবলৈ সক্ষম হৈছে।

'বৰদোৱানী' মণিকুন্তলা ভট্টাচাৰ্যৰ দ্বাৰা ৰচিত এখন নাৰীকেন্দ্ৰিক উপন্যাস। উপন্যাসখন প্ৰথম প্ৰকাশ হৈছিল ২০০৬ চনৰ নৱেম্বৰ মাহত। উপন্যাসখনৰ বিষয়বস্তু, কাহিনী বিন্যাস, গঠনৰীতি আৰু লিখনিশৈলী সকলো দিশ অতি মনোৰম। অফুৰন্ত প্ৰেমৰ আকুলতা আৰু বাস্তৱ কৰ্তব্যৰ পৰিক্ৰমাৰে এক সৰল গ্ৰাম্য কৃষক সমাজৰ কাহিনী 'বৰদোৱানী'। অসমৰ পবিত্ৰ ধাম বৰদোৱাৰ পৰাই ওলাই আহিছে, সেই নাৰী, যি নাৰীয়ে জীৱনৰ মহত্ব উপলব্ধিৰে নিজকে কৰ্তব্যৰ সাৰথি কৰি তোলে, তেওঁৱেই হ'ল 'বৰদোৱানী'। য'ত আছে বৰদোৱানীৰ আকুল প্ৰেম, বৰদোৱানীৰ প্ৰেমত ব্যাকুল প্ৰেমিক পুণ্যধৰ, পুণ্যধৰৰ স্ত্ৰী ৰেনুমাই, পুণ্যধৰৰ সন্তান, সমাজ, পৰিবৰ্তনশীল সময় আৰু পৰিবৰ্তনশীল সময়ে অস্থিৰ কৰি তোলা নৱ প্ৰজন্ম।

এজন পুৰুষে দুগৰাকী নাৰীৰ পাণি গ্ৰহণ কৰাৰ ফলত এখন ঘৰে কি ৰূপ ধাৰণ কৰিব পাৰে, সেইয়ে উপন্যাসখনৰ মূল কাহিনী। উপন্যাসখনৰ জৰিয়তে সন্তানহীনা এগৰাকী নাৰীৰ হৃদয়ৰ কৰুণ বিননি শুনিবলৈ পোৱা গৈছে। ইয়াৰ উপৰিও গাঁৱলীয়া সমাজৰ মানুহৰ সহজ সৰল জীৱন, কথোপকথন আৰু তেওঁলোকৰ সৰল মনবোৰ সুন্দৰ ভাৱে পৰিস্ফূৰ্ত হৈছে।

উপন্যাসখনৰ কাহিনী গভীৰভাৱে অধ্যয়ন কৰিলে ইয়াৰ কাহিনীটোৱে সঁচাকৈয়ে হৃদয় চুই যায়। উপন্যাসখনত এগৰাকী নাৰী সন্তানহীনা হ'লে বিশেষকৈ পুৰণি গাঁৱলীয়া সমাজত কিমান কষ্ট সহ্য কৰিব লগা হৈছিল, তাৰ এক কৰুণ প্ৰতিচ্ছবি ফুটি উঠিছে।

উপন্যাসখনৰ মূল চৰিত্ৰ 'বৰদোৱানী' এগৰাকী সহজ সৰল গাঁৱলীয়া নাৰী। গিৰিয়েক পুণ্যধৰ মৰম আকলুৱা হোজা ব্যক্তি। উপন্যাসখনৰ প্ৰথম অৱস্থাত বৰদোৱানী আৰু পুণ্যধৰক এহাল অতি সুখী পতি-পত্নী ৰূপত দেখুওৱা হৈছে।কিন্তু তেওঁলোকৰ বিয়াৰ ৬ বছৰৰ পাছতো তেওঁলোকে কোনো সতি-সন্ততিৰ মুখ দেখিবলৈ নাপালে। বৰদোৱানীয়ে শাহুৱেকে দিয়া এসোপা তাবিজ আৰি লৈ ফুৰে তাইৰ হাতত আৰু কঁকালত। কিন্তু তাবিজে কোনো ফল নধৰায়। পুণ্যধৰৰ মাকে মৃত্যুশয্যাত যুঁজি থকাৰ সময়ত পুণ্যধৰৰ পৰা এষাৰি বচন লৈছিল এটি পুত্ৰ সন্তান জন্ম দিয়াৰ বাবে। কিন্তু বৰদোৱানী যে অক্ষম। সেয়েহে তাই তাইৰ প্ৰাণৰ দেৱতাজনকো ভগাই ল'ব লগাত পৰিছিল সতিনীৰ লগত। কিন্তু পুণ্যধৰে দ্বিতীয় বিবাহ কৰাবলৈ কোনোপধ্যেই মান্তি নাছিল। আনফালে সি মাকক দিয়া বচনো মূল্যহীন কৰিব নোৱাৰে আৰু বৰদোৱানীৰ বাহিৰে অন্য নাৰীৰ কথা ভাবিবও নোৱাৰে। উপায়ন্তৰ হৈ সি এদিন দ্বিতীয় বাৰৰ বাবে দৰাৰ সাজ পিন্ধিবলৈ বাধ্য হৈছিল। লাহে লাহে যেন বৰদোৱানী আঁতৰি আহিবলৈ লৈছিল তাই প্ৰাণৰ পুৰুষজনৰ পৰা। বাৰে বাৰে চেষ্টা কৰিও তাই আঁতৰি আহিব পৰা নাছিল পুণ্যধৰৰ পৰা। সুস্থ মগজুৰেই তাই সতিনীৰে সৈতে ভগাই লোৱাৰ সিদ্ধান্ত লৈছিল যদিও তাইৰ হৃদয়ে যেন মানি ল'ব নোখোজে সেই কথা। তাই সদায় প্ৰাণৰ পুৰুষজনক আৱৰি ৰাখিব খোজে নিজৰ মাজত। কিন্তু শাহুৱেকৰ মৃত্যুশয্যাত দিয়া বচনকো নেওচিব নোৱাৰে তাই। কাৰণ তাই যে অক্ষম।

উপন্যাসখনৰ কাহিনী গভীৰভাৱে অধ্যয়ন কৰিলে ইয়াৰ কাহিনীটোৱে সঁচাকৈয়ে হৃদয় চুই যায়। উপন্যাসখনত এগৰাকী নাৰী সন্তানহীনা হ'লে বিশেষকৈ পুৰণি গাঁৱলীয়া সমাজত কিমান কষ্ট সহ্য কৰিব লগা হৈছিল তাৰ এক কৰুণ প্ৰতিচ্ছবি ফুটি উঠিছে।

তাইৰ সেই অক্ষমতাই যেন তাইক লাহে লাহে অৱহেলিত কৰি তুলিছিল। উপন্যাসখনত বৰদোৱানীক এক ধৈৰ্যশীল নাৰীৰ ৰূপত দেখুওৱা হৈছে। তাৰোপৰি সতিনীৰ মাজত মৰমৰ এক বান্ধোন দেখুওৱা হৈছে। দুগৰাকী পত্নী আৰু সন্তানৰ সৈতে পুণ্যধৰৰ সাংসাৰিক জীৱনক লৈ উপন্যাসৰ কাহিনী আগবাঢ়িছে। বাহিৰে সুখী হোৱাৰ অভিনয় কৰিলেও পুণ্যধৰে শুনে বৰদোৱানীৰ হৃদয়ৰ কৰুণ ক্ৰন্দন। আন্ধাৰৰ সুযোগ লৈ হিয়া উজাৰি কান্দে বৰদোৱানীয়ে। সদায়ে বৰদোৱানীক কিছুমান প্ৰশ্নই খেদি থাকে। কি এই জীৱন? কাৰ বাবে এই জীৱন? তাই কেৱল এটি অক্ষম জৰায়ু কঢ়িয়াই লৈ ফুৰা এজনী অক্ষম নাৰী।

উপন্যাসখনত সন্তানৰ মোহত আবদ্ধ হৈ পৰা পিতৃৰ এক সুন্দৰ ছবি দেখুওৱা হৈছে। বৰদোৱানীৰ বাহিৰে অন্য নাৰীৰ কথা চিন্তাও কৰিব নোৱাৰা পুণ্যধৰক সন্তানৰ মোহে বাৰে বাৰে টানি নিয়ে ৰেণুমাইৰ কাষলৈ। মাতৃত্বৰ গৌৰৱৰ পৰা বঞ্চিত হ'লেও বৰদোৱানীৰ মাতৃত্বৰ মমতাৰ পৰা বঞ্চিত নহয়। ৰেণুমাইৰ ল'ৰা লক্ষ্যধৰ যেন তাইৰ শৰীৰৰ এটি অংগ।

কৃষি কৰ্মৰ বাবে পুণ্যধৰ পামত থাকিব লাগে। নহ'লে সংসাৰ নচলে। কিন্তু সন্তানৰ মোহে তাক আবদ্ধ কৰি ৰাখে। সেইবাবে সি লক্ষ্যক পামলৈ লৈ যোৱাৰ

সিদ্ধান্ত লৈছিল। আৰু তাৰ লগে লগে গুচি গৈছিল ৰেণু। অকলশৰীয়া হৈ পৰিছিল বৰদোৱানী। পুণ্যধৰে বাৰে বাৰে লগ ধৰাৰ স্বত্বেও তাই পামলৈ যাবলৈ মান্তি নহয়। কাৰণ সন্তান আৰু পত্নীৰে পৰিপূৰ্ণ পুণ্যধৰৰ সুখৰ সংসাৰখনত তাই হেঙাৰ হ'ব নোখোজে। তাৰোপৰি এইখন তাইৰ নিজৰ ঘৰ। শাহুৱেক শহুৰেকৰ নানান স্মৃতিৰে ভৰি থকা এইখন ঘৰ। তাইৰ আৰু পুণ্যধৰৰ মৰমৰ সাক্ষী সেই বিচনাখন, গাৰুটো। গতিকে তাই ঘৰ এৰি কলৈকো নাযায়। অকলশৰেই ৰৈ যাব তাই এইখন ঘৰত।

দুই এদিনৰ আঁতৰে আঁতৰে পুণ্যধৰ আহে তাইৰ কাষলৈ। আকৌ উভতি যায়গৈ। উভতি গৈয়ো সি শান্তি নাপায়। বাৰে বাৰে উৰি আহিবৰ মন যায় বৰদোৱানীৰ কাষলৈ। তাইৰ কোলাত মূৰ থৈ অকণমান জিৰাবলৈ। কিন্তু সন্তানৰ মোহে তাক এৰিব নোখোজে। বৰদোৱানীৰ একমাত্ৰ সংগী হৈ পৰে তাইৰ সম্বন্ধীয় ভনীয়েক হৰিপ্ৰভা। অনবৰতে তাইক কিছুমান চিন্তাই খেদি লৈ ফুৰে। তাই অকলশৰে নিৰ্জীৱৰ দৰে বিচনাত পৰি থাকি ভাল পোৱা হ'ল। অনবৰতে তাইৰ মূৰ ঘূৰণি হৈ থাকিবলৈ ল'লে। কিন্তু তথাপিও তাই ধৈৰ্য নেহেৰুৱালে।

উপন্যাসখনৰ শেষৰ অংশ অতি হৃদয় বিদাৰক। এদিন কোনো দুস্কৃতিকাৰীয়ে তাইৰ ঘৰৰ বাৰীৰ ঢাপত পুতি থৈ যায় এসোপামান পিষ্টল আৰু বন্দুকৰ গুলী। সেইবোৰ আকৌ উদ্ধাৰ কৰে লক্ষ্যই। সেইখিনি দেখি তাৰ ডেকামনৰ কৌতূহল বৃদ্ধি পায়। সেয়েহে সি তাৰ বন্ধু অজিতৰ লগ লাগি পিষ্টলবোৰ লুকুৱাই থয়। সেইদিনা বৰদোৱানীৰ কাষলৈ অহা পুণ্যধৰ ৰাতিও থাকিছিল তাইৰ ঘৰত। ৰাতি বাহিৰত মাটি খন্দাৰ শব্দ শুনি সি উঠি আহিছিল বাহিৰলৈ। কিন্তু হঠাতে কেইখনমান সুঠাম পুৰুষৰ হাতে তাক একেবাৰে ধৰাশায়ী কৰি পেলালে। আৰু লগে লগে সিহঁতে সুধিছিল সিহঁতৰ পিষ্টলবোৰ কি হ'ল? ভিতৰৰ বিচনাত বৰদোৱানীৰ বুকুত সোমাই থকা লক্ষ্যক সিহঁতে চোচৰাই লৈ উধাও হ'ল আৰু দুদিনৰ পাছত সিঁহতে তাক বস্তাত ভৰাই পেলাই থৈ গ'ল বৰদোৱানীৰ বাৰীৰ ঢাপত। বৰদোৱানীয়ে তাইৰ প্ৰাণতকৈ মৰমৰ মানুহ পুণ্যধৰ আৰু নিজতকৈও আপোন লক্ষ্যধৰৰ পিণ্ড একেলগে বান্ধিলে। পুত্ৰশোকত ৰেণুমাই বলিয়া হ'ল। অকলেই তাই কথা পাতি থাকিবলৈ ল'লে। কিন্তু ধৈৰ্য নেহেৰুৱালে বৰদোৱানীয়ে। তাই পামৰ খেতি চম্ভালে, গৰু গাই চম্ভালে, ৰেণুমাইৰ ছোৱালী কান্তাৰ পঢ়া শুনাৰ দায়িত্ব লয় আৰু মাজে মাজে লেতেৰী সুঁতিৰ পাৰত বহি চাই ৰয় দূৰৰ আকাশৰ উজ্জ্বল তৰালৈ। সময় আগবাঢ়ি যায়, তাৰ লগে লগে বাঢ়ি যায় বৰদোৱানীৰ বয়স। কিন্তু তাই ধৈৰ্য আৰু ত্যাগ একেই থাকে।

মণিকুন্তলা ভট্টাচাৰ্যই উপন্যাসখনত সহজ সৰল ভাষা প্ৰয়োগ কৰিছে সকলোৱে বুজিব পৰাকৈ। উপন্যাসখনত বৰ্তমান সময়ৰ কিছুমান পৰিস্থিতি যেনে— মাদ্ৰকদ্ৰব্য সেৱন কৰা, জুৱা খেলা, সংগদোষ আদি সমূহ সুন্দৰ ভাৱে প্ৰতিফলিত হৈছে। উপন্যাসখনে বৰ্তমান সমাজ উপকৃত হ'ব পৰাকৈ ভূমিকা গ্ৰহণ কৰিছে। উপন্যাসখনত নাৰীক ধৈৰ্য আৰু ত্যাগৰ প্ৰতীক হিচাপে প্ৰতিফলিত কৰিছে। গাঁৱলীয়া সমাজত প্ৰচলিত কিছুমান অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ বিষয়ে উপন্যাসখনত উপস্থাপন কৰা হৈছে। বিশিষ্ট ঔপন্যাসিকা মণিকুন্তলা ভট্টাচাৰ্যৰ এই উপন্যাসখন পঢ়ি মই সঁচাকৈয়ে আপ্লুত হ'লোঁ। শেষত মণিকুন্তলা ভট্টাচাৰ্যলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।


■■

# মিছন ইণ্ডিয়া ঃ যুৱ প্ৰজন্মৰ এক সপোন

জাহ্নৱী বৰা

"সপোন সেইবোৰ নহয়, যি তুমি টোপনিত দেখা; সপোন সেইবোৰহে, যিয়ে তোমাক টোপনি যাবলৈ নিদিয়ে।

— ড° এ.পি.জে আব্দুল কালাম।




যিসকল ভাৰতীয়ই নিজৰ সামৰ্থ অপৰিসীম নিষ্ঠা আৰু পৰিশ্ৰমেৰে নিজৰ লগতে ভাৰতৰ নামো উজ্বলাবলৈ সক্ষম হৈছে আৰু যিসকলে ভাৰতক বিশ্বৰ আগস্থানৰ এখন দেশত পৰিণত কৰাটো জীৱনৰ ব্ৰত হিচাপে লৈছে, সেইসকল বিৰল ভাৰতীয়ৰ মাজত এ পি জে আব্দুল কালামৰ নামটো প্ৰথম শাৰীতে পৰে। ভাৰতৰ প্ৰখ্যাত বিজ্ঞানী 'মিছাইল মেন' হিচাপে খ্যাত, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্দুল কালামক যথাৰ্থভাৱেই ভাৰতৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন আগবঢ়োৱা হৈছে, পাছে সেয়া নহ'লেও তেওঁ কোটি কোটি ভাৰতীয় জনগনৰ মনত ভাৰতৰত্ন হিচাপেই থাকি গ'লহেঁতেন। জনসাধাৰণৰ মাজত অতিশয় জনপ্ৰিয়তা আৰু গ্ৰহণযোগ্যতাৰ বাবে তেওঁক যেনেকৈ 'ৰাইজৰ ৰাষ্ট্ৰপতি' হিচাপে অভিহিত কৰা হয়, ঠিক তেনে যুক্তিতে তেওঁক জনসাধাৰণৰ 'ভাৰতৰত্ন' বুলিও অভিহিত কৰিব পাৰি।

ড° এ পি জে আব্দুল কালামৰ গ্ৰন্থসমূহৰ ভিতৰত এখন আপুৰুগীয়া গ্ৰন্থ হ'ল— "মিছন ইণ্ডিয়া ঃ যুৱ প্ৰজন্মৰ বাবে এক সপোন"। এই গ্ৰন্থখনি সুদক্ষ অনুবাদক সুৰেশ শৰ্মাদেৱে আৰু যজ্ঞস্বামী সুন্দৰ ৰাজনৰ সহযোগত গ্ৰন্থখনি অনুবাদ কৰিছে।

পুথিখনৰ বিৱৰণ ঃ ড° এ পি জে আব্দুল কালামৰ দ্বাৰা ৰচিত এই পুথিখন এখন সঁচাকৈয়ে যুৱ প্ৰজন্মৰ বাবে আপুৰুগীয়া সম্পদ। এই গ্ৰন্থখনি মুঠ ১০ টা খণ্ডত বিভক্ত। প্ৰত্যেকটো খণ্ডত ভাৰতবৰ্ষখন কেনেকৈ উন্নয়নশীল আৰু বিকশিত ৰাষ্ট্ৰ হিচাপে ৰূপান্তৰিত কৰিব পাৰি, তাক প্ৰাঞ্জল আৰু সৰল ভাষাৰে বৰ্ণিত হৈছে।

কিতাপখনিৰ মূল তত্ত্ব ঃ আজি শিশু কাইলৈ দেশৰ নাগৰিক। এই শিশুসকলক ভাৰতবৰ্ষৰ সফলতাৰ সৈতে পৰিচয় কৰাই, ২১ শতিকাত উদ্ভৱ হোৱা দেশৰ সমস্যা সমূহৰ বিষয়ে বৰ্ণনা কৰিছে। যুৱ প্ৰজন্মই কেনেধৰণৰ কাৰ্যপন্থা হাতত লৈ দেশখনত উন্নতি কৰিব পাৰে, তাৰ বিষয়ে আলোচনা কৰিছে।

প্ৰাক্স্বাধীনতাৰ সময়ত ভাৰতবৰ্ষত

বহুতো স্বপ্নদ্ৰষ্টা মনীষীৰ আৱিৰ্ভাব হৈছিল। বহু সমৰ্থবান পুৰুষ মহিলাই এখন শক্তিশালী আৰু আধুনিক ভাৰতৰাষ্ট্ৰ নিৰ্মাণৰ স্বপ্ন দেখিছিল। শক্তিশালী আৰু আধুনিক ভাৰত নিৰ্মাণৰ বাবে দেশে ভিন-ভিন ক্ষেত্ৰত উন্নতি কৰিব লাগিব বুলি তেওঁলোকে উপলব্ধি কৰিছিল। স্বাধীনতা আন্দোলনত অগ্ৰণী ভূমিকা লোৱা মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, মৌলানা আব্দুল কালাম, আজাদ, সুভাষ চন্দ্ৰ বসু আদি ব্যক্তি আৰু আন বহুতৰ জীৱন গাঁথা পঢ়ি বিস্ময় মানিব লাগিব; কাৰণ এইসকল লোকে নতুন প্ৰজন্মৰ নেতাসকলক অনুপ্ৰাণিত কৰিছে। তেওঁলোকে দেশ মাতৃক দাসত্বৰ অৱক্ষয়ৰ পৰা মুক্ত কৰি বিশ্বৰ দৰবাৰৰ উপযুক্ত স্থানত অৱস্থান কৰোৱাটোৱে আছিল তেওঁলোকৰ একমাত্ৰ লক্ষ্য।

১৯৪৭ চনৰ পিছত এইসকল নাৰী পুৰুষৰ জলন্ত উদাহৰণৰ পৰা ভাৰতবৰ্ষ অনুপ্ৰাণিত হৈছিল। জাতীয় জীৱনৰ বহুতো দিশত যেনে- কৃষি উদ্যোগ, স্বাস্থ্য, শিক্ষা, ৰাস্তা-ঘাট, ৰেলপথ আৰু আন বহুক্ষেত্ৰত প্ৰভূত উন্নতি সাধন হৈছিল। নিৰক্ষৰতা আৰু দৰিদ্ৰতাই লগ নেৰা ব্যাপক জনসংখ্যা থকা স্বত্বেও ভাৰতবৰ্ষৰ চিৰসেউজ গণতন্ত্ৰ সমগ্ৰ বিশ্বৰ বাবে এক পৰম বিস্ময়।

ভাৰতবৰ্ষ উন্নত দেশ হ'বলৈ হ'লে কৃষি আৰু খাদ্যৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰিব লাগিব। ঘেঁহু, ধান, অন্যান্য শইচ আৰু শাক-পাচলিবোৰ উন্নত পৰ্যায়লৈ নিবলৈ হ'লে প্ৰযুক্তিবিদ্যাৰ দ্বাৰা ৰাসায়নিক সাৰ প্ৰয়োজন কৰিব লাগিব। ভাৰতৰ সকলো মানুহক পুষ্টি আৰু পৰ্যাপ্ত পৰিমাণৰ খাদ্য যোগাবলৈ হ'লে ২০২০ বৰ্ষৰ ভিতৰত ৩৬ কোটি টন খাদ্যশস্যৰ প্ৰয়োজন দেশীয় উপভোগৰ বাবে এইখিনি যথেষ্ট। তথাপি কিছু পৰিমাণৰ খাদ্যশস্য ৰপ্তানি কৰাৰ উপৰি দুৰ্যোগৰ সময়ত আন দেশকো কিছু সাহাৰ্য দিব পৰা যাব। এই মিছন বা অভিযানৰ বাবে কিছুমান ক্ষেত্ৰত বিপ্লৱ আনিব লাগিব, যেনে- গৱেষণা, কাৰিকৰী উন্নয়ন বা বিকাশ, কৃষি সম্প্ৰসাৰণ ক্ষেত্ৰত। তাৰোপৰি বিপননৰ বিশাল নেটৱৰ্ক গঢ়ি তোলাৰ উপৰি মজুতকৰণ আৰু বিতৰণৰ ক্ষেত্ৰতো ব্যাপক পৰিৱৰ্তন সাধিব লাগিব।

ৰাসায়নিক দ্ৰব্য আৰু ৰাসায়নিক উৎপাদকসমূহৰ প্ৰয়োগে বিভিন্ন ধৰণে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে আমাৰ জীৱন প্ৰভাৱিত কৰে। ভেঁকুৰ আৰু কীট-পতংগ নিয়ন্ত্ৰণ কৰাৰ বাবে উদ্ভিদ আৰু কীটনাশক দৰৱৰ বিকাশ সাধন কৰা উৰ্বৰক সাৰ, জৈৱ অথবা অজৈৱ নাইট্ৰ'জেন গেছীয় পদাৰ্থবোৰ কৃষিৰ বাবে আৱশ্যক। আন কিছুমান ঘৰুৱা বয়-বস্তুও আছে, যিবোৰ খাদ্য, স্বাস্থ্যবিধান আৰু স্বাস্থ্য বিজ্ঞানৰ বাবে নহ'লে নচলে। যেনে- লোণ, বস্ত্ৰ, অপমাৰ্জক, প্ৰসাধন সামগ্ৰী, বিভিন্ন পানীয়, দৰৱ, পেকেটত থকা খাদ্যবস্তু, কিতাপ-কাগজ আৰু খবৰ কাগজ আদি। এই সামগ্ৰীবোৰ আমাৰ অপৰিহাৰ্য অংগ। একে সময়তে এই ৰাসায়নিক দ্ৰব্যবোৰৰ প্ৰস্তুতকৰণ আৰু প্ৰয়োগে আন আন সমস্যাৰো সৃষ্টি কৰিব পাৰে। ভুল প্ৰয়োগৰ ফলত এই ৰাসায়নিক দ্ৰব্যবোৰৰ বেয়া প্ৰভাৱো হ'ব পাৰে। ই বায়ু দুষিত কৰিব পাৰে; মাটিৰ গুণাগুণ অৱনমিত কৰিব পাৰে; হ্ৰদ, নদ-নদী দূষিত কৰিব পাৰে; প্ৰদূষণ আৰু পৰিৱেশৰ ভাৰসাম্যতা বিনষ্ট কৰি সামূদ্ৰিক জীৱন সংকটাপন্ন কৰিব পাৰে।

দেশৰ যুৱ-প্ৰজন্মৰ চিন্তা-ভাৱনা আৰু দৃষ্টিকোণৰ যোগাত্মক অথবা গুণগত উৎকৰ্ষ সাধনৰ বাবে শিক্ষা ব্যৱস্থাত গৱেষণা আৰু অনুসন্ধান, সৃষ্টিশীলতা আৰু

**...এখন বিকশিত বা উন্নত ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে কেৱল কৃষি, উৎপাদন বা প্ৰস্তুতকৰণ, সামৰিক উদ্যোগ আৰু শিক্ষা আৰু স্বাস্থ্যসেৱা সামৰি লোৱা সেৱাসমূহেই যথেষ্ট নহয়। সিবোৰক কৰ্মক্ষম কৰিব পৰা এক নিশ্চিত সংৰচনা অথবা আন্তঃগাঁথনিৰো প্ৰয়োজন...**

উদ্যোগী মানসিকতা সম্পৰ্কীয় বিনিয়োগৰ ওপৰত প্ৰাধান্য দিয়া হৈছে। ৫ ৰ পৰা ১৬ বছৰ বয়সলৈ বিদ্যালয়ত শিক্ষা গ্ৰহণৰ কালছোৱাই মানুহৰ জীৱনৰ উৎকৃষ্টতম সময়।

শিশুসকলক বিদ্যালয় আৰু ঘৰত মূল্যবোধৰ শিক্ষা দিব লাগে, যাতে ভৱিষ্যতে তেওঁলোক দেশৰ একো একোজন সু-নাগৰিক হ'ব পাৰে। শিশুসকলক প্ৰেৰণাদায়ক বাতাবৰণৰ দৰকাৰ য'ত তেওঁলোকে লক্ষ্যাভিমুখী শিক্ষাৰ লগতে নৈতিক শিক্ষাও লাভ কৰিব পাৰে। বিদ্যালয় চৌহদত শিশুৱে মূল্যবোধৰ শিক্ষা নাপালে কোনো চৰকাৰে কোনো দিনে সুস্থ অথবা সুসংহত এখন সমাজ প্ৰতিষ্ঠা কৰিব নোৱাৰে। শিশুৱে শিক্ষা গ্ৰহণৰ এই মূল্যবান সময়খিনি হেৰুৱালে ৰাষ্ট্ৰয়ো এখন প্ৰবুদ্ধ নাগৰিকক হেৰুৱাব।

এখন বিকশিত বা উন্নত ভাৰতবৰ্ষ নিৰ্মাণৰ বাবে কেৱল কৃষি, উৎপাদন বা প্ৰস্তুতকৰণ, সামৰিক উদ্যোগ আৰু শিক্ষা আৰু স্বাস্থ্যসেৱা সামৰি লোৱা সেৱাসমূহেই যথেষ্ট নহয়। সিবোৰক কৰ্মক্ষম কৰিব পৰা এক নিশ্চিত সংৰচনা অথবা আন্তঃগাঁথনিৰো প্ৰয়োজন। উৎপাদিত সামগ্ৰী বা দ্ৰব্যসমূহ উপযুক্ত সময়ত বজাৰ গৈ নাপালে অধিক উৎপাদনৰ কোনো মূল্য বা মহত্ত্ব নাই। বিদ্যুতৰ নাটনি থাকিলে বিশ্বশ্ৰেষ্ঠ নিৰ্মাণ কাৰখানাবোৰেই উৎপাদনৰ কাম কৰিব নোৱাৰিব। পৰিবহন আৰু দূৰ সঞ্চাৰৰ বাবে আজিৰ বিশ্ব বিভিন্ন জটিল পদ্ধতিৰ সৈতে সংযুক্ত হৈছে। প্ৰতিটো উৎপাদন কেন্দ্ৰ দেশৰ আন অংশৰ উপৰি গোটেই বিশ্বৰ সৈতে দ্ৰুতভাৱে যুক্ত হ'ব লাগিব। সকলো কথাই সম্ভৱপৰ। বিশ্বাস আছে যে, মানুহে অবিৰত সংগ্ৰাম আৰু সৃষ্টিশীল ক্ষমতাৰ দ্বাৰা উৎকৰ্ষ লাভৰ বাবে যি স্বপ্ন দেখে সেই সকলো ৰূপায়ণ কৰিব পাৰে। ভাৰতৰ সামগ্ৰিক বিকাশৰ বাবে ভাৰতবৰ্ষৰ মানুহে বিশেষকৈ মুঠ জনসংখ্যাৰ পঞ্চাশ শতাংশৰো অধিকসংখ্যক যুৱ সম্প্ৰদায়ে সংঘবদ্ধ প্ৰচেষ্টা হাতত ল'ব লাগিব।

এখন ৰাষ্ট্ৰ হিচাপে ২০২০ বৰ্ষৰ ভিতৰত আমি যি লক্ষ্যত উপনীত হ'ব বিচাৰো সেয়া হ'ল—

— ভাৰতবৰ্ষ এখন উন্নত ৰাষ্ট্ৰ হ'বগৈ।

— ৰাষ্ট্ৰীয় সুৰক্ষাৰ ক্ষেত্ৰত স্বাৱলম্বিতা আৰু বিশ্ব দৰবাৰত অৰ্থনৈতিক শক্তিৰ অন্যতম হ'ব।

— দ্বিতীয় কৃষি বিপ্লৱৰ সফলতাৰ লগে লগে কৃষকৰ বাবে কৃষি খুউব লাভদায়ক হ'ব। ঘৰুৱা আৱশ্যকতা পূৰণ হোৱাৰ উপৰি ব্যাপক হাৰত ৰপ্তানি কৰিব পৰাকৈ ভাৰতৰ খাদ্য সামগ্ৰী ৰাহি হ'ব।

— ভাৰতীয় কৃষি সংসাধন উদ্যোগবোৰ বিশ্বৰ অন্যতম শ্ৰেষ্ঠ উদ্যোগ হিচাপে বিবেচিত হ'ব।


— স্বাস্থ্য আৰু শিক্ষা সেৱাক্ষেত্ৰসমূহ সকলো স্তৰৰ মানুহৰ মাজলৈ যাব।

ভাৰতবৰ্ষৰ যুৱ সম্প্ৰদায়ৰ অদম্য সাহস থাকিব লাগিব। ডেকাশক্তি আমাৰ দেশৰ অন্যতম সম্পদ। তৰুণ প্ৰজন্মৰ প্ৰজ্জ্বলিত মনবোৰ এই ধৰাৰ বুকু, তল-ওপৰ সকলোতে মহান সম্পদ। প্ৰস্ফুলিত হৈ থকা মনবোৰ, বুকুত অদম্য সাহস বান্ধি কাম কৰি গ'লে আমি নিশ্চয় এখন সমৃদ্ধিশালী, সুখ-শান্তিৰে ভৰা নিৰাপদ ভাৰতবৰ্ষ লাভ কৰিমহঁক।

■■

# ‘পথ প্ৰদৰ্শক আত্মা’ গ্ৰন্থখনৰ এক অৱলোকন

দিপ্তী শইকীয়া




ড° এ পি জে আব্দুল কালাম আৰু তেওঁৰ ঘনিষ্ঠ বন্ধু উইংছ অৱ ফায়াৰ (অগ্নিৰ ডেউকা) ৰ সহযোগী লেখক-অধ্যাপক অৰুণ কুমাৰ তেৱাৰীৰ মাজত হোৱা কথোপকথনৰ ৰূপত ৰচিত ‘পথ প্ৰদৰ্শক আত্মা’ গ্ৰন্থখনে জীৱনৰ আধ্যাত্মিক চিন্তন আৰু মননক প্ৰতিফলিত কৰিছে। উক্ত গ্ৰন্থখন নিত্যতা, পথ প্ৰদৰ্শক স্তম্ভ আৰু তত্ত্ববোধ এই তিনিটা খণ্ডত প্ৰকাশ কৰিছে। গ্ৰন্থখনৰ অনুবাদক জন হ’ল সুৰেশ শৰ্মা, গ্ৰন্থখনে মানুহৰ ইতিহাস আৰু কৰ্মৰাজিৰ ব্যাপক পৰিসৰ সাঙুৰি লৈছে।

কালামে গ্ৰন্থখনৰ নিত্যতা খণ্ডত এই পৃথিৱীখন যেন আমাৰ সমস্ত আভ্যন্তৰীণ কাৰ্যকলাপৰ বহিঃ নাট্যৰূপ, এই কথা সুন্দৰকৈ উপস্থাপন কৰিছে। গ্ৰন্থখনত বিশ্বব্ৰহ্মাণ্ড আৰু সংসাৰখন যে একে নহয়, যেনেকৈ বৰ্হিঃ জগতখন নিয়ন্ত্ৰণ কৰা আদিৰ দৰে কিছুমান বিধি বা নিয়ম আছে; ঠিক তেনেদৰে মানুহৰ মনোজগতখন নিয়ন্ত্ৰণ কৰাৰো কিছুমান বিধি আছে। সেই বিধি নিয়মবোৰ পৰ্যবেক্ষণ কৰি থাকিলে মানুহে নিজৰ অভিজ্ঞতাবোৰ বেছি ভালকৈ অনুধাৱন কৰিব পাৰিব।

গ্ৰন্থখনৰ পৰা বুজিব পাৰিছোঁ যে, সংসাৰৰ কোনোটো কাম উদ্দেশ্যবিহীন নহয়। প্ৰতিটো কামৰে এটা লক্ষ্য বা উদ্দেশ্য থাকে। বিশ্বব্ৰহ্মাণ্ডত প্ৰত্যেকজন মানুহৰ একো একোটা যে ভাও আছে সেই কথা বিশ্বাস ৰখাৰ দৰকাৰ বুলি ড° এ পি জে আব্দুল কালামে উক্ত গ্ৰন্থখনত সুন্দৰভাৱে প্ৰকাশ কৰিছে। জীৱ জগতখনত প্ৰত্যেক জন মানুহৰ জীৱনত দুখ-কষ্ট, ক্লেশ বেদনাৰে ভাৰাক্ৰান্ত। নিৰ্বিবোধ সৃষ্টিশীলতাৰে পূৰ্ণ যুৱ প্ৰজন্মক উদ্বুদ্ধ কৰা এই গ্ৰন্থখনে বিশ্বায়নৰ দুয়োটা প্ৰাপ্ত হৈ হাল্লা আৰু পৃথিৱীখনক এখন দ্বন্দৰ মঞ্চ বুলি ভবা নৈৰাশ্যক প্ৰত্যাখ্যান কৰি মানৱতাৰ চূড়ান্ত লক্ষ্য আৰু অভিযানক বিবৃত কৰিছে। সংসাৰৰ দুখ যাতনা আছে সঁচা, কিন্তু আমাৰ চাৰিওফালে প্ৰেম ভালপোৱা সৌন্দৰ্য, আনন্দ আদিও আছে। কালামে পৃথিৱীৰ প্ৰত্যেকজন মানুহক চৌপাশৰ সৌন্দৰ্যৰাশিৰ প্ৰতি চকু ৰাখিবলৈ আহ্বান জনাইছে। যদি চৌপাশৰ সৌন্দৰ্যবোধ আমি চকু বন্ধ কৰি ৰাখো, তেতিয়া স্বাৰ্থগন্ধী সমস্যা বিলাক লৈয়ে ব্যস্ত থাকোঁ, তেতিয়া জীৱনত দুখ পোৱাটো স্বাভাৱিক।

এই সংসাৰখনত মানুহে আহোঁতে লগত কি লৈ আহে? প্ৰত্যেকেই খালী হাতে নাঙঠ অৱস্থাত কান্দি কান্দি ইহ সংসাৰত জনম লয়। এয়াই মানুহৰ সত্বা, মানৱ জীৱনৰ সাৰ সত্বা। তাৰ পাছতেই নাম সম্বন্ধৰ জাল, আশা আকাঙ্খা, দায়-দায়িত্ব, অভীক্ষা, দাবী আদিয়ে সেই সত্বাক বেৰি ধৰে।

কালামে নিত্যতা খণ্ডত প্ৰকাশ কৰিছে যে পবিত্ৰ কোৰাণৰ মতে— “আমি স্বৰ্গ, মত্য আৰু পাতালৰ ওপৰত আধ্যাত্মিক বিশ্বাস স্থাপন কৰিছোঁ। আটায়ে সেই বিশ্বাসৰ পোষণ নামঞ্জুৰ কৰিছিল। আটায়ে ভয় কৰিছিল। কিন্তু মানুহে সেই বিশ্বাস গ্ৰহণ কৰিলে আৰু প্ৰকৃত পক্ষে তাৰ দ্বাৰা তেওঁবিলাক নিজৰ প্ৰতিয়েই অবিবেচক আৰু নিৰ্বোধ হৈছিল”।

কালামে এই গ্ৰন্থখনত আত্মা সম্বন্ধে অতি সুন্দৰ ব্যাখ্যা দাঙি ধৰিছে। প্ৰকৃততে আত্মা শব্দটো মনুষ্য জীৱনৰ বাস্তৱিক অস্তিত্বৰ ব্যাখ্যা সঠিককৈ বিবৃত কৰে। আত্মা অদৃশ্য, দুৰ্বোধ্য আৰু অভেদ্য, ই নিত্য সনাতন, সকলো বস্তুতে আত্মা বিৰাজমান। অস্ত্ৰ-শস্ত্ৰই ইয়াত ছেদন কৰিব নোৱাৰে। জুয়ে পুৰিব নোৱাৰে, পানীয়েও সিক্ত কৰিব নোৱাৰে আৰু বতাহেও ইয়াক শুকুৱাব নোৱাৰে। আত্মা অবিনাশী।

উক্ত গ্ৰন্থখনত কালামে বহুতো শব্দৰ অৰ্থ সমূহ বহল ভাৱে ব্যাখ্যা কৰা দেখা গৈছে। যেনে— পবিত্ৰ কোৰাণ স্বীকৃত মানৱ আত্মা বা মনটোক 'নফছ' বুলি কৈছে, কিন্তু সাম্প্ৰতিক কালত ভাষাত নফছৰ সংজ্ঞা বেলেগ ধৰণৰ যিটো মানৱ প্ৰকৃতিৰ হীন নিকৃষ্টতাৰ, ব্যক্তিকেন্দ্ৰিক আৰু আৱেগ সৰ্বস্ব পাশচদিশবোৰক বুজায়। নফছৰ আন কেইটিমান সমাৰ্থক শব্দ হ'ল— চয়তান, আসক্তি, লোভ, ধনলিপ্সা স্বাৰ্থপৰতা ইত্যাদি।

গ্ৰন্থখনত সুভাষ কাকেৰ প্ৰজ্ঞাসূত্ৰ গ্ৰন্থখনৰ কথা উল্লেখ কৰা হৈছে। প্ৰজ্ঞাসূত্ৰ গ্ৰন্থখনত মানুহৰ জীৱনটোক মৰুভূমি বা অন্তহীন জলৰাশি পাৰ কৰা এক উৰণ বুলি অভিহিত কৰিছে। গ্ৰন্থখনত তেৰাৰীদেৰে কালামক প্ৰশ্ন কৰিছিল যে, জ্ঞানত ভ্ৰমৰ সকলো অভিজ্ঞাতত নিহিত থাকে নেকি? সেই প্ৰশ্নৰ উত্তৰত কালামে কৈছিল যে, ঋষি অষ্টাবক্ৰই কৈছে— "যেনেকৈ আয়না এখন প্ৰতিবিম্বিত হোৱা প্ৰতিচ্ছবিতকৈ ভিন্ন ঠিক তেনেকৈ পৰমেশ্বৰো মানৱ দেহৰ পৰা ভিন্ন অভিন্ন দুয়োটা ৰূপতে বিৰাজ কৰি থাকে"।

গ্ৰন্থখনত কালামে সত্যৰ সংজ্ঞাত প্ৰকাশ কৰিছে। তেওঁ সত্যৰ সংজ্ঞাৰ ক্ষেত্ৰত জাৰ্মান দাৰ্শনিক নীৎসেৰ কথা উল্লেখ কৰিছে। তেওঁ কৈছে যে- সত্য তপস্বী বিলাকৰ অনুশাসন ৰহস্যবাদী সকলৰ পিপাসা, সহজ-সৰল বিলাকৰ বিশ্বাস, দুৰ্বল লোকৰ মুক্তিপণ, সজ্জনৰ মানদণ্ড, বিনয়ী আৰু নম্ৰসকলৰ মতবাদ আৰু পৰিপক্ক সকলৰ বাবে প্ৰত্যাহ্বান। তেওঁলোকৰ বাৰ্তালাপৰ যোগেদি ২০০০ চনৰ ১৫ অক্টোবৰ দিনাখন কালামৰ ৭২ তম্ জন্মদিন এই কথাও তেৰাৰীদেৰে গ্ৰন্থখনত উল্লেখ কৰিছে।

নিত্যতা খণ্ডত কালামে জ্ঞান সম্বন্ধে কৈছে যে, মানুহৰ জ্ঞান অসীম। আমাৰ বেছিভাগ লোকে বহুত জ্ঞানৰ গৰাকী বুলি ধাৰণ কৰে। কিন্তু সেই জ্ঞান কিমান আধৰুৱা, সেই কথা তেওঁলোকে জীৱনৰ শেষৰ ফালেহে উপলব্ধি কৰিব পাৰে। কালামে গ্ৰন্থখনৰ যোগেদিহে বৰ্তমান নতুন প্ৰজন্মক বুজাইছে যে, পৃথিৱীত সোৰোপা মানুহ এজনক ক্ষমা কৰি দিবা, কিন্তু দুষ্টক কেতিয়াও ক্ষমা কৰিব নালাগে। প্ৰতিশোধ লোৱাটো মূৰ্খামি। নীৰৱে অৱলোকন আৰু চিন্তন মনন কৰিব পৰা এজন সাধাৰণ সাংসাৰিক মানুহ হোৱাটোহে মঙ্গলজনক।

উক্ত গ্ৰন্থখনত কালামে তেওঁৰ নামটোৰ সম্পৰ্কে অৱগত কৰি কৈছে যে- এ পি জে আব্দুল কালাম ইয়াৰে এ পি জে বৰ্ণকেইটা তেওঁৰ আনুবংশিক ক্ৰমত সূচীত কৰিছে। আবুল মোৰ আজোককা। পকীৰ আছিল মোৰ ককাদেউতা। জয়ন লাবদীন মোৰ পিতৃ। মই এই বংশলতিকাৰ অনুক্ৰম।

'দ্য ল অৱ ছাকচেছ' নামৰ গ্ৰন্থখনত নেপোলিয়নে বুজাইছে যে এজন ৰজাৰ ৰাজকাৰেংটোৰ চাৰিবেৰৰ মাজত যদি সুখ বা সমন্বয়, শান্তি বিৰাজ নকৰে তেনেহলে সেই কাৰেং এজন দৰিদ্ৰ কৃষকৰ জুপুৰি বা পজাৰ নিচিনা হয়।

পাইথাগোৰাছে কৈছিল যে পৃথিৱীত তিনি ধৰণৰ মানুহ আছে। যিবিলাকে কেৱল বেচা কিনা কৰিবলৈকে আহিছে তেওঁ বিলাক আটাইতকৈ নিম্নস্তৰৰ লোক। তেওঁলোকৰ ওপৰৰ শ্ৰেণীটোৱে প্ৰতিযোগিতা কৰিবলৈ আহিছে। আনহাতে যিয়ে কেৱল অৱলোকন বা নিৰীক্ষণ কৰিবলৈ আহিছে। তেওঁলোক শ্ৰেষ্ঠ লোক।

নিত্যতা খণ্ডত কালামে শেষত কৈছে যে, বিচ্ছিন্ন অংশবোৰ আমি জোৰাব লাগিব। ভুলৰ প্ৰতিবিধান কৰক, সকলোলৈকে সহায়ৰ হাত আগবঢ়াওক আৰু কাকো আহত নকৰিব।

গ্ৰন্থখনৰ দ্বিতীয় খণ্ডটো হ'ল পথ প্ৰদৰ্শক স্তম্ভ। এই খণ্ডটোত প্ৰথমে কালামে মানুহক এই অসীম বিশ্বৰ সৈতে সম্পৰ্কিত কৰি দিয়ে স্থান কাল আৰু ব্যক্তিত্ব। দেহৰ বাবে কোষ এটা যেনেকুৱা সমাজৰ বাবে ব্যক্তি এজনো ঠিক তেনেকুৱা। গ্ৰন্থখনিত মানৱতাৰ পথ প্ৰদৰ্শক স্তম্ভৰূপ আন এগৰাকী মহান ব্যক্তিৰ কথাও উল্লেখ কৰিছে। তেওঁ হ'ল সন্ত কবি তিৰুবল্লুৱৰ। তেওঁ কাপোৰ বৈ জীৱিকা অৰ্জন কৰিছিল। আৰু তপস্বীৰ জীৱন যাপন কৰিছিল।

উক্ত খণ্ডটিত কালামে অশোকৰ বিষয়ে বৰ্ণনা কৰিছে। বিপদ বিঘিনিৰ সময়ত যিয়ে শান্ত মনেৰে পৰিস্থিতিৰ

মুখামুখি হয় তেনে লোকে মনৰ তাপ দূৰ কৰি শান্তি লাভ কৰে। গ্ৰন্থখনিৰ যোগেদি কালামে ভাৰতৰ মহান চিন্তাবিদ আৰু দাৰ্শনিকৰ বিষয়ে উল্লেখ কৰিছে। ভাৰতীয় বিজ্ঞানী সকলৰ মাজত আৰ্যভট্টক কালামে অগ্ৰণী বুলি প্ৰকাশ কৰিছে। তেওঁ সমগ্ৰ পৃথিৱীক ০ সংখ্যাটো দি গৈছে।

আৰ্যভট্টই পাইৰ শুদ্ধ মান দিছিল এই কথা আৰ্যভট্টয়ে তেওঁ লিখিছে যে— এশৰ লগত চাৰি যোগ কৰা তাক আঠেৰে পূৰণ কৰা। তাৰ পাছত তাক ৬২,০০০ লগত যোগ কৰা। ইয়াৰ ফল হ'ব ২০,০০০ ব্যাসৰ বৃত্ত এটাৰ পৰিধি সমান। পাইৰ মান ৩.১৪১৬। গ্ৰন্থখনত ভাৰতৰ প্ৰথম উপগ্ৰটোযে আৰ্যভট্ট এই কথাও কালামে প্ৰকাশ কৰিছে।

গ্ৰন্থখনত কালামে গুৰু নানাকদেৱৰ কথা উল্লেখ কৰিছে। নানকদেৱে কেৱল মানুহ মাত্ৰৰে সমানতা ঘোষণা কৰা নাছিল। তেওঁৰ মতে জীৱনটো বোজা নহয়, বৰং এটা সুযোগ বা বিশেষাধিকাৰ। সৎ মহান, সত্যনিষ্ঠ জীৱন তাতোকৈও মহান। তেওঁৰ এই চিন্তাধাৰাই আব্দুল কালামক বেছি প্ৰভাৱিত কৰিছিল।

কালামে গ্ৰন্থখনত কৈছে যে অহং ভাবৰ বিকাশেই যে আত্মাৰ বিকাশ হ'ব লাগিব সেইটো নহয়। মূল তত্ত্বৰ আৱিষ্কাৰ আৰু অখণ্ডতাই অন্তৰৰ সৈতে আত্মাক সহজাত প্ৰবৃত্তিৰ পৰা ঘাইকৈ যুক্তি আৰু দয়া মমতাচালিত অৱস্থালৈ ৰূপান্তৰিত কৰে। সততা মূলতত্ত্বৰ মৌলিক বা অপৰিহাৰ্য লক্ষণ। ই এক সময়বিহীন সম্ভাৱনীয়তা, যি নিজকে যিকোনো সময় আৰু যিকোনো ঠাইত প্ৰকট কৰিব পাৰে। ই কলংকবিহীন দুৰ্নীতিমুক্ত আৰু অবিনাশী সততা। সংসাৰত সততা আছে কিন্তু পৃথিৱীৰ পৃথক বা বিচ্ছিন্ন আৰু মূৰ্ত আকাৰত নাই।

মূলতত্ত্ব বা প্ৰকৃতিৰ স্নিগ্ধ আৰু সুষমামণ্ডিত লক্ষণ আৰু বৈশিষ্ট্যই বাস্তৱিকতে ইয়াৰ সংৰচনা আৰু পৰিচিতত স্থাপিত নফছৰ দ্বাৰা নিয়ন্ত্ৰিত স্থিতি আৰু ম্যাতাক প্ৰত্যাহ্বান জনায়। ভ্ৰম বা ভ্ৰান্তি আঁতৰ কৰাটোৱেই সত্যতা। আমাৰ নিজৰ ঘৰ আৰু কৰ্মস্থলৰ আৰাম বা সুখৰ মাজত থাকি গাঁও বা চহৰৰ বস্তি অঞ্চলৰ ভয়ানক দুখ কষ্টও বৰ নিলগৰ বিমূৰ্ত আৰু অবাস্তৱ যেন লাগিব।

সৃষ্টি আৰু বিনাশ এক নিৰন্তৰ প্ৰক্ৰিয়া, যাৰ মাধ্যমত প্ৰতিটো বস্তু বিৰাজমান। এই বিশ্বব্ৰহ্মাণ্ডখন কেতিয়াও বৃদ্ধ নহয়, ই সদায় নতুন, কাৰণ প্ৰতি মুহূৰ্ততেই নৱীকৃত হৈয়েই থাকে। ই সমগ্ৰ বস্তুকে সামৰি লয়। ই জড় পদাৰ্থ আৰু জীৱন্ত দুয়োবিধকে সামৰি লয়। বিশ্বব্ৰহ্মাণ্ডই সকলো প্ৰকাৰৰ চিন্তা ভাৱনা প্ৰতিচ্ছবি, স্মৃতি, অনুভৱ, সংবেদনা আৰু প্ৰাণীৰ সকলো স্তৰৰ সংঘটন আদিকো সামৰি লয়।

মানুহে মূল তত্ত্বক আয়ত্ত্ব কৰিবলৈ গ্ৰন্থখনিত কালামে আহ্বান জনাইছে। গ্ৰন্থখনিৰ শেতে তেৱাঁৰীদেৱে এতিয়াও আমাৰ দেশত শান্তি কিয় মৰীচিকা হৈ আছে? বুলি প্ৰশ্ন কৰিছিল। তাৰ উত্তৰত তেওঁ কৈছে যে- নিজৰ মনক নিয়ন্ত্ৰিত কৰিব পাৰিলে মানুহে সমগ্ৰ পৃথিৱী শাসন কৰিব পাৰিব। ক'বলৈ গ'লে সূৰ্যই যেতিয়া নিজক নিয়ন্ত্ৰিত কৰে তেতিয়াহে ই উজ্জ্বল পোহৰৰ শক্তিশালী উৎস হৈছিল। আমাৰ দেৱদূত আছে জন্ম জানোৱাৰ আছে, আৰু এক নিযুত দুৰ্বিনীত সংগ্ৰামী মানৱ সন্তান। এই মানুহখিনিয়ে যেতিয়া দৰিদ্ৰতাৰ ওচৰত হাঁৰ নামানি নিজৰ অস্তিত্বক সন্মান কৰিব ধৰিব তেতিয়া আমাৰ দেশ ভাৰতবৰ্ষই সকলোকে অতিক্ৰমি যাব।

'পথ-প্ৰদৰ্শক আত্মা' গ্ৰন্থখনিৰ যোগেদি পৃথিৱীৰ প্ৰত্যেকজন মানুহে জীৱনত বহুত প্ৰশ্নৰ উত্তৰ লাভ কৰিছে। মই কি হ'ব পাৰোঁ বা কি হোৱা উচিত? মোৰ জীৱনটো কিদৰে সুখী আৰু সাৰ্থক হ'ব? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ দিয়াৰ প্ৰয়াস কৰিছে উক্ত গ্ৰন্থখনে। সমাজৰ প্ৰতিজন ব্যক্তিৰ বাবে এইগ্ৰন্থখন উত্তম নিৰ্দশন। এই গ্ৰন্থখন পঢ়ি প্ৰতিজন পঢুৱৈৰ জীৱনৰ উদ্দেশ্যে সলনি হ'ব।